# ডিব্ৰুয়ান

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ
বাৰ্ষিক মুখপত্ৰ

**পঞ্চদশ সংখ্যা**
১৯৯১-৯২

180

সম্পাদনাত ঃ
**চন্দন কুমাৰ সোনোৱাল**

# " ডিব্ৰুয়ান "

## ১৯৯১ - ৯২


**সম্পাদনা সমিতি**

- **উপদেষ্টা ঃ -**
  অধ্যাপক — দেউ নাৰায়ণ মণ্ডল
  অধ্যাপক — চন্দ্ৰগুপ্ত বৰা
  অধ্যাপক — বীৰেণ বৰুৱা
  অধ্যাপক — মহেশ কুমাৰ জৈন
- **সম্পাদক ঃ—**
  চন্দন কুমাৰ সোনোৱাল
- **সদস্য ঃ—**
  মনোৰঞ্জন বৰ্মন
  নয়নজ্যোতি হুৰৰা
  ননীমেষ কমল ফুকন
  প্ৰসন্ন চেতিয়া
- **সদস্যা ঃ—**
  ৰানু ৰাভা

**সম্পাদনা কাৰ্য্যকৰী মঞ্চ**

- **প্ৰচ্ছদপট আৰু অন্তৰ্ভাগ ( স্কেচ)**
  **অলংকৰণ—**
  মনোৰঞ্জন বৰ্মন
- **পৰিকল্পনা আৰু ব্যৱস্থাপনাত**
  চন্দন কুমাৰ সোনোৱাল
  মনোৰঞ্জন বৰ্মণ
  নয়নজ্যোতি হুৰৰা
- **সহযোগত ঃ -**
  অধ্যাপক — প্ৰদীপ চেতিয়া ফুকন

- মুদ্ৰক ঃ -
  **মনপুৰ প্ৰেছ**
  ক'ল ৰ'ড
  ডিব্ৰুগড় — ৭৮৬০০১
  দুৰভাষ — ২০৬৭৫

- **প্ৰকাশক ঃ -**
  ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা


# কৃতজ্ঞতাৰ বৰ শৰাই


- ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ গগৈ
- অসম সাহিত্য সভাৰ সভাপতি — লক্ষ্যধৰ চৌধুৰী
- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য - ডঃ মুকুন্দ মাধৱ শৰ্মা
- অৱসৰ প্ৰাপ্ত অধ্যাপক, লক্ষ্মীনাথ বেজবৰুৱা আসন, ডিঃ বিঃৰ ড° মহেন্দ্ৰ বৰা
- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড°কৰবী ডেকা হাজৰিকা ।
- অধ্যাপক প্ৰদীপ চেতিয়া ফুকন
- " দেউ নাৰায়ণ মণ্ডল ( উপদেষ্টা ১৯৯১ - ৯২ )
  " চন্দ্ৰগুপ্ত বৰা ( " )
  " বীৰেণ বৰুৱা ( " )
  " মহেশ কুমাৰ জৈন ( " )
- যি সকল ছাত্ৰ - ছাত্ৰী আৰু অধ্যাপক - কৰ্ম্মচাৰীয়ে তেওঁলোকৰ লিখনিৰে " ডিব্ৰুয়ান " খনিৰ সৌষ্ঠৱ বৃদ্ধি কৰাত অবিহনা যোগালে ।
- মহবিদ্যালয়ৰ গ্ৰন্থাগাৰিক শ্ৰীনন্দেশ্বৰ ফুকন
  মহাবিদ্যালয়ৰ গাণনিক শ্ৰীগনেশ বৰঠাকুৰ
- কাৰ্য্যালয় সহকাৰী শ্ৰীবীৰেণ ভট্টাচাৰ্য্য
  মুখ্য সহায়ক ,, ইনামুল হুচেইন
- কাৰ্য্যকালৰ আৰম্ভণিৰ পৰা অন্তিম মুহূৰ্তলৈকে ছাঁৰ দৰে লাগি সহায় কৰা বন্ধু সৰ্বশ্ৰী — মনোৰঞ্জন বৰ্মন আৰু নয়নজ্যোতি হুৰৰালৈ ।
- অন্যান্য দিশত দিহা পৰামৰ্শ আৰু সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ লগতে বন্ধু সৰ্ব্বশ্ৰী প্ৰসন্ন চেতিয়া, গৌতম ৰাজকোঁৱৰ, ভক্ত হাজৰিকা, হিমাদিত্য বড়া, দিব্যজ্যোতি পেগু ।
  ভাতৃসম — ননীমেষ কমল ফুকন, নৰজ্যোতি নেওঁগ, সঞ্জীৱ বড়া, সঞ্জীৱ গগৈ ।
  ভগ্নীসম — মাধৱী শইকীয়া, ৰুবি গগৈ, শিখা বৰা, বন্তি শইকীয়া, বন্তি সোণোৱাল, জুৰি বৰপাত্ৰ গোহাঁই, ৰাণু ৰাভা, জুলি শইকীয়া, তনুজা শইকীয়া আৰু
- মনপুৰ প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীজীৱেশ্বৰ হাজৰিকা আৰু প্ৰেছৰ সমূহ কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতাৰ বৰ শৰাই নিবেদিলো । — সম্পাদক " ডিব্ৰুয়ান " ।

# উছৰ্গা



যুগে যুগে যি সকল মহাত্মাই তমসাচ্ছন্ন পৃথিৱীত জ্ঞানৰ শলিতা জ্বলাই আলোকিত কৰিবলৈ নিৰলস প্ৰচেষ্টা চলাই আহিছে, যি সকলে অবিদ্যা অমানিশাৰ মাজেদি বাস্তৱ সত্তাক উপলব্ধি কৰি শান্তি, প্ৰেম আৰু সাম্যৰ বাণীৰে তাপিত আৰু পতিত সকলক উদ্ধাৰ কৰি জীৱনক অৰ্থপূৰ্ণ কৰি তুলিছে, সেই সকল অমৃত সন্তানৰ কৰ কমলত এই সংখ্যাৰ ভিব্ৰুয়ান উছৰ্গা কৰিলো।

# শ্ৰদ্ধাঞ্জলি



"আই তোৰ আঁচলত অতবোৰ ৰঙা গোলাপৰ কলি
আলফুলকৈ ললি শত শ্বহীদৰ বুকুৰ বিমল হাঁহি"

জীৱনৰ কৰ্মময় পথাৰত যি সকলে মানৱ জাতিৰ বাবে স্বকীয় গৰিমাৰে অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা আঁতৰি গ'ল, সেই সকল শিল্পী, কবি, সাহিত্যক, শিক্ষক, সাংবাদিক, গীতিকাৰৰ প্ৰতি আৰু অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয় অস্তিত্বৰ হকে ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হোৱা জাতীয় শ্বহীদ সকল আৰু যি সকলে স্বদেশ আৰু স্বজাতিৰ বাবে নিজৰ জীৱন আহুতি দিলে আৰু যি সকলৰ আত্ম বলিদানেৰে আজিৰ নতুন প্ৰভাত, যিসকল আজীৱন পংগু হৈ ৰ'ল, চিৰবৰেণ্য, সেই সকল পুণ্যাত্মালৈ আমাৰ হৃদয়ৰ গভীৰ শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাৰ্ঘ নিবেদিলো।

# অশ্ৰু অঞ্জলি



" সোঁৱৰণী মোৰ, সেয়ে হওঁক তোৰ বাণী
শৰাইঁ ভৰাই দিলোঁ ফুল আৰু চকুপানী । "

নিয়তিৰ নিষ্ঠুৰ ইংগিতত পথ দুৰ্ঘটনাত অকালতে আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই যোৱা বন্ধু মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বাৰ্ষিকৰ ( বাণিজ্য ) ছাত্ৰ ৺অনিল গোহাঁই, ভৰ যৌৱনতে মৃত্যুৰ হিমশীতল কোলাত শুই পৰা মহাবিদ্যালয় ছাত্ৰ ৺ৰাজেন গগৈ আৰু ৰোগাক্ৰান্ত হৈ জীৱনৰ দুপৰ বেলাতে মৰণক সাৱটি লোৱা ছাত্ৰ ৺শৈলেন কুমাৰ চেতিয়া লৈ আমাৰ অশ্ৰুসিক্ত পুষ্পাৰ্ঘ তৰ্পণ কৰিলোঁ ।


## অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন : যোৰহাট ৭৮৫০০১ : ফোন : ৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় : ভগৱতীপ্ৰসাদ বৰুৱা ভৱন : গুৱাহাটী ৭৮১০০১ : ফোন : ৩৪৩২১
ডিফু কাৰ্যালয় : ৰাংছিনা ভৱন : ডিফু ৭৮২৪৬০ : ফোন : ২৫৯০

শ্ৰীলক্ষ্যধৰ চৌধুৰী
সভাপতি






## শুভেচ্ছা বাণী

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত এই মহাবিদ্যালয়ৰ আলোচনী খনৰ ইয়াৰ পঞ্চদশ সংখ্যাটি প্ৰকাশৰ প্ৰস্তুতি কৰিছে বুলি শুনি অতিশয় আনন্দিত হলোঁ ।

এই আলোচনীৰ পাতত ছাত্ৰ-ছাত্ৰী সকলৰ লিখা পঢ়িবলৈ আমি আগ্ৰহেৰে বাট চাই ৰলোঁ ।

আলোচনী খনিয়ে যাতে সকলো দিশতে সাফল্য লাভ কৰে তাকেই কামনা কৰিলোঁ ।

লক্ষ্যধৰ চৌধুৰী
১. ১২. ৯২

শ্ৰীচন্দন কুমাৰ সোনোৱাল
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা
ডিব্ৰুগড় ।


ব্যক্তিগত ঠিকনা : আমবাৰী, গুৱাহাটী ৭৮১০০১ : ফোন নং : ২৬১০১

## শুভেচ্ছা বাণী

**MUKUNDA MADHAVA SHARMA**
M. A., PH. D., D. LITT (CAL). KAVYATIRTHA
Vice-Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH 786004
ASSAM : INDIA
PHONE { (O) - 70239
(R) - 70203



প্ৰতি

শ্ৰীচন্দন কুমাৰ সোনোৱাল
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয়
ডিব্ৰুগড়

স্নেহাস্পদেষু,

"ডিব্ৰুয়ান"ৰ পঞ্চদশ সংখ্যাটো তোমাৰ সম্পাদনাত প্ৰকাশিত হ'ব বুলি জানিবলৈ পাই এই গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰা বাবে তোমালৈ অভিনন্দন জনাইছো।

"ডিব্ৰুয়ান" ৰ এই সংখ্যাটো যাতে সৰ্বাংগ সুন্দৰ হৈ প্ৰকাশিত হয় আৰু সুৰুচিপূৰ্ণ সাহিত্য আৰু সজ চিন্তাৰে ভৰপূৰ হৈ ওলায় তাৰ বাবে মোৰ শুভেচ্ছা জনালো।

তোমালোকৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সস্নেহ শুভেচ্ছাৰে।

ইতি

মুকুন্দ মাধৱ শৰ্ম্মা
৮।১১।৯২

## অভিনন্দন



মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ
শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ দেৱ।

প্ৰাক্তন অধ্যক্ষ আৰু উপাধ্যক্ষদ্বয়,
যি দুজনাৰ কালহীন প্ৰচেষ্টাৰ নামান্তৰ
"ডিব্ৰু মহাবিদ্যালয়" ।



প্ৰতিষ্ঠাপক অধ্যক্ষ
শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ
( ১৯৬৩ - ১৯৯২ )



প্ৰতিষ্ঠাপক উপাধ্যক্ষ
শ্ৰীযুত নন্দলাল বৰগোহাঁই
( ১৯৬৩ - ১৯৯২ )

## সম্পাদনা সমিতি



বীৰেণ বৰুৱা
উপদেষ্টা



চন্দন কুমাৰ সোনোৱাল
( সম্পাদক )



ৰাণু ৰাভা
সদস্যা



মহেশ কুমাৰ জৈন
উপদেষ্টা



নয়ন জ্যোতি দুৱৰা
সদস্য



ননিমেষ কমল ফুকন
সদস্য



চন্দ্ৰগুপ্ত বৰা
উপদেষ্টা



মনোৰঞ্জন বৰ্ম্মণ
সদস্য



প্ৰসন্ন চেতিয়া
সদস্য



দেও নাৰায়ণ মণ্ডল, উপদেষ্টা

# শিক্ষক-শিক্ষয়িত্ৰী গোটৰ একাংশ



# কৰ্ম্মচাৰী গোটৰ একাংশ



# ঃ এই সংখ্যাৰ অৱতৰণিকা ঃ


*সম্পাদকীয় ঃ—*

***প্ৰৱন্ধ বিথিকা ঃ—***

সাম্প্ৰতিক অসমীয়া কবিতা,
দুৰ্বোধ্যতা আৰু পাঠকৰ সমস্যা — ৰবীন চেতিয়া / ১
নলিনীবালা দেৱী আৰু মহাদেৱী ভাৰ্মা — ড° সত্যদেৱ প্ৰসাদ / ৩
মাদক দ্ৰব্যৰ প্ৰতি আসক্তি — বিশ্ব কেওঁট / ৬
শব্দ প্ৰদূষণৰ ভয়াবহতা - স্বস্তিকা শৰ্ম্মা / ৮
কম্পিউটাৰ বিজ্ঞান আৰু ইয়াৰ প্ৰভাৱ — জয়ন্ত মাধৱ বৰা / ১০
২০২০ চনৰ এটা পৰিবেশ — মুজিবুৰ ৰহমান / ১২
ৰাজ্যিক পৰ্য্যায়ৰ ফুটবল আৰু হকীত মোৰ অভিজ্ঞতা — প্ৰণৱ বৰুৱা / ১৪
বৈদিক যুগত ভাৰতত গণিত চৰ্চ্চা — প্ৰদীপ কুমাৰ চেতিয়া ফুকন / ১৬
সাম্প্ৰতিক কালত মিছিং সমাজ - চন্দন কুমাৰ কুলি / ১৯
পদ্মনাথ গোহাঞি বৰুৱাৰ কাব্য প্ৰতিভা — কল্যাণ কুমাৰ মিলি / ২১

***কবিতাঃ—***

হয় যদি কবিতা — সোণমনি দাস / ২৫
শিল ভাঙতী ( অনুবাদ ) — ড° সত্যদেৱ প্ৰসাদ / ২৫
কবিৰ অঙ্গীকাৰ — দীনেশ দলে / ২৬
কালৰ পিঞ্জৰা — অচ্যুত শইকীয়া / ২৬
হিমে ঢকা প্ৰশান্তি — গিৰীণ কুমাৰ লাহন / ২৭
কৱিতাৰ এখিলা পাত — মঞ্জিল সোনোৱাল / ২৮
যান্ত্ৰনা — বাবুল চন্দ্ৰ সোনোৱাল / ২৮
শান্তিৰ প্ৰস্তাব — বিকাশ গগৈ / ২৯
এটি স্বপ্নময় কবিতা - দয়ানন্দ বৰগোহাঁই / ৩০
চিনাকী নদী — দেবানন্দ গগৈ / ৩১
জীৱনৰ ৰোমন্থন — বিমান চন্দ্ৰ গগৈ / ৩১
মানস প্ৰতিমা ( কথা কবিতা ) — পংকজ হাজৰিকা / ৩২
আগমণ — বিপুল চেতিয়া / ৩৩
ক্ষণ — সৰ্ব্বেশ্বৰ বৰগোহাঁই / ৩৩
প্ৰত্যাহ্বান — হাস্না সোনোৱাল / ৩৪
বন্ধুত্ব — প্ৰশান্ত ভড়ালী / ৩৪

এটি কবিতাৰ মৃত্যুত — বিমান চন্দ্ৰ গগৈ / ৩৫
নিজলৈ এফাঁকি গীত — ৰজনী কান্ত গগৈ / ৩৫
আহ্বান — জয়ন্ত মাধৱ বৰা / ৩৬

**গল্প গুচ্ছ ঃ**
বনফুল — বিপুল চেতিয়া / ৩৭
লোকেল — মনোৰঞ্জন বৰ্মন / ৪১
প্ৰত্যাশা — কুমাৰ লীলা উপাধ্যায় / ৪৪
কল্পনা বাস্তব নহয় — দেবানন্দ গগৈ / ৪৭
ভূপেন্দ্ৰ সংগীতেৰে — ৰজনী কান্ত গগৈ / ৫১
**সাঁথৰ আৰু শ্বেৰ - শ্বায়েৰী** / ৫৪
**প্ৰাচীৰ পত্ৰিকা " জাগ্ৰত "ৰ শিতান**

**কবিতা ঃ**
দুটি স্তবক — মনোৰঞ্জন বৰ্মন / ৫৬
শৃগাল — ভদ্ৰকান্ত সোনোৱাল / ৫৬
কিয় ? কাৰ বাবে ? — ডালীম বৰগোহাঁই / ৫৭
তিনিটা স্কেচ — সুভাষ চন্দ্ৰ কাৰ্দ্দং / ৫৭
শেষ সীমা বিছাৰি — চন্দন কুমাৰ সোনোৱাল / ৫৮

**অন্যান্য**
মই জাগ্ৰতে কৈছো — মনোৰঞ্জন বৰ্মন / ৫৯
তুমি কোন কলেজত পঢ়া ? — স্বস্তিকা শৰ্ম্মা / ৬০
**কুইজ ?** / ৬২
কুইজৰ উত্তৰ সমূহ / ৬৩
**দৃষ্টিপাত, কথোপকথন আৰু মত অভিমত** / ৬৪
**বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন** ৭৬ - ৮৮


# সম্পাদকৰ মেজৰ পৰা এটি চিন্তা



**বহুজন ন লেখাৰুৰ অপৈনত লেখাই ক্ৰমে পৈনতাৰ পৰশ লভিছে ইয়াৰ জৰিয়তে। সেয়েহে ইয়াক ব্যৱসায়িক আলোচনীৰ লগত তুলনা কৰি মানদণ্ড বিচাৰ কৰিবলৈ যোৱাটো তেনেই অযুক্তিকৰ হ'ব ।**

△ △ △ △

*আজি কোৱা হয়, উশৃংখল যুৱ মানসিকতা, বিধস্ত শিক্ষানীতি, নাৰী স্বাধীনতা ইত্যাদি ইত্যাদিৰ কথা । মুঠতে আমি পৰম্পৰক দুখ দি ভালপাওঁ । নিজৰ গাত কিমান মলি আছে তাক চোৱাৰ ইচ্ছা কোনো দিনেই নকৰো ।*

শিক্ষা আৰু সাহিত্য উভয়ৰে মাজত নিবিড় সম্বন্ধ আছে । আমাৰ মানসিক উৎকৰ্ষ সাধনৰ কাৰণে পাঠ্য-পুথিৰ বাহিৰেও সাহিত্য চৰ্চ্চাৰ নিতান্ত প্ৰয়োজন । সকলোৰে অন্তৰত সাহিত্যৰ অনুভূতি থকাতো স্বাভাৱিক । কিন্তু বিকাশ সাধনৰ কাৰণে সুযোগ সুবিধা পোৱাটোহে কঠিন । আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো বহুতৰে সাহিত্যৰ প্ৰতি প্ৰৱল ধাউতি আছে । মহাবিদ্যালয়ৰ আলোচনী সমূহে এই বিষয়ত ছাত্ৰ-ছাত্ৰী সকলক যথেষ্ট সুবিধা আৰু অনুপ্ৰেৰণা যোগায় ।

" ডিব্ৰুয়ান " য'ত প্ৰতিফলিত হয় মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মনৰ ভাৱনা, সাহিত্যিক চিন্তা চৰ্চা । মহাবিদ্যালয়ৰ - ন - সাহিত্যিকৰ নতুন চৰ্চ্চাৰ ক্ষেত্ৰ এই " ডিব্ৰুয়ান " । ইয়াৰ বুকুতেই মুখ গুজি নতুন প্ৰতিভা বিকশিত হ'ব ধৰিছে সাহিত্যৰ পথাৰত । মই জানো জীৱনত কোনো কালে গল্প-সাহিত্য কৰি নোপোৱা ছাত্ৰ - ছাত্ৰীয়ে ইয়াতেই হাবি ভাঙিছে আৰু চহ কৰিছে সাহিত্যৰ পলসুৱা পথাৰ । ভিন্ন চিন্তাধাৰাৰে পৰিপুষ্ট ছাত্ৰ-ছাত্ৰী সকলৰ বিবেকত উদ্ৰেক হোৱা নানা ধৰণৰ চিন্তাধাৰাৰ আৰু ধ্যান ধাৰনাৰ প্ৰতিফলন ঘটোৱাত ইয়াৰ ভূমিকা লেখত ল'ব-লগীয়া । বহুজন ন লেখাৰুৰ অপৈনত লেখাই ক্ৰমে পৈনতাৰ পৰশ লভিছে ইয়াৰ জৰিয়তে । সেয়েহে ইয়াক ব্যৱসায়িক আলোচনীৰ লগত তুলনা কৰি মানদণ্ড বিচাৰ কৰিবলৈ যোৱাটো তেনেই অযুক্তিকৰ হ'ব । এটা বিষয় বাচি লৈছে, ....... আৰু তাৰ ব্যাখ্যাবোৰৰ নিয়ম হয়তো নিজে নিজে আহি গৈছে । মহাবিদ্যালয় পৰ্য্যায়ৰ দৰে অপৈনত হাতৰ দৃষ্টিত ইয়াতকৈ বেছি আশা কৰা উচিত হ'বনে ? পাঠক সকলে কেৱল এইটোৱেই লক্ষ্য কৰিব লাগিব যে নিৰ্ব্বাচিত বিষয়ৰ সতে লেখকৰ স্বাভাৱিক আবেগ জড়িত হৈ আছে নে নাই, বস্তুজগতৰ লগত ভাৱজগতৰ অনুভূতিৰ প্ৰকৃত মিলন হৈছে নে নাই । এই কেইজন লেখকৰ সকলতা-বিফলতাৰ বিচাৰ এনেকৈ কৰাই চাগৈ সমীচিন হ'ব । — অনুভৱ হয় মহাবিদ্যালয়খনৰ বুকুত সাহিত্য আকাশৰ একো-একোটি জ্যোতিক লুকাই আছে । তেওঁলোকে যেন অনতিপলমে আত্ম-প্ৰকাশ কৰিব আমাৰ মাজত, জন-মানসত । " ডিব্ৰুয়ান " খনি তেনেই চালুকীয়া হলেও মই ভাবোঁ ভৱিষ্যতে ই অসমৰ বিভিন্ন প্ৰান্তৰৰ অসংখ্য আলোচনীৰ লগত ফেৰ মাৰিব পাৰিব ।

**সাম্প্ৰতিক পৰিস্থিতিত আমাৰ চিন্তা**

আজি বৰকৈ মনলৈ আহিছে ল'ৰালিৰ কালছোৱালৈ । তেতিয়া আমাৰ দিনবোৰ কিমানযে মধুৰ আছিল, সদায়েই সুন্দৰৰ সপোন দেখিছিলো, লাহে লাহে ডাঙৰ হৈ আহি ভৰি দিলোহি মহাবিদ্যালয়ত । অনুভৱ কৰিলো এক নতুন আমেজ । কিন্তু কিয় জানো আমাৰ চাৰিওফালৰ পৰিবেশত কিছুমান বিষাক্ত কণিকা উৰি ফুৰা দেখিবলৈ পালো । আজি দেখিছো সুন্দৰ পৃথিৱীত অসুন্দৰৰ খেলা চলিছে । আগতে সমাজৰ কুৎচ ৰূপবোৰ আমাৰ চকুত ধৰা পৰা নাছিল, আজি কিছু অভিজ্ঞতাই সেইবোৰৰ ৰূপ উদঙাই দেখুৱাইছে ।

আজি আমি মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে এশএবুৰি সমস্যাত ভূগিছো । কি শৈক্ষিক, কি মানসিক, কি অৰ্থনৈতিক সকলোতে আমি

ব্যাধিগ্ৰস্ত। আজি কোৱা হয়, উশৃংখল যুৱ মানসিকতা, বিধস্ত শিক্ষা-নীতি, নাড়ী স্বাধীনতা ইত্যাদি ইত্যাদিৰ কথা। মুঠতে আমি পৰস্পৰক দুখ দি ভালপাওঁ। নিজৰ গাত কিমান মলি আছে তাক চোৱাৰ ইচ্ছা কোনো দিনেই নকৰো। আমাৰ শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে। শিক্ষক-ছাত্ৰৰ মধুৰ সম্বন্ধত যেন ঘূনে ধৰিছে। কিছুমান ছাত্ৰই এই সম্বন্ধ ৰাখিব বিচাৰিলেও যেন শিক্ষক আৰু ছাত্ৰৰ দূৰত্বটো বাঢ়িহে গৈছে। কিছুমান শিক্ষকে ছাত্ৰৰ অমায়িক বিহীনতাৰ বাবে খেদ প্ৰকাশ কৰি নিলগত অৱস্থান লৈছে। প্ৰাচীন গুৰুশিষ্য পৰম্পৰাৰ ঐতিহ্যমণ্ডিত দেশৰ ছাত্ৰ হৈ আমি ছাত্ৰ শিক্ষকৰ এটা মধুৰ সম্পৰ্ক জানো আশা কৰিব নোৱাৰো? যদি আমি প্ৰতিজন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে গুৰুশিষ্যৰ তাৎপৰ্য্য বুজি পাওঁ আৰু কাৰ্য্যত ৰূপায়ন কৰো, আমাৰ মাজত মধুৰ সম্পৰ্ক নিশ্চয় গঢ়ি উঠাত কোনো বাধা নেথাকিব।

সাম্প্ৰতিক কালত অসমীয়া ভাষাৰ প্ৰতি অনীহা, ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আকৰ্ষণে অসমীয়া ভাষা কোৱা, লিখা-পঢ়া জনা ব্যক্তিৰ সংখ্যা ক্ৰমে হ্ৰাস কৰা যেন লাগে। যদি সৰহ সংখ্যক অসমীয়াই এনে গতিত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ল'ৰা ছোৱালী পঢ়ায় তেন্তে অসমীয়া ভাষাৰ ভৱিষ্যত কেনে হ'বগৈ সহজে অনুমেয়। এই ক্ষেত্ৰত বুদ্ধিজীৱি আৰু অসম চৰকাৰৰ কৰিব লগীয়া বহুখিনি আছে। লগতে অভিভাৱক সকলে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাটো গৌৰৱৰ কথা বুলি নেভাবি ইয়াত লোৱা যত্ন আৰু খৰছখিনিৰে অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাই, তেন্তে নিশ্চয় অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ আৰু ভাষাটোৰ অৱস্থা এনে পুতৌ লগা নহবগৈ।

**অভিভাৱক সকলে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাটো গৌৰৱৰ কথা বুলি নেভাবি ইয়াত লোৱা যত্ন আৰু খৰছখিনিৰে অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাই, তেন্তে নিশ্চয় অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ আৰু ভাষাটোৰ অৱস্থা এনে পুতৌ লগা নহবগৈ।**

এতিয়া ২০০০ চনৰ দোকমোকালি। আৰু মাত্ৰ ৮ বছৰীয়া এডাল সাকোঁ পাৰ হলেই আমি একবিংশ শতিকাত উপনীত হ'ম। এই একবিংশ শতিকালৈ আগবাঢ়ি যোৱা অসমৰ সমাজখনে নতুনকৈ চিন্তা কৰি চাবৰ হ'ল। এদিন সকলো আছিল। আৰু এতিয়া, অনাগত শতিকাৰ আমি প্ৰত্যেকেই একোটা যন্ত্ৰ হৈছো নেকি?

এতিয়া প্ৰয়োজন হৈছে মানুহ হিচাপে জীয়াই থকাৰ এটা উপায় উলিওৱা। যাৰ দ্বাৰা এখন আদৰ্শ সমাজ, সচাঁ মানুহ গঢ়ি উঠিব পাৰে।

এতিয়া প্ৰয়োজন হৈছে - আমাৰ মৌলিক উপাদান সমূহৰ সুস্থ প্ৰয়োগ আৰু উদ্যোগিক ব্যৱহাৰ। চাকৰিমুখী বৃত্তি পৰিত্যাগ কৰা। স্বাৱলম্বী মানসিকতাৰে উদ্যোগৰ বাবে মূলধন যোগাৰ কৰিব পৰাকৈ নিজকে মানৱীয়তাৰে গঢ়ি তোলা।

প্ৰয়োজন হৈছে এটা সুস্থ দৃষ্টিভংগী আৰু বৈজ্ঞানিক বিশ্লেষণৰ। এটা সেউজ বিপ্লৱৰ।

এতিয়া প্ৰয়োজন আহি পৰিছে নিজৰ ভাষাটোৰ প্ৰতি আগ্ৰহী আৰু শ্ৰদ্ধাশীল হোৱাৰ। শিক্ষাৰ মানদণ্ড উচ্চ কৰাৰ। ছাত্ৰ-সমাজক মানুহ হিচাপে জীয়াই থাকিবলৈ আন্তৰিকতাৰে শিক্ষা দান কৰা। প্ৰয়োজন হৈছে এখন মননশীল আলোচনী আৰু নিৰপেক্ষ জনতাৰ মনৰ খবৰ ৰখা সংবাদপত্ৰ। সৃজনশীল সাংবাদিকতাৰ। পাৰস্পৰিক বিশ্বাস স্থাপনৰ মনৰ সেতু বন্ধা সত্বা।

আজি অসমত খুবেই প্ৰয়োজন হৈ পৰিছে একোজন ভাল অভিভাৱকৰ, অভিজ্ঞ শিক্ষকৰ, বুদ্ধিজীৱিৰ, মানবীয়তাৰে সমৃদ্ধ চিকিৎসকৰ, অভিযন্ত্ৰাৰ, বৈজ্ঞানিকৰ, সুন্দৰৰ প্ৰতি আগ্ৰহী সাহিত্যিকৰ, বৌদ্ধিক নেতৃত্ব দিব পৰা এটা সুস্থ চিন্তাৰ, ভাষাৰ প্ৰতি আগ্ৰহী এজন সচাঁ অসমীয়া আৰু এজন সচাঁ মানুহৰ।

আমি এনেকুৱা এখন অসম দাবী কৰিব লাগে - য'ত কোনো ধৰ্ম, সম্প্ৰদায়, জনগোষ্ঠীৰ, বৰ্ণবাদৰ আৰু ৰক্ষণশীলতাৰ গোড়ামী থাকিব নোৱাৰে। সেয়ে এতিয়া প্ৰয়োজন হৈ পৰিছে এখন দাপোনৰ। য'ত নিজৰ মুখখন, অবয়বটো, খুউব ভালদৰে মানসিক উপলব্ধিৰে চাব পাৰে।

এতিয়া মাথোন আমি নতুন পুৰুষ হিচাপে ডাঠি ক'ব পাৰো আমাৰ সকলোৰে (যুৱচামৰ) অন্তৰত আছে সৌন্দৰ্য্যৰ সন্ধান, মানুহ হিচাপে জীয়াই থকাৰ কাতৰ আহ্বান। আমাৰ এই সন্ধানে সফলতা লাভ কৰিব তেতিয়াহে যেতিয়া আমি আত্মোপলব্ধি কৰিবলৈ শিকিম -

শুভ কামনাৰে —

ইতি

— চন্দন কুমাৰ সোনোৱাল



প্ৰবন্ধ হ'ল জীৱনৰ বিষয়ে একো একোটা সুক্ষ্ম দৃষ্টিভংগী। য'ত কল্পনাৰ আভাস নাই, সৌন্দৰ্য্যৰ আঁকৰ নাই। আবেগৰ গভীৰতাই য'ত স্থান নাপাই। য'ত আছে মাথো একো একোজন চিন্তাশীল লিখকৰ চিন্তাশক্তিৰ বাস্তৱ বিচাৰ বিশ্লেষণৰ যথাৰ্থ নিবেদন।

# প্ৰবন্ধ বিথিকা



# সাম্প্ৰতিক অসমীয়া কবিতা, দুৰ্বোধ্যতা আৰু পাঠকৰ সমস্যা

—শ্ৰীনবীন চেতিয়া
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান শাখা)

কুৰি শতিকাৰ চতুৰ্থ দশকটো অসমীয়া কবিতাৰ কাৰণে এটা বিশেষত্ব পূৰ্ণ সময়। এই সময়ছোৱাতে অসমীয়া কবিসকলৰ মনত নতুন নতুন ভাৱৰ উদয় হৈছিল। পূৰ্ব্বৰ ৰোমাণ্টিক ধাৰাৰ পৰা আতৰি আহি নিত্য নতুন অভিজ্ঞ, মানুহে, বাস্তৱ জগতৰ ছবি দাঙি ধৰি আধুনিক কবিসকলে যি লহৰ তুলিলে তাৰ নামেই হল আধুনিক কবিতা বা সাম্প্ৰতিক কবিতা। কিন্তু ইয়াৰ ডাঙৰ সমস্যা হল ইয়াৰ দুৰ্বোধ্যতা। খুব কম সংখ্যক পাঠকেহে আধুনিক কবিতাৰ জটিলতা ফালি কবিসকলৰ বক্তব্য বুজ লব পাৰিছিল। পৰিবৰ্তিত পৰিবেশ আৰু নতুন পৰিস্থিতি লগত সামঞ্জস্য ৰাখি যি কবিতা আধুনিক কবিসকলে লিখিছিল - সিবোৰৰ সম্যক উপলব্ধি কৰিব নোৱাৰি বিভিন্ন পাঠকে কটু মন্তব্য আগবঢ়াইছিল আৰু অসমীয়া কবিতাৰ ভবিষ্যত ক্ৰমে অন্ধকাৰলৈ গৈছে বুলি শংকা কৰি বিব্ৰত হৈ পৰিছিল। ৰোমাণ্টিক ধাৰাৰ পৰা আতৰি অহা যিকোনো কবিতাকে তেওঁলোকে সন্দেহৰ চকুৰে চাইছিল। আধুনিক কবিতাৰ প্ৰতি পাঠকৰ এই বিৰূপ প্ৰতিক্ৰিয়াক লক্ষ্য কৰি কবি ছৈয়দ্ আব্দুল মালিকে তেওঁৰ কবিতাত এইদৰে লিখিছে —

" আমাৰ কবিতা কোনোৱে
নুবুজে, হে কবি নৰকান্ত,
বুদ্ধিৰ শিলত ঠেকা খাই খাই
অনুভুতি হল ক্লান্ত।"

মানুহৰ মন পৰিবৰ্ত্তনশীল হলেও হঠাতে আহি পৰা পৰিবৰ্ত্তনক সৰহ ভাগ লোকেই সহজভাবে লবলৈ টান পায়। সেয়েহে ৰোমাণ্টিক কবিতাৰ ভাব-চেতনাত ডুব গৈ থকা পাঠকে হয়তু ৰোমাণ্টিক জগতৰ পৰা নামি আহি বাস্তৱকঠোৰ কবিতাৰ জগতখনক মৰুভূমি হেন দেখিছিল। অসম সাহিত্য সভাৰ তৃতীয় বাৰ্ষিক অধিবেশনৰ সভাপতি পণ্ডিত কালিৰাম মেধি ডাঙৰীয়াই কৈছিল — "অসমীয়া ভাষাত আজি কালি বহুত কবিতা ওলাইছে। স্কুল, কলেজৰ কিতাপ লিখা গ্ৰন্থকাৰৰ বাদে বাকী লেখকৰ শতকৰা নব্বৈজনে হয় কবিতা নহয় নাটক লিখে। তেওঁলোকৰ ভিতৰত প্ৰকৃত কবি দুই এজনহে পোৱা যায়। বেছিভাগ কবিতাত —

" পুখুৰীত পানী নাই পাৰ
কিমতে বুৰে।
নিজৰাৰ পানী নাই ৰাজহাঁহ
কিমতে চৰে॥"

এই কথাষাৰ প্ৰযোজ্য হয় বুলি তেওঁ কৈ গৈছে।

প্ৰকৃতি দেৱীৰ ওৰণি গুচাই ৰূপৰ গুটি সিচাঁ, অসম্ভৱক সম্ভৱ কৰা, বাস্তৱ ৰাজ্যত মায়াকানন **সৃষ্টি** কৰা আদি কবিতাৰ কাম। কবিয়ে কল্পনা ৰাজ্যত বিচৰণ কৰোতে স্বৰ্গৰ পৰা মৰ্ত্যলৈ আৰু মৰ্ত্যৰ পৰা স্বৰ্গলৈ চাই লয়। চাওঁতে চাওঁতে নিজক পাহৰি নজনা নুশুনা বস্তুৰ চিত্ৰ তেওঁৰ লেখনিৰ পৰা ওলায় আৰু শূণ্যত কাল্পনিক জগতৰ **সৃষ্টি** কৰে। অসমত এনে কবি বিৰল। সৰহ ভাগ কবিৰ "কাহানি আছে ৰহনি নাই। বহুত কবিতা বুজিবলৈ

আমাৰ সাধ্য নাই। সাধাৰণ কথাও কবিতাৰ ঠেলাত দুৰ্বোধ্য হৈ পৰে। চল্লিশৰ দশকৰ আধুনিক অসমীয়া কবিতা- কটু সমালোচনাই হৈছিল। অৱশ্যে, আধুনিক অসমীয়া কবিতাৰ এই জটিলতা আৰু দুৰ্বোধ্যতাৰ ওপৰত পাঠকৰ সহিষ্ণু দৃষ্টিৰ পোষকতা কৰা ভালেকেইজন লোকো আছিল। তেওঁলোকৰ ভিতৰত আছিল জ্যোতিপ্ৰসাদ আগৰৱালা, হেম বৰুৱা, নৱকান্ত বৰুৱা, হোমেন বৰগোহাঁঞি, মহেন্দ্ৰ বৰা ইত্যাদি সকল। আধুনিক কবিতাৰ সমৰ্থনত কবি জ্যোতিপ্ৰসাদে কৈছে —

আজিৰ কবিতা তাই
খোজকঢ়া ছন্দেৰে যায়
দিঠকলৈ
আহিলে ওলাই
খোজে খোজে নৱ লয়লাস
অভিনৱ ছন্দ বিকাশ।

অৰ্থাৎ তেওঁ দেখুৱাইছে যে, পৰিবৰ্তিত পৰিবেশত কবিতাইও ৰূপ সলাবলৈ বাধ্য আৰু ৰূপৰ পৰিবৰ্তন হলেও, গুনগত কাৰণত আজিৰ কবিতা বাল্মীকি দিনৰ কবিতাৰ সৈতে একেই।

কবিতা কিয় দুৰ্বোধ্য বা জটিল হয়, তাৰ বিষয়ে আলোচনা কৰিবলৈ গলে আমাৰ চকুত ভালেকেইটাই দিশ ধৰা পৰে। যেনে ধৰক নতুন শব্দ আৰু বাক্য বিন্যাসৰ নতুন ৰীতি, উপমা, চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰ, বৈজ্ঞানিক ব্যৱহাৰ, সৰ্ব্বসাধাৰণ পাঠকৰ অভিজ্ঞতাৰ বাহিৰৰ বস্তুৰ বৰ্ণনা আৰু কবিসকলৰ নিজাভগীয়া জটিল কাব্যৰাজীয়ে আধুনিক অসমীয়া কবিতাৰ জটিলতা ক্ৰমান্বয়ে বাঢ়ি আহিছিল। কাব্য ৰচনাত শব্দই হৈছে কবিসকলৰ অতুলনীয় কাব্যকৰ্মৰ ঘাই উপাদান। আধুনিক কবিসকলৰো কাব্য-নিৰ্মানৰ ঘাই সমল এই শব্দই। এই শব্দবোৰকে নতুন নতুন বিন্যাসেৰে নতুন অৰ্থবহনক্ষম কৰি তুলিছে। ধৰা হওক এই বাক্য শাৰী 'বেলি মাৰ গল' এই সহজ কথাটোকে কবিয়ে তেওৰ ভাষাত কয় — "শূন্যতাৰ হাতৰ পৰা খহি পৰিল দিনৰ হিৰন্ময় হৃদয় পাৰ" — তেতিয়া পাঠকসকল বিমোৰত পৰে। কবিয়ে কিন্তু পাঠকক Camouflage কৰিবলৈ বিচাৰি এইদৰে লিখা নাই। ই হৈছে কবিৰ কোমল মনৰ অনুভূতি প্ৰৱন ৰূপকল্প। এই অভিনৱ প্ৰয়োগ পদ্ধতিৰ প্ৰতি দয়াশীল আৰু উদাৰহৈ পাঠকে বিচাৰ কৰিব পাৰিলেই অৰ্থ'ৰ দুৰ্বোধ্যতা সহজে আতৰি যাব।

উপমা, ৰূপক, চিত্ৰকল্প আৰু প্ৰতীকৰ প্ৰয়োগৰ দ্বাৰা সংঘটিত জটিলতাই পাঠকক বিমোৰত পেলায়। প্ৰতীক যদিও কবিৰ আৰু পাঠকৰ বাবে টান কৌশল তথাপিও সঘনে ব্যৱহাৰ কৰিলে ইও সহজ হবলৈ বেছি পৰ নালাগিব। অন্যহাতে প্ৰতীক আমাৰ পাঠকৰাইজৰ বাবে কোনো অপৰিচিত বস্তু নহয়। আধুনিক অসমীয়া কবিতাৰ ব্যৱহৃত হোৱা প্ৰতীক সমূহত দুটা ৰীতি পাঁও — এটা হল ফৰাচী প্ৰতীকবাদী সকলৰ পৰা ইংৰাজী আৰু বঙালী কবিতাৰ মাজেৰে সৰকি অহা প্ৰতীকৰ ৰূপসমূহ, আনটো হল অসমৰ নিজা মাটিৰ পৰা উদ্ভুত প্ৰতীকসমুহ মহাদেশীয় কবিতাৰ পৰা প্ৰভাৱান্বিত হৈ অহা প্ৰতীকৰ উদাহৰণ হল - "মিচৰৰ ফিংক্সৰ হাঁহি", আনহাতে অসমৰ মাটিৰ গোন্ধ থকা প্ৰতীক হল — "তেজীমলা" "বুঢ়ী আইতাৰ মঙহৰে গজা বন নহকৰ ফুল"। এই দুই ৰীতিৰ প্ৰতীকৰ সম্মিলীত প্ৰভাবৰ ফলত সৃষ্টি হোৱা আধুনিক কবিতা এটা পঢ়োতে পাঠকে মহাদেশীয় ফৰাচী প্ৰতীকবাদী কবিতাৰ কাষৰ পৰা অসমীয়া মানুহৰ বালি চাপৰিত ফুলা সৰিয়হ ফুলৰ পাছে পাছে দৌৰিব লগা হয়। ফলত পাঠকসকলৰ বুজাৰ দুৰ্বোধ্যতা অধিকতৰ হয়। মহাদেশীয় সাহিত্যত প্ৰতীকৰ (Symbol) বিষয়ে অপাৰ চিন্তা চৰ্চ্চা হৈছে। কেৱল Symbol ৰথ অৰ্থ বিচাৰিয়েই Dictionary of Symbols ৰ বৃহৎ গ্ৰন্থ তৈয়াৰ হৈছে। কিন্তু দুখৰ বিষয় আমাৰ সাহিত্যত প্ৰতীকৰ



মুল লক্ষনসমুহৰে আলোচনাত্মক গ্ৰন্থ এখনো নাই। কিছুমানে Personal Symbol ব্যৱহাৰ কৰি প্ৰতীকৰ Conventional অৰ্থ নলৈ নিজস্ব অৰ্থত ব্যৱহাৰ কৰে। এনে ক্ষেত্ৰত পাঠকসকলৰ মন বিৰোধ হোৱা স্বাভাবিক আৰু ইয়াৰ পৰিনতি হল জটিলতা আৰু দুৰ্বোধ্যতা।

গতানুবাজী ছন্দৰীতিয়ে অসমীয়া আধুনিক কবিতাক ৰোমান্টিক যুগৰ কবিতাৰ তুলনাত খহটা যেন লাগিছিল। সেয়েহে পাঠক সমাজে সহজে লবলৈ টান পাইছিল। কিন্তু যোৱা পয়ত্ৰিশ বছৰ ধৰি হোৱা (১৯৪০-৭৫) এই সজাৰ ছন্দৰীতি বৰ্তমানে পাঠক সমাজৰ আপোন হৈ পৰিছে। এই ক্ষেত্ৰত কৰি নৱকান্ত বৰুৱাই কৰা প্ৰচেষ্টা প্ৰশংসনীয়। কবি বৰুৱাদেৱে ছন্দৰ সপক্ষে লিখা প্ৰবন্ধ সমুহে কবিতাৰ ছন্দৰীতিৰ প্ৰতি থকা পাঠকৰ ভয় আতঁৰাবলৈ সক্ষম হৈছিল। অসমীয়া পাঠক সমাজত কোনো সম্যক সাহিত্যানুশীলনৰ পদ্ধতিৰ নথকাৰ বাবেও পাঠকসকল আধুনিক কবিতা বুজাত সমস্যাৰ সন্মুখীন হয়। অসমীয়া সাধাৰণ পাঠক শ্ৰেণীটোৰ জ্ঞান আৰু খবৰৰ বিস্তৃতিও বৰ বহল নহয়। শব্দৰ ব্যঞ্জনাধৰ্মী ইংগিত বুজি ৰস গ্ৰহন কৰিব পৰা পাঠকৰ সংখ্যাও কম। স্কুল কলেজৰ সাহিত্য শ্ৰেণীত কবিতা নিশিকিলে আমাৰ পাঠকে কবিতা শিকাৰ উপায় নাই কিন্তু দুখৰ বিষয় যে আজি প্ৰৰ্যন্ত আধুনিক অসমীয়া কবিতাক স্কুল কলেজৰ পাঠ্য কৰাৰ ব্যৱস্থা নাই। কবিতাৰ আলোচনা সভা, কবিতা প্ৰেমী ক্লাব আদিও আমাৰ অভাৱ। সেয়েহে কবি আৰু পাঠকৰ আত্মীয়তা স্থাপনৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হয়। ফলস্বৰূপে আজিৰ আধুনিক কবিতা পাঠক সমাজৰ বাবে দুৰ্বোধ্য হৈ পৰিছে।

# নলিনীবালা দেৱী আৰু মহাদেৱী ভাৰ্মা

**ড° সত্য দেৱ প্ৰসাদ**
মূৰব্বী অধ্যাপক, হিন্দী বিভাগ।

ভাষাগত ভেদ আৰু পৰস্পৰ চিনাকি নোহোৱা স্বত্বেও অসমীয়া কবি পদ্মশ্ৰী নলিনীবালা দেৱী আৰু হিন্দী জ্ঞানপীঠ অলংকৃতা মহাদেৱী ভাৰ্মাৰ জীৱন, চিন্তন আৰু কাব্যত আশ্চৰ্যজনক সাম্য পৰিলক্ষিত হয়। এই সাম্যই ভাৰতৰ সংস্কৃতি আৰু জীৱনৰ অন্তৰ্নিহিত একতাকে আঙুলিয়াই দিয়ে।

জীৱন আৰু শিক্ষা — দুয়োগৰাকী কবি জন্মকাল, জন্মতিথি, পাৰিবাৰিক পৰিবেশ আৰু প্ৰাৰম্ভিক কাব্য ৰচনাও এটি বিচিত্ৰ সাম্য সংঘটিত হোৱা দেখা যায়। দুয়ো নিজা মা-দেউতাকৰ প্ৰথম সন্তান আছিল। আৰু দুয়োৰে জন্ম মাৰ্চ মাহতে হৈছিল। দুয়োৰে মা-দেউতাক সুশিক্ষিত আৰু পণ্ডিত আছিল আৰু ঘৰুৱা পৰিবেশ আছিল কাব্য সংগীতময়। দুয়োগৰাকীৰ প্ৰাৰম্ভিক শিক্ষা ঘৰতে সম্পন্ন হৈছিল আৰু দুয়োৰে শিক্ষাত সংগীত

আৰু চিত্ৰকলা সুনিশ্চিত ঠাই আছিল। নলিনীয়ে যদি কাব্য ৰচনাৰ প্ৰাৰম্ভিক প্ৰেৰণা সুকৰি দেউতাৰ পৰা পাইছিল তেন্তে মহাদেৱীয়ে পাইছিল মাৰ পৰা। এই ক্ষেত্ৰত বুৰঞ্জীৰ এটি আশ্চৰ্যকৰ সংযোগহে আছে যে দুয়ো গৰাকী কবিয়ে নিজা প্ৰথম কবিতাৰ ৰচনা এঘাৰ বছৰৰ বয়সতে কৰিছিল। নলিনীয়ে যদি ' বিশ্বদীপা ' নামৰ বিশ্বৰ সতী নাৰীৰ জীৱনী গ্ৰন্থত প্ৰত্যেকটি নাৰীৰ চিত্ৰ নিজেই আঁকিছে মহাদেৱীয়ে জ্ঞানপীঠ বঁটা পোৱা কাব্য গ্ৰন্থ ' য়ামা ' আৰু আন এটি কাব্য গ্ৰন্থ ' দীপশিখা ' ত প্ৰত্যেকটি গীতৰ অৰ্থবাহী চিত্ৰ নিজেই আঁকিছে। কাব্য - গ্ৰন্থত চিত্ৰাঙ্কণৰ এইয়ে দুয়োৰে সাহিত্যত হ'ল পোনপ্ৰথম ঐতিহাসিক ঘটনা। উভয় কবিৰ সাংসাৰিক লীলা সম্বৰণ সঠিক আশী বছৰ বয়সত হৈছিল। মহাদেৱীৰ বিয়া হৈছিল যদিও, বিয়াখন চৰিতাৰ্থ হ'ব পৰা নাছিল। কিন্তু নলিনীক এঁকৈশ বছৰ অল্পায়ুতেই অকাল বৈধব্যৰ ভীষণ যন্ত্ৰনা সহিব লগিয়া হৈছিল। দুয়োগৰাকীয়ে কাব্য - সাধনাৰ লগতে সমাজ সেৱাব্ৰত জীৱন পৰ্য্যন্ত সম্যক নিৰ্বাহ কৰিছিল।

***কাব্য গ্ৰন্থ ঃ—*** নলিনীবালাৰ প্ৰথম কাব্য গ্ৰন্থ " সন্ধিয়াৰ সুৰ " ১৯২৮ চনত প্ৰকাশ পাইছিল আৰু মহাদেৱীৰ প্ৰথম কাব্য-গ্ৰন্থ নীহাৰ ১৯৩০ চনত। দুয়োৰে শেষ কাব্য গ্ৰন্থ নলিনীৰ 'অন্তিম সুৰ' আৰু মহাদেৱীৰ ' দীপশিখা ' - যথাক্ৰমে '৭৭ আৰু '৪২ চনত প্ৰকাশ পাইছিল। তাৎপৰ্য এই যে নলিনীৰ সক্ৰিয় কাব্য - জীৱন প্ৰায় পঞ্চাশ বছৰলৈকে বিয়পি আছিল, কিন্তু মহাদেৱীৰ মাত্ৰ পোন্ধৰ বছৰ লৈকে। মহাদেৱীৰ কাব্য গ্ৰন্থবোৰ তেখেতৰ কাব্য পৰিপক্কতাৰ উত্তৰোত্তৰ সোপান আছে যাৰ চৰমোৎকৰ্ষ শেষ ৰচনা 'দীপশিখা'ত দেখা যায়, কিন্তু নলিনীৰ ৰচনাবোৰ তেখেতৰ বিকশিত হৈ থকা কাব্য-প্ৰতিভাৰ ক্ৰমিক সোপান নহয়। তেখেতৰ পোনপ্ৰথম কাব্য - কৃত্তি ' সন্ধিয়াৰ সুৰ ' শ্ৰেষ্ঠতম আৰু প্ৰৌঢ়তম ৰচনা আৰু সেই কাৰণেই সিয়ে তেখেতৰ প্ৰতিনিধি কাব্য - গ্ৰন্থ হিচাপে গণ্য কৰা হয়। পিচৰ গ্ৰন্থবোৰত "সন্ধিয়াৰ সুৰ"ৰেই ভাৱবিস্তাৰ আৰু পুনৰাখ্যান আছে, কাব্য-প্ৰতিভাৰ বিকাশ নহয়।

নলিনীবালাৰ সাতখন কাব্য-গ্ৰন্থ প্ৰকাশ পাইছে - সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, অলকানন্দা, যুগদেৱতা, জাগৃতি আৰু অন্তিম সুৰ আৰু তেখেতৰ গীতৰ সংখ্যা আছে ৩৭৩। মহাদেৱীৰ প্ৰকাশ পোৱা কাব্য গ্ৰন্থৰ সংখ্যা মাত্ৰ পাঁচ আৰু গীত আছে ২৪৭ অৰ্থাৎ নলিনীতকৈ ১২৬ কম। মহাদেৱীৰ প্ৰত্যেক কাব্য গ্ৰন্থৰ মূল স্বৰ একেই আছে বিষাদ - বেদনাপূৰ্ণ ৰহস্য - সাধনা অথচ অতীন্দ্ৰিয়ৱাদ অধ্যাৎমৱাদ, কিন্তু নলিনীবালাৰ 'যুগদেৱতা' আৰু জাগৃতিৰ মুল স্বৰ যুগ আৰু সমাজৰ বাস্তৱৰ প্ৰতি দায়বদ্ধতা আৰু গতিশীলতা আছে। তেখেতৰ আন পাঁচখন কাব্য - গ্ৰন্থৰ মুলভাৱ মহাদেৱীৰ দৰেই অতীন্দ্ৰিয়তাৱাদ - অধ্যাতমৱাদ অথচ ৰহস্য সাধনা আছে।

***কাব্য-প্ৰেৰণা ঃ*** -ক) দাৰ্শনিক- দুয়োগৰাকী কবিৰ ব্যক্তিগত জীৱনত কাব্য, চিত্ৰ, সংগীত, দৰ্শনশাস্ত্ৰৰ অধ্যয়ণ আৰু অভ্যাসেই তেখেত সকলৰ কাব্য ৰচনাৰ প্ৰেৰণা যোগান ধৰিছে। নলিনীৰ অকাল বৈধব্যজনিত বেদনাই আৰু মহাদেৱীৰ বিফল দাম্পত্য জীৱনৰ বেদনাই দুয়োৰে কাব্য - ব্যক্তিত্বৰ নিৰ্মাণত যথেষ্ট সহায় কৰিছে। দৰ্শনৰ ফালৰ পৰা চালে দেখা যায় যে মহাদেৱী ভাৰ্মাৰ ওপৰত বৌদ্ধ দৰ্শনৰ দুখবাদৰ প্ৰভাৱ বহুত বেছি, কিন্তু নলিনীৰ ওপৰত বাংলাৰ নৱীন সেন, ৰবীন্দ্ৰনাথ আৰু পুৰ্ণানন্দ গিৰিৰ 'বেদবাণী'ৰ দুখবাদৰ বিশেষ প্ৰভাৱ পৰিছে। মহাদেৱীৰ জীৱনত সামঞ্জস্য, সমন্বয়শীলতা আৰু পৰিগ্ৰহ আৰম্ভনিয়ে পৰা দেখা যায় কিন্তু নলিনীবালাৰ মনত অধ্যাত্মিকতাৰ প্ৰতি বিশেষ আকৰ্ষন আছিল। মহাদেৱীৰ কাব্য - সম্ভাৱত পণ্ডিত পিতৃ আৰু বিদুষী মাতৃৰ দাৰ্শনিক আস্তিকতা তথা গানৰ সংস্কাৰৰ স্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। তেনেকৈ, নলিনীবালাৰ পৰিয়ালৰ বৈষ্ণৱ কৃষ্ণ - ভক্তিময় পৰিবেশ পিতৃৰ সুকবিত্ব আৰু মাতৃৰ সংগীত আৰু গায়নৰ প্ৰতি হেপাহ আৰু পতিগৃহৰো কাব্য সংগীত ময় পৰিবেশেই তেখেতৰ কাব্য ৰচনাৰ প্ৰেৰণা প্ৰদান কৰিলে। নলিনীৰ আধ্যাত্মিকতাৰ মুল প্ৰেৰণা আছিল তেখেতৰ গৃহ শিক্ষক গোপাল কৃষ্ণ দে। উভয় কৱিৰ কাব্য - ৰচনাৰ ওপৰত সেই সময়ৰ জাতীয় জাগৰন, জাতীয় চেতনা আৰু মানৱতাবাদৰ প্ৰভাৱ আস্তিকতা, জাতীয় চেতনা মানৱতাবাদৰ ৰূপত দেখা যায়। নলিনীয়ে " যোৰহাট সাৰ্ব্বজনিক সভা " আৰু " অসম এচোচিয়েশন"ৰ ৰাজনীতিক আন্দোলনৰ পৰাও যথেষ্ট প্ৰভাবিত হৈছে।

***খ) সাহিত্যিক আৰু সাংস্কৃতিকঃ***

সেই সময়ৰ সমাজ সংস্কাৰক, লোক নায়ক সকলৰ আৰু সমাজ সংস্কাৰক সংস্থা বিলাকৰো উভয় কবিৰ ওপৰত বহুল প্ৰভাৱ পৰিছে। ইয়াৰ ভিতৰত ব্ৰাহ্ম সমাজ, আৰ্য সমাজ, প্ৰাৰ্থনা সমাজ, ৰাজা ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী, বিৱেকানন্দ আৰু বাপুজীৰ প্ৰভাৱ আছে। কংগ্ৰেছৰ নেতৃত্বত স্ত্ৰীশিক্ষা, জাতিভেদ বৰ্ণবৈশম্য আৰু ৰূঢ়িৱাদিতা দুৰীকৰণৰ প্ৰচেষ্টাৰ কাৰ্যক্ৰমৰো প্ৰভাৱ বহুতখিনি পৰিছে। ইপিনে নলিনীবালা 'অৰুণোদই' 'জোনাকী' আৰু 'বাঁহী' নিচিনা যুগান্তকাৰী আলোচনী বিলাকৰ পৰা ৰমন্যা কি ভাবাদৰ্শ আহৰণ কৰিছিল আৰু সিপিনে ভাৰ্মাই হিন্দী কাব্যৰ দ্বিবেদীযুগৰ স্থূল ইতিবৃত্তাত্মকতাৰ বিৰুদ্ধে সূক্ষ্ম প্ৰতিক্ৰিয়াৰ পৰা প্ৰভাবিত হৈছিল।

ইংৰাজী ৰোমান্টিক - সাহিত্য আৰু ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলী'ৰ প্ৰভাৱো দুয়োৰে ওপৰত প্ৰত্যক্ষ নতুবা পৰোক্ষ ভাৱে পৰা পৰিলক্ষিত হয়। সেই সময়ৰ সাংস্কৃতিক পুনৰ্জাগৰণৰ পৰিবেশৰ কাৰণে প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ মিলনৰ ফলত যুগচেতনাই কাব্য যি সৰ্বাতীত পৰোক্ষ সত্তাৰ সৰ্ব্বজনমান্য আদৰ্শত উপনীত হৈছিল তাৰ সুস্পষ্ট প্ৰভাৱ দুয়োগৰাকীৰ অতিন্দ্ৰিয়তাৱাদী কবিৰ ওপৰত পৰিছে।

***চিন্তাধাৰাঃ ক) সাহিত্যক*** - দুয়োগৰাকী কবিৰ চিন্তাধাৰাতো প্ৰচুৰ সাম্য পোৱা যায়। আৰু কলাৰ যিমান প্ৰগলভ আৰু সুচিন্তিত মহাদেৱী ভাৰ্মাই কৰিব পাৰিছে, সিমান নলিনীবালাই কৰিব পৰা নাই। নলিনীৰ মতে সুকুমাৰ কলা মানৱ মনৰ সুক্ষ্মতম সৌন্দৰ্য প্ৰকাশ কাব্য মানৱ মনৰ ক্ষুধা বিশেষ। নলিনীয়ে কলা - সৃষ্টিৰ প্ৰক্ৰিয়াৰ অধ্যাত্মিক স্তৰত বৰ্ণনা কৰিছে। অন্তৰ গুহাত গোপনভাৱে বাস কৰি থকা কলা প্ৰকাশক শিল্পীজনৰে জীৱনৰ বিবিধ সুষুপ্ত দিশক ৰূপায়িত কৰি বাহিৰত প্ৰকাশ কৰিবলৈ অহৰহ প্ৰয়াস কৰি থাকে পৰিণামত অন্তৰৰ ভাৱনা ৰাশি বৰ্হি প্ৰকাশ বাট উলিয়াবলৈ সক্ষম হয়। কাব্যত এনেকুৱা এটা মাদকতা থাকে যি বাস্তৱ জগতৰ লগত সম্পৰ্ক ৰাখিও দিঠকৰ লগত সংযোগ নেৰে। কাব্য আমাৰ ভাষা। কাব্য-ধ্বনিয়ে মন প্ৰাণক যি সহজতাৰে দ্ৰৱিত কৰিব পাৰে, সাহিত্যৰ আন ৰূপে সেই সহজ ভাৱে নোৱাৰে। মানৱ জীৱনত কাব্যই কল্যাণ পথৰ সন্ধান দিব পাৰে। জীৱনৰ পৰম দৰ্শন আৰু কাব্য-কলাৰ মাজত একো পাৰ্থক্য নাই। আধ্যাত্মৱাদী হোৱাৰ কাৰণে নলিনীয়ে কলাক ভগৱানৰ ৰহস্যময় অৱদান বুলি মহাদেৱী ভাৰ্মাৰ দৃষ্টিত কাব্য উৎকৃষ্ট কাব্যৰ সত্য সৰ্বকালৰ আৰু সাৰ্বজনীন আত্মনিষ্ঠ হয়। আবেগ, কাব্যৰ সত্য জ্ঞাণ নহৈ ভাৱাশ্ৰিত হয়। কাব্যৰ সত্য দৰ্শনৰ সত্যতকৈ বেচি গ্ৰাহ্য। কৱিৰ দৰ্শন জীৱনৰ প্ৰতি তেওঁৰ আস্থাৰহে এটা বেলেগ নাম। ভাৱনা, জ্ঞান আৰু কৰ্ম অৰ্থাৎ হৃদয়-তত্ব আৰু বুদ্ধি তত্ব যেতিয়া এটি সময়ত

মিলিত হয়, তেতিয়াই কৃতী সাহিত্য কাৰে জন্ম লয়। সাহিত্যৰ প্ৰধান প্ৰয়োজন হল ব্যক্তি শ্ৰেষ্ঠতম সামাজিক প্ৰাণী হিচাবে গঢ়ি তোলা। তেখেতে কাব্যৰ তিনিটা তত্ব স্বীকাৰ কৰিছে — অনুভূতি অথবা লোক-তত্ব, চিন্তন অথবা শিল্প-তত্ব আৰু কল্পনা অথবা সৌন্দৰ্য-তত্ব। তাৰ ভিতৰত অনুভূতি অথবা লোক তত্বক কাব্যৰ মূল বুলি কৈছে।

(খ) ৰাজনীতি আৰু সমাজনীতি- মহাদেৱীয়ে একেবাৰে ৰাজনীতি-পৰাঙমুখ আছিল যদিও তেখেতৰ ৰাজনৈতিক চিন্তাধাৰাক গান্ধীবাদ-গনতন্ত্ৰবাদৰ ওপৰত প্ৰতিষ্ঠিত বুলি কব পাৰি। এই দিশৰ পৰা চালে নলিনীবালাই বেছি সজাগ আৰু সক্ৰিয় আছিল। কংগ্ৰেছ আৰু স্বাধীনতা আন্দোলনৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকা কাৰণে তেওঁৰ ৰাজনৈতিক চিন্তাধাৰাত সৰ্বত্ৰ জাতীয়তাবাদৰ ছাঁ দেখা যায়। তেখেতে অত্যন্ত সাহসিকতাৰে এই সত্যৰ ঘোষণা কৰিব পাৰিছে যে দ্বিতীয় বিশ্বযুদ্ধ আৰু তাৰ পিচত স্বাধীন সংস্কাৰ প্ৰতিষ্ঠাই ভাৰতৰ চোৰাং বেপাৰ, তস্কৰী, মুনাফাখোৰা আৰু সাৰ্বত্ৰিক নৈতিক অধঃপতনৰ পাতনি মেলিলে। মহাদেৱীয়ে নিজা কবিতাত বোৰ অৰ্ন্তমুখী কিন্তুগদ্য ৰচনাত বহুল পৰিমানে সামাজিক দায়বদ্ধতা দেখা যায়। তেওঁৰ গদ্য ৰচনাত নাৰী সমস্যা আৰু নাৰীৰ বিবিধ ৰূপৰ প্ৰতি পুৰুষপ্ৰধান সমাজৰ অন্যায়পূৰ্ণ আৰু হেয় দৃষ্টিভঙ্গীৰ প্ৰতি কঠোৰ ব্যংগ কৰিছে। নাৰীৰ লগতে সমস্ত পতিত-পীড়িত বৰ্গৰ উদ্ধাৰ আৰু সমান অধিকাৰ সুনিশ্চিত কৰাৰ বাহিৰে সমাজৰ সামূহিক উন্নয়ণৰ অন্য কোনো বিকল্প নাই বুলি তেওঁ ভাৱে। কিন্তু নলিনীয়ে নিজা কাব্য ৰচনাতো সমাজৰ প্ৰতি অত্যন্ত সজাগ আৰু দায়বদ্ধ আছিল। তেওঁ মহিলাৰ পৰ্দা-প্ৰথা, বাল্য-বিবাহ আৰু শিক্ষাৰ অভাৱ-অভিযোগ দুৰীকৰণ বাবেও আজীৱন যত্নপৰ আছিল। এনেধৰণৰ সামাজিক সমস্যাৰ বাবে হিন্দু ধৰ্মৰ ঠিকাদাৰ সকলক তেওঁ জঘন্য অপৰাধী বুলি গণ্য কৰে। সচাকৈয়ে তেওঁ আধুনিক গতিশীল আৰু সংস্কাৰবাদ চিন্তাধাৰাক পোষন কৰি আহিছে।

# মাদক দ্ৰব্যৰ প্ৰতি আসক্তি-

**শ্ৰী বিশ্ব কেওঁট**
স্নাতক ১মঃ বাৰ্ষিক (বিজ্ঞান)

বৰ্তমান প্ৰায়বোৰ দেশতে কিশোৰ আৰু যুৱক সকলৰ মাজত মাদক দ্ৰব্যৰ প্ৰতি আসক্তিয়ে এটা ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে। বিভিন্ন দেশ সমূহে লবলগীয়া সকলো সতৰ্কতামূলক ব্যৱস্থা লৈছে। তথাপি এই আসক্তিৰ পৰিমান কমা নাই। সকলো দেশতে মাদকদ্ৰব্য সেৱন নিয়ন্ত্ৰন কৰিবলৈ চেষ্টা চলিছে যদিও চোৰাং কৈ এই দ্ৰব্যবোৰৰ প্ৰচলন চলি আছে।

মাদকদ্ৰব্যৰ প্ৰতি আসক্তি কি এই আসক্তিক বিশ্বস্বাস্থ্য সংস্থাই এই বুলি বৰ্ণনা দিছিল — সঘনাই মাদকদ্ৰব্য সেৱন কৰি কৰি ব্যক্তিজনে সেই দ্ৰব্য এৰিব নোৱাৰা হয়। এই আসক্তি হোৱা ব্যক্তিজনে



মাদকদ্ৰব্য নহলে থাকিব নোৱাৰে আৰু যেনে তেনে তাক সংগ্ৰহ কৰিবই। ইয়াৰ লগতে তাৰ মাত্ৰাও বাঢ়ি যায় আৰু ইয়াৰ অবিহনে শাৰীৰিক আৰু মানসিক অসুস্থতাৰ লক্ষন দেখুৱায়।

মাদকদ্ৰব্য বহুবিধ আছে। তাৰ ভিতৰত তলত উল্লেখবোৰৰ প্ৰচলন বেছি।

১। কানি আৰু তাৰ পৰা তৈয়াৰ হোৱা ঔষধ মৰফিন, ককেইন ইত্যাদি।

২। কৃত্ৰিম ভাৱে তৈয়াৰ হোৱা কানি জাতীয় ঔষধ।

৩। নিদ্ৰাদায়ক ঔষধ ফিন্‌বাৰবিতন, ব্ৰমাইড কেমপজ, ক্লৰফৰ্ম ইত্যাদি।

৪। উত্তেজক ঔষধ — ডেক্সিড্ৰিন বিটালিন আদি।

৫। ভাং জাতীয় ঔষধ- মোৰিজুৱনা হাচিচ্ আদি।

৬। এল, এচ্ ডি ককেইন আদি।

এইবোৰৰ উপৰিও কিছুমানে বিভিন্ন মিশ্ৰন কৰা পানীয় বস্তু খায়। কিছু বছৰৰ আগতে কক'-কোলাৰ লগত মেনড্ৰেক্স মিহলাই মিক্সাৰ কৰি খাইছিল। এই ঔষধবোৰৰ ভিতৰত কানি আৰু ভাং বহুত বছৰৰ আগৰ পৰা প্ৰচলিত থকাৰ প্ৰমান পোৱা যায়। ভাৰতত ভাং খোৱাৰ প্ৰচলন বহু আগৰে পৰা চলি অহা এটা প্ৰথা। পূজা পাৰ্বনৰ উপৰিও ইয়াক সেৱন কৰা প্ৰথা ব্যাপক আছিল। দক্ষিন আমেৰিকাত ককেইনৰ ব্যৱহাৰ ব্যাপক আছিল বুলি জনা যায়। তেওঁলোকে ককেইনৰ পাতবোৰ পানীত ডুবাই খাইছিল। ইয়াক ধৰ্মৰ কাম-কাজত ব্যৱহাৰ কৰা হৈছিল।

বহুতে ভাং আৰু তাৰ পৰা উৎপন্ন হোৱা দ্ৰব্য খালে কাম কৰিবলৈ বেছি প্ৰেৰণা পায় বুলি ভাৱে। আধ্যাত্মিক ভাৱবোধ আনিবলৈ সহায় কৰে বুলিও ভাৱে। কিন্তু দৰাচলতে তেনে নহয়। এই দ্ৰব্য সেৱনে মানুহক উদাস আৰু অকৰ্ম্মন্য কৰিহে তুলে।

বহুতেই জীৱনত কোনো এটা সময়ত এনে মাদকদ্ৰব্য খাবলগীয়া হৈছে। কিন্তু সকলো মানুহ ইয়াৰ দাসলৈ পৰিণত নহয়। সেইবাবে ভাবিবৰ স্থল আছে যে কোনো বিশেষ ধৰণৰ ব্যক্তিহে এনে আসক্তিৰ দাস হয়। মাদকদ্ৰব্য সেৱনৰ প্ৰতি আসক্তি অহাতো এটা মানসিক ৰোগৰ কাৰণ। এনে প্ৰকৃতিৰ মানুহৰ সাধাৰণতে মানসিক স্থিৰতা কম। ফলত সঘনাই মাদক দ্ৰব্যৰ প্ৰতি আসক্তি আহে আৰু সমস্যাৰ সৃষ্টি কৰে। যদিও মাদকদ্ৰব্য আৰু মদ্যপানৰ আসক্তিয়ে বহুত সমস্যাৰ সৃষ্টি কৰে তথাপি মদ্যপানৰ পৰা মানসিক বিকাৰ যিমান হয়, আন মাদকদ্ৰব্যৰ পৰা সিমান নহয়। আন মাদক-দ্ৰব্যৰ আসক্তিও মদ্যপানৰ আসক্তিলৈ পৰিণত হব পাৰে। মাদক দ্ৰব্যই মানুহক নীচ কৰি তোলে। ই নৈতিকতাৰ পতন আনে।

এইটো ঠিক যে কোনো এক বিশেষ ব্যক্তিত্বৰ মানুহেহে যে এনে আসক্তিৰ দাস হৈ পৰে এনে নহয়। সাধাৰণতে স্থিৰতা নথকা, খাপ খাব নোৱাৰা, মানুহেই এনে আসক্তিৰ বশ হৈ পৰে। সেই কাৰণে চাইকোপেথিক ব্যক্তি সকল খুব সহজে ইয়াৰ আসক্তিত পৰে।

এই ব্যক্তিসকলৰ বিবেক বা দুৰদৃষ্টিৰ অভাৱ। এওঁলোকে জীৱনত ঘাত প্ৰতিঘাত পালেও শিকিব নোৱাৰে। মানুহে জীৱনত বিভিন্ন পৰিস্থিতিৰ পৰা শিক্ষা পায়। কিন্তু তেওঁলোকে এনে শিক্ষা কেতিয়াও নলয়। সমাজবিৰোধী সকলো কামতে এওঁলোক পাকৈত। এওঁলোকৰ কথা বতৰা সংযত আৰু ভদ্ৰ। বুদ্ধি চোকা। কিন্তু সেই বুদ্ধি খটাই বেয়া কামত। সেইকাৰণে এওঁলোক মাদকদ্ৰব্যৰ ভক্ত হৈ পৰাতো স্বভাবিক।

উদ্বায়ুগ্ৰস্ত (neurotic) লোক সকল নিজৰ উদ্বিগ্নতা কমাবলৈ গৈ বিভিন্ন মাদক দ্ৰব্যৰ দাস হব লগাত পৰে। অন্তৰ্মুখী লোক সকলে নিজৰ আমনি লগা ভাৱ আতঁৰাবলৈ বা অসুস্থতা অনুভৱ কৰি মাদকদ্ৰব্য সেৱন কৰিবলৈ লয়। বৰ্হিমুখী ব্যক্তিত্বৰ লোক-সকলে হৈ চৈ কৰি মিলি যাবলৈ মাদক দ্ৰব্য খাবলৈ আৰম্ভ কৰোতে সিটো অভ্যাসত পৰিনত হয়। সেই কাৰণে কোনো বিশেষ ব্যক্তি-ত্বৰ লোকেহে যে ইয়াৰ প্ৰতি আসক্ত হয় এনে নহয়। বহু দিন ধৰি মাদকদ্ৰব্য ব্যৱহাৰৰ ফলত ব্যক্তিজনে সংসাৰৰ পৰা ফালৰি কাটি থাকিবলৈ বিচাৰে।

এজন গৱেষকৰ মতে মাদক-দ্ৰব্যই ব্যক্তিজনৰ ভোক, যৌন-লিপ্সা, আক্ৰমনাত্মক ভাৱ, উদ্বি-গ্নতা, শাৰীৰিক দুখ লাঘৱ কৰি দিয়ে। সেই কাৰণেই তেওঁলোকৰ এই দ্ৰব্যৰ প্ৰতি আসক্তি বাঢ়ি যায়। অসুস্থ ভাব আনি দিয়ে, ভোক মাৰ যায়, যৌন্য লিপ্সা সন্তোষজনক নহয়, উদ্বিগ্নতা কমি যায়, আৰু আক্ৰমনাত্মক ভাৱ নাইকীয়া হয়। সেই গৱেষকৰ মতে শাৰীৰিক কষ্ট, অসুস্থ যৌন-লিপ্সা, আক্ৰমনাত্মক মনোভাৱ আদিৰ পৰা মনত উদ্বিগনতাৰ সৃষ্টি কৰে আৰু তাৰ পৰা হাত সাৰি-বলৈ মাদকদ্ৰব্যৰ আশ্ৰয় লয়। উদ্বিগ্নতাৰ সীমাত থকা (border-line case) লোক সকলো এনে আসক্তিত পৰাৰ সম্ভাৱনা থাকে। কোনো কোনো বিশেষজ্ঞৰ মতে উন্মাদ হবলগীয়া ব্যক্তিয়েহে এই আশ্ৰয় সতকাই লয়। কিশোৰ সকলৰ মাজত পৰীক্ষা নিৰীক্ষা কৰি ঠাৱৰ কৰিছে যে ব্যক্তিগত সমস্যা সমাধান কৰিব নোৱাৰি ফালৰি কাটি আহে আৰু মাদক-দ্ৰব্য সেৱন কৰিবলৈ লয়। এই কিশোৰবোৰ খেলি-মেলি অৱস্থাত থকা ব্যক্তি (disturbed individual) এনে এটা মানসিক অৱ-স্থাত থকাৰ বাবেই মাদক দ্ৰব্যৰ প্ৰতি আসক্তি বাঢ়ি যায়। ××

( সহায় লৈ )

# শব্দ প্ৰদূষণৰ ভয়াবহতা ঃ-


-শ্ৰীমতী স্বস্তিকা শৰ্মা
স্নাতক ২য় বাৰ্ষিক ( বিজ্ঞান )


বিশুদ্ধ বতাহ, বিশুদ্ধ পানী, পৰিষ্কাৰ স্থলভূমি মানুহৰ বিশ্বজনীন দাবী। এই বিলাকৰ ওপৰত মানুহৰ জন্মগত অধিকাৰ। কিন্তু দুখৰ বিষয় এয়ে যে আধুনিক বিজ্ঞানৰ ক্ৰমোন্নতিৰ লগে লগে নতুন নতুন উদ্যোগ, যান-বাহন, জনবিস্ফোৰণ দৰিদ্ৰতা আৰু নতুন নতুন নগৰ প্ৰতিস্থাৰ ফলত আজিৰ মানুহে এক ভয়াবহ পৰিবেশ প্ৰদূষণৰ সন্মুখিন হব লগা হৈছে। আৰু লগে লগে এই বিশ্বজনীন দাবী সমূহৰ পৰাও বঞ্চিত হব ধৰিছে।

পৰিবেশ প্ৰদূষণ মুক্ত কৰিবৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ চৰকাৰ সমূহে নানান ব্যৱস্থা হাতত লৈছে, যাতে পুনৰ মানব জাতীয়ে বিশুদ্ধ বায়ু, পানী আৰু পৰিষ্কাৰ মাটি গ্ৰহণ কৰিব পাৰে। কিন্তু মানব জাতীৰ সন্মুখত উপস্থিত হোৱা আন এবিধ প্ৰদূষণ যাক আমি শব্দ প্ৰদূষণ বুলি কওঁ, এই বিধৰ বিপৰীতে চৰকাৰ সমূহে তেনে কোনো উপযুক্ত ব্যৱস্থা হাতত লোৱা নাই, বা ইয়াৰ ওপৰত বিশেষ আলোচনা - বিলোচনাও তেনেদৰে কৰা হোৱা নাই। অথচ এইবিধ প্ৰদূষণৰ বিষক্ৰিয়াও নথকা নহয়।

আন্তৰ্জাতিক মান অনুসৰি শব্দৰ তিব্ৰতাক একক ডেচিবেলত প্ৰকাশ কৰা হয়। সাধাৰণতে মানুহে শ্ৰবণেন্দ্ৰিয়ত একো আঘাত নোপোৱাকৈ শুনিব পৰা শব্দৰ পৰিমাণ ৮৫ ডেচিবেল। ইয়াতকৈ অধিক ডেচিবেলৰ শব্দৰে মানুহৰ কাণৰ পৰ্দাত যথেষ্ট আঘাত কৰে, আৰু তেতিয়াই শব্দৰ প্ৰদূষণ হয়। কেইটমান বিশেষ ক্ষেত্ৰত শব্দৰ তিব্ৰতা এনে ধৰণৰ - সাধাৰণ কথা বতৰাত ৬০-৬৫ ডেচিবেল, ট্ৰাক জাতীয় গাড়ীৰ শব্দত ৬০ - ৮০ ডেচিবেল, এটা কাৰখানা চলি থকা অৱস্থাত শব্দৰ তিব্ৰতা ১২০ ডেচিবেল হয়গৈ। এনে ধৰণৰ তিব্ৰ শব্দই কাণৰ পৰ্দা ফালি পেলাব পাৰে। অতিপাত তিব্ৰ শব্দ হঠাৎ শ্ৰৱণ কৰিলে মানুহৰ শ্ৰবণ শক্তি হ্ৰাস পায়। আৰু কোনো কোনো ক্ষেত্ৰত একেবাৰে লোপ পাবও পাৰে। একেবাৰে এশ ডেচিবেলৰ শব্দৰ তিব্ৰতাও মানুহৰ শ্ৰবণ শক্তিৰ বধিৰতাৰ কাৰণ হব পাৰে।

শব্দৰ তিব্ৰতাই মানুহক নানান ভাবে আক্ৰান্ত কৰি তোলে। উদাহৰণ স্বৰূপে - ইয়াৰ প্ৰভাৱত মানুহৰ ৰক্তচাপ বাঢ়ে। নিদ্ৰাহীনতা বদহজম, স্মৃতি বিভ্ৰম, ক্ৰোধ, ধৈৰ্য্য শক্তি লোপ, পেপটিক আলচাৰ, ইত্যাদি নানান ৰোগত ভূগিব লগীয়া হয়। বিশেষকৈ অতিপাত বিকট শব্দই মানুহৰ স্নায়ুতন্ত্ৰত বেছিকৈ প্ৰভাব পেলাই যাৰ পৰি-ণামত মানুহে মানসিক ভাৰসাম্য হেৰুৱাব লগীয়া হয়।

শব্দ প্ৰদূষণৰ ভয়াবহতালৈ লক্ষ্য কৰি ইয়াৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা অনতি পলমে লোৱা উচিত। শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে সকলো শ্ৰেণীৰ লোকৰ মাজতে শব্দৰ তিব্ৰতাই মানুহৰ ওপৰত পেলোৱা কু-প্ৰভাৱ সমূহৰ বিষয়ে শিক্ষা দিয়াৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে, যাতে অশিক্ষিত এজন ট্ৰাক চালকেও এই ক্ষেত্ৰত সতৰ্ক হৈ পৰিব পাৰে যে তেওঁ বজোৱা সেই ভেকুঁৱাম হৰ্ণটোৱে আনৰ লগতে নিজকো শাৰিৰিক আৰু মানসিক ভাবে কিমান ক্ষতি সাধন কৰিব পাৰে।

কল-কাৰখানাৰ পৰা বাহিৰ হোৱা উৎকট শব্দ ৰোধ কৰিবৰ বাবে বিজ্ঞান সন্মত ব্যৱস্থা থাকিব লাগে। আৰু তাত কাম কৰা বনুৱা সকলেও কাণৰ পৰ্দাত আঘাত কৰা তীব্ৰ শব্দ ৰোধ কৰিবৰ বাবে sound - protector ব্যৱহাৰ কৰিব লাগে।

বহুত লোকে তেওঁলোকৰ যান-বাহন সমুহ বহুত বেয়া হৈ যোৱাৰ পাছতো ব্যৱহাৰ কৰি থাকে। ফলত এনে যান-বাহনৰ পৰা ওলোৱা উৎকট শব্দই শব্দ প্ৰদূষণৰ সৃষ্টি কৰে। অনুপযুক্ত যান-বাহন ব্যৱহাৰ কৰা লোকৰ ওপৰত চৰকাৰে শাস্তি মুলক ব্যৱস্থা লব লাগে।

গছ-গছনিৰ তিব্ৰ শব্দক বাধা দিব পৰা শক্তি যথেষ্ট বেছি। সেইবাবে মানুহে গছ - গছনি অবাবত নষ্ট কৰাৰ বিপৰীতে বৃক্ষ ৰোপণ কৰি শব্দ প্ৰদূষণ ৰোধ কৰা নিতান্তই আৱশ্যক।

মুঠৰ ওপৰত শব্দ প্ৰদূষণৰ সৃষ্টিৰ গুৰিতেই মানুহেই দায়ী। গতিকে এই প্ৰদূষণ ৰোধ অথবা প্ৰদূষণ মুক্ত পৰিবেশ গঢ়িবলৈ হ'লে মানুহেই আগবাঢ়ি আহি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অন্যথা পৰিবেশ দুষিত-কৰণ হৈ গৈ থাকিব। আৰু সেই দুষিত পৰিবেশে কেৱল মানব সমাজকেই নহয়, জীৱ জগতৰ প্ৰতিটো জীৱৰ জীৱন ধ্বংস কৰি যাব।

# কম্পিউটাৰ বিজ্ঞান আৰু ইয়াৰ প্ৰভাৱ

- শ্ৰীজয়ন্ত মাধৱ বৰা
স্নাতক ৩য় বাৰ্ষিক
বিজ্ঞান শাখা

মানৱৰ ক্ৰম বিকাশৰ পৰাই আৰম্ভ কৰি নৰ আৱিস্কাৰেৰে সমৃদ্ধ হোৱা প্ৰাচীন সভ্যতা সমূহৰ সময়লৈকে প্ৰতি যুগতে প্ৰকৃতিৰ লগত খাপ খুৱাই সহযোগ বা সংগ্ৰাম কৰি জীয়াই থকাৰ বাবে যি ব্যৱহাৰিক কলাৰ আৱিস্কাৰ কৰিছিল সেই সমূহো কালক্ৰমত বিকাশ আৰু উন্নতি হৈ বিবৰ্তনৰ স্বাভাৱিক ফলশ্ৰুতি হিচাপেই ব্যৱহাৰিক বিজ্ঞান স্বৰূপে ৰূপান্তৰিত হৈছে। উনবিংশ শতিকাতেই এই ব্যৱহাৰিক বিজ্ঞানে অধিক প্ৰাধান্যতা লাভ কৰিছে।

আধুনীক বিজ্ঞানৰ যুগত বৈজ্ঞানিক সমাজৰ নাগৰিক হিচাবে আমি দৈনন্দিন জীৱনত প্ৰতি মূহুৰ্তে যন্ত্ৰৰ সহায়ত বৰ্ত্তি আছো। মানৱ সমাজ প্ৰকৃততে যন্ত্ৰ নিৰ্ভৰ হোৱা মাথোন এক শতাব্দী পাৰ হৈছেহে । বিজ্ঞানৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় একোকোটা সময়ত একোটা সাধাৰণ বৈজ্ঞানিক আৱিস্কাৰেও সমাজলৈ গুৰুত্বপূৰ্ণ পৰিবৰ্তন আনে। বিজ্ঞানৰ অভূতপূৰ্ব আৱিস্কাৰ সমূহৰ ভিতৰত কম্পিউটাৰ উদ্ভাৱনে মানৱীয় সমাজত এক সুদূৰ প্ৰসাৰী আমূল পৰিবৰ্তন আনিব পাৰিছে। কম্পিউটাৰ যন্ত্ৰই মানুহৰ মগজু শক্তিক প্ৰত্যাহ্বান জনাই মানুহৰ বৌদ্ধিক শক্তিতকৈ অধিক শক্তিশালী মগজুৰ কাম কৰিব পাৰিছে। কম্পিউটাৰ যন্ত্ৰৰ উদ্ভাৱনে উন্নত দেশ সমূহৰ সম্পূৰ্ণ বিজ্ঞান নিৰ্ভৰ আৰু বিজ্ঞান সমৃদ্ধ সমাজত এটা নিবনুৱা সমস্যাই দেখা দিছে। অতিৰিক্ত অৱসৰৰ প্ৰাচুৰ্য্যই জন সমাজত ব্যক্তিগত তথা সামূহিক ক্ৰিয়া কলাপত অস্থিৰতা আৰু অশান্তিৰ ছাঁ পেলাইছে।

প্ৰধান উদ্যোগ বিপ্লৱৰ ক্ষেত্ৰত যন্ত্ৰশক্তিয়ে মানুহৰ শাৰিৰীক শক্তিৰ ওপৰত নিৰ্ভৰ কৰিছিল আৰু এতিয়া দ্বিতীয় উদ্যোগ বিপ্লৱত কম্পিউটাৰে মানুহকে স্থানান্তৰিত কৰাৰ উপক্ৰম কৰিছে । অদূৰ ভৱিষ্যতে এই কম্পিউটাৰ যন্ত্ৰই এক নিবনুৱা সমস্যাৰ সৃষ্টি কৰিব আৰু সমাজ ব্যৱস্থাতো অস্থিৰতা আহি পৰিব । এনে এটা দিন আহি পৰিব যেতিয়া ইলেকট্ৰনিক স্বয়ংক্ৰিয় ব্যৱস্থাই কোনো শ্ৰমিকৰ সহায় নোলোৱাকৈ নিৰৱিচ্ছিন্ন ভাৱে ফেক্টৰী নাইবা কোনো উৎপাদন ক্ৰিয়া পৰিচালিত কৰিব। অসংখ্য শ্ৰমিকৰ পৰিবৰ্তে মাথোন কম্পিউটাৰ পৰিচালিত কৰিবলৈ প্ৰয়োগ হব মাত্ৰ দুই এজন দক্ষ প্ৰশাসক নাইবা প্ৰযুক্তিবিদ।

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰি মানুহৰ সুবিধাৰ বাবে প্ৰবৰ্তন কৰা সকলো যান্ত্ৰিক ব্যৱস্থাতে আজিকালি স্বয়ংক্ৰিয় প্ৰক্ৰিয়া আৰু কম্পিউটাৰৰ ব্যৱহাৰ হৈছে আৰু পিছলৈও বেছি হ'ব। উদ্যোগ, কল - কাৰখানা, খাদ্য-যন্ত্ৰ, উৎপাদন বা পুঁজিলি প্ৰস্তুতি কৰা ফেক্টৰি, ডাক তাঁৰ আৰু দূৰ সংযোগ ব্যৱস্থা, পৰিবহন নিয়ন্ত্ৰণ যেনে-ৰেল, জাহাজ, আকাশী যান আদি । খনি আৰু তৈল ক্ষেত্ৰৰ কাৰ্য্য ৰিফাইনাৰী, পাৰমানৱিক, মহাকাশ গৱেষণা আদিত কম্পিউটাৰ প্ৰচুৰ প্ৰয়োগ ব্যৱস্থাত সামগ্ৰীও প্ৰস্তুতি অত্যন্ত খৰতকীয়া হয়।

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত এই অভিনৱ আৱিস্কাৰ কম্পিউটাৰ প্ৰয়োগ ভৱিষ্যতলৈ অভাৱনীয়তাৰ সন্দেহ দিছে। গণনা যন্ত্ৰৰ পৰাই আধুনিক কম্পিউটাৰ বুৰঞ্জী আৰম্ভ হয়। গ্ৰীক ভাষাত abacus মানে গণনা ফাল। এটা ফ্ৰেমত কেতবোৰ সমান্তৰাল ধাতুৰ শলাত কেতবোৰ মনি লৰচৰ কৰি বা স্থান সলনি কৰি সংখ্যাৰ যোগ, বিয়োগ বা সংখ্যাৰ পৰিমাণ বুজা হৈছিল । মানুহক গণনা কাৰ্য্যত সহায় কৰা ইয়েই প্ৰথম যন্ত্ৰ । তাৰ পাছত বহু যুগ বাগৰিল। শেষত আধুনিক সভ্যতাৰ সপ্তদশ শতিকাতহে এই দিশত বিকাশ বা উন্নতি হোৱা দেখা যায়। ১৬১৭ চনত 'লগাৰিথম' আৱিস্কাৰ 'জন নেপিয়াৰে' সৰু সৰু মাৰি কিছুমানৰ সহায়ত সংখ্যাৰ পূৰণ-হৰণ কৰিব পৰা পদ্ধতি উলিয়াইছিল। মাৰিবোৰত সংখ্যা আদি লিখা আছিল আৰু সেই সম্পৰ্কত ফলাফলৰ তথ্য তালিকা এখনো ব্যৱহৃত হৈছিল। তেওঁৰ উদ্ভাৱনে যান্ত্ৰিক প্ৰক্ৰিয়াৰ দ্বাৰা গণনা কাৰ্য্য হব পৰা ধাৰণা দৃঢ় কৰিছিল।

১৬৪২ চনত ফৰাচী গণিতজ্ঞ "পাস্কেলে" একক দহক আদিৰ স্থান সূচক কিছুমান চকৰিত সংখ্যা লিখি গিয়াৰ ব্যৱস্থা প্ৰয়োগ কৰি যোগ কৰিব পৰা যন্ত্ৰ প্ৰস্তুত কৰিছিল । একেবাৰে সোঁফালৰ চকৰিটোৱে এককৰ স্থান, দ্বিতীয় চকৰিয়ে দহকৰ স্থান আদি বুজাইছিল। 'পাস্কেলৰ' এই যন্ত্ৰতকৈ আৰু অধিক গাননিক যন্ত্ৰ আৱিস্কাৰ কৰিছিল জাৰ্মান গণিতজ্ঞ 'লাইবনিংজে' ১৬৯৪ চনত। তেও Stepped Reckoner নামে গণ। যন্ত্ৰ এটাৰ কাম সম্পূৰ্ণ কৰে। এই যন্ত্ৰেৰে যোগ, বিয়োগ, পূৰণ-হৰণৰ ওপৰিও বৰ্গমূল উলিয়াব পাৰিছিল ।

১৮৫৯ চনত ইংৰাজ গণিতজ্ঞ জৰ্জ বোলে মাথোন ০ আৰু ১ এই দুটা চিহ্ন ব্যৱহাৰ কৰি এবিধ আধুনিক গণনা যন্ত্ৰ আৱিস্কাৰ কৰে। ১৮৮৬ চনত আমেৰিকাৰ পৰিসংখ্যা বিজ্ঞানী 'হাৰমন হলাৰিয়ে' 'Punched Card' আৰু বৈদ্যুৎতিক চুম্বকীয় উদ্ভাৱণৰে সৈতে সমন্বয় ঘটাই আধুনিক কম্পিউটাৰ উদ্ভাৱণ কৰে।

মুঠৰ ওপৰত কম্পিউটাৰৰ অভুতপূৰ্ব আৱিস্কাৰ সমূহে মানৱীয় সমাজত অবিচ্ছিন্ন অংগ হিচাবে নিজকে প্ৰতিস্থা কৰিলে - ।

"মই মোৰ নিজৰ বাহিৰে আনক কেতিয়াও সমালোচনা নকৰো। কাৰণ মই নিজৰ বিষয়ে আৰু নিজৰ দোষবোৰৰ বিষয়ে যিমান ভালকৈ জানো, আনৰ বিষয়ে আৰু আনৰ দোষবোৰৰ বিষয়ে সিমান ভালকৈ নাজানো।

— ছেক্সপিয়াৰ

# ২০২০ চনৰ এটা পৰিবেশ

-মুজিবুৰ ৰহমান
স্নাতক বিজ্ঞান শাখা

দুঘণ্টাৰ ভিতৰত যেতিয়া ৪র্থ বাৰৰ বাবে বিজুলী নাইকীয়া হৈছিল, তেতিয়া ৰাগিনী অতিপাত ঘামত তিতি গৈছিল। তাইৰ অক্সিজেন মাস্কৰ মাউঠ পীচ বাৰে বাৰে খহি পৰিছিল। তাই তেতিয়া নিজকে নিজেই গালি পাৰিবলৈ ধৰিলে যে যোৱা মাহত কিয় ইয়াক মেৰামতি নকৰুৱালো।

হঠাৎ তাইৰ মনত পৰিল যে যোৱা এমাহ ধৰি তাই ঘৰৰ ডাঙৰ অক্সিজনে টেংকত কিমান পৰিমাণে গেছ আছে তাৰ কোনো খা খবৰ লোৱা নাই। গেছৰ স্তৰ বহুত তল পাইছিল গৈ, মাত্ৰ এসপ্তাহ মানৰ বাবেহে অক্সিজেন আছে। তাই তেতিয়া ভায়েক বিজয়ৰ ওপৰত অলপ খং উঠিল, কাৰণ তাক তাই এমাহ আগতেই গেছ বুক কৰিবলৈ কৈছিল।

দিল্লী মহানগৰত থকা এই তুমহলীয়া ঘৰটোৰ ওপৰ মহলাত উঠি তাই দেখিবলৈ পালে যে দিল্লীৰ ওপৰৰ আকাশ খন এক অন্ধকাৰ কাৰণ ঘনঅক্সাইড জাতীয় গেছে আবৰি পেলাইছিল। দূৰ-দৰ্শনত দিয়া বায়ু প্ৰদূষণৰ আগ-জাননী মতে, দূপৰীয়া চালফাৰ ডাই অক্সাইডৰ ডাৱৰ তললৈ নমাৰ আশংকা আছে। আৰু আবেলি ৪ মানবজালৈ এই ডাৱৰ সাম কটাৰ সম্ভাৱনা আছে। নাই-ট্ৰোজেন অক্সাইডৰ ধোৱাৰ বাবে গধূলি সোনকালে আন্ধাৰ হোৱাৰ সম্ভাৱনা আছে। হয়তো কোনো কোনো ঠাইত সূৰ্য্যৰ কিৰণে দুই এজাক ভুমুকি মাৰিব পাৰে। আজিকালি তাপমান প্ৰায় 46° ডিগ্ৰী চেলচিয়াচৰ আশে পাশে থাকে। এই হিচাপ মতে ফেব্ৰুৱা-ৰীৰ আৰম্ভণিতে এই বাৰ কিছু ঠাণ্ডা পৰিছে।

এনেতে বিজুলী আহিল। ৰাগিণীয়ে অলপ আৰামেৰে নিশ্বাস এৰিলে। গেছ মাস্ক খুলি অতৰাই দিলে আৰু অক্সিজেন কণ্ডিচনাৰ আকৌ চলাই দিলে।

ৰাগিণীয়ে যেতিয়া প্লাষ্টিকৰ কেলেণ্ডাৰৰ কাষ চাপিলে তেতিয়া তাই উচপ খাই উঠিল। কাইলৈ এক তাৰিখ সেই দিনা সিহতে ফুৰিবলৈ যায়। পেট্ৰল 600 টকা প্ৰতি লিটাৰ। 10 কিঃ মিঃ তকৈ বেছি দূৰলৈ গাড়ী চলাবলৈ তেওঁ-লোকৰ সাধ্য নাই। ইমান পেট্ৰলত কিন্তু সিহতে ফৰেষ্টৰিয়ামলৈ (প্ৰাকৃতিক দৃশ্য দেখুওৱা থিয়েটাৰ) যাব পাৰিব। এই থিয়েটাৰত ঘন, বন বননিৰ চিত্ৰ আৰু চিঞৰ বাখৰ কৰি থকা যেন চৰাইৰ চিত্ৰ দেখি মন বৰ আনন্দিত হয়।

থিয়েটাৰ চাই থাকোতে ৰাগিনীৰ ২৪ বছৰ আগৰ দিন বোৰ মনত পৰিবলৈ ধৰিলে। যেতিয়া তাই হাবিলৈ ফুৰিবলৈ গৈছিল, সেই সময়ত ঘন হাবি বননি বোৰৰ বহুত চৰ্চা হৈছিল, কিন্তু কোনে জানিছিল এই সকলো বোৰ ইমান সোনকালে শেষ হৈ যাব।

অতিতৰ সেই মধুৰ ক্ষণৰ পৰা তাই এই অভিশপ্ত বৰ্ত্তমানলৈ ঘূৰি আহিল আৰু হাতৰ ঘড়িৰ ফালে চকু ফুৰালে। বিজয়ৰ বাবে তাই আহাৰ যোগাৰ কৰিবলৈ ধৰিলে। কাৰণ বিজয়ৰ কলেজৰ পৰা ঘৰ আহি পোৱাৰ সময় হৈ গৈছিল। তাই ৰান্ধনি শাললৈ গল আৰু খোৱা বস্তুৰ টিংবোৰলৈ চকু ফুৰালে। প্ৰটিনৰ পেষ্ট, কাৰ্বহাই-ড্ৰেটৰ পাতল জুল বি কমপ্লেক্সৰ ৰোল; কিন্তু বিজয়ৰ ভাল পোৱা আহাৰ হল জুলীয়া ভিটামিন জাতীয় আহাৰ। তাই পাহৰি গৈছিল যে ক্ষন্তেক আগতে জুলীয়া ভিটামিনৰ টিংটো যে টেবুলৰ ওপৰত উলিয়াই থৈছিল। আজি কালি যে ভোজন তৈয়াৰ কৰা যে কিমান সহজ হৈ পৰিল। তেতিয়া তাইৰ মনত পৰিছিল মাকলৈ যেতিয়া তাইৰ মাকে ভোজন বনাইছিল, তেতিয়া কিমান যে কষ্ট কৰিব লাগিছিল। আজি কালি সকলো বস্তুৰে পেষ্ট পোৱা যায়। আজি কালি যদি নিজ ঘৰতে ভৰপূৰ ভিটামিন যুক্ত খাদ্য তৈয়াৰ কৰে এক মাত্ৰ অতি ধনী লোক সকলেহে। L P. G. গেছ চিলি-ণ্ডাৰ এটাৰ বৰ্ত্তমান দাম হল 6,0(0 টকা। ইমানতে বিজয়ে ঘৰ আহি পালেহি।

" বাইদেউ বিলাহী কি বস্তু? এই বুলি ৰাগিণীক প্ৰশ্ন কৰিলে, সিহঁতৰ কাষৰ ঘৰৰ এজন অষ্টম শ্ৰেণীত পঢ়া ছাত্ৰই তাৰ স্কুলৰ টেলিভিচনত দেখুওৱা কাৰ্য্য-ক্ৰম এটাত বিলাহীৰ বিষয়ে এখন তথ্যচিত্ৰ দেখুৱাইছিল। তেতিয়া ৰাগিণীয়ে তাক বিলাহীৰ বিষয়ে বুজাবলৈ ধৰিলে আৰু কলে যে এটা সময়ত ইয়াক পাচলি ৰূপে বজাৰত কিনিবলৈ পোৱা গৈছিল। কিন্তু ই বহুত আগৰ কথা। পাছত জলবায়ু পৰিবৰ্ত্তন হল আৰু গোটেই উত্তৰ ভাৰত মৰুভূমিৰ নিছিনা হৈ পৰিল। হিমালয় অঞ্চলত এতিয়া কোনো লোকে বাস নকৰে কাৰণ বাৰে বাৰে ভূমিকম্প আৰু ভূমি স্খলন হৈ থাকে। দেশৰ দক্ষিণ ভাগৰ অৱস্থাও প্ৰায় একে। পশ্চিমঘাট বিশাল থৰ মৰুভূমিলৈ পৰিবৰ্তিত হল। এতিয়া আফ্ৰিকাৰ "চাহেল" একমাত্ৰ স্থান যত শাক-পাচলি পোৱা যায়। জলবায়ুৰ পৰিবৰ্ত-নৰ বাবে এই স্থান খেতিৰ বাবে উপযোগী হৈ পৰিছে। লৰাজনে আকৌ সুধিলে বাইদেউ এই বোৰ কিমান পুৰণি কথা। ৰাগিণীয়ে হিচাপ কৰি কলে এতিয়া ২০২০ চন চলি আছে, অৰ্থাৎ …।

❁ ❁ ❁

" পুৰণি পুথি বিলাক আমাৰ পুৰণি ৰত্ন। ৰত্ন যেনেকৈ পুৰণি হলেও অকামিলা নহয়। বৰং তাৰ মোল বাঢ়েহে। সেইদৰে আমাৰ পুৰণি পুথি বিলাক আমাৰ আমোল সম্পতি। আমাৰ উপৰি পুৰুষ সকলে তাক আৰ্জি আমি পো-নাতিহঁতলৈ থৈ গৈছো। এতিয়া আমি সেই বাপতি সাহোন ৰাখি খাব লাগে। তাক কৰিব নোৱাৰিলে আমি তেওঁলোকৰ পো-নাতি বুলি কবৰ যোগ্য নহওঁ"।

— বেজবৰুৱা

# ৰাজ্যিক পৰ্য্যায়ৰ ফুটবল আৰু হকীত মোৰ অভিজ্ঞতা

—শ্ৰীপ্ৰণৱ বৰুৱা
স্নাতক ২য় বাৰ্ষিক (কলা)

পোন প্ৰথমবাৰৰ বাবে অসম হকী দলৰ হৈ সৰ্বভাৰতীয় খেল খেলিবলৈ সুবিধা লাভ কৰো ১৯৮৮ চনত। এই সৰ্বভাৰতীয় টুৰ্ণামেণ্ট খেলখন বিহাৰৰ "গোমলা" চহৰত অনুষ্ঠিত হৈছিল। এই খেলখন খেলি আৰু দেখি মোৰ যি অভিজ্ঞতা হল তাৰপৰা ক'ব পাৰি যে ভাৰতৰ বিভিন্ন ৰাজ্যৰ তুলনাত অসমৰ হকী খেল বহুত অনুন্নত।

বিহাৰৰ 'গোমলা" চহৰৰ পৰা উভতি আহি মই আৰু বেছিকৈ অনুশীলন কৰিবলৈ ধৰিলো। মোৰ এই নিয়মীয়া অনুশীলনৰ ফলত ১৯৮৯-৯০ চনত একে চহৰতে অনুষ্ঠিত হোৱা "সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়া" খেলিবৰ বাবে মই অসম দলত স্থান পালো। এই প্ৰতিযোগিতাত আমি যোৱা বছৰতকৈ বহুত উন্নত মানৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হলো। এই প্ৰতিযোগিতাত আমাৰ দলে প্ৰথমখন খেলতে কৰ্ণাটকৰ বিৰুদ্ধে ২-০ গলত জয়লাভ কৰো। দ্বিতীয়খন খেল উৰিষ্যাৰ বিৰুদ্ধে ০-০ গলত ড্ৰ হয়। তৃতীয়খন খেলত মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ০—২ গলত পৰাজিত হওঁ।

তাৰপৰা উভতি আহি অধিক মনোযোগেৰে অনুশীলন কৰিবলৈ ধৰিলোঁ। তাৰ ফলত ১৯৯১ চনত হাৰিয়ানাৰ "হিচাৰ"ত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় স্কুল গেমছত অসম দলৰ হৈ হকী খেলিবলৈ আকৌ সুবিধা লাভ কৰোঁ। এই খেলত আমাৰ গ্ৰুপত আছিল চাৰিটা দল। প্ৰথম দলটো হল ঘৰুৱা দল হাৰিয়ানা। হাৰিয়ানাৰ লগত আমি ৩—১ গলত পৰাজয় বৰণ কৰো। দ্বিতীয় দলটো হ'ল মহাৰাষ্ট্ৰ। মহাৰাষ্ট্ৰৰ লগত আমি অতি কষ্টেৰে ১—০ গলত জয়লাভ কৰো। তৃতীয় দলটো হ'ল তামিলনাডু। তামিলনাডুৰ লগত আমি ৩-১ গলত জয়লাভ কৰো। আনটো দল হল উত্তৰপ্ৰদেশ। উত্তৰ প্ৰদেশৰ লগত আমাৰ ০ ০ গলত "ড্ৰ" থাকে। এইদৰে খেলাৰ পাছত আমি গ্ৰুপৰ ২য় দল হিচাপে পৰিগণিত হলো আৰু কোৱাটাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছিলো। কোৱাটাৰ ফাইনেলত আমি মধ্যপ্ৰদেশৰ বিৰুদ্ধে খেলিছিলো আৰু ২—১ গলৰ ব্যৱধানত পৰাজয় বৰণ কৰি আকৌ অসমলৈ ঘূৰি আহোঁ।

ঘৰলৈ ঘূৰি আহি আকৌ অনুশীলন কৰিবলৈ ধৰিলো। যাতে আকৌ অসম দলৰ হৈ খেলিবলৈ সুবিধা লাভ কৰিব পাৰো। আৰু এই সুবিধা আকৌ আহিল ১৯৯১ - ৯২ চনত। "চণ্ডীগড়"ত অনুষ্ঠিত হোৱা খেলত অসম দলৰ হৈ মই আকৌ খেলিবলৈ নিৰ্বাচিত হলোঁ। এই প্ৰতিযোগিতাত পূৰ্বতকৈও অধিক সুফল লাভ কৰিবলৈ সক্ষম হৈছিলো।

মই যেনেকৈ হকী অনুশীলন কৰিছিলো তদ্ৰুপ অধিক সময় মই ফুটবলক লৈ ব্যস্ত থাকো। ফুটবল অনুশীলন কৰিবলৈ মই অলপো এলাহ নকৰো। অসম দলৰ হৈ খেলিবলৈ মই সদায় সপোন দেখি থাকো। আৰু এই সপোন মোৰ জীৱনত দেৰিকৈ হলেও বাস্তৱত পৰিণত হ'ল। বহুত ধৈৰ্য্যৰ ফলত ১৯৯১-৯২ চনত মহাৰাষ্ট্ৰৰ 'চাতাৰাত' অনুষ্ঠিত হোৱা ফুটবল প্ৰতিযোগিতাৰ বাবে মই অসম দলৰ হৈ নিৰ্বাচিত হলো। এই প্ৰতিযোগিতাত আমাৰ গ্ৰুপত পাঁচটা দল আছিল। প্ৰথন খেলখন আমি কৰ্ণাটকৰ লগত ৪—০ গলত জয়লাভ কৰো, দ্বিতীয় খেলখন জম্মু - কাশ্মীৰৰ লগত বাই পাওঁ, তৃতীয় খেলখন বেঙ্গলৰ লগত ০-০ গলত ড্ৰ হয়। চতুৰ্থ খেলখন ৰাজস্থানৰ লগতো ০—০ গলত ড্ৰ হয়। পঞ্চম খেলখনো হাৰিয়ানাৰ লগত ড্ৰ থাকে। এখনো খেলত নেহাৰি এটাও গল নোখোৱাকৈ আমি গ্ৰুপৰ পৰা গল গড় ভিত্তিত বাহিৰ হবলৈ বাধ্য হলো। এয়ে আমাৰ দুৰ্ভাগ্য আছিল। আমি আৰু আগবাঢ়িব নোৱাৰিলো। এইদৰে খেলি আহি আকৌ অনুশীলন কৰাত লাগি আছো, যাতে ভৱিষ্যতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হওঁ। ●●

❁ ❁ ❁

"সাক্ষৰতা অতিশয় আৱশ্যকীয়। কিন্তু সাক্ষৰতাই শিক্ষা নহয়। যদি শিক্ষাৰ মাজেদি মানুহে জ্ঞান লাভ নকৰে, তেন্তে সেই শিক্ষাৰ কোনো মূল্য নাই। সেই শিক্ষা মানুহৰ বাবে অভিশাপহে হবগৈ।"

— **ৰাধাকৃষ্ণণ**

সৌ সিদিনালৈকে অসমীয়া আছিল
এটা জাতিৰ নাম এতিয়াৰ পৰা অসমীয়া
হব এটা বন্দুকৰ নাম।

— **বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্য্য**

# "বৈদিক যুগত ভাৰতত গণিত চৰ্চা"

—শ্ৰীপ্ৰদীপ কুমাৰ চেতিয়া ফুকন
অধ্যাপক ( গণিত বিভাগ )

পৃথিৱীৰ উচ্চতম চিৰ-তুষাৰ বৃত্ত হিমালয় পৰ্বতমালাই ভাৰতবৰ্ষক অন্যদেশৰ পৰা পৃথক কৰি ৰাখিছে আৰু ভাৰতবৰ্ষৰ দক্ষিণৰ তিনিও ফালে পানীৰে আগুৰা বুলিয়েই ইয়াক উপদ্বীপ বোলা হয় । লাখ লাখ বছৰৰ গতিপথত মানুহে ক্ৰমশঃ পাথৰ ভাঙি, পাতল টুকুৰা কৰিবলৈ আৰু তাৰ পৰা জোঙাল যাঠি, ছুৰি, চাচঁনী, বিন্ধনা ইত্যাদি তৈয়াৰ কৰিবলৈ শিকিছিল । দুই নিযুত বছৰৰ অধিক সময় অতিক্ৰম কৰি অহা এই সুদীৰ্ঘ আৰু কঠিন পথৰ ইতিহাসত মানৱ সমাজে বিভিন্ন সময়ত ধৰ্ম বিশ্বাসৰ লগতে বিজ্ঞানৰ ন-ন তথ্য আৱিস্কাৰ কৰি আহিছে। প্ৰাচীন কালত পৃথিৱীত লিপি উদ্ভাৱন, বিজ্ঞান আৰু শিল্পকলা সৃষ্টিয়েই সমগ্ৰ বিশ্ব সংস্কৃতিৰ পৰৱৰ্ত্তী বিকাশত ভিত্তি হিচাপে অশেষ বৰঙণি যোগাই আহিছে বুলি কব পৰা যায় ।

ভাৰতবৰ্ষত কেইবা লাখ বছৰ ধৰি মানুহ বসবাস কৰি আহিছে। দীৰ্ঘকাল ধৰি বিজ্ঞানী সকলে ধাৰণা কৰিছিল যে খ্ৰীষ্ট পূৰ্ব প্ৰথম সহস্ৰাব্দতহে মাথোন ভাৰতবৰ্ষত মাটিত শ্ৰেণী বিভক্ত সমাজ আৰু প্ৰথম ৰাষ্ট্ৰ গঠণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল । খ্ৰীষ্টপূৰ্ব প্ৰথম সহস্ৰাব্দত ভাৰতবৰ্ষত ঈশ্বৰ সমগ্ৰ বিশ্ব আৰু মানুহৰ সৃষ্টি কৰ্ত্তা বুলি বিবেচিত হৈছিল । কৃষি ব্যৱস্থা আৰু হস্ত শিল্পৰ বিকাশ আৰু ৰাষ্ট্ৰৰ উত্থানৰ ফলত ভাৰতবৰ্ষত খ্ৰীষ্টপূৰ্ব প্ৰথম সহস্ৰাব্দত ভাৰতীয় সকলে শুকান তাল-পাত আয়তাকাৰত কাটি তাৰ ওপৰত লিখিবলৈ আৰম্ভ কৰিছিল । সেই সময়ৰ ঘৰ-দুৱাৰ আৰু নগৰৰ বিভিন্ন অঞ্চলৰ নক্সা-নুযায়ী সঠিক নিৰ্মাণ, নিভূৰ্ল ভাৱে জ্যামিতিক নিয়ম অনুসৰি খন্দা খাল ইত্যাদি দেখি প্ৰমাণ পোৱা যায় যে ভাৰতীয় সকলে ভালকৈ জ্যামিতি বুজি পাইছিল ।

গণিত অতি প্ৰাচীন শাস্ত্ৰ । সুদূৰ অতীতত সিদিনা মানুহে বৰ্ণমালা আৱিস্কাৰ কৰিছিল তাতোতকৈ আগত মানুহৰ মনত গণিতৰ চিন্তা-ধাৰণা আৱিৰ্ভাৱ হৈছিল । সভ্যতা বিকাশৰ লগে লগে মানুহৰ চাহিদা বাঢ়িল, চিন্তা শক্তি প্ৰসাৰ হল, মানুহে গণনা কৰিবলৈ শিকিলে । আৰু গণনাৰ তাগিদাত সংখ্যা সমূহ আৱিস্কাৰ হবলৈ ধৰিলে । সংখ্যা গণনা পদ্ধতি আৱিস্কাৰৰ লগে লগে ভাৰতত গণিতৰ বিকাশ অন্য দেশ বিলাকৰ লগত আগবাঢ়ি গল । আৱিস্কৃত হ'ল জ্যোতি বিজ্ঞান, পাটিগণিত, বীজগণিত আৰু জ্যামিতি ।

আধুনিক বিচাৰত বৈদিক যুগ বুলিলে খ্ৰীষ্ট জন্মৰ আঢ়ৈ হাজাৰৰ বছৰৰ পৰা খ্ৰীষ্ট জন্মৰ পাঁচশ বছৰ পূৰ্ব পৰ্য্যন্ত প্ৰায় এই দুই হাজাৰ বছৰ কালক বুজোৱা হয়। বৈদিক যুগত কোনো গণিতৰ গ্ৰন্থ ৰচনা তেনেদৰে হোৱা নাছিল । গণিতৰ পৰিচয় কেৱল বেদ, বেদাংগ, ষড়দৰ্শন আৰু অন্যান্য বৈদিক সাহিত্য সমূহত পোৱা গৈছিল । বেদ - বেদাংগ বোৰত গণিতৰ সুসংবৰ্দ্ধ আলো-



চনা কৰা হৈছিল । পদ্যৰ ৰূপত গণিতৰ গাথাই প্ৰথম ৰূপ পাইছিল বেদ-বেদাংগবোৰত। বেদাংগ ছয়খন ঃ
১) শিক্ষা ২) ছন্দস ( science of prosody ) ৩) ব্যাকৰণ
৪) নিৰুক্ত ( Etymology )
৫) জ্যোতিষ ৬) কল্প ( পূজা-পাতল যাগ-যজ্ঞ নিয়ম ) বেদ ৰচিত হোৱাৰ পিছত ভাৰতৰ মানুহে গণিতৰ ওপৰত মন নিয়ে জিত কৰিলে । গণিতক একোটা পুনাংগ আলোচনাৰ বাবে সকলোৱে প্ৰয়াস কৰিব নোৱাৰিছিল । তথাপিও দেখা গৈছিল, গণিতৰ কিছু কিছু কথা বেদ বিলাকত কিছু কিছু স্থান দখল কৰিছিল । বেদাংগ জ্যোতিষত পাটী গণিত আৰু জ্যোতি বিদ্যাৰ বিষয়ে আলোচনা পোৱা যায়। সেই কালত বিজ্ঞানৰ বেলেগ ভাগ নাছিল । জ্যোতি বিদ্যাৰ লগে-লগে গণিত শাস্ত্ৰও অংগা-অংগি ভাৱে জড়িত আছিল। বেদাংগ জ্যোতিষ ( খ্ৰীষ্টপূৰ্ব ১২০০ বছৰৰ ) ব্যৱহাৰ হৈছিল মাংগলিক কৰ্মৰ বাবে শুভ লগ্ন নিৰূপণ কৰাত । এই জ্যোতিষ আকৌ দুটা ৰূপত পোৱা যায় - অংক জ্যোতিষ আৰু যজুজ্যোতিষ। অংক জ্যোতিষত '১' ৰ পৰা '৯' লৈ অংক সংখ্যাবোৰ আছে । এই শাস্ত্ৰমতে '১'ৰ পৰা '৯'লৈ সংখ্যাবোৰ ক্ৰমে সূৰ্য্য, চন্দ্ৰ, বৃহস্পতি, ৰাহু, বুধ, শুক্ৰ, কেতু, শনি আৰু মংগলৰ দ্বাৰা প্ৰভাৱান্বিত । বেদাংগৰ পিছতে গণিতৰ কথা থকা পুথি হল শুলভ্ সূত্ৰ । যজ্ঞ বেদীৰ জোখ মাখ প্ৰণালীয়েই এই পুথিৰ মূল কথা । বেদাংগ অন্তভুক্ত আৰু শুল্বসূত্ৰ আৰু বেদাংগ জ্যোতিষ শাস্ত্ৰত গণিতৰ চাৰিটা শাখাৰ পৰিচয় পোৱা যায় । এই শাখা-বোৰ হৈছে পাটিগণিত বীজগণিত জ্যামিতি আৰু জ্যোতিবিদ্যা । পাটি গণিতে এক ৰকম বৈদিক যুগতে পূৰ্ণতা লাভ কৰিছিল বুলি কব পাৰি । সংখ্যা গণনা, যোগ বিয়োগ, পূৰণ, ভাগফল আনকি বৰ্গমূল নিৰ্ণয় পদ্ধতিও বৈদিক যুগত জনা গৈছিল । সেই যুগত এফালে যিমান ডাঙৰ ডাঙৰ সংখ্যাৰ পৰিচয় পোৱা যায় আনহাতে খুব সৰু-সৰু সংখ্যাৰ ধাৰণা কৰাও হৈছিল । এক - তৃতীয়াংশ, এক-পঞ্চমাংশ আদি উল্লেখ থকাৰ পৰা জনা যায় যে ভগ্নাংশও বৈদিক যুগত প্ৰচলন হৈছিল । মুঠ কথা এইয়ে, সংখ্যা গণনা, ডাঙৰ বা সৰু সংখ্যাৰ যোগ, বিয়োগ, পূৰণ, বৰ্গমূল প্ৰভৃতি আধুনিক গণিতৰ মুখ্য বিষয় সমূহ ভাৰতত বৈদিক যুগতে আৱিস্কাৰ কৰিবলৈ সক্ষম হৈছিল ।

বীজ গণিতৰ আৱিস্কাৰ আৰু বিস্ময়কৰ আছিল । আমাৰ বীজ গণিতৰ অংকত সমান্তৰ শ্ৰেণী ( Arithmetical Progression ) ৰ যোগফল নিৰ্ণয় কৰা প্ৰণালী গুণোত্তৰ শ্ৰেণীৰ ( Geometrical Progression ) ৰ যোগফল নিৰ্ণয় কৰা প্ৰণালী ভাৰতবৰ্ষত বৈদিক যুগতে আৱিস্কাৰ হৈছিল। সমবায় বা কম্বিনেশ্বন আৰু বিন্যাস বা পাৰমুটেচন আদিৰ নিচিনা কঠিন অংকও সেই কালত প্ৰচলিত আছিল । কেৱল উদাহৰণেই নহয়, কোনো কোনো ক্ষেত্ৰত গণিতৰ সূত্ৰও আলোচনা হৈছিল । একমাত্ৰা আৰু দুইমাত্ৰাৰ সমীকৰণ সমাধান একাধিক স্থানত দেখা যায় । পাটী গণিত আৰু বীজ গণিতত বৈদিক যুগত ভাৰতবৰ্ষত যি পৰিমাণৰ অসামান্য দান আছে জ্যামিতিত সেই পৰিমাণৰ দেখা নাযায় । প্ৰণালীবদ্ধ জ্যামিতিৰ পৰিচয় একমাত্ৰ শুল্বসূত্ৰ সমূহতে লক্ষ্য কৰা যায় । বৌধায়ন আৰু কাত্যায়নে শুল্বসূত্ৰটো এনেদৰে ৰাখ্যা কৰিছে - " এটা আয়তক্ষেত্ৰৰ কৰ্ণডালে যি বৰ্গক্ষেত্ৰ কৰিব তাৰ কালি, দীঘ আৰু প্ৰস্তৰ প্ৰত্যেকে কৰা বৰ্গক্ষেত্ৰৰ দুটাৰ কালিৰ যোগফলৰ সমান । দেখা যায় যে এই সূত্ৰটো পাইথাগোৰাছৰ সূত্ৰটোৰ বাহিৰে একো নহয়। বৌধায়ন, কাত্যায়ন, আপাস্ত্ৰম্ব ৰচিত পুথিত কিছু শুল্বসূত্ৰৰ জ্যামিতিক পৰিচয় আছে । অন্য কোনো প্ৰাচীন গ্ৰন্থত জ্যামিতিৰ আলোচনা বৰ বেছি দেখা নাযায় ।

জ্যোতি বিজ্ঞান যদিও এই ক্ষেত্ৰত আলোচ্য বিষয় নহয়, তথাপি জ্যোতি বিজ্ঞানত অন্তভূক্ত

ঋতু নির্ণয়, মাহ-তিথি, ৰাশি আৰু নক্ষত্ৰ গণনা, বছৰৰ দিন সংখ্যা নিৰূপন, চন্দ্ৰৰ সৌৰ বছৰৰ পাৰ্থক্য নিৰ্ণয় কৰাৰ্লৈ চাই কব পাৰি যে বৈদিক যুগত ভাৰতত গভীৰ গণিত চৰ্চা আছিল।

পাইথাগোৰাছ, ডিমোক্ৰিটাছ, আৰ্কিমিডিস্ প্ৰভৃতি প্ৰসিদ্ধ গণিত বিদ সকল আৰ্বিভাৱৰ বহুপূৰ্বেই বৈদিক সাহিত্য ৰচিত হৈছিল। বৈদিক সাহিত্যত আলোচিত পাটিগণিত, বীজগণিত আৰু জ্যামিতিৰ বহু কঠিন তত্বৰ বিষয়-বস্তু বিদেশী গ্ৰন্থবোৰত প্ৰতিফলিত ঘটিছে। বেদাংগ ছন্দমত 'পিনগলা' ই এই বৈদিক যুগত শূন্য - '০' ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে সেই কালত হিন্দুবোৰে শূন্যৰ আৱিস্কাৰ কৰিছিল এটা সংখ্যা হিচাপে নহয় মহাশূন্যতা বা একো নথকা প্ৰতীক হিচাপেহে। ভাৰতৰ প্ৰতি কোনো কোনো বিদেশী পণ্ডিতে নাক কুচালেও পাটিগণিতত শূন্য আৱিস্কাৰৰ কথা মনত পেলোৱা হয়; সেই এটি মাত্ৰ আৱিস্কাৰৰ বাবে বৈদিক যুগক গণিত শাস্ত্ৰৰ বেলিকা বিশ্ববাসীয়ে চিৰকাল স্মৰণ কৰিব লাগিব।

যি সকল লোকে স্বাধীনতা বিচাৰে অথচ বিক্ষোভৰ হুলস্থুল নিবিচাৰে তেওঁলোকে মাটি চাহ নকৰাকৈয়ে শস্য পাবলৈ বিচাৰে। তেনেলোকে ধুমুহা ঢেৰেকনি নোহোৱাকৈ বৰষুণ পাবলৈ বিচাৰে। দাবী নকৰিলে শাসনাধিষ্ঠ ক্ষমতাই একোকে নিদিয়ে। আগতেও দিয়া নাছিল। মানুহ যি সপৰিমানে কিবা এটা শক্তিৰ ওচৰত নতি স্বীকাৰ কৰে সেই পৰিমানেই তেওঁলোকৰ ওপৰত অত্যাচাৰ চলে। মুখৰ আঘাতেৰে বা হাতৰ আঘাতেৰে বা এই দুয়োটাৰে আঘাত নিদিয়ালৈকে অত্যাচাৰ চলি থাকে। অত্যাচাৰী শাসকৰ সীমা কিমান দূৰলৈকে যাব সেই কথা নিৰ্ভৰ কৰে অত্যাচাৰীতাৰ ধৈৰ্য্য, ক্ষমতা আৰু সহিষ্ণুতাৰ ওপৰত -

**— ফ্ৰেডাৰিক ডগ্লাচ্**

" ৰূপৰ মোহ, প্ৰেমৰ আশা নিৰাশা, মৃত্যুৰ মহিমা, প্ৰকৃতিৰ সৌন্দৰ্য্য, জীৱনৰ দুভাৰ্গ্য আৰু অভিজ্ঞতাৰ জটিলতা - এই বিলাকেই কবিতাৰ চিৰকলীয়া সম্বল। অভিজ্ঞতাৰ বৈচিত্ৰ আৰু অনুভৱৰ তীব্ৰতা এই দুবিধৰ উপাদানেই হ'ল কবিতা।

**— সাহিত্য আৰু জীৱন**



# সাম্প্ৰতিক কালত মিছিং সমাজ

*—শ্ৰীচন্দন কুমাৰ কুলি*
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

আদিতে মিছিং সকলে অসমৰ উত্তৰ-পূব ফালে পাহাৰত থকা বুলি মিছিং জাতিৰ বিষয়ে অধ্যয়ন কৰা বহু পণ্ডিতে কয়। এইটো ঠিক যে একালত অসমৰ উত্তৰত থকা পৰ্ব্বত সমূহৰ পৰা প্ৰৱজন কৰি মিছিংসকল আহিছিল। কিন্তু তেওঁলোকৰ প্ৰৱজনৰ দিশ আৰু সময় কোৱা টান।

পূৰ্বতে মিছিং সকল পৰ্বতৰ বাসিন্দা আছিল আৰু ঘাইকৈ ঝুম খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। একালত ঝুম খেতি কৰা মিছিংসকলৰ বাবে ভাত বা তেনে খাদ্যৰ পৰিপূৰক হিচাপে মাছ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য্য হৈ পৰিছিল। বছৰৰ খৰালি মহীয়া মাছ শুকুৱাই থৈ আটকৰ দিনত তাকে খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল। মিছিংসকলে নৈৰ পাৰত মুক্ত জীৱন যাপন কৰি ভাল পায়। সেইকাৰণে গাওঁবোৰ সাধাৰণতে নৈৰ পাৰত অৱস্থিত। নৈৰ পাৰৰ ঘৰবোৰ বাঁহ বেতেৰে উপযোগীকৈ সজা চাংঘৰ। মিছিংসকল সাধাৰণতে যৌথ পৰিয়াল হিচাপে থাকে। সেইকাৰণে কেতিয়াবা একেটা পৰিয়ালত ৫০/৬০ জন ব্যক্তিলৈকে দেখা যায়। সেই-কাৰণে কোনো এটা ঘৰ ২০০ ফুট্ পৰ্য্যন্ত দীঘল। দুখীয়া সৰু পৰিয়ালবোৰৰ ঘৰবোৰ অৱশ্যে সৰু। সাধাৰণতে ডাঙৰ চাংঘৰ বিলাকৰ প্ৰতিটো ঘৰৰ সন্মুখত মুকলি আহল বহল চ'ৰা ঘৰ থাকে। চাংলৈ উঠিবলৈ এটা কাঠৰ জখলা মিছিং ভাষাত "কোবাং" থাকে। চাঙৰ ভিতৰত এটা ডাঙৰ জল ঘৰ থাকে। ঘৰৰ পিছফালেও মুকলিকৈ থাকে। কাঠৰ জখলাৰে পিছফালেদিও উঠা নমা কৰে। এটা ডাঙৰ চাং ঘৰত দুৱাৰ থাকে মাথো দুখন। ডাঙৰ চাংঘৰটোৰ মাজ মজিয়াত এখন প্ৰকাণ্ড জুইশাল থাকে। এই জুইশালৰ চাৰিও ফালে বন্ধা-বঢ়া কৰা, গল্প - গুজব কৰা আনকি শুৱা আদি সকলো কামেই হয়।

মিছিং সকল অতিশয় অতিথিপৰায়ণ। ঘৰলৈ অতিথি আহিলে তেওঁলোকে একোবাতি আপঙেৰে অতিথি শুশ্ৰুষা কৰে। সকাম-নিকাম উৎসৱ অনুষ্ঠান, পূজা-পাতল আদি কামত আপং ব্যৱহাৰ কৰে। সাধাৰণতে মিছিংসকল এটা ৰংচঙীয়া জাতি। ডেকা গাভৰু উভয়ে একেলগে নাচ-ধেমালি কৰি ভালপোৱা, বিহুমাৰি ভালপোৱা, ঐনিতম গাই ভাল-পোৱা এটা প্ৰাণৱন্ত জাতি। আজিও সেই নৈ পৰীয়া মিছিং ডেকা-গাভৰুৱে জোনাক নিশা নাচি নাচি নদীৰ দুয়োপাৰ কপাই আনন্দৰ জোৱাৰ তুলিছে।

ধৰ্মীয় ক্ষেত্ৰত চাবলৈ গলে বেছিভাগ মিছিংলোক সনাতন হিন্দু ধৰ্মৰ। আন জন-জাতীয় লোকৰ দৰে তেওঁলোকেও প্ৰকৃতিৰ নানা শক্তিৰ উপাসনা কৰে। মিছিংসকলে মেঘ, তৰা, চন্দ্ৰ সূৰ্য্য আদিক পূজা কৰে। মিছিংসকলৰ ধৰ্মীয় ক্ষেত্ৰত তেওঁলোকৰ এজন পুৰোহিত থাকে। তাক সাধাৰণতে

'মিবু, বুলি কোৱা হয়। মিবুয়ে কাক কেনেধৰণৰ পূজা কৰিব লাগে তাক বিধান দিয়ে। সাধাৰণতে পূজাত গাহৰি, কুকুৰা, আপং উৎসৰ্গা কৰা হয়। বছৰটোৰ ভিতৰত এধন মিছিং গাওঁত কেবাবাৰো পূজা কৰা হয়। যদি পূজা নকৰে তেনেহলে সেই গাওঁৰ গৰু, ম'হ, মানুহৰ অমঙ্গল হ'ব পাৰে বুলি এটা বিশ্বাস আছে। তাৰ উপৰিও বেমাৰ-আজাৰ, বিপদ-আপদ হলে মিছিংসকলে নাম কীৰ্ত্তন কৰে।

মিছিংসকলৰ প্ৰধান জীৱিকা হ'ল কৃষি। পলসুৱা মাটি আৰু পানীৰ অভাৱ নোহোৱাৰ বাবে ধান, মাহ, সৰিয়হ খেতিৰ উপৰিও সাধাৰণতে কম পৰিমাণে ধপাট, আৰু মৰাপাট খেতি এওঁলোকে কৰা দেখা যায়। মিছিংসকলৰ জাতীয় উৎসৱ এই কৃষিৰ লগতে জড়িত। "আলি আই লিগাং" আৰু 'পৰাগ' খেতিৰ লগত সম্বন্ধ আছে। আলি আই লিগাং ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰা হয়। ফাগুন চ'তত আহুধান সিঁচিবলৈ লোৱাৰ আগতে যাতে কৃষকৰ শস্য নদন-বদন হয় তাৰ বাবে বসুমতী আইক আপং, মাছ আদিৰে পূজা কৰে। তাৰ পাছত পথাৰত শস্যৰ কঠীয়া পেলায়। আলি আই লিগাং আৰম্ভ হোৱাৰ আগতে ৰাইজে মিলি চিকাৰলৈ গৈ যি পায় তাকে লৈ ৰাইজে মিলি ভোজ খায়। আৰু ইয়াৰ উপৰিও ইজনে সিজনৰ ঘৰলৈ গৈ ভোজন কৰে। উৎসৱৰ দিনা মিছিং সকলে তেওঁলোকৰ জাতীয় পোচাক পিন্ধে আৰু সেইদিনা নিশা ডেকা-গাভৰুৱে মিলি নাচ-গান কৰি আনন্দ কৰে। আনটো উৎসৱ হ'ল 'পৰাগ'। খেতি চপোৱাৰ পাছত অনুষ্ঠিত কৰা হয়। সেয়ে ভাদ, আঘোণ, অথবা মাঘ-ফাগুন মাহৰ ভিতৰত পতা হয়। এই উৎসৱ পালন কৰিবলৈ কাঠ-বাহেৰে জক-মকীয়া ঘৰ নিৰ্মাণ কৰাটো অতি আৱশ্যক। এই ঘৰকে মুৰংঘৰ (ৰাজহুৱাঘৰ) বোলা হয়। এই উৎসৱ যাতে সুচাৰুৰূপে হব পাৰে তাৰ বাবে সকলো ডেকা-গাভৰুৱে কামত আগভাগ লয়। 'পৰাগ' উৎসৱৰ কেইদিন মুৰংঘৰত ঢোল, তাল, পেঁপা গগণাৰ সুৰত আনন্দিত হৈ থাকে। দিনে ৰাতিয়ে নাচ ধেমালি চলি থাকে। ডেকাসকলে ঢোল পেঁপা বজাই ভাগৰি নপৰে। গাভৰু সকলেও নাচি-নাচি পৰি যায় কিন্তু হেপাহ নপলায়।

মিছিং তিৰোতা-পুৰুষ উভয়ে কুটিৰ শিল্পত পাৰদৰ্শিতা দেখুৱাই আছে। তেওঁলোকে অধিকাংশ আজৰি সময়ত নিজৰ দৈনন্দিন জীৱনৰ লাগতিয়াল বস্তুবোৰ নিজে তৈয়াৰ কৰি লয়। মিচিং তিৰোতা সকলে নিজে বোৱা মেখেলা চাদৰ পিন্ধে। প্ৰতি গৰাকী তিৰোতাই বোৱা-কটা কামত পাকৈত। মিছিং তিৰোতা সকলে বোৱা কাপোৰবোৰ সচাঁকৈ চাবলগীয়া। বহুতো মিছিং ঘৰত এড়ি-মুগা পুহি এইবোৰৰ পৰা এড়িচাদৰ, মেখেলা আৰু তেওঁলোকৰ জাতীয় পোচাকবোৰ তৈয়াৰ কৰি লয়।

মিছিংসকল নৈৰ কাষত বাস কৰা জাতি। আজিও এই নদী-পৰীয়া সংস্কৃতি তেওঁলোকে সংৰক্ষণ কৰি আছে। প্ৰকৃতিৰ নিবিড় সান্নিধ্যত থাকি ভালপোৱা মিছিং সকলে আজিও তেওঁলোকৰ জীৱন সংগ্ৰাম অবিৰত ভাৱে নদীৰ বান-পানী আৰু প্ৰাকৃতিক দুৰ্যোগৰ মাজত কটাবলগীয়া হৈছে। বান-পানী আৰু খহনীয়াত অগণন মিছিং লোকৰ তেজ আৰু ঘামৰ বিনিময়ত সেউজীয়া হোৱা ধাননী পথাৰ পানীৰ বুকুত জাহ গৈছে। বানপানী আৰু গড়া খহনীয়াত ঘৰভেটি হেৰুৱাই অগণন মিছিং লোকে বিনা প্ৰতিবাদে জীৱিকাৰ সন্ধানত আন ঠাইলৈ গতি কৰিছে। নানান ঘাট প্ৰতিঘাট পোৱা স্বত্বেও মিছিংসকলে তেওঁলোকৰ নদীৰ বৰ্ণাধ্য সংস্কৃতিৰে বিশং শতিকাৰ তথাকথিত আধুনিক সভ্যতাৰ সময়তো নিজৰ সত্বা আৰু বৈশিষ্ট অক্ষুন্ন ৰাখিব পাৰিছে। ●●



# পদ্মনাথ গোহাঞি বৰুৱাৰ কাব্য প্ৰতিভা

–শ্ৰীকল্যাণ কুমাৰ মিলি
স্নাতক মহলা (কলা)

অসমীয়া সাহিত্যৰ ইতিহাসত পদ্মনাথ গোহাঞি বৰুৱাৰ ঘাই চিনাকী নাট্যকাৰ হিচাবে হলেও তেওঁ এজন সাৰ্থক কবিও। তেওঁৰ কাব্যকৃত্তি যেনেকৈ বিশাল পৰিসৰৰ ওপৰত প্ৰতিষ্ঠিত নহয় তেনেকৈ তেওঁৰ কবিতাৰ বিচাৰত উচ্চাসন পোৱা কবিতাৰ সংখ্যাও তেনেই সীমিত। তথাপি তেওঁৰ যি কেই অৰাঁ মান কবিতা প্ৰকৃত অৰ্থত কাব্যগুন সম্পন্ন, সেইখিনি কবিতাৰ গুণতেই গোহাঞি বৰুৱাই অসমীয়া কবিতাৰ ইতিহাসত এখন নিগাজী আসন লাভ কৰিছে।

গোহাঞি বৰুৱাৰ কবি-প্ৰতিভাৰ পৰিচয় পাবলৈ হলে তেওঁৰ ৰসোত্তীৰ্ণ কবিতাবোৰৰ মনৰ (সাৰবস্তু) আৰু দেহৰ (সাজসজ্জা) খবৰ লোৱা নিতান্তই দৰকাৰ।

"ফুলৰ চানেকি"ত প্ৰকাশ হোৱা "উষা" নামৰ কবিতাটি অসমীয়া কাব্যজগতৰ এটি উজ্জল হীৰা হেন। তেওঁৰ তাকৰীয়া সাৰ্থক সৃষ্টিৰ ভিতৰত শ্ৰেষ্ঠত্বম। ভাৱৰ অন্তৰ্মুখিতা আৰু ৰচনাৰ প্ৰাঞ্জলতা কবিতাটিৰ বিশেষ আকৰ্ষন। তেওঁৰ কবি প্ৰতিভাৰ উজ্বল দিশ, তেওঁৰ প্ৰতীক ধৰ্ম্মী কবিতাবোৰ। উষা চৈতন্যৰ প্ৰতীক, উষা এটি নতুন দিনৰো প্ৰতীক।

দুপৰ সূৰয আৰু মাজ নিশা ৰাতি
বিপৰিত উৎপতি লয়
দিনে দুই অবসান, নিজম সংসাৰ
দুটিবাৰ সচেতন হয়।

কবিতাটিৰ আৰম্ভনিতে আছে ঃ

নিশা অবসান প্ৰায়,
নিজম জগতে
লাহে লাহে লভিছে চেতনা;
ভাগৰ টোপনি মায়া
ক্ৰমে আতঁৰিছে
সুমৰি উঠিছে প্ৰাণ-বীনা।
সপোনৰ লীলা খেলা
প্ৰকৃতিয়ে তুলি
ধৰিছেহি দিঠকৰ মোৰ,
দৃষ্টিহীন সজাগেৰে
উমানত শুনে
নিজানত উটি অহা সুৰ।

তলৰ স্তৱকটিত কবিয়ে চেতনাৰ পূৰ্ণ প্ৰকাশৰ কথাকে দোহাৰিছে ঃ

ভাবত পুৰঠ হ'ল সৃষ্টিত অন্তৰ
ৰাঙলী ৰহন তাৰ চিন;
ৰূপান্তৰ তাৰে মাথো
শোণিত সাগৰ,
প্ৰান্ত তাৰ অনন্তত লীন।

এই স্তৱকটিত আধুনিক প্ৰতীক ধৰ্ম্মী কবিতাৰ আচোঁৰ পৰা দেখা যায়।

কবিতাটিত চিত্ৰকল্পৰ প্ৰয়োগ কবিৰ কবি-প্ৰতিভা বাৰুকৈয়ে প্ৰভিভাত কৰিছে।

উষা যেন এগৰাকী সদ্যস্নাতা, তেজোদীপ্ত, স্বাস্থোজ্বল, শুচিব্ৰতা বোৱাৰী। কবিতাটিত সিঁচৰিত হৈ থকা বাংময় আৰু ভাবোদ্দীপক প্ৰকাশ ভংগীৰ যোগেদি এই চিত্ৰকল্পৰ সৃষ্টি কৰা হৈছে। তুলনীয়; "ৰাঙলী ৰহণ" "শোণিত সাগৰ",

"তেজপানী ক্রমে ঘন হয়", "প্রকৃতিৰ কপালত সেন্দুৰৰ ফোঁট" "পবিত্ৰ মিলন ফলে শান্তিময়ী প্ৰভা" ইত্যাদি। অন্য এটি চিত্ৰ-কল্প হল :

যাত্ৰী নাওঁ যাওঁ যাওঁ
আপেক্ষি লগৰী
যাতৰাৰ শুভক্ষণ গণি
ৰিণি ৰিণি দেখা যায়;
আহে ভটিয়াই
লুইতৰ পানী ধাৰা মণি।

ইয়াৰ বিপৰীতে উষা' কবিতাটিৰ শেষ স্তৱকটিয়ে কবিতাটিৰ ভাৱৰ গভীৰতাক অলপ হলেও ক্ষুন্ন কৰিছে। এনে দুই এটি খুত ৰৈ যোৱা সত্বেও গোহাঞি বৰুৱাৰ

"সৌন্দৰ্য্যৰ ৰূপৰাশি, কৰুণাৰ প্ৰভা,
প্ৰেমৰ আবেগ ৰাগ, সম্ভোগৰ
সুখ;
আৰু এক আসক্তিৰ পূণ্য
আকৰ্ষণ।"

'গুহা" কবিতাত কবিয়ে প্ৰকৃতিক শীতল পাটিত জিৰণি লোৱা সুন্দৰীৰ ৰূপত কল্পনা কৰিছে। এই দুটা কবিতাৰ মাজেদি কবিৰ নিবিড় প্ৰকৃতি-প্ৰেম প্ৰকাশ পাইছে। "ঢোপাকলি" কবিতাই এগৰাকী প্ৰাণোচ্ছল অথচ লাজ্যক গাভৰুৰ পিংগল, সুগোল দুগাল ছবি মনলৈ আনে। ঢোপাকলিক কবিয়ে অনুভূতি-শীল কৰি তুলিছে।

পাকে পতি পৰে ধৰা বেঁকা
চাৰনীটি,
মন-প্ৰাণ নিয়ে কাঢ়ি চকু
পচাৰতে;
মলয়াত মিচিকাই কঁপা
ওঠ দুটি
কওঁ কওঁ কওঁ কথা—
বুজাই ভাৱতে।

'লক্ষীনাথ বেজবৰুৱা" কবিতাত বেজবৰুৱাৰ বিয়োগ কবিৰ মৰ্ম্মন্তুদ ব্যাথা এইদৰে প্ৰকাশ পাইছে;

মৰ্ম্মথল মথিমূৰ কৰি কিহে
অসাঠন
কৰে অতি বিচাটন দগ্ধ দেহ
প্ৰাণমন।
নেদেখাত দেখি থকা প্ৰিয়তম
লগৰীয়া,
সহধৰ্মী সহযোগী সহকৰ্ম্মী
সমনীয়া।

"সংসাৰ—ধুমুহা" ভাব—গম্ভীৰ কবিতা, কিন্তু ইয়াৰ শব্দচয়ন এনে ভাবে কৰা হৈছে যে ভাব গাম্ভীৰ্য আপাত দৃষ্টিত লুকাই থাকে। কবিতাটিতৰ মূল বৈশিষ্ট হৈছে ছন্দৰ লয় লাস গতি :

"আকাশ কুসুম, মত্যৰ কূটুম,
একাকাৰ কৰি উৰে।
আমাৰ বঞ্চিত স্বৰ্গৰ সঞ্চিত
সম্ভাৰ সম্ভোগ কৰে।
প্ৰকৃত প্ৰমানি ভাৱে ভাৱ টানি
ওপঙি ফুৰিব দেখি;
ঘাই ভাৱ যুৰি ম'ৰা চালি ধৰি
উড়াও বিচাৰি সখী।

"উথান-পতন" কবিতাটিত কবিৰ আঙ্গিকৰ প্ৰতি থকা সজাগতাৰ প্ৰমাণ স্পষ্ট হৈ পৰে। উক্ত কবিতাৰ ধ্ৰুপদী সংক্ষিপ্ততাই কবিৰ কাব্য প্ৰতিভাকেই সমুজ্জল কৰি তুলিছে।

উদাহৰণ স্বৰূপে —

"ঘূৰি ঘূৰি আহে যায়
জীৱনৰ ধ্ৰুবতৰা
দিনে দিনে উঠা পৰা সৃষ্টি
পাতনিৰে পৰা;
চলিছে ই সৃষ্টিৰীতি সৃষ্টিতে
জলম লই,
মিলিছেই সৃষ্টি-নীতি
সৃষ্টিতে বিলয় হই।"

"ফুলৰ চাকি" কবিতাটি চাৰিটা সুন্দৰ স্তৱকৰ সমষ্টি। তাৰে উল্লেখযোগ্য স্তৱক দুটি হৈছে —

১) "বৃত্তি তোৰ প্ৰবৃত্তিত
পুৱায় জীৱন
নিবৃত্তিত তৃপ্তি তোৰ নাই;
আবেগৰ আগভাগ
চিৰ ভোগ তোৰ
বিলাস শিৰে তোৰ ঠাই।"

২) "ভূৱন বিভোল কৰ ছাঁয়াটিৰে
তোৰ
মিলনৰ পূৰ্ব্বৰাগ আঁচি;
সন্ধিয়া খোপাত পৰি হাহঁ
যেবে তই
জগত-মোহিনী ফুল চাকি।"

মনোৰম চিত্ৰকল্প সৃষ্টিৰ বাবে "প্ৰেৰণা" নামৰ কবিতাটি তেওঁৰ সাৰ্থক কবিতাবোৰৰ ভিতৰত এক উল্লেখযোগ্য আসন পাইছে।

তুলনীয় —

"হৃদি সৰোবৰ মাজে
আশাৰ পদুম মাজে
মনৰ উলাহে;

"উষা" তেওঁৰ কাব্য-প্ৰতিভাৰ সুন্দৰ প্ৰমান।

গোহাঞি বৰুৱাৰ আন এটা লেখত লবলগীয়া কবিতা হ'ল "বিশ্ব-বীণ"। প্ৰকৃতিৰ বাংময় নীৰবতাৰ যোগেদি কবিয়ে বিশ্বখনিকৰৰ সৃষ্টিৰ ঐক্য আৰু একাত্মবোধ উপলব্ধি কৰিছে।

"জগতৰ প্ৰাণ লই একেটি মুঠিতে
অহা বিশ্ব ৰচোঁতাই,
ঐক্যতানে দিয়ে তান,
উলাহৰ সোত
চোৱা বলিছে ঢৌৱাই।

নিভাজ অসমীয়াৰ ঠাছেৰে গভীৰ ভাব প্ৰকাশ কৰিব পৰাতো গোহাঞি বৰুৱাৰ কৰি প্ৰতিভাৰ এটা উজ্জ্বল দিশ। উদাহৰণ স্বৰূপে "উষা" আৰু "বিশ্ববীণ" কবিতা-দুটি আঙুলিয়াব পাৰি। "বিশ্ব-বীণ" কবিতাটিৰ ক্ৰমাগত দুটি স্তৱকত কবিয়ে কৈছে :

একেটি তানতে মিলি
আৰু এটি তান
উঠে, বিশ্ববীণ এৰি;
ইয়াৰ বীণাৰ সুৰ
বুজো বুজোঁ যেন
স্বৰ্গীয় বুজনি ধৰি।

"মিলন মহত্ব" কবিতাটিত ভাব-ভাষাৰ নিখুঁত সমন্বয় ৰক্ষা কৰা হৈছে। কিন্তু কবিতাটিৰ ঘাই আকৰ্ষণ হ'ল ইয়াৰ ছন্দৰ সাৱলীলতা :

"স্বৰ্গ মৰ্ত্ত্য মিলনৰ
সাক্ষ্য দিয়ে আকাশে সাগৰে;
পাতালকো কৰে মিল
চামে চামে মিলন আকৰে।"
"সুমেৰু কুমেৰু মিলি
মেৰুদণ্ড মুৰ পাতি জোটা;
বিষুব বান্ধনী মেৰ,
ভূমণ্ডল আকোৱালি আঁটা।

কবিতাটিৰ মনোগ্ৰাহী চিত্ৰ-কল্পবোৰ কবিৰ কবি-প্ৰতিভাকেই সূচায়।

'পীতাম্বৰ পূজাৰিয়ে
পূৱা সন্ধ্যা কৰে আৰাহন।

অথবা— সূৰ্য্যকান্তি পদুমত
দিনমান মিলন পোহৰ,
চন্দ্ৰ প্ৰভা কুমুদত
মিলনৰ হিয়া সৰোবৰ।

'পৰিতাপ" কবিতাটি গোহাঞি-বৰুৱাৰ চিন্তা মূলক কবিতা কেইটিৰ ভিতৰত অন্যতম। সংসাৰৰ অনিত্যতাৰ কথা পাহৰি গৈ সংসাৰকেই মোৰ বুলি ধৰি থাকি, পাপ-মোহত ডুব যোৱা কবিৰ হতাশ আৰু আক্ষেপেই "পৰিতাপৰ" বিষয় বস্তু। কবিতাটিত উপমাৰ প্ৰয়োগ—সাৰ্থক আৰু মনোগ্ৰাহী হৈছে। ইয়াতেই কবিৰ সাৰ্থকতা—

ক) 'সংসাৰী ৰোগীয়ে হায়,
লোভত অপথ্য খাই
বঢ়ালো বিকাৰ অপযশ,"

খ) "নীতিহীন পাই মোক/পাপৰ বাঢ়িলে ভোক/গৰাহত সৰোগত কৰি,/ভক্ষিলে যশস্যা মোৰ/সমূলি পেলালে ওৰ নিলে মোৰ সমূলক্ষে হৰি।

গ) "কালিৰ পাখী যেন / আছিল জীৱন ফেন/, সংসাৰৰ সাগৰত ভাহি;

গোহাঞিবৰুৱাৰ আন কেইটা-মান বিশিষ্ট কবিতা হ'ল, 'চন্দন গিৰি", 'গুহা', 'ঢোপাকলি', 'লক্ষীনাথ বেজবৰুৱা" "সংসাৰ-ধুমুহা", "ফুলৰ চাকি" আৰু "উথান পতন"।

"চন্দনগিৰি" আৰু 'গুহা" দুয়োটা প্ৰকৃতি বিষয়ক কবিতা কবিৰ বাবে চন্দনগিৰি—

ভাৱৰ ভোমোৰা সৱে
গুণ গুণ গুণ ৰৱে
ঘূৰিছে চৌপাশে।
মানস নিকুঞ্জ জুৰি
কল্পনা পখিলা উৰি
ফুৰে কি বিচাৰি?
সৌন্দৰ্য্য কাঁচলি মেলি,
জেউতিৰে কৰে কেলি
উলাহ বিস্তাৰি।"

গীতি-ধৰ্ম্মিতা পদ্মনাথ গোহাঞি-বৰুৱাৰ কবিতাৰ একবিশিষ্ট গুণ।

উল্লেখিত প্ৰায়বিলাক কবিতাতেই এই গুণটো পৰিলক্ষিত হয়। কবিতা বিলাকত তৎসম শব্দৰ বহুল প্ৰয়োগ হৈছে কিন্তু এই শব্দবোৰ কোমল আৰু সুষমা-যুক্ত। কেতিয়াবা তৎসম শব্দৰ লগতে ভাব আৰু ধ্বনিৰে ৰজিতা খোৱা নিভাঁজ অসমীয়া শব্দৰ ব্যৱহাৰ তেওঁৰ কবিতাৰ অন্য এক বৈশিষ্ট্য। যেনে—

"আবেগত প্ৰেমৰস
বিৰিঙিলে কপালত
কপালেৰে মচি লম
উলাহেৰে তিলকত।"
(ওৰণি কবিতাৰ পৰা)

কোমল কোমল অনুপ্ৰাসৰ ব্যৱহাৰ তেওঁৰ কবিতাত ব্যাপক ভাৱে হোৱা দেখা যায়। এনেবোৰ অনুপ্ৰাসে গীতিধৰ্ম্মিতা মুখৰ কৰি তুলিছে। তেওঁৰ কবিতাৰ উদাহৰণ-

ক) "কোমল কোমল মিলি
কুমলীয়া বেলি
প্ৰেমৰ আবেগ মেলিয়েই
ধৰা দিয়ে ;
হিয়াত হিয়াৰে দেহি
চাওঁতেই মিলি
উষাৰ কোমল কায়া
হৰিয়েই নিলে।"
("উষা-হৰণৰ পৰা)

খ) "কাৰ কায়া, কাৰ ছাঁয়া",
হেৰাল চিনাকি,
দুটি কায়া একাকাৰ ;—
দৈবিক মিলন,
যৌৱনত দক্ মক্—
থৌকিবা-থৌকি,—
পূবত মিলিত যোৱা
পছিমে শয়ন।"
(উষা-হৰণৰ পৰা)

গ) 'ধৰম কৰম পাচে মৰম বুকুত
সন্তানৰ জিৰণিৰ ৰীতি
সাগৰ বুকুত খেলে পুণ্য
শোভা ধৰি
অৰুণৰ অনুৰূপ সিচি।'
(উষাৰ পৰা)

তেওঁৰ ৰসোত্তীৰ্ণ এই কেই অৱাসান কবিতাৰ বিশ্লেষণৰ দ্বাৰাই গোহাঞিবৰুৱাৰ কবি-প্ৰতিভাৰ সম্বন্ধে কিছু আভাস পাব পাৰি। ● ●

"অসমৰ পৰ্বত ভৈয়াম-পথাৰ, গছ-গছনি; চৰাই চিৰিকতি সকলোৰে কণ্ঠত সুৰ আছে। এই সকলোৱে যেতিয়া একেলগ হৈ গীত গাবলৈ আৰম্ভ কৰিব কাৰো সাধ্য নহ'ব সেই সমবেত কণ্ঠক হেঁচি থৰি থাকিবলৈ।" — **বিষ্ণুৰাভা**



**কবিতা কবিৰ আন্তৰিক উপলব্ধিৰ প্ৰতিফলন। উপলব্ধিৰ সততা কবিতাৰ অন্যতম স্বৰ্ত।**

" কবিতা ……… লিক কৰা কলমৰ
চিয়াঁহীৰ দৰে ……'
যেন স্বতঃ প্ৰবৃত্ত।
মগজুটো যেতিয়া সৰি পৰে
টোপা টোপে কলমৰ আগেদি,
ই. লিক কৰা চিয়াঁহীৰ অবাঞ্ছিত
বিন্দু বিন্দু টোপাল বোৰকো
ব্যঞ্জনাৰ বিমলতাৰে সাড়ম্বৰ
কৰি তোলে সীৰলুৱা সেউজ ভূমিত। "



## হয় যদি কবিতা

*সোনমণি দাস*
স্নাতক চুড়ান্ত বর্ষ

মোৰ জীৱনটি হয়
যদি এটি কবিতা,
সৃষ্টি কৰিব বিচাৰো
এখন নিকা সমাজ।
শব্দবোৰ হয় যদি
একোটা প্ৰচীৰ,
গাথিব বিচাৰো মই
এখন শান্তিৰ পৃথিৱী।



অলংকাৰ আৰু গুণ
হয় যদি এপাত চোকা অস্ত্ৰ,
কাটি—কুটি দুষ্কীতিক
কৰিম মই নষ্ট।
উপমা আৰু চিত্ৰকল্প
হয় যদি পাৰমাণবিক শক্তি,
ধ্বংস কৰিম মই
সৃষ্টি বিনাশ কাৰীক।



ৰস আৰু প্ৰতীক
হয় যদি জীয়াই থকা প্ৰেৰণা
সমূহ মানৱ জাতিক
লম মই দুহাতে সাৱতি।
মোৰ মৃত্যু হয় যদি
কবিতাৰ ছন্দ
বান্ধিৰ বিচাৰো মই
ঐক্য সম্প্ৰীতিৰে সভ্যতাক।

(মহাবিদ্যালয় বছেৰেকীয়া সপ্তাহৰ কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।)

## শিল ভাঙতী

(মূল হিন্দী: তোড়তী পথৰ: সূৰ্য্যকান্ত ত্ৰিপাঠী নিৰালা)
অনুবাদ: অধ্যাপক **ড' সত্যদেৱ প্ৰসাদ**

তেওঁ শিল ভাঙি থকা,
দেখিলোঁ তেওঁক মই এলাহাবাদৰ আলি বাটত-
তেওঁ শিল ভাঙি থকা।
নহয় ছাঁ যুক্ত
গছ যাৰ তলত বহি তেওঁ স্বীকাৰ,
শ্যাম তন, পুষ্ট নোদোকা যৌৱন,
নমিত নয়ন, প্ৰিয় - কৰ্ম - ৰত মন
গধুৰ হাতুৰী হাতত লৈ,
কৰি আছে বাৰে - বাৰে প্ৰহাৰ --
সন্মুখত তৰু - মলিকা অট্টালিকা প্ৰাকাৰ।
বেলি উঠি গৈ আছিল,
গৰমৰ দিন,
দিৱসৰ ৰঙা পৰা ৰূপ,
উঠিল লেৰেলি পৰোৱা লু
তুলাৰ দৰে জ্বলি থকা ভূ,
ধুলাৰ ফিৰিঙতি বিয়পিল
প্ৰায় হ'ল দুপৰ —
তেওঁ শিল ভাঙি থকা
দেখিলে মোক এবাৰ,
চালে সেই ভৱনৰ পিনে, ছিন্ন তাৰ,
কোনো নাই বুলি চাই
মোক চালে সেই চকুৰে
যি মাৰ খাইও কান্দিৰ পৰা নাই,
সজা আছিল বীনখনি,
শুনিলোঁ মই আজিলৈকে নুশুনা ঝংকাৰ।
ক্ষণতে কঁপিল তেওঁ সুগঢ়ি,
কামত আকৌ লীন হৈ যেন ক'লে—
মই শিল ভাঙি থকা।



## কবিৰ অঙ্গীকাৰ

**দীনেশ দলে**
বি, এ, দ্বিতীয় বৰ্ষ

আই তোৰ আহ্বানেৰে
নিবিড় অঙ্গীকাৰ কৰি
বুকুত শ্বহীদৰ সাহস লৈ,
ওলালো জীৱন ৰণলৈ।
শুকুলা পৰিধানেৰে অস্ত্ৰ সজাই
স্ৰষ্টাক চৰণ চুমি
আই মোক আশীষ দিবা,
বিজয়ীৰ যাতে মংগল হয়॥
আতংকবাদে যদি বন্দুক টোঁৱায়
মই তেতিয়া কলম টোঁৱাম,
বিদ্ৰূপেৰে যদি অগনি জ্বলায়
কলমৰ চকুলো তিয়াম।
হিংসাৰে যদি কন্দল লগায়
প্ৰেমেৰে পুনৰ মিলন ঘটাম
গৰ্জণেৰে যদি বিজুলী নমাই,
ঢালি দিম লিখনি বৃষ্টি সজাই
অন্যায়-অত্যাচাৰ নিকা কৰিম
নিৰক্ষৰ নিপীড়তক জগাই তুলিম
বিজয় ধ্বনিৰে মেদিনী কপাঁই
মাতৃৰ সুনাম ফিৰাই আনিম॥

## কালৰ পিঞ্জৰা

**শ্ৰীঅচ্যুত শইকীয়া**
স্নাতক প্ৰথম বাৰ্ষিক (বাণিজ্য)

দিঠকৰ মানস পটত ৰক্ত পিপাষু
কেনেকৈ অতিক্ৰম কৰি আগবাঢ়িছো
তাৰ
বাস্তব চিত্ৰৰে বিফলতাৰ কাৰ্য্যবোৰক
সমাধা কৰাৰ
কাৰোয়ে শক্তিৰ উদ্ভৱ হোৱা নাই।
কালৰ পিঞ্জৰাত বন্দী প্ৰাণীবোৰৰ
অহংকাৰ আত্মগৌৰৱ
উত্তেজিত তেজৰ গতি
জুইৰ শিখাযেন গৰম:
শুকান কণ্ঠৰ বিজয়ৰ
আশা নাই —
যন্ত্ৰনা —।
সৃষ্টিৰ কিযে অভিশেষ
কালজয়ী ৰক্ত পিপাসুৰ হাতত
কাল বেহুচক্ৰ;
নিৰ্জনতা ছাঁ লৈ কালবান
অদৃশ্যশক্তিৰ আঘাত
সৃষ্টিয়ে তাত বাধা দিয়াৰ অসমৰ্থ।
নৰশক্তিৰ সৃষ্টি এতিয়াও
কাল পিঞ্জৰাতেই আৱদ্ধ।



## "হিমে ঢকা প্ৰশান্তি"

**শ্ৰীগিৰীণ কুমাৰ লাহন**
স্নাতক ১ম বাৰ্ষিক (বিজ্ঞান)

সভ্যতাৰ হিমবোৰ দেখো
শীতলতাৰে নামি আহিছে
বিবিডিছে এক তপত সত্বা
ঘন কুঁৱলী মাথো
চৌদিশ ....।

হিমৰ পৰশত প্ৰজন্ম আজি
নতুন নতুন দুষ্কৃতিৰ কীট
আৰু, আনফালে —
অন্ধকাৰ কাৰাগাৰত
সুবিধাবাদীৰ বলিষ্ঠ পদক্ষেপত
বন্দী আজি —
বিবেক আৰু সত্য।
নিজম ৰাতি যেতিয়াই কথা পাতো
কবিতাৰ সতে
প্ৰশান্তিৰ চন্দ্ৰমাৰে মুখত গভীৰ নিদ্ৰাৰ
চিত্ৰ আঁকি
বিষাদৰ স্মৃতিকুঞ্জত গুণগুণাই উঠে
অনৰ্থক আশাৰ হেন্দোলনি
ভাঁহি আহে দিনৰ পোহৰত
মুখাপিন্ধা মানবৰ সুন্দৰ প্ৰতিমূৰ্তি
বাহিৰত, আবদ্ধ দিনৰ আকাংখিত আকাশ
আৰু—শতাব্দীৰ নিৰ্মম কুঁৱলী (!)
তেজোদীপ্ত মনবোৰে তাকে লৈ উচুপি উঠে
নতুন ভাৱনা আৰু যুগ চেতনাক লৈ
বৰ্বৰতা আৰু চকুলোৰ প্ৰতিবাদত
জাৰত ঠেৰেঙা লগা
উলঙ্গ প্ৰতীক বোৰক (!)
প্ৰকৃত মানৱতা দিবলৈ।
আজিৰ হিমে ঢকা বৰ্বৰতাক ৰূপ দিব কোনে?
নৈতিক অবক্ষয়ত, ডুব যোৱা শিল্পীবোৰে?
নে ক্লান্ত হৃদপিণ্ডৰে বন্দুকৰ আগত
শান্তি জাপি দিয়া উজাগৰী বিপ্লবীৰে?
যত নাই এটি নতুন সৃষ্টিৰ আভাস
মাথো আছে —
শোষণ, নিষ্পেষণৰ এটি মুলত্ৰ সন্ত্ৰাস।
সৌৱা,
লুইতৰ বগা বালিত
অমানিশাৰ হিম সনা ডাৱৰে
ঢাপলি মেলিছে —
এচমকা স্নিগ্ধ পোহৰ বিচাৰি,
মুক্তিৰ স্পন্দিত গৰ্জনিত
চুৰ্ণ হৈছে লৌহ পিঞ্জৰা
তেজেৰে তুমৰলি হৈ —
সময়ৰ কোমলতাত, সেইয়া—
ৰক্তাক্ত ৰণৰ বতৰা।

অন্তৰাত্মাৰ বিপ্লৱবোৰে সঘনে জাগি উঠিছে
অসংযত মনৰ অবয়ব ফালি
জয় আৰু পৰাজয়ৰ মৃত্যু গচকি
আমৰণ স্তুপ সাজিছে
প্ৰত্যাহ্বানৰ মৃত্যুঞ্জয়ী সহযাত্ৰী আমি
চাৰিওফালে অনাবিল শুইন—
তথাপিতো, আমি বাৰু নহওনে
দুৰ সৰু প্ৰান্তৰৰ এক
যাযবৰী "বেদুইন"?

হে, মোৰ জীৱন্ত প্ৰাণৰ উদিত সুৰুজ
অভিনৱ দৃষ্টিৰে, চক্ৰান্তৰ কুঁৱলী ফালি
আহানা ওলাই
দেখুৱাই দিয়া এটি মুক্তিৰ পথ,
উৎকণ্ঠিত আইৰ চকুলোক দিও
শান্তিৰ কিৰণ
আজুৰি আনো—হেকুৱা ভাস্কৰ্য
ৰিক্ত হৃদয়ৰ উত্তপ্ত আশা,
আৰু
শোষিত জাতিৰ সমগ্ৰ সত্বা।
কিন্তু (!)
আজিৰ—
সভ্যতাৰ হিমে ঢকা
ন্যস্ত, স্বাৰ্থৰ বিশ্বত
উদ্ভাসিত হৈছে তীব্ৰ অনিহা।



## কৱিতাৰ এখিলা পাত

**শ্ৰীমঞ্জিল সোনোৱাল**
স্নাতক ৩য় বাৰ্ষিক (কলা)

নিশাৰ বতাহত
কঁপি উঠে
কৱিতাৰ এখিলা পাত।
ভোগজৰা পৃথিৱীৰ নিবিড় স্বপ্ন
ওলমি ৰয়
তোমাৰ বুকুত,
কৱিতাৰ ছন্দেৰে
পৰশি যায়
সঁচা জীৱনৰ করুণ কাহিনী।
তোমাৰ গীতত কবিতা বিচাৰো
সুৰৰ আখৰা কৰো
বুকুৰ ওমৰ
সেয়ে হ'ব তোমাৰ ৰূপৰ
কৱিতাৰ শেষ অভিধান
কণ্ঠৰ শিৰিৰত নিগৰি যায়
তোমাৰ গীতৰ লয়লা
কঁপি উঠে জঠৰ শীতল পৃথিৱী
সাৰ পায় উঠে
বুকুৰ উদ্দাম আৰু
তেতিয়া কঁপি উঠে
কৱিতাৰ এখিলা পাত।

## " যান্ত্ৰনা "

**বাবুল চন্দ্ৰ সোনোৱাল**
এইচ্ এছ দ্বিতীয় বাৰ্ষিক (কলা)

(১)

কথাটো ভাবিলেই মই
বুকুত এটা তিব্ৰ বিষ অনুভৱ কৰোঁ
সিহঁতক শাসন কৰিব নোৱাৰি
চতফটাই মৰো।
এতিয়া ..........
মোৰ চৌপাশে মিঠা শব্দৰ সমদল।
সন্ধ্যাৰ আকাশত জাকজাক নীড়মুখী পখী।
নীলা আকাশ, বগা বগলী ----
সুদূৰ অন্তৰিক্ষত বিচৰণ কৰি ফুৰে
মোৰ মনৰ পখি।
শব্দৰ সন্ধানত।
মই ভাগৰী পৰো' -
অবাধ্য শব্দৰ সতে কাজিয়া কৰি
সিহঁতে ধৰা নিদিয়ে মোৰ কাণত
সেইৰে মনৰ মাজত এক দণ্ড, বিষ।



(২)

খিৰিকিখন খুলিলেই সোমাই আহে
গোলাপৰ সুবাস সনা এজাক
মিঠা বতাহ।
আৰু তেতিয়াই ..........
মৌন শব্দৰ কোলাহল মোৰ চৌদিশে
অথচ, সিহঁতে ধৰা নিদিয়ে কিয় -(?)
কথাটো ভাবিলেই মই যন্ত্ৰনাত
কাতৰ হৈ পৰোঁ .........॥



## শান্তিৰ প্ৰস্তাৱ

**বিকাশ গগৈ**
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)



অসমীয়াৰ অস্তিত্ব ম্লান কৰিব বিচৰা
মৃত্যু দূতক পিঠিত লৈ
শান্তিৰ পাবহাল
কিয় মৰুভূমিত মেলিছা ?
আজি সেই বগা পাবহাল,
তাৰ মূল্য কোনে দিব ?
কৃষ্ণই সৰজা কুৰুক্ষেত্ৰ ৰণত
শান্তিৰ প্ৰস্তাৱ লৈ,
হস্তিনাপুৰলৈ
হাতত অস্ত্ৰ নিনিয়াকৈ গ'ল।
আৰু আজি
গাত লাগি ধৰা চেলাপতি
জোকটোক
কোনেওতো দেখা-দেখিকৈ
তেজ পিবলৈ নিদিয়ে
প্ৰত্যেকৰে অন্তৰত আজি মুক্তিৰ
অগ্নি জ্বলিছে।
প্ৰতাৰণাৰ, প্ৰবঞ্চনাৰ আৰু
বিশ্বাসঘাটকতাৰ,



জুইয়ে,
সকলোৰে মম জ্বলাই পেলাইছে।
ক্ষুদ্ধৰ লেলিহান শিখাই
চাৰখাৰ কৰা আইৰ বুকুলৈ
কোন তুমি শান্তিৰ দূত আহিছা !
দৰিদ্ৰতাৰ হুবাহুৰে চেপি ধৰি
উশাহ বন্ধ কৰা আইৰ
চটফটাই থকা দেহটোৰ
মুক্তিৰ অবিহনে,
কৰ্মহীনতাত হাবাথুৰি খোৱা
ডেকাহঁতৰ
সংস্থাপনৰ বিপৰীতে
খাবলৈ নাপাই চটফটাই থকা
হাড়ে চালে লগা আইৰ
সন্তানৰ মুখত
আহাৰ দিয়াৰ বিপৰীতে
শষ্যৰ উপচি থকা শ্যামলী আইৰ
অতীতৰ সৌন্দৰ্য্য বিভূৰ দেহাটো
ঘূৰাই ননাকৈ
কোন তুমি,
শান্তিৰ প্ৰস্তাৱ আনোতা।
এতিয়া কোনে মূল্য দিব
সেই শান্তিৰ সভাক
প্ৰত্যেকৰে শিৰত হুলে বিন্ধিছে,
কোনে নীৰৱে বহি থাকিব
এই শান্তিৰ সভাত।
এছ এল্, আৰৰ ভয় দেখুৱাই
কিমান দিন নীৰৱে ৰাখিবা।
মহাত্মাৰ শান্তি তুমি,
ৰণভূমি তুমিয়েইটো কৰিছা
কৃষ্ণৰ চাতুৰিত তুমি ধৰা পৰি গ'লা।



## এটি স্বপ্নময় কবিতা

**শ্ৰীদয়ানন্দ বৰগোহাঁই**
দ্বিতীয় বাৰ্ষিক (কলা)

মই গভীৰ ৰাতি নিৰৱতা মাজে
টোপনিতে সাৰ পাই দেখো
আই আজি মোৰ কাষত নাই।

সৃষ্টি হ'ল মোৰ এটি স্বপ্নময় কবিতা
দুখৰ টুকুৰাবোৰ লৈ,

ফেঁচা জনীয়ে নিউ নিউ কৰি
নিৰ্জনতা ভাঙি চিঞৰিছিল
মোৰ বুকুখন শিয়ৰি উঠিছিল।

কিল ৰিল স্বপ্নবোৰে মোক
মৰ্মাহত কৰি আছে।

পাহাৰৰ পৰা বৈ অহা জুৰিটিয়ে
ৰিণিকি ৰিণিকি মোক কৈ যায়
কাণে কাণে।
শিলে শিলে ঠেকা খাই
অগ্ৰদূত হৈছে তেজৰ নিজৰা।

স্বপ্নবোৰ আছিল অলঙ্কৃত এটি
ভয়ঙ্কৰ ছবি
গভীৰ ৰাতি শিয়ালৰ চিঞৰত
কুকুৰৰ ভুক ভুকণি।

ৰক্তাক্ত জৰা পাহিয়ে
বতাহত হালিছে জালিছে
অবুজ বেদনা লৈ।

বগা বগা পাৰবোৰে
মোৰ ঘৰৰ মুধত বহি
চকুলো টুকিছে।
আই বুকুৰেদি বৈ যোৱা
তেজৰ নিজৰালৈ চাই।

মই আই তেজ হনা মুখ খনিলৈ
চাব পৰা নাই
সেইবোৰ অতি বিষন্নতা
কান্দোনত হিয়াখন ভাগি গৈছে
বিপ্লৱী তাণ্ডৱ নাচি উঠিছে।

এতিয়া স্বপ্নবোৰ কবিতা ধ্বনি
অবাস্তৱ পৰিধান কৰি
বাস্তৱত ৰহণহে সানিছে।

(মহাবিদ্যালয় সপ্তাহত ৩য় পুৰস্কাৰ প্ৰাপ্ত)





## চিনাকী নদী

**দেবানন্দ গগৈ**
স্নাতক ২য় বাৰ্ষিক (কলা)

বহু অস্থাবল পাৰ হৈ অহা
ক্লান্ত সৈনিকৰ বাবে এই চৰাইঘৰ
থুনুকা কাঁচৰ ক্ষণত বাঁন্ধো সময়,
আৰু, সুৰক্ষিত প্ৰেমৰ দুৰ্গ এয়া
উৰ্দ্ধবাহু হৈ মেলি দিছোঁ
স্বজনৰ বাবে মোৰ
হাঁহাকাৰ ভাল পোৱা
ক্ষোভ আৰু যাতনা।
সুসভ্য মানুহৰ ধাৰাল অস্ত্ৰত স্কন্ধ
মোৰ কোলাৰ কেচুৱা, লুণ্ঠিত বুকুৰ কুটম
হিম শীতল দেহৰ উম।
এই চিনাকী বাটৰ বনে এতিয়া
হাড়ত নিশিপায়
ইতিহাস জ্ঞানগৰ্ভ হয়, দধিচীৰ বাবে।
এই তেজৰ নদীৰ তীৰত
প্ৰতি উষাৰ পোহৰত
নিকা কৰোঁ বাট চ'ৰা
কাঁইট আৰু কাঁচৰ আলপনা গৰকি
পুতঃ চিত্তেলৈ যোৱা বিক্ষত দুহাতৰ
তেজৰঙী গোলাপ সূৰ্য্যৰ দৰে
দেশৰে মাটিত বিলাই দিবলৈ।

(মহাবিদ্যালয় বছেৰেকীয়া সপ্তাহৰ
কবিতা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ
প্ৰাপ্ত।)





## "জীৱনৰ ৰোমন্থন"

**শ্ৰীবিমান চন্দ্ৰ গগৈ**
বি, এচ, চি প্ৰথম বাৰ্ষিক

জীৱন .................. ?
নিয়তিৰ কঠোৰ ৰীতিৰ লগত
যুঁজি যুঁজি প্ৰাণপোৱা,
ৰক্ত মাংসৰ এটি ৰোমন্থন।
আৰু শৰীৰ ............. ?
সংগ্ৰামেৰে জৰ্জৰিত এটি
সৰ্বক্ষণ যুঁজি থকা,
হাড়েৰে মেৰোৱা জকাৰ বেৰ।
আৰু হৃদয় .............. ?
সহিব নোৱাৰা বহুতো বেদনাৰে ভৰা
নিৰ্জীৱ কাঠৰ পুতলাৰ,
এটুপী গৰম চকুলো।
তথাপিতো ই জীৱন, ই শৰীৰ,
ই হৃদয়।
আজি সহস্ৰ প্ৰতাৰণাৰ,
সহস্ৰ চকুলোৰে,
আজিওতো ই জীয়াই আছে।
এইয়াইতো জীৱন।

## মানস-প্ৰতিমা (কথা কবিতা)

*পংকজ হাজৰিকা*
স্নাতক মহলাৰ দ্বিতীয় বিভাগ

থমকি ৰওঁ। তেতিয়াও তোমাৰ প্ৰতিচ্ছবি মোৰ হৃচকুত ভাঁহি উঠে। নীৰৱে গন্তব্যস্থানলৈ অগ্ৰসাৰ হওঁ। তেতিয়াও মোৰ সন্মুখত লয়লাস গতিৰে আহি তুমি থিয় দিয়া এমুখ প্ৰাণভোলা হাঁহিৰে। সৰু বৰ অসংখ্য কামত ব্যস্ত থাকোঁ। তেতিয়াও তোমাৰ সুৱদি গীতৰ এফাঁকি ক'লিয়ে মোৰ মন জুৰ পেলায় দিয়ে।

ঋতুৱে ঋতুৱে প্লাৱিত হয় মনৰ জোৱাৰ। ঋতুৱে ঋতুৱে উন্মোচন হয় তোমাৰ নৱ-নৱ প্ৰতিচ্ছবি।

গ্ৰীষ্মকাল। ৰ'দৰ তাপত যেতিয়া মন-প্ৰাণ ভাৰাক্ৰান্ত হৈ কামত এখন্তেক জিৰাওঁ; তেতিয়াও মোৰ কল্পনাৰ মায়াজালে তোমাৰ প্ৰতিমা সাজেনে ৰূপে। যেতিয়া যাম মুচি মুচি এটি দীঘলীয়া হুমুনিয়াহ কাঢ়োঁ তেতিয়াও তুমি যেন মোৰ কোলাতে শুই পৰিছা নিৰ্ভীক ভাৱে এনেহে লাগে।

সেইহে তুমি মোৰ চক্ষুত কেতিয়াবা দেৱীৰ তুল্য। তোমাক ভালপোৱা শকতি মইনো কেনেকৈ পালোঁ, ক'বলৈ মোৰ আজি শকতি নাই। চাৰি চকুৰ প্ৰথম মিলনতেই তুমি হ'লা মোৰ প্ৰথম প্ৰেয়সী, সাদৰী মানস-প্ৰতিমা। তোমাৰ চকুযুৰিৰ নিভৃত কোণত ফুটি উঠা মুকুতা মণি যেন উজ্জল, নিয়ৰৰ টোপাল যেন সতেজ সেই মনোমোহা চাৱনটিয়ে মোৰ হৃদয় খন শীতল কৰি দিয়ে। ভাবোঁ মনে মনে মেঘদূতে কঢ়িয়াই অনা সৰগৰ অপেস্বৰী নেকি। দিন যায়, বৰ্ষকাল। মেঘকণ্যাবোৰে কিচ্-কিচিয়া ক'লা চুলিটাৰি মেলি দেওদি দেওদি নাচি উঠে। মেঘদূতে পৃথিৱীলৈ সৰগৰ বতৰা কঢ়িয়াই আনে। এটোপ দুটোপকৈ সৰি পৰা সিহঁতৰ সুখ-দুখ মিশ্ৰিত চকুলোবোৰত তেতিয়া তুমি জীৱন্ত হৈ উঠা। আগ-চোতালৰ দুবৰি ধুই বৈ যোৱা পানীৰ মৃদু সোঁতবোৰতো তোমাৰ মোহনীয় প্ৰতিবিম্বৰ গতি উদ্ভাসিত হয়।

সেইহে তুমি মোৰ দিবাস্বপ্ন। আঁউসী নিশাৰ ক'লা দূতবোৰকো নেওচি জোনাকী পৰুৱাৰ দৰে ধিমিক্-ধামাককৈ উজ্জলাই তোলাহি মোৰ অন্তৰখনি, হংসৰ যামিনীৰ দৰে এখুজি-দুখুজিকৈ ক্ৰমে আগবাঢ়ি অহা মোৰ কাষলৈ, নিচেই কাষলৈ। ক্ষণে ক্ষণে অভিনৱ সত্বাক আলোড়িত কৰাহি মায়াময় হৰিণীৰ দৰে। তোমাৰ ৰূপ-যৌৱনে মোৰ অন্তৰত উষাৰ সমীৰণ তোলে। সমীৰণৰ বা লাগি কপৌবুলীয়া দিগন্তত মন মোৰ ভ্ৰমিফুৰে এচপৰা ভ্ৰাম্যমান শুকুলা ডাৱৰৰ দৰে। ভাবোঁ মনে মনে তুমি নিপুন দেশৰ ৰাজলক্ষীৰ বৰজীয়াৰী নেকি!

শৰতৰ আগমন। শৰতৰ শাৰদী সন্ধিয়াৰ যেতিয়া উদাস মনেৰে পকা আপেল যেন হেঙুলী বৰণ ধৰা সূৰ্যাস্তলৈ চাওঁ, তেতিয়া তুমি যেন ঢৌ খেলা শাৰী পিন্ধি সূৰুযৰ কান্তিৰে দীপ্তমান হৈ উঠা মোৰ চকুৰ আগত। এটি দুটি অসংখ্য সৰু-বৰ ধিমিক্-ধামাক জ্বলি থকা আকাশলৈ চাওঁ যেতিয়া, তেতিয়াও তৰাবছা আকাশৰ ফুলাম খনিয়াখনি গাত লৈ তুমি যেন সৌন্দৰ্যৰ তিলোত্তমা হৈ পৰা মোৰ চক্ষুৰ দৃষ্টিত।

সেইহে তুমি মোৰ দৃষ্টিত সুন্দৰতকৈ সুন্দৰ সৃষ্টি সপোনৰ, তোমাৰ ৰূপ-ৰস, গন্ধ-পৰসে পৰাণ উতলা কৰি তোলে। ভাৱ হয় তুমি অনিন্দ্য সুন্দৰৰ অনন্ত উৰ্ব্বশী নেকি!

হেমন্ত কাল। গাখীৰ বৰণীয়া কুঁৱলী ঠেলি ঠেলি ফেহুঁ জালি ভাঙি শান্ত-শীতল পুৱাৰ হেঙুল-হাঁইতাল বুলীয়া উছাহে যেতিয়া মোক তোমাৰ ওচৰলৈ লৈ যায় তেতিয়াও তোমাৰ প্ৰদীপ্ত স্বৰূপ দেখি, মোৰ ভাৰাক্ৰান্ত দেহত তোমাৰ কমনীয় দেহৰ অমিত আভা মূৰ্ত হৈ উঠে।

ভাবোঁ ক্ষণে ক্ষণে বিশ্বৰূপা তুমি অন্তলীলা ৰাণী নেকি?





চাওঁতে চাওঁতে শীত পালেহি। বৰফ যেন চেঁচা, ভৰি কঁপোৱা শীতৰ জালত পৰি যেতিয়া উত্তুংগ শিখৰৰ ফালে মূৰ দোঁৱাই তেজোময় সূৰ্যোদয়লৈ প্ৰণতি জনাওঁ তেতিয়া তুমি প্ৰাণোজ্বল জয়গান গাই মোক অফুৰন্ত প্ৰেৰণা দি তোলাঁহি এক অপৰূপা বৰ্ণোজ্বল বিশ্বৰ প্ৰেয়সী হৈ শীতৰ সেমেকা ৰাতিত উম বিচাৰি পৰিস্কাৰ ফটা কম্বলখন যেতিয়া টানি ল'ব খোজো নিমিষতে তুমি মায়াময় মোহিনীৰূপেৰে মহা মহিমান্বিতা মাতৃস্বৰূপে উদ্ভাসিত হোৱা মোৰ হৃদয়ৰ নিভৃত কোণত।

সেইহে ভাৱ হয় তুমি মোৰ বিশ্বাসীৰ আনন্দিতা দেৱী স্বৰূপিনী সুকোমল অন্তৰৰ যশোধৰা নেকি?

বসন্তৰ আগমন, বসন্তৰ বনে বনে মনগীতি বাজি উঠে, সপোন দেশৰ নতুন বাতৰি আনে, ৰাংঢালী-বাসন্তিয়ে। নিকুঞ্জৰ কুঞ্জৰি সাজি সেই মদনগোপালে সচাঁ মৰমৰ ফাগু সানি ষোড়শী গোপিনীৰ সতে চতালি বনত লুকাভাকু খেলে। তাতেই তুমি জয়াল সেন্দূৰলৈ, ডগ্‌মগ্ ফোঁটেৰে ৰূপহী মাধুৰী যেন উদ্ভাসিত হৈ ঢৌ খেলি খেলি অন্তগীতৰ অবাধ স্পন্দনৰে মোৰ বেথাভৰা হৃদয় মঞ্চ সাজি দিয়া তোমাৰ পঞ্চশৰে।

সেইহে ভাবোঁ মনে মনে, তুমি বিশ্বজোৰা নিমাতী-কন্যা জ্যোতিৰেখা নেকি!



## আগমণ

*শ্ৰীবিপুল চেতিয়া*
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)



মই অভিশপ্ত বিদ্যাধৰ
ৰূপকোঁৱৰৰ জ্যোতি
অসমক ন-ৰূপ দিবলৈ
মই হলো অনিৰ্বান বন্তি।
মোৰ নাট গান কবিতাৰে—
অগণন জনতাৰ মৌনতা গুচাই—
দিলো সন্ধান মুখৰতাৰ,
মই শিলদল ভাঙি, গুজৰি গুমৰি
আহিছো এইয়া—
অা'তৰাবলৈ দুস্কৃতি অসমৰ॥

## "ক্ষণ"

*শ্ৰীসৰ্ব্বেশ্বৰ বৰ গোহাঁই*
উচ্চতৰ মাধ্যমিক
দ্বিতীয় বাৰ্ষিক (কলা)

কৰবীত গুজি তুমি,
হাচনা হানাৰ পাহি,
কিয় হাঁহিছিলা,
শৰতৰ নিশা তুমি।
নিশাও পাৰ হল,
প্ৰহেলিকাও পাৰ হল,
প্ৰভাতত দেখিলো মই,
পাপৰি মৰহি গল।
হৃদয়ে হাহাকাৰ কৰে,
দুচকুত বন্যা নামে,
এনেকুৱা ক্ষণ বাৰু
জীৱনলৈ কিয় আহে।

## প্ৰত্যাহ্বান

**হাস্না সোনোৱাল**

উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (বিজ্ঞান)

বন্ধু,
এইবাৰ তুমি আহিবা বুলিয়েই
মই বৈ আছোঁ।
স্মৃতিৰ বুকুত হেৰাই যাব খোজা
ছবি আঁকি আঁকি।
কিমান মধুৰ আছিল সেই ছবিবোৰ !
বহু দিন একেলগে বহি কথা
পতা নাই
বহু দিন একেলগে মহামিলনৰ
ছবি অকা নাই।
একেখনি নৱানিৰ দলিচাত !
লোৱা নাই শান্তি
দুয়োৰে মাজত।
শুৱনি নদীৰ পাৰৰ সেউজীয়া দুবৰি
উকা হৈ পৰি আছে।
তুমি আৰু মই পেলাই থৈ যোৱা
সুখ দুখ বহু স্মৃতি।
তুমি আহিবা।
পোহৰাবাহি সেউজী পাতৰ
চিকমিকনি হাঁহি।
দুখৰ ৰাতি পুৱাইছে
ভাহিছে চকুৰ আগত
মহা মিলনৰ প্ৰভাতী সুৰুযৰ
জিলমিল ৰেখা
তুমি আহিবা বুলিয়েই মই
বৈ আছো।





## " বন্ধুত্ব "

**প্ৰশান্ত ভড়ালী**

স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

হে' বন্ধু ! কোন জীৱনৰ প্ৰতিশ্ৰুতি
থমকি ৰয় দেখোঁ জীৱনৰ গতি
নপৰে মনত তোমাৰ সতে মোৰ
হঠাতে হলোঁ কিয় আমি একেটি –
জীৱন পথত খাওঁতে উজুটি
ধৰিছা আজি তুমিয়েই সাৰতি
ধন্য তোমাক (!) মোৰ জীৱনত
জীৱনে পালে তোমাৰ জেউতী !
প্ৰভাত যদি আহে কাহানিবা
তাৰো সুৰুয তুমিয়ে হ'বা
নতুন দিনৰ সেই প্ৰভাতত
প্ৰতিদান বাৰু তুমি কি লবা ?

মৰম ভালপোৱা সিও বোলে ক্ষন্তেকীয়া,
শেষ হব বন্ধুত্বও ভাঙিব যেতিয়া
তাৰেই এনাজৰী আজীৱন থকাৰে
বন্ধুত্ব হওক আমাৰ চিৰ যুগমীয়া !!



## এটি কবিতাৰ মৃত্যুন্ত

**শ্ৰীবিমান চন্দ্ৰ গগৈ**

বি, এচ, চি প্ৰথম বাৰ্ষিক

মোৰ এটি কবিতাৰ মৃত্যু হ'ল।
যি মোৰ প্ৰেমৰ ব্যৰ্থতাময় জীৱনৰ,
জলন্ত ৰক্ত মাংসৰ প্ৰতিক আছিল।
তাৰ দেহত আছিল মোৰ অবোধ্য প্ৰেমৰ,
প্ৰায়শ্চিত্তৰ ৰক্ত কণাৰ দাগ।
মোৰ জন্মান্তৰৰ লগৰীৰ দৰে.
হৃদয়ত অসংখ্য বেদনা লৈ,
ঘূৰি ফুৰিছিল মোৰ লগে লগে।
সমাধিস্থ কৰিছিল সি মোৰ জীৱনৰ,
অসংখ্য দুৰ্লভ্য ৰঙীন কল্পনাবোৰৰ।
আজি তাৰ মৃত্যুৰ আগমুহুৰ্ততো সি,
সোঁৱৰাই দিছিল মোৰ পাপৰ কথা।
মৃত্যুৰ ভয়াবহ উপত্যকাৰ মাজত মই,
অকল শৰীয়াকৈ বিচাৰি ফুৰিছো তাৰ শৱদেহ
যদিও জানো যে তাৰ মৃত্যু হ'ল,
মোৰ এটি কবিতাৰ মৃত্যু হ'ল।





## নিজলৈ এফাঁকি গীত

**মুল—সুনীতা জৈনৰ** কাব্যগ্ৰন্থ TILL I FIND MY SELF

অনুবাদ- **শ্ৰীৰজনী কান্ত গগৈ**

স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

জীৱনৰ মৰহি যোৱা বছৰবোৰত মই
এপাহ ফুলৰ দৰে ফুলি উঠা উচিত
যেতিয়া দুচকুৰ পৰা উৰি গল সকলোমোহ
হয়, তুমিও ফুলৰ দৰে ফুলি উঠা উচিত
এতিয়া ইয়াক কি নামেৰে মাতো মই
কৌতুক নে কপালত ঘটিব লগীয়া দুখ
মই তোমাকেই ভাল পালোঁ
তুমিযে মোৰেই বিমূৰ্ত্ত আকাৰ ॥
এই আটাইবোৰেই সন্তৱ
লাজ লাগিব মোৰ
আৰু সংকোচ কৰিবা তুমি
এই আটাইবোৰেই সন্তৱ
আমি কোনেও নাজানিম
এনে কোনো এটা আনন্দৰ বিষয়ে ॥
তথাপিতো বৈ থাকিম দুয়ো
আৰু মোৰ আত্মাৰ এই নীৰৱ ক্ষতবোৰ
বৈ যাব চিৰকালৰ বাবে ॥
হয় মই তোমাকেই ভালপাওঁ
এইবাৰে নহয় যে সলনি হৈ গৈ আছে সময়
এইদৰে ভাল পাই থাকোতে
গোলাপ বোৰেও ভাল পালে মালিৰ কেচিখনক
কাৰণ তোমাক বুজি পোৱা মানেই যিকোনো
যুগতে সৌন্দৰ্য্যকো বুজি পোৱা ॥



## আহ্বান

জয়ন্ত মাধৱ বৰা

স্নাতক ৩য় বাৰ্ষিক বিজ্ঞান শাখা

বসন্ত,
তুমি আকৌ আহা
জাগ্ৰত অসমীয়াৰ কৃষ্টি-সংস্কৃতি
ঐক্য আৰু সংহতিক
সমন্বয়ৰ এনাজৰীৰে বান্ধি
গাঁথি দিয়াহি তুমি
এধাৰি সংস্কৃতিৰ কুসুম মালা।

বসন্ত
তোমাৰ প্ৰভাতে প্ৰভাতে
বৃক্ষৰ মুকুলে - মুকুলে
পুষ্পৰ কুঞ্জে - কুঞ্জে
পল্লৱৰ নাচোনে - নাচোনে
উদ্‌ভ্ৰান্ত প্ৰাণে - প্ৰাণে
যৌৱনৰ প্ৰণয়ৰ কুঁহে - কুঁহে
অকুৰন্ত শুভযাত্ৰী

তুমি
বৰদৈচিলাৰ আকুল
বানেৰে
স্মৃতি বন্যাৰে
নিবিকাৰ হীয়াৰ
গোপন কোণত
তেজোদীপ্ত হোৱাহি
বহাগীৰ চোতালত
ঢোলৰ চেঁৱত
পেঁপাৰ সুৰত
গগনাৰ লহৰত
তুমি গোৱাহি
ৰাই-জাই লগা
বিহুগীত একাঁকি

তুমি
দিয়াহি নতুনত্বৰ সাক্ষৰ
দি যোৱা সৰল জোৱাৰ
উদ্যমৰ সম্মোহনী শক্তি
মোৰ সমাজক
চিৰ সেউজী আই অসমক
প্ৰাণৰ ঐক্যতানেৰে
ঐক্যবদ্ধ কৰাহি
আই অসমক
কৰিছো আহ্বান
প্ৰতিশ্ৰুতি পূৰ্ণ
আগমন
........ তোমাৰ





গল্প

## গল্প-গুচ্ছ

শিল্পীৰ দক্ষ হাতত সুস্পষ্ট পৰশৰ কলাসমৃত মাধুৰ্যৰে সমাজৰ বিভিন্ন কোনৰ অপ্ৰকাশিত সূক্ষ্ম অনুভূতিবোৰ ৰস আৰু আস্বাদনৰ সমষ্টিয়ে হ'ল গল্প।



# বনফুল

শ্ৰীবিপুল চেতিয়া
প্ৰাক্ স্নাতক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

***( কাৰণ এটা উচ্চ বংশৰ লৰাই এক দৰিদ্ৰ মগনিয়াৰ লৰাৰ লগত মিলা-মিছা হোৱাতো এক অপমান জনক কথা । তেওঁ বহু কেইবাৰ মানুহ লগাই এই মিল ভাঙিবলৈ চেষ্টা কৰিছিল । কিন্তু ................ )***

**অ**জিত ।

অজিত বৰুৱা ।

অজিত বৰুৱাৰ ঘৰ শান্তিপুৰত । মাক - বাপেক ভনীয়েক-ভায়েক আৰু সি । এই কেইজনেই সিহঁতৰ পৰিয়াল । বাপেকৰ নাম কমল বৰুৱা । কমল বৰুৱাৰ নাম শান্তিপুৰ আৰু তাৰ ওচৰে পাজৰে সকলোতে বিখ্যাত । গাড়ীৰে মটৰে, ঘৰে-বাৰীয়ে, ৰূপে-গুণে সকলোতে বিখ্যাত । সভা - সমিতিয়ে সকলোতে আগশাৰীতেহে আসন । যি খন সভাত আগশাৰীত আসন নাপায়, যি জন ব্যক্তিয়ে তেওঁক সন্মান নকৰে । সেই সভা, সেই ব্যক্তি ফালে আধ্যা লাগে । সেই বাবেই তেওঁক জোকাবলৈ ভয় কৰে সকলোৱে । চৰকাৰৰ ঘৰৰ পৰা শান্তিপুৰলৈ কিবা বস্তু আহিলেতো কথাই নাই । পোনে পোনেই তেওঁৰ ঘৰলৈহে যায় । তাৰ পাছতহে ৰাইজে তাৰ মুখ দেখিবলৈ ভাগ্যত মিলে । কেতিয়াবা আকৌ ৰাইজে নেদেখেই ।

অৱশেষত বৰুৱা বংশ বুলিলে মানুহে ভয় কৰা হ'ল, কপা হ'ল । অজিত এওঁৰে ডাঙৰ পুতেক। বৰ্তমান অজিত ক্লাছ নাইনত পঢ়ি আছে । পঢ়াত বৰ ভাল নহয়। অৰ্থাৎ মধ্যমীয়া ।

আনফালে অজিতৰ সহপাঠী সুনিল শইকীয়া । সুনিল পঢ়াত ভাল । প্ৰত্যেক পৰীক্ষাতে সি নাম কৰি আহিছে। এইবাৰো নাইনত এক নম্বৰত । সুনিলৰ মাক-বাপেকৰ বাহিৰে আৰু কোনোয়েই নাই । বাপেক নৰেন শইকীয়া । যাৰ নাম শান্তিপুৰৰ বাহিৰেও তাৰ ওচৰ সকলোতেই মানুহৰ মুখে মুখে। নৰেনৰ মাটি নাই, ভাল ঘৰ নাই । দুবেলা দুমুঠি খাবলৈ নাই । কিন্তু তেওঁ এজন সৰল প্ৰকৃতিৰ মানুহ । নৰেনক দেখিলে মানুহে আনন্দ পায় ।

নৰেন হতঁৰ ঘৰ কমল বৰুৱাৰ ঘৰৰ কাষতে অৱস্থিত। ঘৰৰ নামত এটি মাত্ৰ ভগা পজাঘৰ । তাতেই সুনিল আৰু তাৰ মাক-বাপেক বাস কৰে । ৰাতিপুৱাতেই মাক-বাপেক দুয়োজনেই হাতত দুটামোনালৈ ওলায় যায় । এসাজ আহাৰ বিচাৰি । কাহানিবা পায়-কাহানিবা নাপায় । এক নিৰাশ মনলৈ ঘৰ লৈ উভতি আহে পেটত একো নোহোৱাকৈয়েই পৰি ৰয় এটি ভগা পজাৰ তলত তিনিটা প্ৰাণী । আকৌ ৰাতি পুৱাতেই ওলায় যায় পেটত এটি ক্ষুদ্ৰ কণ নোহোৱাকৈয়ে ।

ইফালে সুনিলে একো নোখোৱাকৈয়েই স্কুললৈ যায় । হাতত এখন মাত্ৰ কিতাপলৈ ।

ইফালে অজিত স্কুললৈ যায় গাড়ীত আৰামেৰে বহি । হাতত ধুনীয়া ধুনীয়া বহুতো কিতাপ বহীলৈ ।

সুনিলৰ কেইবা খনো কিতাপ নাই। মাত্ৰ এখনহে কিতাপ তাকো স্কুলৰ কোনোবা এজন শিক্ষকে দিছিল । বহী নাছিল । আলিৰ ওপৰত পৰি থকা কিছুমান কাগজ গোটাইলৈ তাতেই

ঢেকীয়া ঠাৰিয়ে লিখিছিল। সুনিল যে অকল পঢ়াতেই ভাল এনে নহয়। সকলোতে আগবঢ়া। খেল ধেমালি, নাচ-গান আদি সকলোতে। স্কুলৰ বছেৰেকীয়া খেলধেমালীত সকলো খেলতেই তাৰ নাম আগত থাকিবই। বহু ঠাইতে সি স্কুলৰ ফালৰ পৰা ফুটবল, ভলীবল আদি খেলি সুনাম কঢ়িয়াই আনে। দুবাৰমান সি স্কুলৰ হৈ বহুদূৰত গান গাই স্কুললৈ এক সুনাম কঢ়িয়াই আনিছিল। গতিকে তাক সকলোৱে ভাল পাইছিল।

সুনিল আৰু অজিতৰ ভাল মিলা মিছা। কিন্তু এই মিল অজিতৰ বাপেকে দেখিব নোৱাৰিছিল। কাৰণ এটা উচ্চবংশৰ লৰাই এক দৰিদ্ৰ মগনিয়াৰ ল'ৰাৰ লগত মিলা মিছা হোৱাতো এক অপমানৰ কথা। তেওঁ বহু কেইবাৰ মানুহ লগাই এই মিল ভাঙিবলৈ চেষ্টা কৰিছিল। কিন্তু নোৱাৰিলে। বৰঞ্চ বেছিহে কৰিলে। তেও' এই মিল সহ্য কৰিব পৰা নাছিল।

ইকালে দি অজিতে বাপেকে কব নোৱাৰাকৈ সুনিলক কিতাপ কলম বহী আদি দিছিল। পৰীক্ষাৰ সময়ত পইচাও দিছিল।

এদিনৰ কথা। অজিত স্কুললৈ গৈ দেখে যে সুনিলে এটা চুকত বহি মন মাৰি আছে। সি লগে লগেই তাৰ ওচৰলৈ দৌৰিগৈ তাক সুধিলেগৈ —

ঃ কি হৈছে সুনিলতোৰ ?

ঃ একো হোৱা নাই অ।

ঃ এনেকৈ মন মাৰি বহি আছ কিয় ? বল ভিতৰলৈ।

ঃ এনেই বহি আছো। যামবাৰু ৰ। সুনিলে মনে মনে কান্দি পেলালে।

ঃ আৰে তই কান্দিছ যে। কছোন তোৰ কি হৈছে।

ঃ তই মিছাতেই ইমানকৈ উত্তাৰল হৈছ অজিত।

ঃ নহয় তোৰ কিবা এটা হৈছেয়েই। ক কি হৈছে।

ঃ তই শুনিব নালাগে মোৰ কথা।

ঃ ক মই শুনিম !

ঃ ছা ছোন ! তাৰ পেণ্টটো অজিতক দেখুৱাই কলে। ইমান পৰে অজিতেও তাৰ পেণ্টটোলৈ চোৱাই নাছিল। সচাকৈয়ে তাৰ পেণ্টটো ফাটি গৈছে। তাপলি মাৰি মাৰি আৰু মাৰিব পৰা ঠাই নাইকিয়া হৈ পৰিল। দুদিন মানৰ পাছত তাৰ এই একমাত্ৰ পেণ্টটো-ছোলাটো ফটাৰ পাছত গামোছা পিন্ধি স্কুললৈ আহিব লগা হ'ব। হয়তো পেণ্ট-ছোলাৰ অভাৱত স্কুললৈ অহাই বন্ধ হব তাৰ।

অজিতে তাক সান্তনা দিবলৈ চেষ্টা কৰিলে আৰু লগতে কলেঃ সুনিল তই নাকান্দ। মনে মনে থাক। মিছাকৈ কিয় চিন্তা কৰিছ। মই আছো নহয়। কিবা দৰকাৰ হলে মোক জনাবি। মই দিম নহয় এইবাৰ মই তোক দুযোৰ ছোলা-পেণ্ট দিম দেই। এতিয়া ভিতৰলৈ বল। হাতত ধৰি তাক ভিতৰলৈ লৈ গল। বহুতো কথা বুজালে। লগতে তাৰ কেই খনমান কিতাপ তাক দি দিলে।

এদিন দুদিনকৈ দিন বিলাক এইদৰেই বাগৰি গৈ থাকিল। মেট্ৰিক পৰীক্ষাৰ ওছৰ পালেহি। পৰীক্ষাও দিলে দুয়োটাই। পৰীক্ষা হৈ গ'ল। কিছুদিনৰ পাছত পৰীক্ষাৰ ৰিজাল্ট ওলাল। সুনিলে ভাল নাম কৰি উত্তীৰ্ণ হ'ল আৰু অজিতে বৰ ভাল নাম কৰিব নোৱাৰিলে।

অজিতহঁতৰ ঘৰত বেছ আনন্দ। কাৰণ অজিতে পৰীক্ষাত উত্তীৰ্ণ হৈছে। গাড়ীয়ে অজিতহঁতৰ ঘৰৰ সন্মুখ ভৰি পৰিল। অহা আহিছে, যোৱা গৈছে। তাৰ কোনো লেখ বিছাৰ নাই। সকলোৰে মুখত হাঁহি। হাতত এটাকৈ বিৰাত ডাঙৰ টোপোলা। উপহাৰৰ টোপোলা। খাইছে-বইছে, হাঁহিছে-ফুৰ্ত্তি কৰিছে। সকলো আনন্দত মছগুল। কিন্তু তাৰ ভিতৰত এজনেই আনন্দত অংশ গ্ৰহণ কৰা নাই। হইঁা নাই-তেওঁ হ'ল অজিত।

অজিতে কেইবা বাৰ সুনিলৰ ঘৰলৈ যাবলৈ সুনিলক মাত দিবলৈ চেষ্টা কৰিছে। কিন্তু



বাপেকৰ পৰা যাব পৰা নাই। এখোজ আগুৱাই গলেও বাপেকৰ ধমকত পিছোৱাই অহিবলৈ বাধ্য হয়। তাৰ মনে সহিব নোৱাৰা হৈ পৰিল। সি ঘৰৰ ওপৰলৈ গৈ তাৰ পৰাই সুনিলক এক কন্দনা চকুৰে চাই থাকিল।

আনহাতে সুনিলৰ খৱৰ লবলৈ কোনোৱেই নাই। ঘৰত থকা একমাত্ৰ পিঠা গুৰি কেইটাকেই সিহঁত তিনিটাই ভগাই খালে। সুনিলে সিহঁতৰ ভগা পজাটোৰ আগফালৰ বাৰান্দাত মনমাৰি মাটিতে বহি অজিত হঁতৰ ঘৰৰ সেই আনন্দৰ দৃশ্য উপভোগ কৰি আছে। লগতে উচোপি উচোপি কান্দি আছে।

এই দৃশ্য অজিতৰ চকুত পৰাৰ মাত্ৰকে তাৰ ওচৰলৈ যাবলৈ তাৰ মন উত্তাৰল হৈ পৰিল। কিন্তু বাপেকৰ ধমকত সি যাব পৰা নাই। অবশেষত যেতিয়া বাপেকে জনাই দিলে যে সি কেতিয়াও সুনিলৰ ওচৰলৈ যাব নোৱাৰে। বাপেকৰ এই কথা শুনামাত্ৰকে সি দুমহলীয়া ঘৰৰ ওপৰৰ পৰা পৰিবলৈ লৈও বৈ বাপেকক উদ্দেশ্য কৰি চিঞৰি চিঞৰি কবলৈ ধৰিলে —

ঃ দেউতা শুনক। যদি সঁচাকৈয়ে মোক সুনিলৰ ওচৰলৈ যাবলৈ নিদিয়ে। তেন্তে এইয়া আপোনাৰ পুত্ৰক শেষবাৰৰ কাৰণে চাই লওক। মই জীৱিত অৱস্থাত সুনিলৰ ওচৰলৈ নগলেও মোৰ আত্মাই তাৰ ওচৰলৈ যাব।

এই কথাশুনি অজিতৰ মাকে আহি কান্দি কান্দি বাপেকৰ ভৰিত ধৰি বহুতো কাকুতি কৰিবলৈ ধৰিলে ঃ তাক সুনিলৰ ওচৰলৈ যাবলৈ দিয়ক। মাকৰ এই কাকুতি শুনে কোনে।

বাপেকে ৰঙা চকু দেখুৱাই কলে ঃ - তাক জনাই দিয়া যে সেই মগনীয়া টোৰ, চুৰটোৰ ওচৰলৈ যদি যায়। তেন্তে সি আৰু ঘুৰাই এই ঘৰত সুমাবলৈ নেপাই।

আনহাতে বাৰান্দাত বহি থকা সুনিলে এইবোৰ শুনি সি একো কব নোৱাৰা হৈ পৰিল। সি মাত্ৰ অজিতক এষাৰ কথাই কলে যে -ঃ সি যেন তাক আৰু কাহানিও লগ নকৰে।

সি বাৰান্দাতেই বহি ভাৱিবলৈ ধৰিলে। সিহঁতে সঁচাকৈয়ে পথৰ ভিক্ষাৰী। ভদ্ৰৰ সমাজত সিহঁতৰ ঠাই নাই। সিহঁত সচাকৈ চুৰ।

বাপেকৰ এই কথা শুনি ওপৰৰ পৰা পৰিবলৈ লৈও বৈ গল মাকৰ কাৰণেই মাকে কান্দি কান্দি বাপেকক কাকুতি কৰি কৰি ভাগৰি পৰিল। অবশেষত বাপেকে ক্ষন্তেক ভাবি অজিতক সুনিলৰ ওচৰলৈ যাবলৈ দিলে। এই কথা শুনামাত্ৰকে সি ওপৰৰ পৰা নামিল আৰু সুনিলৰ ওচৰলৈ লৰ দিলে।

এদিন দুদিন কৈ দিনবোৰ বাগৰি থাকিল। এদিন অজিতে গুৱাহাটীলৈ কলেজত পঢ়িবলৈ গল। তাক বাপেকে এখন গাড়ী কিনি দিলে। সি গুৱাহাটীলৈ গলগৈ। কিন্তু তাৰ মনত বৰ অশান্তি লাগি থাকিল। কাৰণ সুনিলক এৰি থৈ যাব লগা হোৱাত।

অন্যকালে সুনিলে কলেজত পঢ়িব নোৱাৰি সি ভিক্ষা খুজিবলৈ যায়। এনেকৈয়ে সি তাৰ মাক-বাপেকক এসাজ খুৱাই এসাজ নুখুৱাই জীয়াই ৰাখিছে।

এবছৰৰ পাছৰ কথা। হঠাৎ এদিন ৰাতি অজিত সুনিলৰ ঘৰত আহি উপস্থিত হলহি। আৰু ৰাতিয়ে কোনেও কব নোৱাৰাকৈয়েই তাক লৈ সিগলগৈ। সুনিলক নি কলেজত ভৰ্ত্তি কৰি দিলে আৰু সি নিজে কলেজ এৰি এটা ছাকৰি যোগাৰ কৰি ললে। ঘৰৰ পৰা টকা আনে নিজৰ বাবে, খৰচকৰে সুনিলৰ বাবে। এই দৰেই সি পঢ়ি থাকিল। সকলো বিলাক পৰীক্ষাতেই সুখ্যাতিৰে পাছ হৈ গ'ল। অৱশেষত যেতিয়া সুনিলে ডক্তৰেট উপাধী ললেগে। তেতিয়া

অসমৰ সকলো ধৰণৰ বাতৰি কাকত, আলোচনী আদিত তাৰ নাম প্ৰচাৰ হ'ল ।

এই খৱৰ পাই অজিতৰ ঘৰত আচৰিত হৈ পৰিল । গোটেই শান্তি পুৰৰ লগতে ওচৰৰ সকলো আচৰিত হৈ পৰিল । সকলোতোকৈ বেছি আচৰিত হ'ল অজিতৰ মাক - বাপেক । কাৰণ এটা মগনীয়া ল'ৰাই এটা সন্মানীয় উপাধি কেনেকৈ পালে । সি কলেজত পঢ়িবলৈ টকা ক'ত পালে ।

চাৰিও ফালৰ পৰা বিখ্যাত বিখ্যাত গবেষণাগাৰৰ পৰা নিমন্ত্ৰণ আহিল সুনিললৈ । কিন্তু সিএটাটো যোগ নকৰিলে । অবশেষত সকলো গবেষণাগাৰৰ সদস্য সকলে লগ হৈ আলোচনা কৰি সকলো গবেষনাগাৰৰ পৰিদৰ্শক হিচাপে পাতি দিলে । অজিতকো এটা গবেষণাগাৰত সোমোৱাই দিলে ।

এবাৰ অজিতে সুনিলৰ সহায়ত এটা ফৰ্মূলা আৱিস্কাৰ কৰিলে । এই ফৰ্মূলাটো চৰকাৰৰ ওচৰত বিক্ৰি কৰি বহুতো টকা পালে সিহঁতে । এই টকাৰে নিজাকৈ এটি গবেষণাগাৰ খুলিলে ।

অন্যহাতে এই খবৰ পাই অজিতৰ মাক - বাপেকে গাড়ীলৈ সিহঁত দুটাকে লৈ আহিল গৈ । সুনিলৰ মাক - বাপেককো লৈ আনিলে অজিতৰ ঘৰলৈ । নিজৰ ঘৰ, মাটি - বাৰী গাড়ীমটৰ এই সকলোবোৰ অজিত আৰু সুনিলৰ নামত লিখিদি সুনিল আৰু তাৰ মাক - বাপকক লগতলৈ সকলো বিলাক একেলগে সুখেৰে একেটা ঘৰতে একেটা পৰিয়াল হৈ বাস কৰি থাকিল ।



"পৃথিবীখন আমাৰ আৰু তোমালোকৰো; কিন্তু শেষ বিচাৰত ই তোমালোকৰেই ! পুৱাৰ সূৰ্য্যৰ দৰে অফুৰন্ত শক্তি আৰু প্ৰাচুৰ্য্যৰ অধিকাৰী তোমালোক ডেকা গাভৰু সকলৰ ওপৰতেই আমাৰ ভৰষা ।" ঃ মাও-চে-তুং





# লো কে ল

-মনোৰঞ্জন বৰ্মন
স্নাতক বিজ্ঞান শাখা
চূড়ান্ত বৰ্ষ

*(তীব্ৰ খঙে তাৰ মুখটো আচন্দ্ৰাই কৰিলে । তাৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল যে সি বৰ কষ্টেৰে চাকৰিটো পাইছে গতিকে তাক যেন চাকৰিটোৰ পৰা বঞ্চিত নকৰে । নাই তাৰ কথা শুনিবলৈ ওচৰত কোনো বৈ থকা নাছিল ……………)*

পশ্চিম আকাশত ইতিমধ্যে সূৰ্যই দিনটোৰ ব্যস্ততা পূৰ্ণ অৱস্থাৰ পৰিসমাপ্তি ঘটাই মেলানি মাগিছে । গোটেই আকাশখন টিকটিকীয়া ৰঙাহৈ উঠিছে যেন কোনোবাই হটাহতে ৰঙা ফাকু এসোপামান আকাশখনলৈ ছটিয়াই দিছে । নানান বৰণৰ চৰাইচিৰিকটীয়ে উক্ত আকাশৰ তলেৰে এক সুন্দৰাত্মক ছবি অংকিত কৰি নিজৰ সজালৈ ধাপলি মেলিছে । মনত ভাৰাক্ৰান্ত মুখ লৈ অসীমে সিদিনাও কোনো এটা কামৰ যোগাৰ কৰিব নোৱাৰি বিষন্নমনেৰে ঘৰলৈ উভটিছে । নগৰৰ পৰা বাছত আহি কেতিয়ানো নিজৰ গাৱঁৰ পদূলিমূৰ পালেহি সি ধৰিবই নোৱাৰিলে ।
ঃ বালিজান পালেহি । কোনোবা আছে যদি নামি যাব । কন্দাকটৰৰ মাতত অসীমৰ সম্বিত ঘুৰি আহিল । বাছৰ পৰা অসীম নামি পৰিল । চাৰিওফালে এপাক চাই পঠিয়ালে । চ'কত থকা দোকানখনৰ পৰা এটা চিগাৰেট জ্বলাই অসীমে ঘৰলৈ বুলি খোজ দিলে ।

মহাসমুদ্ৰৰ দৰে এখন সুবিশাল পথাৰৰ দুমাজতে থকা ক্ষীণ শিয়ালৰ নেজৰ সদৃশ এটা লেংপেঙীয়া পথ এডাল সাপৰ দৰে নিতাল মাৰি পৰি আছে । এই পথৰ ওপৰেদি অসীমে কিবা এটা চিন্তা কৰি গহীনভাৱে গৈ থাকিল । গাৱঁৰ কোনোলোকে বাটত 'অসীম নেকি অ' বুলি মাতদি গৈছে যদিও অসীমে অনিচ্ছাকৃতভাৱে মাথো মূৰ দুপিয়াই গৈ থাকিল । পথাৰখনৰ ওপৰেদি ৰিবৰিবকৈ বৈ থকা এচাটি শীতল বতাহ অনবৰতে বৈ আছে । সন্ধিয়াৰ এই মুহুৰ্ত্তই গোটেই পৰিবেশ খিনি এক শান্ত শীতলময় কৰি তুলিছে ।

— আজিও একো নহ'ল । নাই আৰু নহব । দুজনমানক এশিকনি নিদিলে নহব । — অসীমে মনতে ভোৰভোৰালে । ঘৰত গৈ কি বুলি কব । দাদা, নবৌ নাই যদি ৰক্ষা আৰু যদি 'আছে পুনৰ সেই একে খিনি গালি — বেকাৰ কাম এটা যোগাৰ কৰি লব নোৱাৰিলি । তোৰ দৰে সুঠাম ডেকা ল'ৰা এজনক কোনে বহি বহি খোৱাব আদি নানা কৰ্কণ মাতৰ সন্মুখীন হব লাগিব ।

— উস জ্বলি থকা চিগাৰেটটোৱে আঙুলি মূৰ পাই জ্বলন ফুঠালে। অসীমে ইচ্ ইচ্ কৰিব ধৰিলে। সি ক্ষন্তেকপৰ পথাৰৰ মাজত থিয় হৈ চিন্তা কৰিব ধৰিলে সি প্ৰথমে পোণে পোণে ঘৰলৈ যাব নে দিবাকৰ, হৰেণহঁতৰ ঘৰৰ ফালে যাব।

নাই হৰেণহঁতৰ ফালে যাব নোৱাৰি। গ'লে আনদিনাৰ দৰে গালি খাই অভ্যস্ত হোৱা গালিৰ পৰিমান আজি আৰু বেছিকৈ শুনিব লাগিব। ঘৰলৈ যোৱাই থিক হব। এইবুলি ঘৰলৈ পোনে পোনে খোজ দিলে।

পথাৰৰ পৰা এক ফাৰ্লংমান দূৰৈৰ পৰা গাওঁখন দেখা গৈছে। ওচৰৰে নামঘৰৰ পৰা ডবা, বৰকাহঁৰ শব্দই গোটেই গাওঁখনলৈ সন্ধ্যাৰ আগজাননী যেন নমাই আনিলে। কাৰোবাৰ ঘৰৰ পৰা ডবা, বৰ- ... লেম্পৰ পোহৰ বেৰৰ ফাঁকেৰে নিগৰি :অহা ৰিনিকি ৰিনিকি দেখা পোৱা গৈছে। অসীমে একান্ত মনেৰে ছাই পঠিয়ালে। সি বহুত কথাই চিন্তা কৰিব ধৰিলে। গাওঁখনৰ প্ৰতি থকা মৰমে যেন তাক এৰি দিব নোখোজে। এইদৰে নানা বাস্তৱহীন কিছুমান কথা কল্পনা কৰি ঘৰৰ পছুলিমুখ পালে। সি জপনাখন খুলি ভিতৰলৈ সোমাই গ'ল। বুঢ়া দেউতাকৰ হুকুৰ হুকুৰ কেইটামান কাহৰ বাহিৰে গোটেই ঘৰটো নিজান হৈ পৰিছে। ঘৰৰ গোটেই পৰিবেশখিনি এই সময়ত অসীমৰ ভাল নালাগিল - নবৌ — অসীমে ভয় ভয়কৈ লাহেকৈ দুৱাৰত হেচি মাতিলে। নাই কোনো সঁহাৰি নাই। অসীমে পুনৰ মাত দিব ধৰোতেই দুৱাৰ খোল খালে। মাকে এগছি টিমিক ঢামাক চাকিটো হাতত লৈ দুৱাৰ খুলি দিলে। কপি কপি উঠা ছাকিৰ পোহৰে মাকৰ মুখখন ছয়াময়াকৈ দেখা পাই অসীমৰ মনটো ভাল লাগি আহিল।

—মা নবৌহঁত নাই নেকি ?

— নাই। সিহঁতে তই যোৱাৰ পাছতে গ'ল। বৰ মইনা আহি কলে হঠাৎ বোলে যাব লাগে। চহৰত কিবা মিটিংনে কিবা পাতিছে বোলে। গতিকে ইহঁতক লৈ গ'ল।

কোন অ, সৰু মইনা নেকি ? ভিতৰৰ ৰুমৰ পৰা দেউতাকে মাত লগালে। অ' — অসীমে উত্তৰ দিলে। পিছে সৰু মইনা আজিৰ ইণ্টাৰভিউ ভালদৰে হ'লনে।

— ইণ্টাৰভিউ দিলে একো লাভ নাই। যদি সিহঁতক টকাৰ মাৰ্কচিট খন দেখুৱা নহয়, অসীমে খঙেৰে কলে। মা পাপুও গ'ল নহয়। পাপুলৈ বেয়া লাগিল তাৰ। অসীমৰো মন যায় কেতিয়াবা পাপুক নানান ৰঙবিৰঙৰ পুতলা কিনি দিব। কিন্তু সি নোৱাৰে। পূজা, বিহুত আৰু উৎসৱ আদিত যেতিয়া তাৰ কণমানি শিশু মনটোৱে কিবা বিছাৰি তাৰ ওচৰলৈ দৌৰ মাৰি আহে আৰু প্ৰতি বাৰেই নিৰাশ মনেৰে ঘূৰি যায় তেতিয়া সি কেৱল নিপলক দৃষ্টিৰে তালৈ চাই থাকে আৰু নীৰৱে চকুলো টোকে। কিয় জানো তাৰ তেতিয়া অজানিতে হাত দুখন কঁপি উঠে।

সি মহাবিদ্যালয়ৰ স্নাতক পৰীক্ষা বি, এছ, চিত সুখ্যাতিৰে উত্তীৰ্ণ হৈ আনবছৰবোৰৰ দৰে সিওঁ ইউনিভাৰচিটি পঢ়িবলৈ প্ৰৱল ধাউতি আছিল। কিন্তু স্নাতক ডিগ্ৰীলৈকে তাক পঢ়াওতেই ঘৰৰ মূলধন শেষ হোৱাত সি পঢ়া সিমানতে সামৰি ঘৰুৱা চিন্তাত মনোনিৱেশ কৰিবলৈ বাধ্য হৈ পৰিল। ইচ্ছা কৰিলে ককায়েকে তাক পঢ়োৱাব পাৰিল হয় কিন্তু নবৌয়েকৰ বিনা অনুমতিত যে ককায়েকে একো কৰিব নোৱাৰে গতিকে সি ককায়েকৰ ওচৰত সহায়ৰ ভিক্ষা পাত্ৰ নুখুজিলে। যিজন পুতেকে নিজৰ মাক-দেউতাকক পুহিবলৈ অমান্তি সেইজন ককায়েকে ভায়েকক কি পঢ়োৱাব। গতিকে অসীমে আৰু বেছি পঢ়াৰ আশা ত্যাগ কৰিলে। মনত বহুতো আশাৰ বীজৰোপন কৰিছিল যদিও তাৰ অজানিতে ৰথৰ চকৰি যে বেলেগ ফালে ঘূৰিব সি তাৰ কল্পনাতীত আছিল। তথাপি মনত আশাৰ সঞ্চাৰ কৰি ভাবি যোৱা পাচ বছৰে চাকৰি বিচাৰি গোটেই অসম চলাথ কৰিলে যদিও সি সাফল্যৰ মুখ দেখা নাপালে। পাইছিল যদিও প্ৰতিবাৰেই কি-বা নতুন নতুন সমস্যাৰ সন্মুখীন হব লগীয়াত পৰিছিল। তাৰ স্পষ্টভাৱে মনত এতিয়াও আছে যেতিয়া সি প্ৰথমখন Appointment letter পাইছিল সুদূৰ নগাৰঁৰ পৰা। তাৰ মনটোৱে সিদিনা আনন্দতে আত্মহাৰা হৈ পৰিছিল। সি যেন মাক বাপেকক অন্তত দুবেলা দুসাজ নিছিন্ত মনেৰে খুৱাব পাৰিব আৰু চাকৰি এটা যোগাৰ কৰিব পাৰিলে বিয়া কৰিম কৈ থোৱা কলেজীয়া প্ৰেয়সীক পুস্পাঞ্জলীক যেন দুহাতেৰে সাৱট্ মাৰি ধৰি চিঞৰি চিঞৰি কৈ দিব পুস্পা, পুস্পা, এইয়া চোৱা আৰু তুমি আৰু চিন্তা কৰিব নালাগে। মই নিজৰ ভৰিত থিয় দিছো যেতিয়া — আৰু বহুতো কিবা কিবি .... ।

অৱশেষত নিৰ্দিষ্ট দিনা কামত Joint কৰিব গৈ তাৰ অলক্ষিতে ঘটনাটো সংঘটিত হৈছিল। সি দেখা পালে তাক যিটো অফিছত মকৰল কৰা হৈছে তাত কেইজনমান থুলন্তৰ ডেকা যুৱক বৈ আছে। সি তলমূৰকৈ অফিচলৈ সোমাই গ'ল।

ঃ Excuse me, আপুনিয়ে নিশ্চয় অসীম, I mean অসীম বৰুৱা। ইয়াত নতুনকৈ পোৱা চাকৰিটো নিশ্চয় আপুনিয়ে পাইছে। অসীমে হয় বুলি উচ্চাৰণ কৰি আৰু বিশেষ কবলৈ ইচ্ছাবোধ নকৰিলে।

ঃ তেন্তে আপুনি ইয়াৰ পৰা Ba:k হোৱাটোৱে উচিত হব —তাৰে মাজৰ পৰা এজনে কৈ উঠিল। বাকী কেইজনে উচ্চস্বৰে হাঁহিবলৈ ধৰিলে।

ঃ কিয় - অসীমে ভীতি বিহ্বল চাৱনিৰে চাই প্ৰশ্ন কৰিলে।

কিয় ? কোনো কিয় জনাৰ আৱশ্যক নাই। আৰু যদি জানিবই বিচাৰে তেন্তে শুনক আমি ইয়াৰ Local। আমি ইয়াত লোকেলে চাকৰি নাপায় আপুনি কেনেকৈ পাব। আৰু Already আপোনাৰ Appointment Letter খনো কেঞ্চেল কৰিছে। আমাৰ অনুগ্ৰহত, গতিকে বাকী খিনি জানেই। Sorry এজনে উচ্চ সুৰত কথাখিনি একে উশাহতে কৈ উঠিল।

অসীমে কিবা কোৱাৰ আগমুহূৰ্তত যুৱক কেইজনে হাঁহিহাঁহি তাৰ পৰা বিদায় ল'লে। অসীম শিল পৰা কপৌৰ দৰে তাতে থিয় হৈ থাকিল। তাৰ মুখত কব নোৱাৰাকৈয়ে লোকেল শব্দটি ওলাই আহিল। সি নিজকে কৰ চিন্তা কৰিব ধৰিলে। তীব্ৰ খঙে তাৰ মুৰ আচন্দ্ৰাই কৰিলে। তাৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল যে সি বৰ কষ্টেৰে চাকৰিটো পাইছে গতিকে তাক যেন চাকৰিটোৰ পৰা বঞ্চিত নকৰে। নাই তাৰ কথা শুনিবলৈ ওচৰত কোনো বৈ থকা নাছিল। সি কৰ্তৃপক্ষক লগ কৰাৰো ইচ্ছা প্ৰকাশ নকৰিলে। সি মাথো চিন্তা কৰিলে যিটো সময়ত এচাম যুৱকে দেশৰ শান্তি, সম্প্ৰীতি, ঐক্যৰ বাবে ৰাজপথত চিঞৰি গগন ফালিব ধৰিছে সেই সময়তে অন্য এচাম যুৱকে লোকেল শব্দৰ প্ৰয়োগৰে গোটেই অসম উত্তলাই তুলিছে। এটা হুমুনিয়াই ওলাই আহিল তাৰ।

তাৰ পিছত অসীমে প্ৰতিটো বাৰতে লোকেল শব্দটিৰ সৈতে এক নিৰবিচিন্ন সম্পৰ্ক গঢ়ি তুলিছে।

দিবাকৰেই তাক আহি কৈছিল বোলে চৰকাৰে এইবাৰ নিবনুৱা সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰিছে গতিকে বহুতো শিক্ষক পদৰ চাকৰিত মকৰল কৰাৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিছাৰিছে। অসীমে দৈনিক জনমভূমিৰ পৰা পোৱা বিজ্ঞাপনবোৰত শিক্ষক পদৰ বাবে আৱশ্যকতা পদৰ বিপৰীতে আবেদন কৰিছে। তাৰেই এটা শিক্ষক পদৰ ইণ্টাৰভিউ দি আজি এইমাত্ৰ ঘৰ সোমাইছে। তথাপি সি চোন পৰিস্থিতিৰ সৈতে নিজকে খাপখুৱাই লব পৰা নাই।

ঃ সৰু মইনা, সৰু মইনা - মাকে মাতিলে।

ঃ অ, অসীমে উত্তৰ দিলে।

ঃ ভাত খাই শুগৈ। চিন্তা কৰিব নালাগে। মাকে ক'লে।

দিন বাগৰিল। এইমাত্ৰ পিয়নটোৱে এখন চিঠি দি অসীম হঁতৰ ঘৰৰ পৰা উভতিল। অসীমে লৰালৰিকৈ চিঠিখন খুলিল। Appointment letter খন দেখি অসীম পুনৰ আনন্দত জপিয়াই উঠিল। ঃ সৰু মইনা, কিনো সেইখন দেউতাকে সৰুকৈ সুধিলে। দেউতা এইখন Appointment letter ডিব্ৰুগড়ত দিছে। কিয় জানো অসীমৰ মনটো হঠাৎ বিষন্ন তাৰে ভৰি পৰিল। ডিব্ৰুগড়তো যে লোকেল শব্দটিৰ সৈতে পৰিচয় হব নালাগিব তাৰ কি নিশ্চয়তা আছে। এইবুলি অসীমে দিবাকৰ হঁতৰ ফালে ওলাই গ'ল। আকাশত তেতিয়া ডাৱৰ নাছিল। ●



# প্ৰত্যাশা

কুমাৰ লীলা উপাধ্যায়
প্ৰাক্ স্নাতক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা।

***(দীপকৰ মূৰত যেন বজ্ৰপাতহে পৰিল। তেনে লাগিল তাৰ। সি চকুৰ আগত ধুৱঁলী কুঁৱলী দেখিলে। সমস্ত পৃথিবী খনেই যেন ওলট পালট হৈ গল। এটা বোবা মানুহৰ দৰে সি ....)***

আৰু মাত্ৰ কেইটামান মূহুৰ্ত তাৰ পিছত দীপকৰ জীৱনত এটা গুৰুত্বপূৰ্ণ ঘটনা ঘটিব। যি ঘটনা বহুতৰে জীৱনত বোধকৰো নঘটাকৈ জীৱনটো শেষ হৈ যায়। যিটো অতি মধুৰ আৰু গৌৰৱ পূৰ্ণ বুলি দীপকে অনুভৱ কৰে। তাৰ গা সাঁতখন আঠখন যেন লাগিল। সি পুনৰ পঞ্চম বাৰৰ বাবে ঘড়ীটোলৈ চালে। ৰাতিপুৱাৰ আঠ বজালৈ পাঁচ মিনিট বাকী। তেনেহলে আৰু মাত্ৰ পাঁচ মিনিটৰ পাচত ....... । আৰু সি ভাৱিব নোৱাৰিলে।

....... প্ৰথম দেখাতেই দীপক চৌধুৰীৰ দেহ-মন হৰণ কৰি নিছিল "তাই"। আচৰিত হৈছিল সি যে মানুহৰো ইমান ধুনীয়া মুখাবয়ব হ'ব পাৰে বুলি। কল্পনাৰো অগোচৰ ইমান ধুনীয়া ছোৱালীজনীয়ে তাক সাধাৰণ গাৱলীয়া ল'ৰাক ভাল পাব পাৰে বুলি।

"At sixteen she is Queen-" কথাষাৰৰ তাৎপৰ্য্য সি সেইদিনাহে অনুধাৱন কৰিব পাৰিছিল। কাৰণ সচাঁকৈয়ে যোড়শী যুৱতী অনুৰাধা গুপ্তা একুৰা জুইহে আছিল; যি জুইৰ তাপে দীপকৰ নিষ্ক্ৰিয় মানুহটোক সক্ৰিয় কৰিছিল।

দিনটো দেওবাৰ আছিল। তেতিয়া পুৱাৰ ১১ মান বাজিছিল। সি থকা ভাড়াঘৰৰ নিচেই কাষতে লাগি থকা ঘৰটোত এটা আনন্দ মুখৰ পৰিবেশৰ সৃষ্টি হৈছিল। কেইটামান মূহুৰ্তৰ পাছতে সি বুজি পাইছিল কাৰণটো। নিশ্চয় কোনোবা আলহী আহিছে! কিয়নো সি ঘৰটোৰ পৰা অচিনাকী কণ্ঠস্বৰ শুনিবলৈ পাইছিল। সেইবোৰলৈ সি বিশেষ মন নিদি পঢ়াত মনোনিবেশ কৰিছিল। সি এইবাৰ B. A. ৰ দ্বিতীয় বাৰ্ষিকৰ শেষান্ত পৰীক্ষাৰ ৰিজাল্ট ভাল কৰিবৰ বাবে উঠিপৰি লাগিছে। মাক-দেউতাকৰ আলাসৰ লাৰু দীপকৰ পৰীক্ষা বেয়া হ'লে মাক-দেউতাকে কিমান আঘাত পাব সেইকথা দীপকে অনুভৱ কৰিব পাৰিছিল। যিমানেই সি কথাবোৰ চিন্তা কৰিছিল সিমানেই অধিক মনোযোগেৰে পঢ়াত মনোনিবেশ কৰিছিল।

কিন্তু হথাতে তাৰ একাগ্ৰতাত বাধা পৰিছিল। যেতিয়া সি 'তাই'ক দেখা পাইছিল। ওচৰতে লাগি থকা ঘৰৰ খিড়িকীখন খোলা আছিল। সেই খিড়িকীৰ সন্মুখতে এজনী ছোৱালীয়ে সৰু ল'ৰা এটাৰ লগত কিবা কথা পাতি আছিল। তাক দেখা মাত্ৰকে দীপক স্তম্ভিত হৈছিল। শ্বাস-প্ৰশ্বাস বন্ধ কৰি একেশ্বৰে ছোৱালজনীক সি চাই আছিল। ইমান যুনীয়া ছোৱালী সি জীৱনত কাহানিও দেখা নাছিল। সি সচাঁকৈয়ে মুগ্ধ হৈছিল তাইৰ নীৰৱ নয়নযুৰীত তাইৰ স্বপ্নাতুৰ চুলি কোঁচাত আৰু লনি মিঠা বৰণীয়া মুখখনত। প্ৰস্তৰ মূৰ্তিৰ দৰে সি! কিমান সময় যে তাইক চাই আছিল তাৰ খবৰেই নাছিল। যেতিয়া তাই খিড়িকীৰ ওচৰৰ 'পৰা আঁতৰি গৈছিল, তেতিয়াহে তাৰ গালৈ হু'চ ফিৰি আহিল।

তাৰ পিছত দীপকৰ তাইৰ প্ৰতি আকৰ্ষণ ক্ৰমাত বাঢ়ি গৈছিল। সি খিড়িকীৰ ওচৰত আহি তাইক চোৱাটো নিত্য কৰ্মৰ দৰে হৈ পৰিল।

আৰু সেই ছোৱালীজনীৰ লগত তাৰ চিনাকী হৈছিল অতি সাধাৰণভাৱে। সেইদিনটোৰ কথা সি পাহৰিব নোৱাৰে। সেইদিনা সি চেলু এটা লৈ কাষৰ ঘৰটোলৈ গৈছিল। ঘৰৰ সকলোৱেই তাক ভাল পালে তালৈ যোৱাৰ বাবে। কিয়নো ওচৰতে হলেও খুব কমহে সি সেই ঘৰটোলৈ গৈছিল আৰু সেই দিনাই সি সেই অতুল সুন্দৰীৰ লগত চিনাকী হৈছিল। "ভন্টি কি নাম তোমাৰ?" দীপকে বেছ ভদ্ৰতাৰে তাইক সুধিছিল। তাৰ কথাত ছোৱালীজনী সঁকিত হৈছিল আৰু হাঁহিমুখে উত্তৰ দিছিল— : অনু, অনুৰাধা গুপ্তা। তাৰ পিছত সিহঁতৰ কথাৰ নিজৰা বৈছিল। সি মন কৰিছিল ছোৱালীজনী বেছ ৰঙিয়াল। হঠাতে তাই কথাৰ মাজতে দীপকক সুধিছিল

মই এটা কথা কম বেয়া পাব নেকি?

আৰে কিয় বেয়া পাম: দীপকে উত্তৰ দিছিল।

: মই আপোনাক "দাদা" বুলি কম দেই। কাৰণ মোৰ কোনো দাদা নাই।

অনুৰাধাৰ কথাষাৰ শুনাৰ লগে লগে দীপক পুলকিত হৈ পৰিছিল। ছোৱালীজনী কম নহয় দেই। দাদা বুলি মাতিলেই। "দাদা"ৰ পৰা আৰম্ভ কৰাতো ছোৱালীবোৰৰ এটা বৰ সহজ আৰু ভাল চিষ্টেম (system)। সকলো ছোৱালীৰে প্ৰচেচ (Process) টো একেই। সি ভাবিলে। অনুৰাধা ৰঙা চিঙা হৈ পৰিছিল।

: আপুনি এনেকৈ কোৱাত বেয়া পালে নেকি? আচলতে মই .......

দীপকে অনুৰ কথাত হাঁহিছিল আৰু কৈছিল, 'ইয়াত বেয়া পাবলৈনো কি আছে। মই তোমাক ভন্টি বুলি মাতিছো আৰু তুমি মোক দাদা বুলি মাতিছা। দীপকে অনুৰাধাক ভাল লগাবলৈ কথাষাৰ কৈছিল।

: আপুনি সেই ঘৰতে নেথাকে জানো! আপোনাক .....

অনুৰাধাৰ মুখৰ কথাষাৰ কাঢ়ি লৈ দীপকে যিমান পাৰে গম্ভীৰভাৱে দেখুৱাই কলে : চোৱা অনু, তুমি মোক দাদা বুলি কলা যেতিয়া আৰু আপুনি আপুনি কৈ নাথাকিবা। দীপকৰ কৃত্ৰিম গাম্ভীৰ্য্যপূৰ্ণ কথাষাৰে যেন অনুৰাধাক মন্ত্ৰৰ দৰে কাম দিলে। তাই আনন্দতে আত্মহাৰা হৈ উঠিল। শেষত যাবৰ সময়ত দীপকে অনুক তাৰ কোঠালৈ নিমন্ত্ৰণ কৰিবলৈ নাপাহৰিলে।

এটা সাধাৰণ গল্পৰ দৰে আৰম্ভ হোৱা দীপক অনুৰ কাহিনীটো যথেষ্ট আগবাঢ়িছিল। অনুৰাধা সেই ঘৰটোতে থাকি কলেজত নাম লগাইছিল। দীপকৰ যেন হাততে স্বৰ্গ, তেনে অৱস্থা হৈছিল। প্ৰতিতো মূহুৰ্ত্ততে যেন দীপকে অনুক তাৰ কাষত বিছাৰিছিল আৰু অনুৱেও তাইৰ একমাত্ৰ দাদাক সকলো সময়তে সুখী হোৱাটো বাঞ্ছা কৰিছিল।

এদিনৰ কথা! দীপকৰ ভীষণ জ্বৰ হৈছিল। সি বিচনাতে চট্ফটাই আছিল। দৰব পাতি খোৱা নাছিল। ভাবিছিল ভাল হৈ যাব। ইফালে অনুৱে দুই তিনিদিন দীপক

সিহঁতৰ ঘৰলৈ নহা বাবে নিজে আহি উপস্থিত হৈছিলহি। তাই দীপকক তেনে অৱস্থাত দেখি আচৰিত হৈছিল আৰু কৈছিল

ঃ তোমাৰ জ্বৰ হৈছে ; কেলেই কোৱা নাই ?

ঃ কাকনো কম ভনু, মোৰ ইয়াত কোননো আপোন আছে।

দীপকে অনুক পৰীক্ষা কৰিবলৈহে তেনেকৈ কৈছিল, কিন্তু অনুৱে অলপো বুজি পোৱা নাছিল।

দীপকৰ কথা শুনি অনুৱে হৃদয়ত বিৰাট আঘাট পাইছিল আৰু কৈছিল, কি, মই তোমাৰ কোনো নহয় নেকি, দাদা ? দীপকে ভাবিছিল অনুৱে তাক সচাঁকৈয়ে খুউব ভাল পায়। সেইবাবেই সি মন দৃঢ় কৰি সুধিছিল — অনু, তুমি জানো মোক ভাল পোৱা ?

অনুৱে সেইদিনা খুউব কান্দিছিল আৰু কৈছিল ঃ দাদা, তুমি আজি মোক কিয় পৰীক্ষা লৈছা ? কেনেকুৱা কথা কৈছা তুমি! মই তোমাক কিমান ভাল পাওঁ কেনেকৈ বুজাম ! তুমিয়েইতো মোৰ একমাত্ৰ দাদা ॥

অনুৰ কথাযাৰত দীপক পতিয়ন গৈছিল আৰু সেইদিনাৰ পৰা তাৰ দৃঢ় বিশ্বাস হৈছিল যে সচাঁকৈয়ে অনুৱে তাক অকৃত্ৰিম ভাল পায় ... ... আজি সেই অনুৱেই মাতিছে তাক কৈছে ; অত্যন্ত জৰুৰী কথা আছে। তুমি নাহিলে আজি মই মৰি যাম। অনুৰ কথাই তাক খুউব আনন্দ দিছিল আৰু সি যাব বুলি প্ৰতিশ্ৰুতি দিছিল। দীপকে বহুবাৰ অনুহঁতৰ তালৈ গৈছে ; কিন্তু কোনো দিনেই অনুৱে ইমান আকৰ্ষণীয়কৈ মতা নাছিল। নিশ্চয় কিবা গুপুত কথা আছে, সেই বাবেহে ...... ।

হয় আঠ বাজিলেই। সি ওলাল অনুহঁতৰ ঘৰলৈ। বুকুত সীমাহীন আশালৈ। আজি সি বুকুত সাঁচি ৰখা সমস্ত মৰমবোৰ অনুক খুলি কব। অনুৱে আজি তাক পাই কিযে নকৰিব ! আজি ৰাতিপুৱাই মাতিছে। সেই গুপুত কথাতো কবলৈ। দীপকৰ তাইৰ অব্যক্ত কথাবোৰ ভাবি মনটো আনন্দত নাচি উঠিল।

কলিং বেলটোত হাত দিয়াৰ লগে লগে এমোকোৱা হাঁহি লৈ অনুৰাধা ওলাই আহিল। সচাঁকৈয়ে তাইক নতুন ৰূপত দেখা পালে দীপকে। তিলোত্তমা অথবা ক্লিউপেট্ৰাৰ লগতহে তুলনা কৰিব পাৰি তাইক। সি চাই থাকিল। অনুৰাধাৰ মুখলৈ। কি চাইছা, ভিতৰলৈ আহা না, দাদা। আজিহে দীপকে উপলব্ধি কৰিলে তাইৰ মাতটো। সচাঁকৈয়ে মৌ—বৰষা মাত। দীপকক হাতত ধৰি অনুৰাধাই ভিতৰলৈ লৈ গল। সি ভাবি আচৰিত হ'ল, কি কৰিব অনুৱে আজি! গোটেই ঘৰতো ধূপৰ সুবাসেৰে আমোল-মোলাই আছিল। হাতত থাল এখন লৈ ওলাই আহিল অনু। হাঁহি হাঁহি দীপকৰ ফালে আগবাঢ়ি আহি কলে — কি চাই আছা। দিয়া, তোমাৰ হাতখন, আজি ৰাখী পূৰ্ণিমা নহয় জানো ! মোৰ দাদাক আজি মই ৰাখী বান্ধিম। জীৱনত প্ৰথম বাৰৰ বাবে ৰাখী বান্ধিমতো, সেইবাবে এই আনন্দৰ মূহুৰ্তটো আৰু মধুময় হওক বুলি তোমাক আগতে কোৱা নাছিলো। অনুৱে কথাষাৰ কণ্ঠতে আবেগত মিশ্ৰিত ভাৱেৰে কৈছিল। দীপকৰ মূৰত যেন বজ্ৰপাত হে পৰিল — তেনে লাগিল তাৰ। সি চকুৰ আগত ধূৱঁলী - কুঁৱলী দেখিলে। সমস্ত পৃথিৱী খনেই যেন ওলট পালট হৈ গ'ল। এটা বোবা মানুহৰ-দৰে সি এটাও শব্দ উচ্চাৰণ কৰিব নোৱাৰিলে। মাথো চাই ৰ'ল অনুৰ নিষ্পাপ, অকৃত্ৰিম মৰমেৰে পূৰ্ণ সেই মুখখনলৈ আৰু মন্ত্ৰমুগ্ধ মানুহৰদৰে সি তাৰ সোঁহাতখন আগবঢ়াই দিলে। ●





# কল্পনা বাস্তৱ নহয়

শ্ৰীদেবানন্দ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

*(পল্লৱে কোনো দিনেই লোভ কৰা নাই, গৌৰীদত্তৰ নিচিনা মানুহে ধনৰ লোভ দেখুৱাই পল্লৱ বৰুৱাক কিনিব নোৱাৰে। ...... ...... সেই বুলি তই তাইক বিয়া কৰাবই লাগিব তাৰ কি মানে আছে ... ... ... ।)*

সৰু নগৰখনৰ এমূৰে ৰাজ আলিটোৰ কাষত ডাক্তৰ পল্লৱ বৰুৱাৰ ধুনীয়া ঘৰটো। তেওঁ সেই নগৰৰে হস্পিটেলৰ ডাক্তৰ। ডেকা মানুহ, বিয়া কৰোৱা নাই। সেই নগৰৰে অৰুণিমা নামৰ এজনী ছোৱালীৰ লগত তেওঁৰ ঘনিষ্ঠতা আছে। .... .... এদিন দুপৰীয়া ... ... ভাত খাই উঠি পল্লৱে হাতত চিগাৰেটটো হুপি হুপি বিচনাখনত কাতি হৈ অলপ জিৰাইছে। অলপ পিছতে অৰুণিমা আহি তেওঁৰ কাষতে বহিলহি। এইজনী অৰুণিমাকে পল্লৱে ভাল পায়। কিছুপৰ দুয়ো নীৰৱ হৈ থকাৰ পাছত পল্লৱে লাহেকৈ অৰুণিমাক মাতিলে। "অৰুণিমা ভাত খালা"। 'ও খালো' — অৰুণিমাই উত্তৰ দিলে। এইবাৰ পল্লৱে অৰুণিমাৰ হাত দুখন নিজৰ হাতৰ মুঠিলৈ আনি তাইৰ চম্পাকলি যেন আঙুলি কেইটা পিটিকি পিটিকি সুধিলে "বাৰু অৰুণিমা তোমাক আজি এটা কথা সোধো দেই .... ....।" "কি কথা" বুলি অলপ উচপ খোৱাৰ দৰে অৰুণিমাই পল্লৱৰ মুখলৈ চাই ৰল। কিয়নো আজি কেইদিন মানৰ পৰা পল্লৱক তাইৰ প্ৰতি অন্যমনস্ক যেন দেখিছে। তথাপিও তাই নিজকে সংযত কৰি আকৌ সুধিলে - 'কি কথা কওক চোন'। মিচিকিয়া হাঁহিৰে আৰম্ভ কৰিলে" বাৰু কোৱাচোন অৰুণিমা তুমি মোক আগৰ দৰে ভাল পোৱা নে নোপোৱা আৰু ভাল পাই থাকিবা নে? স'চা কথা কবা দেই অৰুণিমা ।

'... যাওক আপোনাৰ কথাবোৰ আৰু সেপ ঢুকি অৰুণিমাই কথাষাৰ কৈয়ে পল্লৱৰ কাষৰ পৰা উঠি যাব খোজোতেই পল্লৱে তাইক থাপ মাৰি ধৰি পুনৰ চঞ্চল হৈ পৰে। পল্লৱে আকৌ কলে. "বুজিছা অৰুণিমা, তোমাক ভাল পাবৰ আজি এবছৰ হলহি." তথাপিও তোমাক আজিৰ দৰে প্ৰশ্ন কোনো দিন সোধা নাই। কিন্তু আজি সুধিলো কাৰণ মই এই নগৰৰ হস্পিটেলৰ পৰা গুৱাহাটীৰ এখন ডাঙৰ হস্পিটেললৈ বদলি হৈ যাম। শেষবাৰৰ বাবে এটা কথা কৈ যাওঁ, তুমি যাতে মোৰ বাহিৰে কাৰো লগত বিয়া নোহোৱা। মই তোমাক বিয়া কৰাম আৰু মাজে সময়ে চিঠি পত্ৰ দি থাকিবা. মইয়ো দি থাকিম। এই বিলাক কথা পাতি থাকোতে বাহিৰৰ পৰা হস্পিটেলৰ চকীদাৰে মাত লগাই পল্লৱক এখন

চিঠি দিলে। পল্লৱে চিঠি পঢ়ি দেখে যে চাকৰীত দুদিনৰ ভিতৰতে জইন কৰিব লাগে। নহলে তেওঁৰ ঠাইত বেলেগ এজনক লব। পল্লৱে চিঠি পঢ়ি টেবুলত থলে। সেই দিনা পল্লৱে তাৰ ঘৰত যিমান যন্ত্ৰ পাতি আৰু বস্তু, বিছনা পাতি সকলো ললে। সেইদিনাই গুৱাহাটীলৈ বুলি যাত্ৰা কৰিলে। পল্লৱ যোৱা দিনাখনেই অৰুণিমা পল্লৱৰ ঘৰলৈ আহিছিল। অৰুণিমাই কিছু-পৰ পল্লৱ যোৱাৰ ফালে চাই থাকি অৱশেষত বিছনাখনতে শুই শুই ভাবিবলৈ ধৰিলে পল্লৱে সেই-দিনা সেই কথা কিয় সুধিলে। মইটো কৈ থাকো তোমাৰ বাহিৰে আৰু মই কাকো ভাল নাপাওঁ। এই বিলাক কথা ভাবি অৱশেষত তাই সেই পিনেই টোপনিৰ কোলাত ঢলি পৰিল।

পল্লৱৰ দেউতাক, পল্লৱ সৰু হৈ থাকোতেই ঢুকাইছিল। পল্লৱৰ মাকে জীয়েক আৰু পুতেকক লৈ দিন কটাইছিল। পুতেক ডাক্তৰ হোৱা কাৰণে মাকৰ আনন্দ। মাক আৰু জীয়েকে পল্লৱে যে অৰুণিমাক ভাল পাই সেই কথা জানে। অৰুণিমা এজনী পঢ়া শুনা কৰা শিক্ষিতা ছোৱালী কাৰণে পল্লৱক গালি পৰা নাছিল। পল্লৱ গুৱাহাটী পোৱা দিনাখনেই দুখন চিঠি লিখিলে এখন অৰুণি-মালৈ আৰু এখন মাকলৈ। তাৰ পাছত পল্লৱে সপ্তাহত এখনকৈ চিঠি দি থাকিল। বন্ধ পালে ঘৰলৈ আহি থাকে। কিছুদিনৰ পাছত পল্লৱে চিঠি দিবলৈ এৰি দিলে। ঘৰৰ মাক আৰু ভনীয়েকৰ চিন্তা হল। আনকি অৰুণিমাইও চিন্তা কৰিবলৈ ধৰিলে। মাকে তাৰ লগৰ লৰাবোৰক সোধে খবৰ পাইছ নেকি; কিন্তু সিহঁতে একো গম নাপাওঁ বুলি কয়। তেতিয়া মাকৰ আৰু চিন্তা হয়। এইদৰে দিন বিলাক গৈ গৈ বহাগ বিহু পালেহি। মাকে ভাবিছে যে সি নিশ্চয় এই বহাগ বিহুত আহিব। কিন্তু বহাগ বিহুত নহা দেখি মাকে ভাবিছে পল্লৱৰ জৰুল কিবা বিঘিনি ঘটিছে; নহলে সি বছেৰে-কৰ বিহুটোত ঘৰলৈ নহাকৈ নাথাকে। পুতেক নহাত মাক চিন্তিত হৈছে লগতে অৰুণিমাও। কেইদিনমানৰ পাছত সেই নগৰৰ দীপক নামৰ বন্ধু এজনৰ হাতত পল্লৱে চিঠি দুখন দি পথালে। এখন মাকৰ আৰু আনখন অৰুণিমালৈ। দীপকে অৰুণিমাৰ চিঠিখন ঘৰত দি আহিল। আন-খন পল্লৱৰ মাকক দিবলৈ আহিল। পুতেকে চিঠি দিয়া দেখি মাকে আৰু ভনীয়েকে আনন্দ পালে। মাকে দীপককে চিঠিখন পঢ়িবলৈ কলে। দীপকে পঢ়িলে।

চিৰ পূজনীয় মা,

পত্ৰে মোৰ সেৱা আৰু নমস্কাৰ লব। বৰ্ত্তমান মোৰ ভাল। আশা কৰো ভণ্টি আৰু আপোনাৰ মঙ্গল। এটি বিশেষ বিপদত পৰি বিহুত ঘৰলৈ যাব নোৱাৰিলো। এটা কথা মা মই অৰুক বিয়া কৰাব নোৱাৰিম। দুদিন মানৰ পাছতে মই ঘৰলৈ যাম। গলে সকলো কথা গম পাব।

ইতি

পল্লৱ।

মাকে চিঠিখন পঢ়াৰ শেষ হোৱাৰে পিছত ভাবিলে। পল্লৱে এনে এটা মাৰাত্মক সিদ্ধান্ত ললে কিয়? ইয়াত নিশ্চয় কিবা ৰহস্য আছে। সি তলে তলে বহুতেই আগবাঢ়িল। একমাত্ৰ লৰা পল্লৱক লৈয়ে ভাৱিছিলো, দেখিছিলো বহুতো সপোন। কিন্তু সি বিশ্বাস-ঘাতক। জীয়েকে মাকক বুজাই কলে, গালি পাৰি একো লাভ নাই মা। তাৰ পিছত দীপকে মাকৰ আগত পল্লৱে কি কাৰণে অৰুণিমাক বিয়া কৰাব নোৱাৰে সকলো কথা কলে। পল্লৱে এই কথা বিলাক দীপকৰ আগত কৈছিল। আকৌ মাকে দুখ মনেৰে কয় বিধিৰ লিখন নহয় খণ্ডন। সকলো অদৃষ্টৰে লিখন। দুখকেই কপালত সাধি আহিছো যেতিয়া সুখ কত পাম। বিয়া হোৱাৰ আঠ বছৰৰ পিছতেই পালো অকাল বৈধব্য। তহঁত হালকে বুকুত বান্ধি ভাবিছিলো এদিন সুখ পাম। ডাক্টৰী পাছ কৰাই পল্লৱৰ পৰা পালো এইয়া। মোৰ দুৰ্ভগীয়া কপাল। এই বিলাক কথা কৈ কৈ মাকে বিছনাত শুই পৰিল। দুদিন মানৰ পিছত পল্লৱ ওলালহি। পল্লৱে আহি মাকক ঘৰত সোমাই মাতিছে। তেতিয়া মাকে কৈছে, তই ইমান খীনালী। পল্লৱে কৈছে, সদায়েই 'একেদৰে থাকো বুলি-লেও থাকিব নোৱাৰি মা। এইবাৰ ভনীয়েকে মাত লগালে এই কেই মাহতে ককাইদেউ ইমান বয়সী-য়াল মানুহৰ দৰে হলি। ভণ্টি, মানুহ সদায় একেদৰে থাকে জানো? আজি লৰা, কালিলৈ ডেকা, পৰহিলৈ বুঢ়া। বাৰু মা দীপ-কৰ হাতত দিয়া চিঠিখন পালেনে? পালো। কিন্তু তোৰ তেনে সিদ্ধান্ত! মই দুখীত মা, অৰুণিমাক মই বিয়া কৰাব নোৱাৰিম। তাৰমানে ....। তাৰমানে তই সেই অঞ্জলী নামৰ পঙ্গু ছোৱালী জনীকেই বিয়া কৰাবি? তোক সেইখিনি জ্ঞান লবৰ বাবেই মই পঢ়াইছিলো? পল্লৱে কলে, মই যে নিৰুপায় মা। অঞ্জলীক মই বিয়া কৰাবই লাগিব। মাকে খঙেৰে কলে, কিন্তু কিয়? কিয় তাইক বিয়া কৰাবই লাগিব। গৌৰী দত্তৰ ধনৰ লোভত পৰি? পল্লৱে কলে নহয় মা। পল্লৱে কোনো দিনেই লোভ কৰা নাই। গৌৰী দত্তৰ নিচিনা মানুহে ধনৰ লোভ দেখুৱাই পল্লৱ বৰুৱাক কিনিব নোৱাৰে, মা নোৱাৰে। পিছে আপুনি অঞ্জলীৰ বিষয়ে ইমান-বোৰ কথা কেনেকৈ জানিলে। মাকে কলে, মোক সকলো কথা দীপকে কলে। কিহৰ লোভত পৰি এই পঙ্গু ছোৱালীজনীক বিয়া কৰোৱাত মত দিছ? তেতিয়া পল্লৱে বেজাৰ মনেৰে কলে শুনক মা. মই ইয়াৰ পৰা যোৱা কিছুদিনৰ পিছতেই এদিন কামৰ পৰা ঘৰৰ অভিমুখে আহি থাকোতে মোৰ গাড়ীয়ে দুৰ্ঘটনা কৰে। ফলস্বৰূপে সেই দুৰ্ভগীয়া ছোৱালীজনীয়ে ভৰি এখন হেৰুৱায়। মই আপ্ৰাণ চেষ্টা কৰিও অঞ্জলীৰ ভৰিখন বচাব নোৱাৰিলো। তাইৰ ভৰিখন কাটিব লগীয়া হল। তাইতো জন্মৰে পৰা পঙ্গু নাছিল মা। পঙ্গু কৰিলো মই। মই এতিয়া সেই পঙ্গু অঞ্জ-লীক এৰি অৰুণিমাক বিয়া কৰালে জানো মোক পাপে নুচুৱ মা। মাক দেউতাকৰ সদায়েই মাত্ৰ এটা চিন্তা। একমাত্ৰ কন্যা সন্তান অঞ্জলী তাইয়ো আজি হল পঙ্গু। সেই পঙ্গু ছোৱালীজনীক বিয়া দিব বা কলৈ। বিয়া কৰাবই বা কোনে? গতিকে অঞ্জলীক মইয়ে বিয়া কৰাব লাগিব। কওঁক মা এজনী ছোৱা-লীক জানো তেনে অৱস্থাত এৰি থৈ অহাটো জ্ঞানীৰ কাম হব। মাকে কলে, সেই বুলি তই তাইক বিয়া কৰাবই লাগিব তাৰ কি মানে আছে। দুৰ্ঘটনা কোনেও কৰো বুলি নকৰে। তেন্তে কিয় তই তাইক বিয়া কৰাব লাগে? আজি অতদিনে তাইৰ বাবে যি টকা পইছা আৰু আৰোগ্যৰ বাবে কষ্ট কৰিলি। এতিয়া আৰু বাদ দে। পল্লৱে কলে এজন আদৰ্শ-বান ডাক্টৰ হিচাবে মই কেতিয়াও তেনে এটা অমানৱীয় কাম কৰিব নোৱাৰিম মা। মাকে খঙেৰে কলে, তেন্তে তই যি ভাল দেখ তাকে কৰ। তাৰ পিছত ভনীয়েকে মাত লগালে ককাইদেউ আপোনাৰ চিঠি পোৱাৰ পৰা আজি কেইবাদিনো অৰুণিমাই ভাত পানী খাবলৈকে এৰিলে। কি কৰিবি ভণ্টি, আজি-কালি মোৰ মগজুৰ চিন্তা শক্তি-কনো লোপ পালে। ভণ্টি যাচোন অৰুক মাতি আনগৈ মই মাতিছো বুলি ক'বি। ভনীয়েক যাবলৈ লওঁতে অৰুণিমা তেওঁলোকৰ ঘৰলৈ অহা দেখি তাই নগল। অৰুণিমাই ঘৰ পাই পোন প্ৰথমে বেজাৰ মনেৰে মাত লগালে - পল্লৱদা। পল্লৱে কলে বহা অৰুণিমা। তোমাক দিয়া প্ৰতিশ্ৰুতি মই ৰাখিব নোৱাৰিলো। মোকক্ষমা কৰিবা। অৰুণিমাই কান্দি কান্দি কলে, পল্লৱদা মোৰ তেন্তে কি হব? আজি অতদিনে যাক মই বুকুত সাৰটি দেৱতা ৰূপে পূজা কৰি আহিছো, যাক লৈয়ে মই মোৰ ভৱিষ্যতৰ সোণালী কাৰেংঘৰ গঢ়িছিলো। সেই পূজাৰ বেদী আজি কোনে পূৰণ কৰিব পল্লৱদা? শুনা অৰুণিমা জীৱনৰ ৰং আৰু তুলিকাৰে তোমাকেই আঁকিছিলো। তোমাক লৈয়ে ৰচিছিলো মোৰ

জীৱন যৌৱন মধুৰ কল্পনা। দেখিছিলো অলেখ স্বপ্ন। কিন্তু সেই সপোন, সপোন হৈয়ে ৰ'ল। জীৱনলৈ আহিল সেই অভিশপ্ত দিনটো। সেইদিনা আছিল শুক্ৰবাৰ। কামৰ পৰা ঘৰৰ অভিমুখে আহি থাকোতে হঠাৎ মোৰ গাড়ীৰ এটা চকা ফুটাত মই গাড়ীখন নিয়ন্ত্ৰন কৰাত অক্ষম হলো। সেই সময়তে কলেজৰ পৰা আহি থকা এজনী ছোৱালীক মোৰ গাড়ীয়ে খুন্দা মাৰে ফলস্বৰূপে চিৰ জীৱনৰ বাবে হেৰুৱালে এখন ভৰি। মই আপ্ৰাণ চেষ্টা কৰিও তাইৰ সেই ভৰিখন বচাব নোৱাৰিলো। হস্পিটেলত তাইৰ সোঁ ভৰিখন কাটিবলগীয়া হয়। অৰুণিমা, সেই দুৰ্ভগীয়া ছোৱালী জনীৰ নামেই অঞ্জলী। তাইৰ গাভৰু জীৱনৰ সকলো আশা-আকাংখ্যা মই চুৰমাৰ কৰি দিলো।

অৰুণিমা, তোমাৰ ওচৰত আজি মোৰ নিজকে বৰ অপৰাধী অপৰাধী যেন লাগিছে। তথাপিতো তোমাৰ ওচৰত মোৰ জীৱনৰ সকলো কথাই ব্যক্ত কৰিব লাগিব। নহলে মৃত্যুৰ পিছতো মই শান্তি নাপাম। অৰুণিমাই কান্দি কান্দি কলে, পল্লৱ দা কৈ যাওক। শুনা তেন্তে অৰুণিমা মোৰ সেই জীৱনৰ দুৰ্ভগীয়া দিনৰ কাহিনী বিলাক। দুৰ্ভগীয়া অঞ্জলীয়ে ভাল পাইছিল সেই চহৰৰ অভিজিত নামৰ এজন সুদৰ্শন যুৱকক। যোৱা আঠাইশ বহাগত তাহাঁতৰ বিয়া হোৱাৰ কথা আছিল। কিন্তু পিছত পঙ্গু অঞ্জলীক সি বিয়া কৰাবলৈ অমান্তি হয় আৰু সেই তাৰিখতে আন এজনী ছোৱালীক বিয়া কৰায় আৰু সেই দিনাই অঞ্জলীয়ে অভিজিতৰ বিয়াৰ খবৰ পাই বিহ খাই শেষনিশ্বাসৰ প্ৰস্তুতি চলায়। ভাগ্যৰ বলত মই সেইদিনা তাহাঁতৰ ঘৰলৈ গৈছিলো। সময় মতে চিকিৎসা পোৱাত অঞ্জলী কোনো ৰকম বাচিল। তাইৰ নাৰীৰ হৃদয়ে এটাৰ পিছত এটাৰ পৰা এটাকৈ আৰু কিমান বেদনা সহ্য কৰিব? মাক দেউতাকে সেই পঙ্গু ছোৱালী জনীক দিবই বা কলৈ। বিয়া কৰাবই বা কোনে? সেইবাবে মইয়েই অঞ্জলীক বিয়া কৰোৱাত মত দিলো।

অৰুণিমা, জীৱনত মই তোমাক কোনোদিন পাহৰিব নোৱাৰিম। কিয়নো তোমাক প্ৰাণ ভৰি ভাল পাইছিলো। দুখৰ মাজতে তোমাক সুঁৱৰিয়েই ভৱিষ্যতৰ দিন কেইটা অতিবাহিত কৰিব লাগিব। কিন্তু কি কৰিবা অৰুণিমা, মানুহৰ সকলো আশা পুৰণ নহয়। কথা বিলাক শুনি অৰুণিমাই প্ৰস্তৰ মূৰ্ত্তিৰ দৰে থৰ হৈ ৰল। লাহে লাহে কোঠাটো আন্ধাৰ হৈ আহিল। ● ●

*"তুমি প্ৰস্ফুটিত গোলাপৰ সুবাস উপভোগ কৰিবলৈ বিচাৰানে? যদি বিচাৰা, তেন্তে তুমি গোলাপৰ কাইট কেই ডালো গ্ৰহণ কৰিব লাগিব। হাস্যময়ী উষাৰ মাধুৰ্য্য উপভোগ কৰিবলৈ বিচাৰানে? যদি বিচাৰা, তেন্তে তুমি নিশাৰ ঘোৰ অন্ধকাৰ অতিক্ৰম কৰি আহিব লাগিব। তুমি শক্তিৰ আনন্দ আৰু স্বাধীনতাৰ মাধুৰ্য্য উপভোগ কৰিবলৈ জানো নিবিচাৰা? যদি বিচাৰা, তেন্তে তুমি তাৰ কাৰণে মূল্য পৰিশোধ কৰিব লাগিব আৰু স্বাধীনতাৰ মূল্য হৈছে, কষ্টবৰণ আৰু ত্যাগ স্বীকাৰ।"* — **সুভাষ চন্দ্ৰ বসু**



# ভূপেন্দ্ৰ সংগীতোৰ

—শ্ৰীৰজনী কান্ত গগৈ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)



*" বস্তুবাদী সমাজখনৰ ই এটা উলংগ দৃষ্টান্ত। হোটেলৰ খীন পোহৰতো জিলিকি উঠা তাইৰ লোভনীয় মুখখন এবাৰ চকুৰ ...... । মানৱ সম্পদক পংকিল ড্ৰেইনৰ আবদ্ধ কুঞ্জ কৰিবলৈ উঠিপৰি লগা পৰিকল্পনা, গণতন্ত্ৰৰ .... ।*

পুৱা পাচঁমান বজাতেই বেডিং সামৰি নিত্য-নৈমিত্তিক কামখিনিৰ লগতে হেলথ ইজ ৱেলথ কথাটি সাঙুৰি লৈছিল। গাৰ ৱেইট কমাবলৈ স্কিপিং কৰা ঠাণ্ডা দিনত দৌৰ দিয়া, পেশী শিথিল কৰিবলৈ ফিংগাৰ স্পিঙৰ পৰা ফ্ৰিহেণ্ড ব্ৰক্স্যাচাইজলৈকে নিয়মিত কৰে। চৰ্বি কমাবলৈ ডামবেল ৱেইট লিফটিং কৰে। তাৰ পাছত লঘু আহাৰ গ্ৰহণ কৰি পাঠ্য পুথিত ধৰে।

পৰিপাটিকৈ থাকিলে মনো ভাল লাগে। সেয়েহে সকলো কাম সুচাৰুকৈ কৰিবলৈ আত্মসূচীও আছিল। সেই মতে সদায় আগবাঢ়িছিল। আনকি বাতৰি কাকত, আলোচনী, টি. ভি. প্ৰগেম, খেলা ধূলা আদিৰ লগতো সংগতি ৰাখি চলিছিল। কলেজলৈ যোৱাৰ আগতে চুলি ভাঁজ দি, ডাড়ি-গোফ চিকুনাইছিল।

বিয়লি ক্লাছৰ বাহিৰেও সন্ধিয়া পৰলৈকে লেবৰেটৰী প্ৰেক্টিকেল, ৱৰ্কশ্বপ প্ৰেক্টিচ, প্ৰজেক্টৰ কাম কোনোমতে সামৰিব পাৰিহে। ষ্টিফেনচনৰ পৰা ৰোডল্ট ডিজেল হৈ জন ডেলটনলৈকে, ছাৰ আইজাক নিউটনৰ পৰা ছাৰ চি. ভি. ৰমনলৈকে, বয়লচ লৰ পৰা বাণেৰ্লি'চ থিয়ৰিয়েমলৈকে, চিজিচ ফমুলাৰ পৰা ডাকিজ ফমু'লালৈকে বাবে বাংকৰা কিতাপ মেলি নোটছ গোটোৱা। হাহেঁ কনীপৰা ৰাতিলৈকে ড্ৰইং প্লেট, জংকাৰ্ড, জাৰ্ণেল। তাৰ মাজতেই সোণৰ অসমৰ চিঞৰ-বাখৰ, শিক্ষাব্ৰতী, বিদেশীক স্বদেশীকৰণ লাগ বান্ধ নোহোৱা তালিকাখন, নতুন এজাক চেলাপতি জোকক দিহপুৰ দিল্লীলৈ আগবঢ়াই পঠোৱা।

পল্টীফাৰ্মত কক্‌কক্‌কৈ চিঞৰি থকা বয়লাৰ চিকেন গৈ ফাষ্ট ফুড হোটেলৰ চিকেন চপ হোৱাৰ দৰে এদিন নিৰল অভিযন্তা হৈ ওলাল। অভিযান্ত্ৰিক মহাবিদ্যালয় এৰি অহাৰ দিন ধৰি নিৰলৰ চকুৰ আগত পৃথিৱীখন অস্বাভাৱিক পৰিবৰ্ত্তন হৈ যোৱা দেখিবলৈ পাইছে। যিটো অঞ্চলত সি আছিল ভোটাতৰা, নিজ চেষ্টাৰ ফলত গঢ় লৈ উঠা আদৰ্শৰ প্ৰতীক স্বৰূপ সেই অঞ্চলতেই এটা ভতুৱা কুকুৰ যেন নিজকে অনুভৱ কৰিছে। ঘৰখনতো অৱজ্ঞাৰ পেলনীয়া আহাৰ যেন জ্ঞান কৰিছে। স্মৃতিবোৰ পুনৰাই শাৰী শাৰীকৈ সজাইছে।

বাস্তৱ পৰিস্থিতিত বৰ অসহায়বোধ কৰিছে। মনলৈ আহিছে সেই দিনবোৰৰ কথা যিবোৰক লৈ গৌৰৱ কৰিছিল তাৰ ঘৰখনৰ লগতে অঞ্চলটোৱে। নিয়মানুৱৰ্ত্তিতা, স্বাস্থ্যচিন্তা, পৰিস্কাৰ পৰিছন্নতা আজি আৰু নিৰলৰ ভাৱবোধক বিষয় হৈ থকা নাই। তাৰ ঠাইত নিৰাশা নিৰ্ক্মা আত্মগ্লানিৰ ৰিক্ততাৱে থিতাপি লবলৈ ধৰিছে।

দেশখনত হালধীয়া দেশপ্ৰেমিকৰ সংগমত নিৰ্গত হোৱা সংবিধান, সমাজবাদ পৰিকল্পনা আদি শব্দবোৰ দুৰৰ পৰা ভাহি অহা আজানৰ দৰে লগা হ'ল। গণতন্ত্ৰৰ নামত গেলা শ'ৰ টনা-আজোৰাহে হৈছে।

মনলৈ কিছু উদ্যম আহিব বুলিয়েই এদিন নিৰল গুৱাহাটী লৈ গৈছিল। তাৰ অসামৰিক যোগান বিভাগত "চিনিয়ৰ ইন্সপেক্টৰ" কৰা ককায়েক বিনয়ৰ ওচৰলৈ। ভাবিছিল তাত থাকিয়েই সকলো খবৰ সহজে পাব পাৰিব, ইণ্টাৰভিউ বিলাকতো উপস্থিত থাকিব পাৰিব। অইন নোৱাৰিলেও মানসিক ভাৱে, কিছু সকাহ পাব। কিন্তু সপ্তাহটো ঘূৰাৰ পাছতেই নবৌৱেকৰ বেডৰুমৰ পৰা খিৰিকি পাৰহৈ অহা কিন্ কিনিয়া শব্দবোৰ —

"তোমাৰ ভাই যেতিয়া তুমি নিজে কোৱাই ভাল। বস্তুৰ যিহে জুই ছাই দাম।"

দেশৰ যি পৰিস্থিতি হৈছে। তোমাৰো দৰমহা কেইটায়েই। হাত খৰছ বুলিবলৈ নোপোৱা হৈছা। গতিকে মহানগৰত বেকাৰ পুহিব নোৱাৰি। ঘৰ আছে ঘৰলৈ যাওক গৈ। বেকাৰ ইজ এ বেগাৰ। নিৰলৰ অন্তৰৰ মাজেৰে নিগৰি আহিল কিছুমান হুমুনিয়াহ। প্ৰতিবাদৰুদ্ধ তাৰ সহোদৰ। পিছদিনা ৰাতিপুৱা সি মেলানি মাগিলে। সুন্দৰী নাৰীৰ প্ৰতি নিৰলৰ এয়া দ্বিতীয় অশ্ৰদ্ধা। এবছৰ মান আগেয়ে সহপাঠী স্বপ্নালীৰ পৰা এখন অভাৱনীয় চিঠি পাইছিল। ঠিক চিঠি নহয় এখন আমন্ত্ৰণ পত্ৰহে। লিখিছিল তাইক ক্ষমা কৰি দিবলৈ, তাই নিৰলক দিয়া এই কথাবিলাক ৰাখিব নোৱাৰাৰ বাবে। ইঞ্জিনিয়াৰিং পঢ়ি থকা অৱস্থাত জিৰণি কক্ষত, লেবৰেটৰী, ৱৰ্কশ্বপত ৰচনা কৰা সপোন অদিঠক হৈ ৰোৱাৰ বাবে। লগতে ইয়াকো জনাইছিল শৰতৰ এক শুভদিনত মৰিয়নিৰ এজন চাপ্লায়াৰৰ লগত তাইৰ শুভপৰিণয়ৰ আয়োজন কৰা হৈছে। পৰিণয় মণ্ডপত খন্তেক উপস্থিতিৰ কামনাৰে। নিৰলৰ হৃদয়ত এটি মৃদু কম্পন হ'ল। যি স্বপ্নালী লেবৰেটৰী, ৱৰ্কশ্বপ প্ৰেক্টিকেলৰ পৰা জাৰ্নেল ছেছনেল আদিলৈকে সকলোতেই সহযোগী আছিল আৰু প্ৰতিশ্ৰুতি দিছিল জীৱনৰ বাকী থকা সময়খিনিত সহযোগীৰূপে কটাই দিবলৈ। এমহীয়া বন্ধটোৰ কুৰিদিন সিহঁতৰ ঘৰত কটাবলৈ খাটনি ধৰিছিল। বিনা দ্বিধাই মাক-দেউতাকৰ আগত সকলো ব্যক্ত কৰিবলৈ প্ৰস্তুত। সেই স্বপ্নালী ......। বস্তুবাদী সমাজখনৰ ই এটা উলংগ দৃষ্টান্ত। হোটেলৰ খীন পোহৰতো জিলিকি উঠা তাইৰ লোভনীয় মুখখন এবাৰ চকুৰ আগলৈ টানি অনাৰ চেষ্টা কৰিলে নিৰলে। কাৰোবাৰ সহায় বিচাৰি তাৰ অন্তৰখনে হাহাকাৰ কৰি উঠিল। এজন অৰুণাচলৰ বন্ধুৱে তাৰ অটোগ্ৰাফত লিখিছিল — "লাইফ ইজ নাথিং বাত ছমথিং গেট এণ্ড ছমথিং লষ্ট, গেটছ কেনট চেটিছফাই বাট লষ্ট ফিয়েৰ আছ"।

ঘৰৰ পৰা কিছু নিলগত ৰাস্তাটোৰ গড়কাপ্তানি বিভাগৰ কালভৰ্টটোৰ ওখ পোষ্টটোতেই নিৰলে বেছি সময় বহি থাকে। কালভৰ্টৰ তলেৰে বৈ যোৱা পানীবোৰ তাৰ সৰু সৰু মাছবোৰ সকলো পৰিচিত হৈ পৰিছে। এইবিলাক নিৰীক্ষণ কৰি যি মানুহৰ পৃথিৱীখনৰ পৰা খন্তেক আঁতৰি থাকিবলৈ চেষ্টা কৰে। তাত বহি বহিয়েই সি উগাৰি উলিয়াই দিব বিচাৰে তাৰ সমগ্ৰ ক্ষোভ-দুখ বেদনাবোৰ।

ঘৰৰ বাকীবিলাকৰ সৈতে আজিকালি তাৰ কথা নিমিলে। সি বুজি পায় ঘৰখনে তাৰ পৰা বহুত কিবা কিবি আশা কৰে। কিন্তু সি সেইবিলাক দিব পৰা নাই। যাৰ উপাৰ্জন নাই তাৰ কিবা কোৱাৰ অধিকাৰো নাই। স্কুললৈ অহা-যোৱা কৰা লৰা-ছোৱালীবিলাকে তাক পাৰহৈ যোৱা সময়কনত নীৰৱতা অৱলম্বন কৰে। কিছুমানে উভতি উলতি চায়। দুই — এক মাতে —"নীৰলদা বহি আছে।" সি মাথো সঁহাৰি দিয়ে। প্ৰয়োজনতকৈ বেছি হলিগলি কৰিব সি নিবিচাৰে। তাৰ মনলৈ আহে কিছুদিনৰ আগলৈকে এই সময়খিনিত সি কিমান ব্যস্ত হৈ পৰিব লগা হৈছিল। নিয়মানুবৰ্ত্তিতা কেনেদৰে বজাই ৰাখিছিল।

মনটো কেতিয়াবা ফালৰি কাটি যায় লৰা — ছোৱালীখিনিৰ কথা ভাবি। সিহঁত স্কুললৈ কিয় গৈ আছে। এইখন দেশত শিক্ষাৰ কিবা মান-মৰ্য্যাদা আছে নে? চিঞৰি চিঞৰি কৈ দিব যেন "— তোমালোক স্কুললৈ নাযাবা। মোৰ দৰে ....।" দুৰৱা ছাৰে তাক কৰা প্ৰশংসাবোৰ তাৰ "ডিজাইন এণ্ড ড্ৰইং" প্ৰজেক্ট ৰিপৰ্টবিলাকত প্ৰতিজন ইঞ্জিনীয়াৰিঙৰ প্ৰতিজন শিক্ষক ছাত্ৰ-ছাত্ৰীৰ মূখে মূখে প্ৰসাৰিত হৈ পৰিছিল তাৰ নাম— "নিৰল ইজ এ মষ্ট ব্ৰিলিয়েণ্ট বয়।" কিন্তু সেই সংলোবোৰ নিৰৰ্থ প্ৰয়াস। যিখন দেশত স্বাৱলম্বিতাৰ উদ্দেশ্য নাই য'ত সম্পদৰ সদব্যৱহাৰ নাই উৎপাদন মানে কেৱল টকা নামধাৰী মুদ্ৰাকহে উৎপাদন কৰা বুজায় আৰু সেই টকাৰ বিনিময়ত বিদেশৰ পৰা আমদানিকৃত আচ্ বাব্ সা-সৰঞ্জামে নিজকেই গৌৰৱান্বিত কৰে সেই দেশত তাৰ দৰে অভিযন্তা ঘৃণ্য ভৰাই থোৱা একোটা ডাষ্টবিনহে, মানৱ সম্পদক পংকিল ড্ৰেইনৰ আৱদ্ধকুণ্ড কৰিবলৈ উঠি পৰি লগা পৰিকল্পনা। গণতন্ত্ৰৰ গেলা আলু বস্তা, সংবিধানিক সমাজবাদৰ বেহেলাৰ সুৰ কৰ্ণধাৰসকলৰ কণ্টক কিংকৰ চৰিত্ৰ, দেশ সেৱাৰ নামত জুৱা খেল।

পলমকৈ হ'লেও নিৰলৰ মনলৈ বসন্ত আহিছিল — যেতিয়া দিচপুৰেশ্বৰে ব্যাপক হাৰত প্ৰচাৰ কৰিলে নিবনুৱা সমস্যা .সমাধান কৰা হ'ব। লাখ লাখ যুৱকযুৱতীক কৰ্মসংস্থানৰ দিহা কৰা হ'ব। স্বাৱলম্বী হবলৈ সুযোগ দিয়া হ'ব। স'চাকৈয়েনে? নিৰলে নিজকে প্ৰশ্ন কৰিলে। তাৰ যথোচিত উত্তৰো নিৰলে লাহে লাহে পাইছে। সেয়া হ'ল গণ সমৰ্থন বিচাৰি দিছপুৰেশ্বৰে গোৱা ভূপেন্দ্ৰ সংগীতহে। 'মেৰা ভাৰত মহান" গোষ্ঠীৰ জাগ্ৰত প্ৰহৰীসকলৰ সহযোগত বৰ্তমান অসমৰ ঘৰে ঘৰে ভূপেন্দ্ৰ সংগীতৰ বোল উঠিছে।

কথাবিলাক ভাবি ভাবি কালভৰ্টৰ বোৱতী পানীৰ সৈতে মিহলাই থাকোতেই আৰ্মিৰ গাড়ী এখন নিৰলৰ কাষতেই ৰ'লহি। গাড়ীখনৰ পৰা আৰ্মি' কেইজনমান নামি আহি নিৰলক বেৰি ধৰিলেহি। লগে লগে বাদ্যযন্ত্ৰৰ সৈতে ভূপেন্দ্ৰ সংগীতে :মুখৰিত কৰি তুলিলে। এটা মস্ত ভণ্ডামি আৰ্মিয়ে কলে — ":এই লৰকা চ'ল উ'ঠ গাড়ীমে উঠ।"

*অন্ধকাৰ যিমানেই গভীৰ নহওঁক, বিপদ আপদ বাধা বিঘিনি যিমানেই প্ৰবল নহওঁক কৰ্মক্ষেত্ৰত কেতিয়াও তুমি ভীত নহবা। বিষন্নচিত্ত নহবা। সকলো সন্দেহ পৰিহাৰ কৰিবা। কোনো কামেই অসাধ্য নহয়।*

— অৰবিন্দ

# সাথঁৰ

***সাথঁৰ বিলাক জনসাধাৰণৰ আৰু কেতিয়াবা পণ্ডিতৰো সহজ বুদ্ধিজাত শব্দৰ ধেমালি। এনেকি সাথঁৰত কল্পনাৰ স্ফুৰণ, কাব্যশ্ৰীৰ স্পৰ্শ আৰু অনুপ্ৰাস আদি শব্দালঙ্কাৰৰ ব্যঞ্জনা দেখিবলৈ পোৱা যায়। ইয়াৰ অন্ত্যানুপ্ৰাস এটি সাধাৰণ লক্ষণ।***

**— ডঃ মহেশ্বৰ নেওগ**

১] উপজিয়েই ৰঙা হয়, মানুহে তাক খায়, সহস্ৰ লোচন আছে দৃষ্টি শক্তি নাই।
উত্তৰ ঃ মাটি কঠাল।

২] শিৱ নহয় কিন্তু আছে ত্ৰিলোচন, সন্যাসী নহয় কিন্তু পিন্ধে বাকলি বৰণ।
উত্তৰ ঃ নাৰিকল।

৩] বামুণ নহয় কিন্তু ডিঙিত লগুণ, ভোমোৰা নহয় কিন্তু কৰে গুণ্ গুণ্।
উত্তৰ ঃ যতঁৰ।

৪] কলিংগৰ লিংগ কাটি, পাঠাৰ কাটি পা, লৰংগৰ ৰংগ কাটি মজা মাৰি খা।
উত্তৰ ঃ কঠাল।

৫] 'য' 'ল'-ৰ মাজৰটো 'া' কাৰে শোভিত; বৰ্গীয় বৰ্ণৰ শেষৰটো মনে কৰে ঠিত।
উত্তৰ ঃ ৰাম।

৬] সৰু ফুটৰ শিল্পী তেওঁ, ইটা কাঠ নোলোৱাকৈ ঘৰ বান্ধি ফুৰে, খিৰিকি নকটাকৈ বগা বেৰ দিয়ে; ঘৰটো ভাগিলেই কাপোৰ হৈ পৰে।
উত্তৰ ঃ পলুপোক।

৭] অসম দেশৰ বিষম ঠাই; গছৰ পাতে মানুহ খায়।
উত্তৰ ঃ — ছোৱাত পাত।

# শ্বেৰ-শায়েৰী

***( শ্বেৰ-শায়েৰী প্ৰেমৰ প্ৰভাৱত সৃষ্টি হোৱা কাব্যিক সুৰ থকা এক শ্ৰেণীৰ কবিতা। এইবোৰ হৃদয়ৰ কবিতা। নাৰী পুৰুষৰ প্ৰেমৰ কবিতা। প্ৰেমত নিহিত থকা দুখ, সুখ, যন্ত্ৰনা, ক্ষোভ, অভিমান, অপেক্ষা, হতাশ-হুমনিয়াহ আদিয়েই ইয়াৰ উপাদান )***

১] গুৰৰত সে হো অগৰ হাম ৰহতা হ্যায় দিল বতন মে, সমঝোৰহী হমেভী দিল হো জহা হমাৰা।
[ মই যদি বিদেশত থাকোঁ, হৃদয় মোৰ পৰি থাকে মাতৃভূমিত বুজিবা ময়ো তাতে আছোঁ- য'ত হৃদয়খন মোৰ আছে। ]

২] ইয়ে ইনচানোকো টুটে হুয়ে, দিল হায় চাকী; হামচে তো টুটে হুয়ে সাগৰ নহী দেখে যাতে।
[ এয়াতো মাত্ৰ মানুহৰ ভগ্ন হৃদয় চাকী; মইতো ভঙা পিয়লাও চাব নোৱাৰো। ]

৩] একেলা হু' পৰ আৱাদ কৰ দেতা হু বিৰনা; বহোত ৰোয়েগী মেৰে বাদ ইয়ে শামে তনহাই।
[ মই অকলে কিন্তু নিৰ্জনতাক মই ভৰাই ৰাখোঁ। মোৰ পিছত এই নিৰ্জন সন্ধ্যাই মোৰ কাৰণে কান্দিব। ]

*মিছিং —*

ঙক আগ'দে নম আয়াপে মিঃনাম কাপুৰ্ন্ পুলিয়েঃ
[ মোৰ কবৰেই তোমাৰ প্ৰতি থকা প্ৰেমৰ ক্ৰুৰতৰা। ]





# প্ৰাচীৰ পত্ৰিকা "জাগ্ৰত"ৰ শিতান

## "জাগ্ৰতৰ" বুকু পখালি




**জাগ্ৰত, ১৯৯১ - ৯২ বছৰ।** **সম্পাদক - চন্দন কুমাৰ সোনোৱাল**

*— জীৱনত কোনো কালে সাহিত্য কৰি নোপোৱা ছাত্ৰ-ছাত্ৰীয়ে ইয়াতেই হাবি ভাঙি আৰু চহ কৰিছে সাহিত্যৰ পলসুৱা পথাৰ —*

## দুটি স্তবক ঃ

**মনোৰঞ্জন বৰ্মন**
স্নাতক চূড়ান্ত বৰ্ষ (বিজ্ঞান শাখা)

(ক)

পূৰাৰ সূৰ্য্যৰ প্ৰথম কিৰণত
যেতিয়া
হকাৰজনে দৈনিক কাকত খন দি যায়
তেতিয়া
অজানিতে মোৰ বুকুখন
দুৰুহ দুৰুহ ভাৱে কপিব ধৰে
কিজানি —
তাত "দাদা"ৰ নামটিকে পঢ়িবলৈ পাওঁ ........

(খ)

সিহঁত চাৰিজন আহিছিল আৰু ........
নিজকে দেশৰক্ষাকাৰী গণতন্ত্ৰৰ কবচ বুলি
আমাক বুজাইছিল
কিন্তু —
মোৰ ভণ্টীৰ যৌৱনাদীপ্ত দেহাক সিহঁতে ........
দেখাৰ পাছত
ক্ষুধাতুৰ বাঘলৈ ৰূপান্তৰ হোৱা মই
স্বচক্ষু দেখিছিলো — লগেলগে
কামাতুৰ পশুৰ দৰে জপিয়াই
পৰিছিল
তাইৰ দেহৰ প্ৰতিটো সু-কোমল অঙ্গৰ ওপৰত।





## শৃগাল

**শ্ৰীভদ্ৰ কান্ত সোনোৱাল**
স্নাতক দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান শাখা)

বাৰম্বাৰ লাঞ্চিত স্বদেশতে
অন্ধ, ভবিষ্যত অগণন নাগৰিক।
নিৰ্জন শীতৰ প্ৰতিটো চেঁচা ৰাতি।
বুকুত মৃত সন্তান, পদূলিত জাগৰ ধোঁৱা,
নিস্তব্ধ লোকালয় সম্ভাব্য সন্ত্ৰাসলৈ।
পাইছে বিছাৰি কাৰোবাৰ হাড় পোৰা গোন্ধত
সন্ত্ৰাসৰ যন্ত্ৰনাক স্পষ্ট ৰূপত।
ৰ'দৰ তীব্ৰ নগ্নতাত বহুতো সুঠাম যৌৱন
ছায়া হৈ গঢ়ি উঠিছে মৰিশালি তাত।
শৃগাল শগুণৰ ওঁঠত তৃপ্তিৰ হাঁহি
নিজ স্বাৰ্থৰ লাভৰ অংশ দেখি।





## কিয় ? কাৰ বাবে ?

**শ্ৰীডালীম বৰগোহাঁই**
স্নাতক প্ৰথম বাৰ্ষিক
বাণিজ্য বিভাগ

উকুখা পঁজাৰ তলত
কোন তুমি নাৰী ?
তুমি কান্দিছা কিয় ?
কোনে, তোমাৰ সতীত্ব
হৰণ কৰিছে।
কোন সেয়া ৰাষ্ট্ৰৰ সন্ত্ৰাস,
নহয়, পুত্ৰৰ আৰ্ত্তনাদ সহিব নোৱাৰি
তুমি কান্দিছা।
কান্দিছা আজি তুমি,
কান্দিছে তোমাৰ কোমল হৃদয়ে
পুত্ৰৰ কঙ্কাল বিছাৰি।
আৰু কান্দিব লাগিব এদিন
সকলো মাতৃয়ে
পুত্ৰৰ সদগতি বিচাৰি
থিয় দিব লাগিব
ৰাষ্ট্ৰ তন্ত্ৰৰ বিৰুদ্ধে।

## তিনিটা স্কেচ্

**শ্ৰীসুভাষ চন্দ্ৰ কাৰ্দ্দং**
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

(১)

মিঠা বসন্তৰ
পৰশ লাগি।
মোৰ কবিতাত
অনুৰনিত হ'ল ॥
সপ্তৰঙৰ বৰ্ণালী ॥।

(২)

বোঁৱতী পূৱাঁৰ
দুৱৰি বনৰ
নিয়ত পাহিত
জিলিকি আছিল
বিৰহৰ দুটোপাল চকুলো ॥

(৩)

কলিজাৰ সুপ্ত বীণত
আজিও বাজি আছে।
"সোৱনশিৰিৰ" সন্ধিয়াত
তোমাৰ কণ্ঠত নিনাদি উঠা
সেই জীয়া জীয়া ঐ নিতম টি ॥



# শেষ সীমা বিছাৰি

**চন্দন কুমাৰ সোনোৱাল**
স্নাতক তৃতীয় বাৰ্ষিক
বাণিজ্য শাখা

গভীৰৰ পৰা গভীৰতালৈ
মহানৰ পৰা মহানতালৈ
বৰ বৰ ঢৌ খেলি
নাচি - বাগি যায়
ধীৰ স্থিৰ এই প্ৰশান্ত।
কবিয়ে আঁকি দিয়ে তাৰ বুকুত
অতীত স্মৃতি
প্ৰতি ঢৌৰে বিঙিয়াই কয়
তাৰ গোপন কথা।
কিন্তু কবিয়ে তাৰ নুবুজে ভাষা
কুলু-কুলু শব্দৰ কল কলনিত
কবিতাৰ সৃষ্টি হয় কবিৰ প্ৰাণত,
কৰে কল্পনা বহি তাৰ পাৰত
ইকূল সিকূল পাৰ বিচাৰি
বিপুল শান্ত-বুকুৰ পৰশ পাবলৈ





কিন্তু বুকু তাৰ উদাৰ শান্ত
পানীৰ প্ৰতি লহৰত
কবিৰ হৃদয়ত সৃষ্টি হয় কম্পন
হৃদয় ভাঙি যায়
বেদনাত, দুখত, বিৰহত
ভাবিবলৈ তাৰ সময় নাই -
কবিৰ ভগ্ন হৃদয়ৰ কথা -
সি নিদ্ৰিত,
বিছাৰে চাবলৈ
ন ৰূপেৰে, ন-সাজেৰে
তাৰ তলি উদঙাই,
কবি হাবা থুৰি খায়
তাৰ শেষ সীমা বিছাৰি
কৰিব সাধনা যুগ যুগান্তলৈ
তাৰ সান্নিধ্য বিছাৰি ..... ।



# মই জাগ্ৰতে কৈছো ০০০০



**—মনোৰঞ্জন বৰ্মন**
স্নাতক চূড়ান্ত বৰ্ষ (বিজ্ঞান শাখা)

মই জাগ্ৰতে কৈছো । জাগ্ৰত পাতৰ পৰা কৈছো । কোৱাৰ ইচ্ছাবোধ নাছিল। কিন্তু তোমালোকৰ বাবেই কৈছো । কিয়নো তোমালোকে মোক চিনি নোপোৱা । ক'ত চিনি পাবা ? মইতো কোনো অসম অথবা ভাৰতৰ কোনো এখন নামজ্বলা মহাবিদ্যালয়ৰ সুবাসভৰা, অথবা কোনোবা এজন বিখ্যাত আৰ্কিটেক্টৰ হাতৰ বুলনিত গঢ় লৈ উঠা প্ৰবাল সু - উচ্চ প্ৰাচীৰৰ কোনোবা এক সৌহাৰ্দ্যপূৰ্ণ অৱস্থানত নাই । নতুবা মোৰ গুণ-গৰিমাৰ কথা কোনো উল্লেখযোগ্য বহুল প্ৰচাৰিত বাতৰি কাকতত প্ৰকাশ পোৱা নাই। গতিকে ক'ত চিনি পাবা মোক ?

মোৰ জন্ম, মোৰ অৱস্থানৰ বিষয়ে তুমি যিয়েই নোকোৱা মইও তোমালোকে জন্ম লাভ কৰা পৃথিবী নামৰ এটি গ্ৰহৰ কোনোবা এটা চিত্ৰত জন্ম গ্ৰহণ কৰা। মোৰ দেহত কোনো কোনো সৌহাৰ্দ্যপূৰ্ণ কোনোবা আৰ্টিষ্টৰ স্কেচ নাই । সুবাস ভৰা সমুখত ফুলনি নাই গতিকে মই তোমালোকৰ দৃষ্টিতে লঠঙা একুৰি এটা লঠঙা গছৰ ডালৰ সদৃশ।

তোমালোকে মোক দেখিছা, দেখিলেও কটাক্ষ চাৱনিৰে চাই যোৱা কাৰণ তোমালোকে য'ত বাস কৰিছা তাত নিতৌ সুৰুযৰ অস্তগামীৰ পৰিছায়াত গধূলি হয় । তোমালোকেই বছৰি ন-ন পৰিকল্পনাৰ আঁচনি কৰি মোৰ উন্নতিৰ ভূৱা প্ৰতিশ্ৰুতি দিয়া তথাপি তোমালোকে মোক চিনি নোপোৱা বা চিনি নোপোৱাৰ ভাও ধৰা । মোৰ দেহত কোনো উজ্জ্বল আখৰেৰে তোমালোকে লগোৱা কোনো ৰঙীন ফলক নাই বা তোমালোকে লগোৱাৰ প্ৰয়োজন বোধো কৰা নাই । কাৰণ মোৰ লগত তোমালোকৰ কোনো মানৱীয়তাৰ বন্ধুত্ব নাই । অথবা কোনো বীৰ পুৰুষ লিখকে মোৰ নাম বুৰঞ্জীত লিপিবদ্ধ কৰিও যোৱা নাই ।

গতিকে ৰ'দ, বতাহ, বৰষুণ আৰু সূক্ষ্ম প্ৰাচীৰৰ সৈতে খাপ খাই নিতৌ সমুখেদি উৰি যোৱা ৰঙা নীলা নানা বাৰে ৰহনীয়া চৰাইয়ে মোৰ সংগী । তথাপি মোৰ এটা নিজস্ব পৰিচয় আছে । মোৰ নিজস্ব এটি নাম আছে । মোৰ এই নাম তোমালোকে দিছা সি তোমালোকৰ স্বাৰ্থ পূৰণৰ বাবেই হওঁক বা মোক নাম এটা দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰতেই হওক, মোৰ এটা এটা নাম আছে । মোৰ বাহুত পৰিপুষ্ট হৈ থকা গুণ গৰিমাৰ তথা মহত্বৰ কথা বখানিব বিচৰা নাই বা নিবিছাৰো । গীতাৰ পাতত সন্নিবিষ্ট হৈ থকা মানৱ জাতিৰ কাৰ্য্যৰ সদায় বিপৰীত পন্থাক মই জানো যে মৃত্যুতকৈ জীৱন শ্ৰেয়ঃ । গতিকে মই মৰিব নিবিছাৰো । তোমালোকৰ অত্যাচাৰ শোষিত আৰু নিস্পেষিতৰ বলিত তোমালোকৰ নানা উপজীৱ্যবোৰে কেতিয়াবাই মোক মৃত্যু দণ্ড দিছে যদিও মই জীয়াই থাকিব বিছাৰো তোমালোকৰ মাজত, তোমালোকৰ হৃদয়ত .... ... মই জাগ্ৰতে কৈছো ....... ।

# তুমি কোন কলেজত পঢ়া ?

— স্বস্তিকা শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক ( বিজ্ঞান শাখা )

এজন সুশিক্ষিত নাগৰিকৰ প্ৰশ্ন — "তোমাৰ নাম কি, তুমি কোন কলেজত পঢ়া ?"

উত্তৰ ঃ- মোৰ নাম ···· । মই ডিব্ৰু কলেজত পঢ়ো । মোৰ প্ৰশ্নৰ উত্তৰত মানুহজনৰ মুখখন সেমেকি পৰা যেন দেখিলো । তেখেতে ক্ষন্তেক ৰৈ মোক পুনৰ প্ৰশ্ন কৰিলে —

"অ' তুমি ডিব্ৰু কলেজতহে নেকি ? আনত চিট নাপালা ?"

এই প্ৰশ্নটোৱে মোক কিছু সময়ৰ বাবে চিন্তিত কৰি তুলিলে। আৰু মোৰ মনত সেই সময়তেই কেইটামান প্ৰশ্নৰ উদয় হল। মই কি কলেজত ভৰ্ত্তি হলো ? আমাৰ কলেজত নিয়মিত ক্লাচ হয় নে নহয় ? শিক্ষক শিক্ষয়িত্ৰী সকলে কলেজত ভালদৰে পাঠ দান দিয়ে নে নিদিয়ে। ইয়াৰ ছাত্ৰ - ছাত্ৰী সকল অৰ্মাজিত নেকি ? এইখন কলেজৰ পৰীক্ষাৰ ফলাফল অত্যন্ত বেয়া নেকি ? অথবা কলেজখনত প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱ নেকি ? কলেজলৈ অহাৰ বাট পথ বোৰ অসুবিধাজনক নেকি ? ইত্যাদি প্ৰশ্নই মোক কেইদিন মান বাৰুকৈয়ে অশান্তি কৰিবলৈ ধৰিলে। সেইবাবে এইখন কলেজত ভৰ্ত্তি হৈ মোৰ প্ৰথমতে আহিবলৈ বৰ ভয়; সঙ্কোচ, উৎকণ্ঠতা আদিৰ সৃষ্টি হৈছিল। কিন্তু মই যেতিয়া কলেজলৈ এইদৰেই কেইদিনমান অহা যোৱা কৰিলো, তেতিয়াই মোৰ মনৰ পৰা শঙ্কা বা ভয়ৰ ভাব সমূহ আতৰি যাবলৈ ধৰিলে। আৰু প্ৰতিদিনেই কলেজখনৰ প্ৰতি মোৰ মনোভাব সমূহ সলনি হৈ যাবলৈ ধৰিলে ঃ মই তেতিয়া ভাবিলো সেই ব্যক্তি জনৰ আমাৰ কলেজখনৰ প্ৰতি থকা ভুল ধাৰণাৰ বাবেহে তেওঁ মোক পুনৰ সুধিবলৈ বাধ্য হৈছিল। "অ, তুমি ডিব্ৰু কলেজতহে নেকি ? আনত চিট নাপালা ?"

মোৰ এই কলেজত হোৱা এবছৰীয়া অভিজ্ঞতাৰ পৰা কব বিচাৰো -

এইখন কলেজত কিহৰ অভাব বুলি যদি আমাক কোনো লোকে প্ৰশ্ন কৰে, তেন্তে তাৰ উত্তৰ দিবলৈ আমি চাগৈ কিছু অসুবিধাত পৰিম । কিয়নো এইখন কলেজত যে কিহবাৰ অভাব আছে তাক আমি এতিয়াও উপলব্ধি কৰিব পৰা নাই । অৱশ্যে ওপৰৰ ছাত্ৰ - ছাত্ৰীৰ মুখত কেতিয়াবা পৰীক্ষাগাৰৰ সা সজুলী অপৰ্য্যাপ্ত পৰিমাণে নথকাৰ বাবে কিছু অসুবিধা পোৱা বুলি শুনিবলৈ পাওঁ, কিন্তু আমাৰ কলেজত আগৰ পৰীক্ষাগাৰৰ তুলনাত এতিয়া যথেষ্ট উন্নতি হল। গতিকে ভবিষ্যতলৈও যে উন্নতি নহব তাক আমি নকওঁ ।

কলেজত ক্লাচ নহয় বুলি যদি কোনো লোকে কয়, তেন্তে মই তাক অস্বীকাৰ কৰিবলৈ বাধ্য। কলেজত শিক্ষক শিক্ষয়িত্ৰীৰ উপস্থিতিত ক্লাচ নোহোৱাৰ প্ৰশ্নই নুঠে । এইটো অৱশ্যে কিছুমান ছাত্ৰ - ছাত্ৰীৰ গাত দোষ, যাৰ বাবে তেওঁলোকৰ অনুপস্থিতিত শিক্ষক-শিক্ষয়িত্ৰী শ্ৰেণীৰ কক্ষত সোমায় ওলাই আহিব লগাত পৰে । মই কেতিয়াবা দুজন বা এজন ছাত্ৰক লৈ ইয়াৰ শিক্ষক সকলে ক্লাচ কৰি থকা দেখা পাওঁ ।

ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ আৰু শিক্ষক শিক্ষয়ত্ৰীৰ মাজৰ যি নিবিড় সমন্ধ ই সচাঁকৈয়ে অতুলনীয়। আমাৰ কেতিয়াবা শ্ৰেণীত কিবা বুজি পোৱাত অসুবিধা হলে তাক শিক্ষক - শিক্ষয়ত্ৰীৰ পৰা পুনৰ বুজিবলৈ ভয় বা সঙ্কোচ কৰিব লগা হোৱা নাই। এয়া শিক্ষক-শিক্ষয়ত্ৰী সকলৰ এক মহৎ কৃতিত্ব।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰ - ছাত্ৰী সকলৰ মাজৰ সমন্ধও মন কৰিবলগীয়া। প্ৰত্যেক ছাত্ৰ - ছাত্ৰীৰ মাজৰ মিলা প্ৰীতি সহায় সহযোগিতা আৰু শুদ্ধ মনোভাবে একেখন ঘৰৰে লৰা - ছোৱালী যেন অনুমান কৰিবলৈ বাধ্য কৰায় ।

ইয়াৰ পিছতেই পৰীক্ষাৰ ফলা-ফলৰ বিষয়ে কবলৈ গলে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ - ছাত্ৰীৰ যোগ্যতা অনুপাতে পৰীক্ষাৰ ফলা ফল যথেষ্ট ভাল । মই আগতেই উল্লেখ কৰি আহিছো প্ৰায়বোৰ ব্যক্তিৰে আমাৰ মহাবিদ্যালয়খনৰ প্ৰতি এটা ভুল ধাৰণা বা মনোভাব আছে। যাৰ বাবে তেওঁলোকৰ ল'ৰা - ছোৱালীক পৰীক্ষাত সু—খ্যাতিৰে উৰ্ত্তীৰ্ণ হোৱাৰ পাছত আন কলেজত ভৰ্ত্তি কৰোৱায়। কিন্তু ডিব্ৰু কলেজত পঢ়াবলৈ ইচ্ছা নকৰে। সেই বাবে ইয়াত কৃতী ছাত্ৰ - ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য। গতিকে পৰীক্ষাৰ ফলা - ফল যোগ্যতা অনুপাতে যথেষ্ট ভাল বুলিবই পাৰি ।

সদৌ শেষত মই ন দি কব বিচাৰো কোনা শিক্ষা প্ৰতিস্থানেই বেয়া বুলি কব নোৱাৰি। প্ৰত্যেকখন শিক্ষা অনুস্থানৰেই পৰীক্ষাৰ ফলা-ফল নিৰ্ভৰ কৰিব সেই অনুস্থানৰ ছাত্ৰ-ছাত্ৰীৰ নিষ্ঠা আৰু কঠোৰ-পৰিশ্ৰমৰ ওপৰত ।

-আমি হিন্দু নহয়, আমি মুছলমান, বৌদ্ধ, খৃষ্টান নহয়
আমি অসমীয়া। —
যাৰ দেশ জাতি ঘৰ - ভেটি - মাটি
সি যদি নাজাগে চেতনা ল'ই,
এই দাবানল নুমাবলৈ,
দেশও জ্বলিব, জাতিও জ্বলিব,
ময়ো জ্বলি যাম ভস্ম হ'ই।

— **অম্বিকাগিৰী**

" যি আত্ম সন্মান ৰাখি নচলে, যি সমাজত ঘৃণিত আৰু লাঞ্চিত হয়, যি নিজৰ সন্মান ৰাখি নচলে, সি লোকৰ পৰা সন্মান পাবলৈআশা কৰা বৃথা ।" — **বেজবৰুৱা**

# কুইজ ?

***কুইজৰ সংগ্ৰাহক / সংগ্ৰাহিকা সকল হ'ল —***

১) মঃ মাজিদ আলি ২) শ্ৰীমঞ্জিল সোনোৱাল, ৩) শ্ৰীমতী বাৰলি বালা হাজৰীকা সোনোৱাল আৰু ৪) শ্ৰীমতী জুলি শইকীয়া ।

১। প্ৰশ্নবোধক চিনটো কেনেকৈ আহিল ?

২। অসমৰ অৱস্থান কোন অক্ষৰেখা আৰু দ্ৰাঘিমা ৰেখাৰ অন্তৰ্গত ?

৩। ইৰাণ গেট কি ?

৪। কলম্বাছে ব্যৱহাৰ কৰা জাহাজ কেইখনৰ নাম কি কি ?

৫। কি ভাইৰাচ গোলাকাৰ ?

৬। সূৰ্য্যৰ কেন্দ্ৰস্থলৰ উষ্ণতা কিমান ?

৭। আহোম ৰাজ্যত মানুহ বেচা-কিনাৰ প্ৰমাণ ক'ত আছে ?

৮। ইউৰোপৰ ' ৰোগী ব্যক্তি ' বুলি কোনখন দেশক কোৱা হয় ?

৯। প্ৰখ্যাত লিখক ডি, এইচ, লৰেন্সে তেওঁৰ ব্যক্তিগত প্ৰতীক হিচাপে কি চৰাই গ্ৰহণ কৰিছিল ?

১০। বিশ্বৰ সৰ্বোচ্চ উচ্চতাত অৱস্থিত পেট্ৰল ডিপোটো কোন ঠাইত আছে ?

১১। পৃথিৱীৰ ভিতৰত আটাইতকৈ দীঘলীয়া ৰেলযাত্ৰা কোনটো ? এই যাত্ৰা কোন দুটা ষ্টেচনৰ মাজত প্ৰচলিত আৰু এই দূৰত্ব অতিক্ৰম কৰিবলৈ ৰেল খনৰ কিমান সময় লাগে ?

১২। বিশ্বৰ আটাইতকৈ ব্যস্ত দলংখন কোন চহৰত অৱস্থিত ?

১৩। ' পূবৰ স্কট্‌লেণ্ড ' বুলিলে কোন অঞ্চলক বুজা যায় ?

১৪। পৃথিৱীৰ কোন দেশত প্ৰথম যান বাহনৰ নম্বৰ প্লেট্ লগোৱা ব্যৱস্থা প্ৰচলন হয় ?

১৫। মানুহৰ দুটি লুপ্তপ্ৰায় অঙ্গৰ নাম কি ?

১৬। আমাৰ তেজৰ শিৰাৰ দৈৰ্ঘ্য কিমান ?

১৭। মানুহৰ হৃদপিণ্ডই বছৰত কিমান গেলন তেজ পাম্প কৰে ।

১৮। সূৰ্য্যৰ বাহিৰে পৃথিৱীৰ ওচৰত থকা তৰাটোৰ নাম কি ?

১৯। আটাইতকৈ সৰু মাছটোৰ নাম কি ;

২০। পেৰিচৰ লুভ্ৰৰ মিউজিয়ামত থকা মনালিছা ছবি খনৰ বৰ্তমানৰ মূল্য কিমান ?

২১। কোন ঠাইৰ ছোৱালীৰ গাত অস্বাভাবিক বৈদ্যুতিক ক্ষমতা আছিল ?

২২। ৰাছিয়াৰ বৈজ্ঞানিকৰ মতে কোন হ্ৰদে সমগ্ৰ বিশ্বক দুহেজাৰ বছৰলৈ নিমখৰ যোগান ধৰিব পাৰে ?

২৩। বিশ্বৰ আটাইতকৈ ডাঙৰ হোটেলখন ক'ত অৱস্থিত ?



# উত্তৰ সমূহঃ-

১। উঃ প্ৰথম অৱস্থাত প্ৰত্যেক বাক্যৰ পাছত 'Questio' শব্দটোৰ প্ৰথম আৰু শেষ আখৰ দুটা ব্যৱহাৰ কৰা হৈছিল । পিছলৈ 'Q' আখৰটো 'O' আখৰটোৰ ওপৰত ব্যৱহাৰ কৰা হয়। শেষলৈ 'Q' এ ? আৰু O' ই (·) ৰূপ লয় ।

২। উঃ ২২°১৯° উত্তৰ আৰু ৮৯°৪২° পূবৰ পৰা ৯৬°৩০° পূব ।

৩। উঃ ইৰাণলৈ যুক্তৰাষ্ট্ৰ অস্ত্ৰ বিক্ৰী আৰু বিক্ৰীৰ বাবদ পোৱা ধন নিকাৰাগোৱাৰ বিদ্ৰোহী দললৈ হস্তান্তৰ।

৪। উঃ চাণ্টা মেৰিয়া, পিণ্টা আৰু নিনা ।

৫। উঃ পলিঅ'ৰোগৰ ।

৬। উঃ এক্‌কোটি পঞ্চাশ লাখ ডিগ্ৰী চেলচিয়াচ ।

৭। উঃ শলগুৰীয়া মহন্তৰ মনুষ্য ক্ৰয়ৰ পত্ৰত ।

৮। উঃ টুৰ্কী ।

৯। উঃ ফিনিক্স পক্ষী ।

১০। উঃ লাডাখৰ লেহত, প্ৰায় ১২,০০০ ফুট (৩,৬৫৮ মিটাৰ ) উচ্চতাত ইণ্ডিয়ান অইলে পৰিচালনা কৰা পেট্ৰোল ডিপোটো হৈছে বিশ্বৰ সৰ্বোচ্চ উচ্চতাত অৱস্থিত পেট্ৰল ডিপো ।

১১। উঃ ৰাছিয়াৰ ৰাজধানী মস্কোৰ পৰা ছাইবেৰিয়াৰ নাখুদকা ৰেল ষ্টেচনৰ মাজত থকা ট্ৰেন্স ছাই-বেৰিয়ান ৰেল লাইনেদি কৰা যাত্ৰাই হৈছে পৃথিৱীৰ ভিতৰত আটাইতকৈ দীঘলীয়া ৰেল-যাত্ৰা। ইয়াৰ দৈৰ্ঘ্য ৯,৪৩৮ কি. মি. বা ৫,৮৬৪ মাইল। এই পথছোৱা অতিক্ৰম কৰিবলৈ আঠ দিন চাৰিঘণ্টা পঁচিশ মিনিট সময় লয় আৰু পথ-ছোৱাত মুঠতে ৯৭টা ৰেলষ্টেচন অতিক্ৰম কৰে ।

১২। উঃ কলিকতা মহানগৰীৰ হুগলী নদীৰ ওপৰত থকা হাওঁৰা দলং । ইয়াত দৈনিক ৫০,০০০খন যান-বাহন আহযাহ কৰে ।

১৩। উঃ মেঘালয় ৰাজ্য । বৃটিছ শাসনাধীন ভাৰতবৰ্ষত অসমলৈ অহা চাহ খেতিয়ক সকলে মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু বতৰৰ লগত স্কট্‌লেণ্ডৰ সাদৃশ্য থকা বাবেই মেঘালয়ক এই আখ্যা দিয়ে ।

১৪। উঃ ফ্ৰান্সত ।

১৫। উঃ উপ পল্লব আৰু এপেণ্ডিক্‌চ ।

১৬। উঃ ১,০০,০০০ মাইল অৰ্থাৎ ইয়াক লগ লগালে ই ইমান দীঘল হ'ব যে বিষুব ৰেখাৰ চাৰিওফালে চাৰি পাক দিব পৰা যাব ।

১৭। উঃ ১৫ লাখ গেলন ।

১৮। উঃ আলফা চেণ্টাউৰি ।

১৯। উঃ পাণ্ডাকা পিগমিয়া ( Pandaka Pygmea ) ।

২০। উঃ 100,000,000 ডলাৰ।

২১। উঃ ফ্ৰান্সৰ ।

২২। উঃ বাস্কুন্‌চাক্ হ্ৰদে ।

২৩। উঃ ৰাছিয়াৰ মস্কোত । ইয়াৰ 3,200 টা কোঠালিত 6,000 তকৈ অধিক অতিথি একেলগে থাকিব পাৰে ।

---

**হাঁহি ৰ মছলা**

লৰা – দোকানীক কলে মোক এখন কিতাপ দিয়কচোন ।
দোকানী – এইখন লোৱা ।
লৰা – এই কিতাপ খনৰ পৰা কমন পৰিবনে ।
দোকানী – মই খাটাংকৈ কব পাৰো যে এই কিতাপ খনৰ পৰা ৫০ নম্বৰ কমন পৰিব ।
লৰা – তেনেহলে দুখন দিয়ক ।

# দৃষ্টিপাত, কথোপকথন, মত অভিমত

[ বৰ্ত্তমান শিক্ষা ব্যৱস্থা, অৰ্থ নৈতিক সমস্যা, সন্ত্ৰাসবাদৰ পয়োভৰ ইত্যাদিবোৰৰ কিছু সন্দেহ বিছাৰি ডিব্ৰুগড়ৰ মাজ-মজিয়াৰ কেইজনমান বিশিষ্ট ব্যক্তিৰ ওচৰ চাপিছিলো। তেখেতসকলে আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দি সহায় কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপণ কৰিলো। ] —সম্পাদক

## আমাৰ প্ৰশ্ন সমূহ—

*প্ৰশ্ন নং ১ঃ☞ অসমৰ বৰ্তমান শিক্ষা ব্যৱস্থাৰ প্ৰতি আপোনাৰ ধাৰণা কেনে? বৰ্তমান শিক্ষা ব্যৱস্থাক বাস্তৱমুখী কৰি তোলাৰ বাবে আপুনি কি পৰামৰ্শ আগবঢ়াব বিচাৰে?*

*প্ৰশ্ন নং ২ঃ☞ অতি পৰিতাপেৰে লক্ষ্য কৰা হৈছে যে আজি কেই বছৰমানৰ পৰা অসমৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা আৰম্ভ কৰি একেবাৰে স্নাতক পৰ্য্যায়লৈকে সকলোতে উত্তীৰ্ণৰ হাৰ একেবাৰে হতাশজনক। ইয়াৰ মূল কাৰণ আপুনি কি বুলি ভাৱে? আকৌ অনুত্তীৰ্ণ হোৱা লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণা কেনে?*

*প্ৰশ্ন নং ৩ঃ☞ 'মহাবিদ্যালয় সমূহ নিবনুৱা উৎপাদন কৰা এটি বৃহৎ উদ্যোগ' — এই ক্ষেত্ৰত আপুনি একমতনে?*

*প্ৰশ্ন নং ৪ঃ☞ সততে শুনা যায় যে সেউজ বিপ্লৱ অবিহনে অসমৰ উন্নতি সম্ভৱ নহয়। এই সন্দৰ্ভত আপোনাৰ মতামত কেনে ধৰণৰ?*

*প্ৰশ্ন নং ৫ঃ☞ সাম্প্ৰতিক সময়ত সমাজৰ অশান্তিৰ মুখ্য কাৰণ সমূহ বিবেচনা কৰি চালে সন্ত্ৰাসবাদ আৰু দুৰ্নীতিকে উচ্চ স্থানত বহুৱাব পাৰি। এই সন্দৰ্ভত আপোনাৰ দ্বিমত আছে নেকি? এখন সবল সমাজ গঢ়াৰ বাবে আপুনি কেনে ধৰণৰ নৈতিক কৰ্তব্যক বিধিসন্মত বুলি পৰামৰ্শ আগবঢ়াব বিচাৰে?*



*প্ৰদীপ কুমাৰ চেতিয়া ফুকন*
প্ৰবক্তা, গণিত শাস্ত্ৰ বিভাগ
ডিব্ৰু মহাবিদ্যালয়।

১নং উঃ মানুহৰ সৰ্বতো প্ৰকাৰ বিকাশ আৰু উন্নতি সাধিব পৰা শিক্ষাই হল ঘাই শিক্ষা। দেশৰ সৰ্বত্ৰ জন-সাধাৰণৰ সৰ্বাঙ্গীন উন্নতিৰ হকে আজি শিক্ষা ব্যৱস্থাই কিমান খিনি সহায় কৰিছে; সেই বিষয়ে প্ৰতিজন সচেতন ব্যক্তিক ভবাই নুতুলাকৈ থকা নাই। শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছে শিক্ষাৰ্থীৰ সুপ্ত আৰু অন্তৰ্নিহিত শক্তি, ক্ষমতা আদিৰ স্বাভাৱিক বিকাশ সাধন কৰা। অতীজতে মানুহৰ জ্ঞান-অভিজ্ঞতা সীমিত আছিল। সেয়ে শিক্ষণীয় বিষয় বস্তুৰ সংখ্যাও আছিল তুলনা মূলক ভাৱে বৰ্ত্তমানকৈ কম। কিন্তু বৰ্ত্তমান যুগত জ্ঞানৰ পৰিসৰ ইমান বিস্তৃত যে শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় সকলোতে বহল পৰিসৰত বিষয় সমূহৰ পাঠ্যক্ৰম অন্তৰ্ভূক্ত কৰাবলৈ বাধ্য কৰাইছে। ফলত আমাৰ শ্ৰেণী সমূহত পাঠ্যক্ৰমৰ আকাৰ বৃদ্ধি পাই আহিছে।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ সম্পৰ্কে বহুজনে বহুকথা লিখিছে, সভা-সমিতিয়ে, বাতৰি কাকত আদিত আলোক-পাত কৰিছে যে শিক্ষা ব্যৱস্থা পৰিবৰ্ত্তন হব লাগে। পৰীক্ষা পদ্ধতি সলনি কৰিবৰ হল। কিন্তু শিক্ষা প্ৰণালী কেনে ধৰণৰ হোৱা উচিত বা পৰীক্ষা পদ্ধতিনো কেনেকৈ সলনি কৰিব পৰা যায়, সেই বিষয়ে সম্পূৰ্ণ ভাৱে এটি গঠন মূলক সিদ্ধান্তত উপনীত হব পৰা নাই। আমাৰ দেশত গতানুগতিক ভাৱে শিকাই অহা বা পৰীক্ষা অনুস্থিত কৰি অহাৰ ফলত শিক্ষা আহৰণতেই হওক বা শিক্ষাৰ মানদণ্ডয়েই কোৱা হয়, সেইটো নকমাকৈ থকা নাই। তথাপি বৰ্ত্তমান প্ৰচলিত শিক্ষানীতি সমাজ আৰু পৰিবেশৰ লগত সংগতি ৰাখি সময়ে-সময়ে সলনি কৰি থকা হৈছে। নতুন পাঠ্যক্ৰমৰ সংযোজন বা নতুন শিক্ষানীতি গ্ৰহণ কৰা হৈছে। শিক্ষাৰ ঘাই উদ্দেশ্য যদিও জ্ঞান লাভ কৰা, তথাপি আমাৰ সমাজত সৰহ-সংখ্যক ছাত্ৰ ছাত্ৰীৰ মাজত দেখা গৈছে জ্ঞান লাভ কৰাতকৈ কেনেকৈ পৰীক্ষাত কেইটামান নম্বৰ বেছি পোৱা যায় সেইটো মানসিকতাত থাকে। যিহেতু আমাৰ শিক্ষা ব্যৱস্থাত বিষয় বস্তুৰ জ্ঞানতকৈ পৰীক্ষাৰ নম্বৰৰ মাপ কাঠিৰ ওপৰত জোৰ দিয়া হয়। প্ৰচলিত শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক ডিগ্ৰীৰ চাৰ্টিফিকেট প্ৰদান কৰে। এইখন দেশত এনে শিক্ষা ব্যৱস্থা আছে যত বিশ্ববিদ্যালয়ৰ ডাঙৰ ডাঙৰ ডিগ্ৰী প্ৰদান কৰি শিক্ষিত কৰি তোলা হৈছে বুলি কোৱা হয়; কিন্তু সংস্থাপনৰ কোনো উপায় সকলোৰ বাবে নাথাকে। শিক্ষিত নিৰনুৱা যুৱক যুৱতীয়ে স্বনিয়োজন আচঁনিৰ দ্বাৰা উৎপাদনশীল কামত লাগিবলৈ বেয়া পায়। তেনে শিক্ষা পদ্ধতিয়েই বৰ্ত্তমান প্ৰচলিত হৈ আছে। দেশৰ সকলো শিক্ষাৰ্থীৰ বাবে এখন পৰীক্ষা পৰিষদ নাথাকে। কোনোবাই কেন্দ্ৰীয় শিক্ষা পৰিষদ, কোনোবাই ৰাজ্যিক শিক্ষা পৰিষদ, কোনোবাই স্বতন্ত্ৰ ভাৱে পতা পৰীক্ষা আদিৰ পৰা পৰীক্ষাত উত্তীৰ্ণ হয়। এইক্ষেত্ৰত পাঠ্যক্ৰমো বেলেগ বেলেগ। নম্বৰৰ মূল্যাঙ্কনো পৃথক। গতিকে এনে বৈষম্যমূলক নীতি একেখন দেশতে থকাৰ বাবে বৰ্ত্তমান শিক্ষা ব্যৱস্থাই সমাজত শ্ৰেণী বৈষম্য সৃষ্টি কৰাত অৰিহনা যোগাইছে। আমাৰ বিশ্ববিদ্যালয় সমূহে প্ৰতিবছৰে বৃহৎ সংখ্যক পি, এইচ, ডি, ডিগ্ৰী ধাৰী গৱেষক উলিয়াই থাকে। কিন্তু অতি পৰিতাপৰ কথা যে এই বৃহৎ সংখ্যক গৱেষকৰ মুষ্টিমেয় সংখ্যকৰ বাহিৰে বাকী সকলোৱে জন-সাধাৰণৰ উন্নতিৰ হকে কাম নকৰে। তেওঁলোকে নিজকে উচ্চশিক্ষিত বুলি সমাজৰ পৰা আতঁৰি থাকি নিজৰ চাকৰিৰ পদমৰ্য্যাদাৰ ওপৰত গুৰুত্ব দিয়ে। গৱেষক সকলক সমাজৰ উন্নতিৰ হকে কামত অহাকৈ বিশ্ববিদ্যালয় সমূহে ডিগ্ৰী প্ৰদান কৰা ব্যৱস্থা বৰ্ত্তমান শিক্ষা ব্যৱস্থাত কিমান খিনি আছে তাক চিন্তা কৰিব লগীয়া বিষয় হৈ পৰিছে। এই খিনিতে

উনুকিয়াই থোৱা ভাল হব যে আমাৰ মাধ্যমিক শিক্ষা পৰিষদে হাইস্কুলৰ পাঠ্যক্ৰম প্ৰচলন কৰোতে দেখা যায় যে সকলোকে যেন বৈজ্ঞানিক হবলৈহে শিক্ষাদান কৰিব লাগে, তেনে ভাৱ প্ৰকট হৈছে যেন লাগে। দেশৰ তথা বিশ্বৰ বিভিন্ন দেশৰ লগত শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব পৰাকৈ শিক্ষাৰ সম্পৰ্ক থাকিব লাগিব সি সত্য; সেই বুলি কেৱল বিজ্ঞান আৰু গণিতৰ ওপৰত পৰিষদে জোৰ দি শিক্ষাৰ অন্য আনুষঙ্গিক বিষয় সমূহক মাহী আইৰ চকুৰে চোৱা হল। নৱম আৰু দশম মান শ্ৰেণীত বিষয় সমূহৰ নম্বৰৰ পৰিমাণ বঢ়াই দিলে, কিন্তু বিষয়ৰ সংখ্যা কমাই দিয়া হল। ছাত্ৰ-ছাত্ৰী কেৱল এটি মাত্ৰ ঐচ্ছিক বিষয় লব লগাত পৰাৰ বাবে কিছুমান শিক্ষাৰ বাবে প্ৰয়োজনীয় বিষয় এৰি দিব লগাত পৰিল। "হাতী নাৰী ভূৰোকাত ভৰোৱাৰ" নিচিনাকৈ সমাজ অধ্যয়ণ বিষয়টোত সমাজনীতি, ৰাজনীতি, অৰ্থনীতি, বুৰঞ্জী, ভূগোল আদি সকলো বিষয় অন্তভূ্ক্ত কৰিলে। সেয়ে এই সম্পৰ্কে পুনৰ এবাৰ চিন্তা কৰি চাব লগীয়া অৱস্থা আহি পৰিছে। বৰ্ত্তমান প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় সমূহত চৰকাৰে পাঠ্যপুথি যোগান ধৰে। এটা নিৰ্দিষ্ট শ্ৰেণী পঢ়াৰ পিছত সেই পাঠ্য পুথিবোৰ কৰ্তৃপক্ষক ঘূৰাই দিব লাগে অন্যহাতে কিতাপ সমূহ কিতাপৰ দোকানত উলিয়াই নিদিয়াৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ কৰ্তৃপক্ষলৈ বাট চাব লগাত পৰে। পাঠ্যপুথি সমূহ ঘূৰাই দিয়াৰ ফলত ছাত্ৰ-ছাত্ৰী বিলাকে আগৰ শ্ৰেণীৰ পাঠ্যক্ৰম সমূহ পাহৰি যায়; যিবিলাক নেকি পিছৰ শ্ৰেণীৰ পাঠ্যক্ৰমৰ সময়ত একান্ত প্ৰয়োজন হৈ পৰে। ইত্যাদি নানা সমস্যাৰ সম্মুখীন হোৱা বৰ্ত্তমান শিক্ষা ব্যৱস্থা চলি আছে।

শিক্ষাক বাস্তৱমুখী কৰিবলৈ হলে আমাৰ সমাজ আৰু চৰকাৰ দুয়োপক্ষৰ দৃষ্টিভঙ্গী সলনি কৰিব লাগিব। জীৱনৰ কাৰণে প্ৰয়োজনীয় বাস্তৱ শিক্ষা ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজনীয়। বিভিন্ন বুদ্ধি, বৃত্তি, ৰুচিমতে শিক্ষাৰ্থীৰে পাঠ্যক্ৰম গ্ৰহণ কৰিবৰ বাবে শিক্ষানুষ্ঠান বিলাকত পুথিভঁৰাল, বিজ্ঞানাগাৰ, খেল ধেমালীৰ বাবে উপযোগী পথাৰ তথা প্ৰশিক্ষক আৰু সা-সজুলিৰ ব্যৱস্থা, লগতে সুকুমাৰ কলাআদি বিষয় সমূহ অন্তভূ্ক্ত, সংগীত আদি চৰ্চা কৰিব পৰা ব্যৱস্থা থাকিব লাগিব। পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত শিক্ষাবিদ তথা চৰকাৰে আগভাগলৈ শিক্ষাৰ্থীৰ বাবে উপযুক্ত পাঠ্যপুথি ৰছনা কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী তথা সমাজক বৌদ্ধিক দিশত আগবঢ়াবলৈ এক মুক্ত বাতাবৰণ গঢ়ি উঠাটো নিতান্ত প্ৰয়োজনীয়। শিক্ষক, বুদ্ধিজীৱি, ৰাজনীতিবিদ লগতে শিক্ষাৰ্থীয়ে পৰমুখাপেক্ষী মনোভাৱ পৰিহাৰ কৰি এক বাস্তৱ শিক্ষা-ব্যৱস্থা গঢ়াৰ মনোবিবেশ নকৰিলে নহব। যি সমাজত এজন ব্যক্তি থাকিব বা যি পৰিবেশত এটি দেৱ শিশু ডাঙৰ দীঘল হয়, তাৰ প্ৰভাৱ আওকান কৰি শিক্ষাদান সম্ভৱ নহয়। শিক্ষাৰক্ষেত্ৰত শিকাৰুৱে স্বাধীনভাৱে, মুকলি মনেৰে নিজৰ ৰুচি অভিৰুচি মতে শিকিব পৰা সকলো ব্যৱস্থা থাকিব পৰাকৈ শিক্ষানীতি প্ৰচলন কৰিবৰ হল।

প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ পৰ্য্যায়ত বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰীক এনে বাস্তৱ-মুখী শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগে যাতে ভৱিষ্যতে কোনো উৎপাদনশীল কামত অংশ গ্ৰহণ কৰি নিজৰ তথা দেশৰ সমৃদ্ধিত সহায় হয়। এডাল গছৰ সকলো বৈশিষ্ঠ বা শক্তি যেনেকৈ তাৰ বীজটোত নিহিত হৈ থাকে, ঠিক সেইদৰে আমাৰ কণ-কণ ছাত্ৰ-ছাত্ৰীৰ মাজতো এজন যৌৱন বা পূৰ্ণবয়স্ক মানৱৰ বৈশিষ্ট সুপ্ত অৱস্থাত থাকে। প্ৰায় ভাগ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিভা থাকিলেও উপযুক্ত পৰিবেশত বিকাশ হবলৈ নাপায় আৰু প্ৰতিভা বিলাক মৰহি যায়। সেয়ে শিক্ষাবিদ, অভিভাৱক, শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষ আৰু চৰকাৰে শিক্ষাৰ্থীৰ প্ৰতিভা বিলাক বিকাশ হবৰ বাবে উপযুক্ত বাস্তৱ শিক্ষা পদ্ধতি তথা উপযুক্ত পৰিবেশ গঢ়ি তোলাত মনোনিবেশ কৰা উচিত।

২নং উত্তৰ : অসমত প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা মহাবিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষালৈকে মুঠ পৰীক্ষাৰ্থীৰ তিনিভাগৰ এভাগ বা কোনো এটা নিম্নমানৰ শতকৰা হিচাবত পৰীক্ষাৰ্থী পৰীক্ষা সমূহত উত্তীৰ্ণ হয়। সৰহ ভাগেই "ফেইল" নামৰ উপাধিটো লৈয়ে সন্তুষ্ট থাকিব লগীয়া হয়। আনহাতে বহুতো সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ সহ নম্বৰ পাইও প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এনেদৰে কৃতকাৰ্য্য হোৱাত ছাত্ৰ-ছাত্ৰীয়ে সুখী অনুভৱ কৰে, অভিভাৱকে আনন্দ পায়; শিক্ষানুষ্ঠান টোৱেও গৌৰৱ অনুভৱ কৰে। কিন্তু মহাবিদ্যালয় বা পিছৰ পৰ্য্যায়ৰ শিক্ষাত ইয়াৰ অধিকাংশৰ কৃতিত্ব খিনি ম্লান হয়। যি মাধ্যমতে শিক্ষা গ্ৰহণ নকৰক লাগে সকলোৰে অৱস্থা একে হয়। তেতিয়া হলে ইয়াকে কব পাৰি যে মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰ পোৱাটো ছাত্ৰ-ছাত্ৰীৰ আচল জ্ঞান আহৰণ কৰাৰ মূল অৰ্থ নুবুজায় (অৱশ্যে সকলোৰে ক্ষেত্ৰত এইটো প্ৰযোজ্য নহয়)। প্ৰাথমিক বিদ্যালয় পৰ্য্যায়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষালৈকে এই সময় ছোৱাত বিষয়বস্তুৰ প্ৰকৃত জ্ঞান আহৰণ নকৰাকৈ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মুখস্থ বিদ্যা অথবা নকল কৰি পৰীক্ষাত উত্তীৰ্ণ হবলৈ বিচাৰে ফলত অধিকাংশ ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অকৃতকাৰ্য্য হয়। আমাৰ শিক্ষা ব্যৱস্থাত বিষয়বস্তুৰ জ্ঞানত পৰীক্ষাৰ নম্বৰৰ মাপ কাঠিৰ ওপৰত গুৰুত্ব দিয়া হয়। সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে কম কষ্টত কম সময়ত বেছি নম্বৰ পাবলৈ চিন্তা কৰি পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰিবলৈ বিচাৰে আৰু যেনে-তেনে পৰীক্ষাটোত পাছ কৰিবলৈ চিন্তা কৰে। সেয়ে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ফেইল কৰে বা পাছ কৰিলেও ভালফল দেখুওৱাত অসমৰ্থ হয়। বিদ্যালয় পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰীয়ে বিষয় সমূহৰ সাৰমৰ্ম আয়ত্ব নকৰাৰ ফলতো পৰীক্ষাত উত্তীৰ্ণ হাৰ কমি যায়। শিক্ষাৰ্থীয়ে পাঠ্যক্ৰম নিজৰ বুদ্ধিৰে আয়ত্ব কৰিব পাৰিলে; শিক্ষাৰ প্ৰতি তেওঁলোকৰ ধাউতি বাঢ়ি যায়। গতিকে ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান আহৰণ কৰিব পৰা বা বিষয়বস্তু ভালদৰে বুজিব পৰা পাঠ্যক্ৰম প্ৰণয়ন যদি নহয়; সম্ভৱতঃ তেতিয়াই সৰহ সংখ্যক ছাত্ৰ ছাত্ৰী অকৃতকাৰ্যৰ শাৰীত আহি পৰে। পাঠ্যপুথিৰ বিষয় বস্তু ছাত্ৰ ছাত্ৰীয়ে বুজিব পৰাকৈ সহজ সৰল ভাষাত লিখা হব লাগে। যিকোনো এটি বিষয়ে শিক্ষাদানৰ শিক্ষক সকলৰ দায়িত্ব অতি গধুৰ। শিক্ষক সকলে শিকাৰুক উপযুক্ত শিক্ষা দি পৰীক্ষাত উত্তীৰ্ণ হোৱাকৈ আৰু ভৱিষ্যতে শিক্ষাৰ ক্ষেত্ৰত অধিক পাৰদৰ্শিতা দেখুওৱাব পৰাকৈ শিক্ষা দিব লাগে। শিক্ষক জনে নিজে পাঠ্যক্ৰম ভালদৰে আয়ত্ব কৰি মনোগ্ৰাহী পাঠদান কৰিব লাগে। সময় বৰ মূল্যবান। শিক্ষাৰ্থীৰে সময়ৰ প্ৰতিটো মূহূৰ্ত্ত বুজি উঠি নিজৰ পাঠ্যক্ৰম আয়ত্ব কৰিব নোৱাৰিলে, জীৱনত শিক্ষা আহৰণত বাধা অহাটো স্বাভাৱিক। আনহাতে সকলো শিক্ষানুষ্ঠানত উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক শিক্ষয়িত্ৰী নথকাৰ বাবেও ছাত্ৰ-ছাত্ৰী বিলাকে পাঠ্যপুথিৰ লগতে আনুষঙ্গিক বিষয় সমূহৰ জ্ঞান আহৰণ কৰিব নোৱাৰে। যিখিনি ছাত্ৰ-ছাত্ৰী বিলাকে জানে, সেই পৰিমাণৰ উত্তৰ বহীত লিখি থৈ আহে। কিন্তু উপযুক্ত শুদ্ধ উত্তৰ নোহোৱাৰ বাবে তেওঁলোকে পৰীক্ষাত হতাশ ফল দেখুৱায়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বিলাকৰ বাহিৰে আজিকালি চৰকাৰী বা প্ৰাদেশিক শিক্ষানুষ্ঠান সমূহ নানা কাৰণত বন্ধ থাকে। সময়মতে পাঠ্যক্ৰম শেষ কৰিব নোৱাৰাৰ বাবে, সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিষয় সমূহ নুবুজাকৈ পৰীক্ষাত অৱত্তীৰ্ণ হয়। ফলত উত্তীৰ্ণৰ হাৰ কমি যায়। এটা কথা নকৈ নোৱাৰি যে আমাৰ প্ৰাদেশিকৃত বা চৰকাৰী বিদ্যালয় সমূহৰ শিক্ষক শিক্ষয়িত্ৰীয়ে নিজৰ সন্তানটিক নিজৰ-নিজৰ শিক্ষানুষ্ঠান সমূহত পঢ়াব লাগিছিল। (যিসকলৰ শিক্ষানুষ্ঠান সমূহৰ দূৰত্ব বেছি হয় সেইটো অৱশ্য সুকীয়া কথা)। কিন্তু সৰহ ভাগেই নিজৰ বিদ্যালয় খন নিম্নখাপৰ বুলি ভাবি অন্য ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহত পঢ়িবলৈ দিয়ে। সেই শিক্ষক শিক্ষয়িত্ৰী সকলৰ নিজৰ সন্তান নিজে শিক্ষকতা কৰা অনুষ্ঠানটিত নথকাৰ বাবে, হয়তো এচাম শিক্ষকে শিক্ষকতাৰ দায়িত্ব ভালদৰে পালন নকৰে বুলি ধাৰণা কৰিব পাৰি; লগতে নিজে শিক্ষকতা কৰা অনুষ্ঠানটিৰ প্ৰতি আনুগত্য নেদেখুৱাই ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহৰ উন্নতিৰ কল্পে সহায় সহযোগিতা আগবঢ়ায়। ফলত তেনেকুৱা প্ৰাদেশিকৃত বা চৰকাৰী বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ কম হয়। নিজৰ-নিজৰ শিক্ষানুষ্ঠান সমূহত যদি নিজৰ সন্তানে শিক্ষা গ্ৰহণ কৰিলেহেঁতেন (যদি সম্ভৱ হয়) তেন্তে নিশ্চয় সেই শিক্ষানুষ্ঠান বিলাকে অলপ হলেও

ভালফল দেখুৱাব পাৰিলেহেঁতেন । আকৌ গাওঁ অঞ্চলৰ বহুতো অঞ্চল আছে; যিবিলাকত শিক্ষাৰ পৰিবেশ নাই। সামাজিক, অথ নৈতিক, ব্যৱসায়িক আদি সকলো ক্ষেত্ৰতে পিছপৰা, তেনেবিলাক অঞ্চলৰ বিদ্যালয় সমূহৰ কৃতকাৰ্য্যৰ হাৰ কম হয়। ফলত সামগ্ৰিক ভাৱে পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ হতাশজনক হয় ।

আমাৰ সমাজত যিকোনো পৰ্য্যায়তে পৰীক্ষাত অনুত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী বহু সংখ্যক আছে। সেই সকলক লৈ অভিভাৱকে তথা সমাজে ঘৰৰ বা সমাজৰ বোজা স্বৰূপ বুলি ভবাৰ থল আছে জানো ? মানৱ শক্তিক গঠন মূলক কামত লগাব পাৰিব লাগিব। অনুত্তীৰ্ণ হোৱা এই ছাত্ৰ-ছাত্ৰী বিলাকক নিজৰ ৰুচি অনুযায়ী কি কামত পাৰদৰ্শিতা আছে সেইটো আনুসন্ধান, তথা উপযুক্ততা বিচাৰ কৰি আমাৰ সমাজ আৰু চৰকাৰে সৃষ্টিশীল কামত লগাব পাৰে। কোনো অনুষ্ঠানিক শিক্ষানুষ্ঠানৰ প্ৰমাণ পত্ৰ নথকাকৈও যে সমাজৰ উন্নতিৰ হকে গঠন মূলক কাম কৰিব পাৰি, সেই বিষয়ে এই সকল ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা সমাজৰ অন্য ছাত্ৰ-ছাত্ৰীৰ লগত আগবাঢ়িব পৰা কৰি তুলিবলৈ আমাৰ শিক্ষাবীদ বুদ্ধিজীৱি, ৰাজনৈতিকবিদ সকলোৱে আগবাঢ়ি আহিবৰ হল। সমাজৰ অৱহেলিত এচাম বুলি নাভাবি এই সকল যুৱক যুৱতীয়েও আগবাঢ়ি আহি আনক দেখুৱাব পাৰিব লাগিব যে আমাৰ ডিগ্ৰীৰ চাৰ্টিফিকেট নাথাকিলেও আমি সমাজৰ পৰা কোনো জনে অন্য সকলতকৈ পিছ পৰা নহয়। তেতিয়াহে আমাৰ শিক্ষা ব্যৱস্থাত থকা পৰীক্ষাত উৰ্ত্তীণ আৰু অনুৰ্ত্তীণৰ কথা পাহৰি সকলোৱে জাতি গঠনত আগবাঢ়ি আহি বিশ্ববাসীক তবধ মনাব পাৰিব।

৩য় উঃ— মহাবিদ্যালয় সমূহ নিৰনুৱা উৎপাদন কৰা এক বৃহৎ উদ্যোগ" শীৰ্ষক সম্পৰ্কত একেআষাৰতে একমত বুলি কব নোৱাৰি। ই এটা সময়ৰ পৰিপ্ৰেক্ষিতত হয়তো নিৰনুৱা উৎপাদন কৰা অনুষ্ঠানলৈ ৰূপান্তৰ হৈছে। যদি নিৰনুৱা উৎপাদন কৰা অনুষ্ঠানেই হয়, তেন্তে বছৰৰ পিছত বছৰ ধৰি মহাবিদ্যালয় সমূহলৈ ছাত্ৰ-ছাত্ৰীৰ সোঁত আগতকৈ বেছি হব ধৰিছে কিয়? তথাপিও আজি শিক্ষা ব্যৱস্থা তথা সমাজ ব্যৱস্থাই এনে এটি দিশলৈ মহাবিদ্যালয় সমূহক আগবঢ়াই নিছে আৰু চিন্তাশীল প্ৰতিজন ব্যক্তিকে এই সম্পৰ্কত ভবাই তুলিছে। অসমৰ বিশ্ববিদ্যালয় কেইখনৰ পৰা সাধাৰণ শিক্ষাত বছৰি গড় হিচাবত বিজ্ঞান, কলা আৰু বাণিজ্য বিভাগত কমেও ৩০ শতাংশ ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ হয়। এই ৩০ শতাংশ ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী চাৰ্টিফিকেট দিয়া হৈছে যাতে ভৱিষ্যতে কৰ্মসংস্থান বা স্বনিয়োজনৰ দ্বাৰা উৎপাদনশীল কামত লাগিব পাৰে। কিন্তু আগতে উল্লেখ কৰি অহাৰ দৰে সংস্থাপিত হোৱাৰ কোনো উপায় নাথাকে। স্বনিয়োজনৰ বাবে চৰকাৰৰ ঘৰৰ পৰা সাহাৰ্য্য বিচাৰিলেও চৰকাৰী মেৰ পাকত সোমাব লগীয়া হয়। ফলত বছৰ-বছৰি ধৰি সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় শিক্ষা সমাপ্ত কৰি নিৰনুৱাৰ চাব মাৰি হতাশত ভূগি থাকিব লগীয়া হৈছে। এই ডিগ্ৰীধাৰী সকলক আমাৰ সমাজ আৰু চৰকাৰে উৎপাদনশীল কামত লগাব নোৱাৰাৰ বাবে ইহঁত নিৰনুৱা হৈয়েই আছে। আজি অসমত হাজাৰ হিচাবত অভিযান্তিক যুৱক - যুৱতী, চিকিৎসক ডিপ্লমাধাৰী যুৱক-যুৱতী আছে। তেওঁলোকৰ পৰিয়াল বৰ্গই লগতে নিজেও সংস্থানৰ বাবে বহুতো আশাৰে বছৰৰ পিছত বছৰ ধৰি বাট চাই আছে। যদি তেওঁলোকৰ বাবে সংস্থাপনৰ বাবে কোনো আচঁনিয়েই নাছিল, তেন্তে এইসকলক শিক্ষিত কৰি তোলা হল কিয়? ইত্যাদি নানা প্ৰশ্নই আজি সুধি সমাজক ভবাই তুলিছে। সেই দিশৰ পৰা চাবলৈ হলে মহাবিদ্যালয় সমূহ নিৰনুৱা উৎপাদন কৰা এটি উদ্যোগ বুলিব পাৰি। চৰকাৰে নিৰনুৱা যুৱক - যুৱতীৰ বাবে আমাৰ কৃষি আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰতেই কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিব পাৰে। বিভিন্ন ব্যক্তিগত নাটিংহোম, উদ্যোগ শিক্ষানুষ্ঠান সমূহত চৰকাৰে অসমৰ নিৰনুৱা সংস্থাপনৰ বাবে এক নিয়োগ নীতি জাৰি কৰিব লাগে। যাতে সেই অনুষ্ঠান সমূহত শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্থান পাই তেন্তে অসমৰ ভয়াবহ নিৰনুৱা সমস্যা দুৰ হোৱাত অলপ হলেও সহায়ক হব ।

৪ৰ্থ প্ৰশ্ন উঃ সচাঁই অসমত আজি এটি সেউজ বিপ্লৱৰ প্ৰয়োজন হৈ পৰিছে। অসমৰ উন্নতি কেতিয়াও সম্ভৱ নহয় যেতিয়ালৈকে অসমৰ জনগণে পৰমুখাপেক্ষী হৈ থাকিব। শ্ৰমৰ যে কোনো বিকল্প নাই, সেই কথা আমাৰ সমাজে স্বীকাৰ কৰিব লাগিব। কৃষি কৰ্মত আন্তৰিকতাৰে আগভাগ লৈ অসমত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনৰ জৰিয়তে স্থানীয় লোকক সংস্থাপন দিব লাগিব। আজি অসমে কেৱল চাহ উদ্যোগ, খনিজ তেল বা কাঠৰ ওপৰত নিৰ্ভৰ কৰি থাকি সকলো হব বুলি ভাবিলে নহব। আমাৰ অসম কৃষি প্ৰধান ৰাজ্য হোৱা স্বত্বেও বছেৰেকত কেইবা মাহৰ চাউল বাহিৰৰ পৰা আনিব লগাত পৰে। আমাৰ দৈনিক প্ৰয়োজনীয় কৃষিভিত্তিক সামগ্ৰী সমূহ বাহিৰৰ পৰা আনিছো। আনকি কম ঠাইতে উৎপাদন কৰিব পৰা শাক-পাচলি খিনিও লোকৰ ৰাজ্যৰ পৰা নানিলে আমাৰ নচলে। অসমৰ ২২ হাজাৰখন গাওঁত কিমান মাটি চন পৰি আছে। সেইবোৰত আমাৰ যুৱক-যুৱতীয়ে কৃষি কৰি উৎপাদন বৃদ্ধি কৰিব নোৱাৰেনে? আমাৰ গাওঁ সমূহত আজি বিয়াই - সবাহে অন্যৰাজ্যৰ পৰা অহা বজাৰৰ শাক-পাছলি, মাছ কণী আদি কিনিহে কাম ফেৰা সমাধা কৰোঁ। কিয়? আমাৰ ৰাজ্যৰ জনসাধাৰণৰ এইবোৰ উৎপাদন কৰাৰ জ্ঞান নাই নে আমাৰ কাম কৰিব পৰা শক্তি নাই। আমাৰ সকলো আছে। কিন্তু ব্যৱসায় ভিত্তিত আমি নকৰোঁ। কাৰণ আমাৰ লাজ লাগে। মানুহে হাঁহিব কৃষি কৰিছে বুলি। আজি এই মনোভাৱ পৰিহাৰ কৰিবৰ হল। নতুন ন প্ৰজন্মই সেউজ বিপ্লৱৰ জৰিয়তে কৃষিভিত্তিক উদ্যোগ গঢ়ি তুলিব লাগিব। বিদেশৰ বজাৰত আমাৰ বস্তুৰ চাহিদা বৃদ্ধি কৰিব পৰাকৈ বৈজ্ঞানিক ভিত্তিত কম ঠাইত অধিক ফচল উৎপাদন কৰিবলৈ চেষ্টা কৰা উচিত। যি ধৰ্মালম্বীয়ে নহওক কিয় অসমত বাস কৰা, অসমকে নিজৰ জন্মস্থান বুলি ভবা, অসমৰ উন্নতিৰ হকে চিন্তা কৰা প্ৰতিজন নাগৰিকে বৰ্ত্তমান অৱস্থাত সেউজ বিপ্লৱৰ জৰিয়তে অসমক আকৌ উন্নতিৰ পথত আগুৱাই নিবৰ বাবে যত্নপৰ হবৰ সময় সমাগত।

৫ নং উত্তৰ : সাম্প্ৰতিক অসমৰ শিক্ষা বিভাগৰ প্ৰতিটো কাৰ্য্যালয়, প্ৰায়বিলাক শিক্ষানুস্থানক দুৰ্নীতিয়ে গ্ৰাস কৰিছে বুলি সততে সভা সমিতিয়ে কাকতে পত্ৰে তথা ব্যক্তিৰ মুখত শুনা যায়। শিক্ষা বিভাগৰ প্ৰতিটো কাৰ্য্যলয়ত তৃণমূল পৰ্য্যায়ৰ পৰা একেবাৰে উচ্চ শিক্ষালৈকে দুৰ্নীতি বিৰাজমান। চাহ খৰছ; তামোল খৰছ, মাননি অবিহনে যেন কোনো কামেই প্ৰায়বিলাক কাৰ্য্যালয়ত নহয়। অৱশ্যে কাৰ্য্যালয় সমূহত সৎ অফিচাৰ বা কৰ্মচাৰী নথকা নহয়, কিন্তু মুষ্টিমেয় কেইজন মান সৎ কৰ্মচাৰীয়ে গৰিষ্ঠ সংখ্যকক সু - পথলৈ আনিব নোৱাৰা হৈ পৰিছে। শিক্ষানুস্থান সমূহত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত প্ৰায় শুনা যায় যে বৈষম্য মুলক দৃষ্টি ভঙ্গীয়ে নাম ভৰ্ত্তি কৰিছে। কিন্তু কিয় এনে হবলৈ পাইছে ? কৰ্ত্তৃপক্ষ, শিক্ষক বৃন্দ, ছাত্ৰ একতা সভাবোৰে এই ক্ষেত্ৰত আগভাগ লব লাগে যাতে শিক্ষানুস্থানসমূহত এনে দুৰ্নীতিয়ে বাহঁ লব নোৱাৰে ।

শিক্ষক সকলৰ বহুতে শিক্ষানুষ্ঠানলৈ নহাকৈয়ে ঘৰতে বহি মাহৰ পহিলা সপ্তাহত আহি দৰমহা লোৱাৰ সুবিধা কৰি লৈছে। তেওঁলোকৰ ইমান হাত দীঘল যে কৰ্ত্তৃপক্ষৰ বাদেই স্বয়ং বিভাগীয় উচ্চ পৰ্য্যায়ৰ অফিচাৰেও একো কৰিব নোৱাৰে। এই সকল শিক্ষকে শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ পাঠদানত মনোনিবেশ নিদিয়ে আনকি কিছু সংখ্যকে পাঠ্যক্ৰমত অন্তভূক্ত কৰা পাঠ সমূহৰ বিষয়েও নাজানে। এইটো এটা শিক্ষা ব্যৱস্থাত থকা দুৰ্নীতিৰ নামান্তৰ নহয় জানো? শাসনাধিষ্ঠ ৰাজনৈতিক দলৰেই হওঁক বা বিৰোধী ৰাজনৈতিক দলৰেই কওক সাম্প্ৰতিক প্ৰায় বিলাক শিক্ষা বিভাগৰ কাৰ্য্যালয়, শিক্ষানুষ্ঠান সমূহ সেই ৰাজনৈতিক দল বিলাকৰ দ্বাৰা পৰিচালিত হবলৈ ধৰিছে। শিক্ষানুস্থান সমূহক বিভিন্ন ৰাজনীতিবিদ থকাৰ বাবে প্ৰকৃত শিক্ষাবিদৰ অভাৱ

ঘটিছে। চৰকাৰে শিক্ষানুস্থান তথা শিক্ষক সকলক ৰাজনৈতিক মঞ্চলৈ ঠেলি দিছে বুলি ভবাৰ থল আছে। আকৌ ৰাজ্য-চৰকাৰে সকলো শিক্ষানুষ্ঠানক সমান চকুৰে নাচায়। কাৰোবাক ভোঁজে-ভাতে খোৱাই; কাৰোবাক মাহী আইৰ চকুৰে চায়। বিয়াগোম মন্ত্ৰী বিধায়কক কোনো শিক্ষানুষ্ঠানলৈ নিমন্ত্ৰণ কৰিলে বুলিয়েই সেই অনুস্থানটোক বৃহৎ পৰিমাণৰ ধনৰ টোপোলা দিব, আৰু নিমন্ত্ৰণ নকৰা শিক্ষানুস্থানটোক কৰ্মচাৰীৰ দৰমহাৰ বাহিৰে বিশেষ একো সাহায্য নিদিয়ে। এইটো বৈষম্যমূলক নীতি। চৰকাৰে সকলো শিক্ষানুষ্ঠানকে প্ৰয়োজন অনুপাতে সমমৰ্য্যদা দিব লাগে। সেই মতে সাহাৰ্য্যও দিব লাগে। চৰকাৰে শিক্ষা ব্যৱস্থাৰ পৰা দুৰ্নীতি নিৰ্মূল কৰাৰ সলনি নিজেই খুটি পুতি উজটি খাইছে। বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয় যিয়েই নকওক লাগে আজি কিছু বছৰৰ পৰা শিক্ষান্ত পৰীক্ষা সমূহত অনুৰ্তীন ছাত্ৰ-ছাত্ৰীকো উৰ্ত্তীণ হোৱাৰ মাৰ্কচিট, চাটিফিকেট দিব পৰা এটা চক্ৰ ওলাইছে। এনে দুৰ্নীতিত লিপ্ত থকা চক্ৰটোক ধৰা পেলাবলৈ চৰকাৰে কেনে ব্যৱস্থা লৈছে জনা নাযায়। আমাৰ এচাম শিক্ষক-শিক্ষয়িত্ৰীও নথকা নহয়, যি সকলে পৰীক্ষাৰ্থীক অসৎ উপায় অৱলম্বন কৰাত সহায় কৰে। সেয়ে হলে শিক্ষানুষ্ঠান সমূহৰ পবিত্ৰতা নষ্ট হোৱাটো স্বভাৱিক। সমাজৰ প্ৰতিজন নাগৰিক দুৰ্নীতিমুক্ত নহলে কেৱল শিক্ষা ব্যৱস্থাত দুৰ্নীতি আছে বোলা কথাষাৰ অৰ্থহীন। যিখন সমাজত প্ৰকৃত শিক্ষকে শিক্ষকৰ মৰ্য্যদা নাপায়, শিক্ষকক সম্মান কৰিব নাজানে, সেইখন সমাজত শিক্ষা ব্যৱস্থাটোত দুৰ্নীতিয়ে গ্ৰাস কৰিছে বুলি আস্ফালন কৰিলে জানো হব? প্ৰতিটো বিভাগেই যদি দুৰ্নীতিত পোত গৈ থাকে, তেতিয়া কেৱল শিক্ষা বিভাগত দুৰ্নীতি যে নাথাকিব এইটো আচৰিত কথা একো নহয়। শিক্ষা বিভাগত সমাজৰ বিভিন্ন পৰ্য্যায়ৰ ব্যক্তি জড়িত। গতিকে শিক্ষা ব্যৱস্থাটোক সমাজৰ দুৰ্নীতি গ্ৰস্ত, আদৰ্শ-ভস্ত সেই সকলেই দুৰ্নীতিত লিপ্ত হবৰ বাবে ঠেলি দিছে। যদি অসমৰ শিক্ষা ব্যৱস্থাটো এনেদৰে দুৰ্নীতিয়ে পৰিপূৰ্ণ হয়, আমাৰ শিক্ষা ব্যৱস্থাটো একেবাৰে কলংক সৰূপ হৈ পৰিব। সময় থাকোতে সমাজ সচেতন নাগৰিকে এই শিক্ষা বিভাগটোক অধিক দুৰ্নীতিত পোত যোৱাৰ আগতে উদ্ধাৰ কৰিবলৈ যত্ন কৰিবৰ হল। ●

**ড° মহেন্দ্ৰ বৰা**
অৱসৰ প্ৰাপ্ত অধ্যাপক,
লক্ষীনাথ বেজবৰুৱা আসন
ডিব্ৰুগড় বিশ্ববিদ্যালয়।

১নং উঃ অত্যন্ত বিৰূপ। শিক্ষা ব্যৱস্থাৰ নামত যিটো বস্তু চলি আছে। সেয়া কেৱল মাটিৰ মলাৰ ফুল। আটাইবোৰ বিদেশৰ পৰা তুলি অনা; আমাৰ দেশৰ মাটিৰ লগত কোনো সম্পৰ্ক নাই। শিক্ষা ব্যৱস্থাক বাস্তৱমুখী কৰি তোলাৰ আগেয়ে ইয়াৰ এটা আদৰ্শ স্থিৰ কৰি লোৱাটোহে বেচি প্ৰয়োজনীয়। কিহৰ কাৰণে কি কৰিবলৈ লোৱা হৈছে, সেয়া সঠিককৈ জানি লোৱাটো বেচি দৰকাৰী। গতিকে, এই যন্ত্ৰটোৰ পৰা যিবোৰ মানুহ ওলাই আহিছে, তেওঁলোকৰ কোনেও ক'ব নোৱাৰে - ক'ত তেওঁৰ জীৱনৰ সাৰ্থকতা বিচাৰি পাব!

২নং উঃ মূল কাৰণ এটা নহয় - কেইবাটাও। প্ৰথম কথাষাৰ হ'ল, মাহ মূৰৰ ফালৰ পৰাহে গেলে - কিহ্বাৰ ফালৰ পৰা নহয়। শিক্ষকৰ নিযুক্তিতো যেতিয়া টকা-পইচাৰ লীলাখেলা চলে, তেতিয়া সদায় যে উপযুক্ত অৰ্হতা সম্পন্ন মানুহেই গুৰুৰ আসনত বহেগৈ-



সেয়া ন দি ক'ব নোৱাৰি। দুই, পাঠ্যপুথিবোৰো যে উপযুক্ত মান সম্পন্ন। সেয়া ক'বলৈ টান। তিনি, বন্ধ (যিটো বেচৰকাৰী) আৰু বন্ধ (যিটো চৰকাৰী) দুয়ো বিধৰে প্ৰাচুৰ্য। পঢ়া-শুনা কৰিবলৈ কাৰো সময়ো নাই, পৰিৱেশো নাই। পঢ়িবলৈ বহিবা, বোলে বিজুলী চাকি নুমাল। চাৰি দেশখনৰ অৱস্থা দেখি সকলোৰে মনত বিতৃষ্ণা-পঢ়ি-শুনি কি হ'ব? সকলোৱে চকুৰ আগত দেখি আছে, পঢ়া-শুনা নকৰাকৈ টকা ঘটাৰ কায়দাটো শিকি ল'ব পাৰিলেই জীৱনত সফল হ'ব পাৰি। সুধিছা, অনুত্তীৰ্ণ হোৱা লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কি? উত্তীৰ্ণ হোৱা বিলাকৰে অৱস্থাটো যেতিয়া শোচনীয় অনুত্তীৰ্ণ বিলাকৰ অৱস্থাটো সহজেই অনুমেয়। সকলোৱেই দুৰ্নীতিৰ চিকাৰ।

৩নং উঃ শতকৰা শতাংশই একমত।

৪নং উঃ কথাষাৰ একেবাৰে মিছা। এই শ্লোগানটো তেওঁলোকেই আওৰাই ফুৰে, যিবিলাকে বিচাৰে অসম চিৰকাল ভাৰতৰ ভিতৰত পিচ পৰা অঞ্চল হৈ থাওক। গড় হাৰৰ আয় বঢ়াব নোৱাৰিলে, দেশৰ মানুহৰ জীৱনৰ মানদণ্ড কেতিয়াও উন্নত হ'ব নোৱাৰে। আঞ্চলিক বৈষম্য আতঁৰাব নোৱাৰিলে, অকল অসমৰ কাৰণেই সেউজ বিপ্লৱৰ মন্ত্ৰ আওৰাই থকাটো প্ৰবঞ্চনাৰে নামান্তৰ। হুঁহকি গৈ আগবাঢ়িব নোৱাৰি। অলপতে কাশ্মীৰৰ কাৰগিলত এটা জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰা হৈছে। খৰচ পৰিছে ৩৩ কোটি টকা। লাভবান হ'ব, চৰকাৰী হিচাপমতেই, ৬০ হেজাৰ মানুহ। আৰু অসমত? ২ কোটি মানুহক লাভবান কৰিবলৈ কেই কোটি টকা খৰচ কৰি কেইটা কাৰখানা তৈয়াৰী কৰা হৈছে: সেউজ বিপ্লৱৰ অৰ্থটো কি? চাহ গছবোৰ সেউজীয়া নহয় নেকি? চাহপাত ৰপ্তানি কৰি পোৱা কোটি কোটি টকাৰ শতকৰা কিমান অংশ অসমৰ মানুহৰ উন্নতিৰ কাৰণে ব্যয়িত হয়?

৫নং উঃ ইমান সহজ সিদ্ধান্ত এটাত মূৰ দুপিয়াবলৈ টান পাওঁ। সন্ত্ৰাসবাদ দুৰ্নীতিৰেই ফলশ্ৰুতি। সামাজিক অশান্তি দুষাৰ ধুনীয়া কথা কৈয়েই মচি পেলাব নোৱাৰি। সামাজিক শান্তি স্থাপনৰ উপায়টো সদায় এক ধৰণৰ বৈজ্ঞানিক প্ৰণালীৰ প্ৰয়োগ। ব্যক্তিক সমষ্টিতকৈ অগ্ৰৱৰ্তী স্থান দিবলৈ গ'লেই দুৰ্নীতিৰ বিহমেটেকা ওপচ খাই গজে। স্থায়ী সমাধানটো সমষ্টিৰ প্ৰাধান্যৰ ওপৰতে নিৰ্ভৰ কৰে। খাবলৈ নোপোৱা জাতি এটোটাৰ কাৰণে গণতন্ত্ৰ বোলা বস্তুটো মাত্ৰ এটা মাননিক বিলাস। দূৰলৈ যাব নেলাগে, ভাৰত আৰু চীনৰ সমাজ দুখনৰ তুলনা এটা কৰিলেই হ'ল। অৱশ্যে, বিশুদ্ধ বগা ৰংটো দুৰ্লভ। ●

**ড° কৰবী ডেকা হাজৰীকা**
অসমীয়া বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়।

১নং উঃ অসমৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ প্ৰতি মোৰ ধাৰণা মিশ্ৰিত। না-না খেলি-মেলিৰে শিক্ষা জগত ভৰি আছে। কাৰিকৰী শিক্ষাৰ অধিক প্ৰচলনে শিক্ষা-ব্যৱস্থাক বাস্তৱমুখী কৰিব বুলি মই বিশ্বাস কৰো।

২নং উঃ মূল কাৰণ হ'ল শিক্ষক আৰু ছাত্ৰ উভয়ৰে শিক্ষাৰ প্ৰতি অমনোযোগিতা। বিশেষকৈ ছাত্ৰ সকল উপৰুৱা ইমানবোৰ কথাত জড়িত হৈ পৰিছে যে প্ৰকৃত উদ্দেশ্যে উপযুক্ত শিক্ষা লাভৰ প্ৰতি তেওঁ-লোক অমনোযোগী হৈ পৰিছে। অনুতীৰ্ণ হোৱা সকলে কেৱল মহাবিদ্যালয়ৰ ডিগ্ৰীলৈ বাট চাই থাকে যদি তেওঁলোকৰ ভৱিষ্যৎ অন্ধকাৰ।

৩নং উঃ একমত।

৪নং উঃ মোৰো একেই মত।

৫নং উঃ এখন সবল সমাজ গঢ়াৰ বাবে মই অভিভাৱক আৰু সন্তানৰ মাজত এক সুষ্ঠ বুজাবুজিৰ ভাৱ থকাটো বিচাৰো। উভয় পক্ষৰ সমস্যা সমূহ আলোচনা কৰি তাৰ প্ৰতিকাৰৰ বাবে ৰাজহুৱাকৈ আগবাঢ়িলেই দুৰ্নীতি ৰোধ কৰিব পৰা যাব। ●

মহাবিদ্যালয়ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীলৈ, যুৱ-মানসিকতা, ধৰ্মান্ধতা আৰু মহাবিদ্যালয়ৰ ভিতৰচ'ৰাৰ সম্পৰ্কে আমাৰ কেইটামান প্ৰশ্ন —

প্ৰঃ নং ১। ☞ মহাবিদ্যালয়ৰ শিক্ষাত আপোনাৰ জীৱনৰ উদ্দেশ্য সফল হৈছে বুলি ভাৱেনে ?

প্ৰঃ নং ২। ☞ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ হিচাবে আপুনি সুখীনে ?

প্ৰঃ নং ৩। ☞ বৰ্ত্তমান যুৱ শক্তিৰ মাজত যি উশৃংখল মনোভাৱ পৰিলক্ষিত হৈছে তাৰ কাৰণ আপুনি কি বুলি ভাৱে আৰু এই উশৃংখলতা প্ৰতিৰোধ কৰিবৰ বাবে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে সুফল পোৱা যাব বুলি আপুনি ভাৱে ?

প্ৰঃ নং ৪। ☞ সম্প্ৰতি ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে যি ধৰ্ম্মীয় বিভেদকামী মনোভাৱ এটাই মুৰ দাঙি উঠিছে, সেই সংক্ৰান্তত এজন ছাত্ৰ হিচাবে আপোনাৰ মনৰ প্ৰতিক্ৰিয়া কেনে ?

## উত্তৰ সমূহ :-

**শ্ৰীগৌতম ৰাজকোঁৱৰ**
স্নাতক চূড়ান্ত বৰ্ষ
বিজ্ঞান শাখা

১নং উঃ বিদ্যালয়ৰ শিক্ষা সাং কৰি উচ্চ শিক্ষাৰে শিক্ষিত হৈ জীৱনটো উদ্ভাসিত কৰাৰ যি সপোন দেখিছিলো মহাবিদ্যালয়ৰ শিক্ষাত মোৰ জীৱনৰ সেই উদ্দেশ্য সফল হৈছে বুলিয়েই মই ভাবো।

২নং উঃ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ ৰূপে মই যথেষ্ট সুখী আছিলো। যিহেতু এজন ছাত্ৰৰ বাবে প্ৰয়োজনীয় সকলো সুবিধাই এই মহাবিদ্যালয়ত আছে। শ্ৰেণীত নিয়মীয়া পাঠদানৰ বাবে যথেষ্ঠ পৰিমাণে শিক্ষক শিক্ষয়ত্ৰী আছে। এটা বৃহৎ পুথি ভঁড়াল আছে যি ছাত্ৰ সকলক প্ৰয়োজনীয় পুথিৰ যোগান ধৰে। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এটা পৰীক্ষাগাৰ আছে। মুঠৰ ওপৰত ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা লাভৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ সুবিধা আৰু পৰিৱেশ ইয়াত আছে। তাৰোপৰি শিক্ষা লাভৰ বাবে শিক্ষা গুৰু আৰু ছাত্ৰ সকলৰ মাজত এটা বুজাবুজি ভাৱ বা আত্মীয়তাৰ মনোভাৱ থাকিব লাগে তেতিয়া শিক্ষকৰ শিক্ষাদানত আৰু ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা আহৰণত যথেষ্ট সুবিধা হয় যিটো ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ সকলৰ মাজত সাধাৰণতে পৰিলক্ষিত হয়।

৩নং উঃ ইয়াৰ প্ৰধান কাৰণ হল অভিভাৱক সকলৰ অমনোযোগিতা আৰু সমাজৰ সচেতন ব্যক্তি সকলৰ অবহেলা। বহু সমাজ সচেতন ব্যক্তিয়ে কোনো উশৃংখল যুৱকৰ হাতত অপদস্থ হোৱাৰ ভয়তে এনে ধৰণৰ প্ৰচেষ্টাৰ পৰা আতৰি থাকে।



উঃ আজিৰ এই কুৰি শতিকতি যেতিয়া আমেৰিকা, ৰাছিয়া আদিৰ দৰে উন্নত দেশ সমূহে বিজ্ঞানৰ ন-ন সৃষ্টিৰ যোগেদি পৃথিৱীক চমকিত কৰি মানৱ জাতিক সভ্যতাৰ তুঙ্গত অৱতীন কৰিছে সেই সময়তেই ভাৰতকে ধৰি সমগ্ৰ এছিয়াতে ধৰ্ম্মীয় গোড়ামিৰ বাবে বিভিন্ন ধৰ্মালম্বী লোকৰ মাজত ধৰ্ম্মীয় বিভেদে গা কৰি উঠিছে। ই আমাৰদৰে উন্নয়নশীল দেশসমূহৰ বাবে শুভ লক্ষন নহয়। সকলো ধৰ্ম মূল এক। মানৱ প্ৰেম সকলো ধৰ্মৰ মূলবানী। তেনেস্থলত ধৰ্মৰ নামত আমি ইজনে সিজনৰ প্ৰতি হিংসাৰ মনোভাব পোষণ কৰাতো অন্যায়। সেয়ে আমি সকলোৱে আমাৰ মাজত থকা ধৰ্ম্মীয় ভেদা-ভেদ ত্যাগ কৰি মানব ধৰ্মকে মূল ধৰ্ম ৰূপেলৈ মানৱ জাতিৰ মঙ্গলৰ বাবে কাম কৰাটোহে শ্ৰেয় হব। আৰু ইয়ে বৰ্ত্তমান সময়ৰ আহ্বান। ●

**মইনুল হক**
ডিব্ৰু মহাবিদ্যালয়

১নং উঃ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মূল প্ৰাথমিক শিক্ষা কেন্দ্ৰহ'ল নিজ ঘৰখন আৰু চুবুৰীয়া পৰিবেশ। ঘৰ আৰু পৰিবেশৰ পৰা লাভ কৰা শিক্ষাক ব্যাপক অৰ্থত আয়ত্ব কৰি জীৱনৰ উদ্দেশ্যত উপনীত হবলৈ মহাবিদ্যালয়লৈ অহা হয়। মহাবিদ্যালয়ৰ শিক্ষা সাং কৰাৰ পাছতহে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে উপলব্ধি কৰিব পাৰে যে তেওঁ উদ্দেশ্যত সফল হ'ল নে নাই ? এই সুত্ৰত ময়ো তেতিয়াহে সঠিক ভাৱে উত্তৰ দিব পাৰিম, যেতিয়া মহাবিদ্যালয়ৰ শিক্ষা মোৰ সাং হব। মই এতিয়া মাথো মোৰ জীৱনৰ মূল উদ্দেশ্যত উপনীত হবৰ বাবে কবচ পৰিধান কৰাত ব্যস্ত।

২নং উঃ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ হিছাপে বৰ্ত্তমান মই যথেষ্ট সুখী। কিন্তু, এই প্ৰশ্ন কিয় কৰিব লগীয়া হ'ল ? এইটো ভাবিব লগীয়া কথা। এই মহাবিদ্যালয়ৰ শিক্ষা কালত ইয়াৰ শ্ৰদ্ধেয় শিক্ষা গুৰু সকলৰ মোৰ প্ৰতি যি অকুণ্ঠ স্নেহ সহায় আন্তৰিকতাক জীৱনকালত কদাপি ও পাহৰিব নোৱাৰোঁ। লগতে মোৰ জ্যেষ্ঠে ছাত্ৰ-ছাত্ৰী, অগ্ৰজ ছাত্ৰ-ছাত্ৰীৰ সৈতে কনিষ্ঠ সকলৰ পৰা পোৱা আন্তৰিকতা আৰু ঐক্যৰ যি সজীৱতা তাক হয়তো আন মহাবিদ্যালয়ত মোৰ সমান কোনেও নেপাৱ; মইয়ো নেপালোঁ হেতেন। সেয়ে মই নিজকে এজন ডিব্ৰুয়ান হিচাপে চিনাকি দিবলৈ পাই নথৈ সুখী।

৩নং উঃ আমি জানো যে খেতিয়কৰ বাবে গৰু অতি পূজনীয় আৰু আদৰৰ জন্তু। চিঞাঁহী বিনে কলম যি দৰে বিকলাংগ, ঠিক সেইদৰে গৰু বিনে খেতিয়কৰ পথাৰ অসম্পূৰ্ণ। কিন্তু, এই গৰুৱে কেতিয়াবা এনে বিশৃংখলতাৰ সৃষ্টি কৰে যে সি এটা সমস্যাৰ বিষয় হয় গৈ। পিছে এই গৰুক যদি এটা গৰখীয়াৰ তত্বাৱধানত ৰখা হয়, তেতিয়া জানো সেই সমস্যাৰ উদ্ভৱ হব ? ঠিক এনেদৰেই আমাৰ যুৱক সকলৰ ক্ষেত্ৰটো হৈছে। যুৱশক্তিৰ উশৃংখল মনোভাৱৰ বাবে তেওঁলোকৰ ওপৰত জনসাধাৰণৰ যি আস্থা থাকিব লাগিছিল বৰ্ত্তমান সেই আস্থা নোহোৱা হৈছে। ইয়াৰ মূল কাৰণ হৈছে এই যুৱ-শক্তিক সঠিক ভাৱে পৰিচালিত কৰিবৰ বাবে সুস্থ নেতৃত্বৰ অভাৱ হৈছে। ঠিক দলনিত মাক নোহোৱা পোনাজাকৰ দৰে। যাৰ যি মন গৈছে তাকে কৰিছে। তাতে সুবিধাবাদীয়ে যুৱ-শক্তিৰ এনে বিলৈ হাতত পাইছে যেতিয়া ইয়াৰ মুনাফা আদায় নকৰি থাকিবনে ? ফলত, যুৱ-শক্তিৰ উশৃংখলতা বৃদ্ধি।

এই উশৃংখলতা প্ৰতিৰোধ কৰিবলৈ বা যি ধৰণৰ প্ৰচেষ্টা কাকতে পত্ৰই পঢ়িবলৈ পাওঁ, সেই প্ৰচেষ্টা যদি কেৱল কাকতে-পত্ৰই আৱদ্ধ নেথাকি হাতে কামে কাৰ্যকৰী কৰিবলৈ সেই বুদ্ধিজীৱি সকলে

আগবাঢ়ি আহে তেন্তে নিশ্চয় আমি সফল হম। দ্বিতীয়তে, আমাৰ যুৱ-শক্তিৰ মাজত নিস্বাৰ্থ, ব্যক্তিত্ব সম্পন্ন, সাৰ্বজনীন আৰু স্বাৱলম্বী নেতৃত্ব দিওঁতা নাই, যিয়ে বৰ্ত্তমানৰ উশৃংখল যুৱ-শক্তিক ভেটি সেই শক্তিক সাৰ্বজনীন ভাৱে প্ৰয়োগ কৰিব পাৰে।

৪নং উঃ সম্প্ৰতি ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে যি ধৰ্মীয় বিভেদকামী সমস্যাই মূৰ দাঙি উঠিছে সেইবোৰ দেখি শুনি মোৰ মনত প্ৰশ্ন হয় যে মানুহ কেনেকৈ জীৱ শ্ৰেষ্ঠ হ'ল? মানুহেই মানুহৰ শত্ৰু, তাকো ভাষা বৰ্ণ, মাটি শেষত ধৰ্মক কেন্দ্ৰ কৰি! মোৰ মতে ইয়াৰ গুৰিতে হ'ল এপাচি ভাল আপেলৰ মাজত এটা বেয়া আপেলৰ অস্তিত্বই গোটেই পাচি আপেল বেয়া কৰাৰ দৰে আমাৰ সমাজৰ এমুঠি নেতৃস্থানীয় ভদ্ৰ লোক। তেওঁলোকৰ অৱদান হ'ল বিশ্বৰ বুকুলৈ সাম্প্ৰদায়িকতা আৰু দৰিদ্ৰতা সৃষ্টি কৰা, যি বৰ্ত্তমান সমগ্ৰ বিশ্বতে বিৰাজমান। আৰু লগতে মৌলিক সমস্যা হিচাপে পৰিগণিত। ইয়াৰ বিষ বাষ্পই ইমান ব্যাপক ভাৱে শিপাইছে যে এই বাষ্পৰ পৰা অতি কম মানুহে পলাব পাৰিছে। চৰকাৰী বিজ্ঞাপন বা নথি-পত্ৰত হে দেশত প্ৰচলিত সুস্থ অনুশাসন মূলক ব্যৱস্থা, দেশখনৰ ঐক্য, সম্প্ৰীতি আৰু শান্তিত, ধৰ্ম-বৰ্ণ, ভাষা, জাতি-উপজাতিৰ কাৰ্য কলাপৰ স্থায়ীত্ব প্ৰকাশ পায়। পিছে ই কিমান দূৰ সত্য তাক কোনেও নেজানে? কিন্তু সমস্ত জন-সাধাৰণৰ সমূহীয়া স্বাৰ্থৰ বাবে যি সকল লোকে নিৰ্বাচনত থিয় হয় তেওঁলোকে প্ৰত্যক্ষ নিৰ্বাচনত ভোট লাভ কৰি যি কোনো প্ৰকাৰে ক্ষমতাৰ গাদী দখল কৰাটো, সেই ৰাজনৈতিক নেতা সকলৰ আদৰ্শ হৈ পৰিছে। ভোট লাভ কৰিবৰ উদ্দেশ্যে তেওঁ-লোকে পূৰ্বৰ অংগীকাৰ ভংগ কৰি ধৰ্মীয় দিশত হস্তক্ষেপ কৰি জনসাধাৰণৰ সৈতে খেলা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। তেওঁলোকে ভালকৈয়ে জানে যে দৰিদ্ৰ জনগণৰ অতি আদৰৰ বস্তু হৈছে ধৰ্ম। দৰিদ্ৰতাই ধৰ্মৰ ওপৰত আস্থা ৰাখি বৰ্ত্তি থাকে। ধৰ্মই সকলো। গতিকে ধৰ্মৰ হীনদেড়ী হোৱা বিষয়টোত দৰিদ্ৰ সকলে প্ৰাণ দিব পাৰে। তেজৰ নৈ বোৱাব পাৰে। যিটো বৰ্ত্তমান অযোধ্যা, ইজৰাইল আদিত বিদ্যমান। ইয়াৰ ফলত মোৰমতে আন একো নহলেও যুগ যুগান্তৰৰ পৰিচিত আপোনজনৰ মাজত কটা কটি, মাৰ-পিট নিশ্চয় সৃষ্টি হৈছে, যিটো মানৱ জাতিৰ বাবে অতি লজ্জাজনক আৰু ঘৃণনীয়। সুস্থ-নিস্বাৰ্থ নেতৃত্বৰ অভাৱৰ ফলত বাধা-হীন ভাৱে ক্ৰমান্বয়ে অন্ধকূললৈ আগুৱাই যোৱা যুৱক সকলৰ পৰা মুনাফা আদায় কৰিছে সেই ভণ্ড ৰাজ-নৈতিক নেতা সকলে। দলাৰ বগৰীয়ে দলাত বাগৰি নিজে বেয়া হোৱাৰ লগতে দলাখনো বেয়া কৰিছে বুলি মই কব খুজিছোঁ।


**শ্ৰীমতীজুৰী বৰপাত্ৰ গোহাঁই**

স্নাতক ২য় বাৰ্ষিক (কলা,


১নং উঃ আপোনাৰ প্ৰথম প্ৰশ্নৰ উত্তৰত জনাওঁ যে 'মহাবিদ্যালয়ৰ শিক্ষা' এটা বিস্তৃত শিতান। এই বিষয়ৰ ওপৰত শুদ্ধ মতামত ব্যক্ত কৰাটো মোৰ পক্ষে যথেষ্ট কঠিন। মহাবিদ্যালয়ৰ শিক্ষা কলা, বাণিজ্য, বিজ্ঞান এই তিনিটা বিভাগত বিভক্ত। তদুপৰি কাৰিকৰী শিক্ষা নামেৰে বিভাগ এটাও আছে। কোনটো বিভাগত ভাৰসাম্য ৰাখি মোৰ মতামত দিয়াটো যুক্তিসঙ্গত, নিজৰেই জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে। তথাপি ডিব্ৰুয়ানৰ সদস্যা হিচাবে মোৰ সাধাৰণ মতামত দাঙি ধৰিছো।

প্ৰথমতেই কব খুজিছো যে মই পঢ়ি থকা বিভাগটোতে শিক্ষা সমাপ্ত কৰা নাই। তথাপি আমাৰ অগ্ৰজ সকলৰ অভিজ্ঞতাৰ আলম লৈ কব খোজো যে মহাবিদ্যালয়ৰ বৰ্ত্তমান শিক্ষা পদ্ধতিৰে জীৱনৰ উদ্দেশ্য মধ্যম ভাৱেহে সফল হৈছে। কাৰণ শিক্ষাৰ বহুমুখী উদ্দেশ্য আমাৰ মহাবিদ্যালয়ৰ শিক্ষাতেই পৰিপূৰ্ণ নহয়। কিন্তু কেৱল বিদ্যাৱন্ত হৈয়েই জীৱনৰ উদ্দেশ্য সফল কৰাটো আজিৰ যুগত সম্ভৱপৰ নহয়। আমাৰ যুগটো অকাল একাল মাৰি মৰক আদি মহঙা ৰাক্ষসেৰে ভৰপূৰ। গতিকে অৰ্থনৈতিক সমস্যাৰো কঢ়া আজোঁৰা আছে। এনে দোমোজাত শিক্ষাই থকাৰ খাদ্য ইন্ধন সমলৰো যোগান সফল কৰিব লাগিব। কাজেই (আমাৰ) মহাবিদ্যালয়ৰ শিক্ষাই বিদ্যাৱন্ত কৰাতকৈ শিক্ষিত কৰিবহে পাৰিব লাগিব।

মহাবিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত হোৱা হলে দেখুন, দেশত নিবনুৱা সমস্যা সমাধান হলহেঁতেন। শিক্ষাই জ্ঞান দিয়াৰ ওপৰিও উৰ্পাজনৰ পথ মুকলি কৰাটোও গৌণ সফলতা। পিছে, বিফলতাই এনে প্ৰতিক্ৰিয়া ঘটাইছে যে আজি যুৱসমাজে নানাবিধ বিশেষনৰ মালাহে পিন্ধিব লগা হৈছে। দেখা গৈছে যে এই দৃষ্টিভঙ্গিত মহাবিদ্যালয়ৰ শিক্ষাৰ সফলতা সকলোৰে ক্ষেত্ৰত সমান নহয়। আজিৰ শিক্ষা মনঃপোত নহয় বুলি মন্তব্য দিয়া অনেক লোক আছে। বৰ্ত্তমান যুৱমানসিকতা স্খলনৰ বাবে শিক্ষা পদ্ধতিকে এচাম লোকে দোষাৰোপ কৰে।

মই নিজেও মহাবিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি জীৱনৰ লতাকটা ৰণত বিজয়ী হলেহে সফলকামী হম বুলি মন্তব্য দিব পাৰিম।

প্ৰয়োগীক বা কৰ্মমুখী শিক্ষাৰে আমি স্বাৱলম্বী হব নোৱাৰালৈকে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত জীৱনৰ উদ্দেশ্য সফল হৈছে বা হব বুলি ভাবিব নোৱাৰো। মানসিক শাৰিৰীক আৰু অৰ্থনৈতিক সমাধান দিব নোৱৰা শিক্ষাই জীৱনৰ উদ্দেশ্য সফল কৰিব বুলি ভাবিব নোৱাৰো। কাৰণ মহাবিদ্যালয় বা বিশ্ব-বিদ্যালয়ৰ কেৱল ডিগ্ৰী বা প্ৰমান পত্ৰখনৰ দোহাঁই কাৰো জীৱন সফল নহয়।

২নং উঃ হয় সুখী। কাৰণ এই কালছোৱা আমাৰ বিনন্দীয়া। এনে জাকজমকীয়া হাঁহি ধেমালীৰে পয়োভৰ পূৰ্ণ ছাত্ৰ-ছাত্ৰী জীৱন সদায় নাহে। গলে আৰু পাবলৈ নাই। ঘৰুৱা নাইবা সাংসাৰিক জঞ্জালৰ আমনি আহুকাল নোহোৱা মধুৰ ছাত্ৰ জীৱন। এনে অৰ্থত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাবে আমি প্ৰত্যেকেই সুখী।

তাতে আমাৰ মহাবিদ্যালয়ৰ নামো ডিব্ৰু মহা-বিদ্যালয়। এইয়া যেন নিজৰ তথা অঞ্চলৰ আপোনৰ পূৰ্ণ প্ৰতিবিম্ব দাপোন। নামাকৰণত মহাবিদ্যালয় খনে স্থানীয় সকলোৰে স্বজন প্ৰীতি প্ৰতিফলিত হৈছে যেন বোধ হয়। গভীৰ চিন্তা কৰিলে, মহাবিদ্যালয়খনে এই নামেৰে স্বদেশ প্ৰেমৰ ৰেঙনি প্ৰতিভাত কৰে বুলি ভাবো। আমাৰ মহাবিদ্যালয়ৰ নামটোৱেই যেন জিলা-সদৰ অঞ্চল সকলো সামৰি শিক্ষাৰ্থী সকলৰো ঠাই ঠিকনা জ্ঞাত কৰি তোলে। গতিকে মই কিয় আমি প্ৰত্যেকেই মহাবিদ্যালয় লৈ সুখী তথা গৌৰবান্বিত।

কিন্তু শিক্ষাৰ্থী হিচাবে মহাবিদ্যালয়লৰ পৰা বহুতো প্ৰাপ্য, সুবিধা বা সুযোগ পাব লগা আছে বুলি আমি ভাবো। এই সুবিধা বিলাক পৰিপূৰ্ণ হলে আমি আৰু সুখী হম।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

—সম্পাদক ঃ শ্ৰীঅৰুণ সোনোৱাল

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা জনাই যি সকল বন্ধু, বান্ধৱী ভাইটি ভণ্টীয়ে অকৃত্ৰিম মৰমেৰে মোক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯২ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে বিপুল ভোটেৰে নিৰ্বাচিত কৰি এই সেৱা আগবঢ়াবলৈ সুবিধা দিলে সেই সকলো বন্ধু-বান্ধৱী, ভাইটি-ভণ্টীলৈ আন্তৰিক মৰম যাচিলো।

১৯৯২ চনৰ ৫ ফেব্ৰুৱাৰী বুধবাৰে কাৰ্য্যভাৰ হাতত লয়েই মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এটা সপ্তাহ জুৰি মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ সফল সামৰণি পৰে ১৬ ফেব্ৰুৱাৰী তাৰিখে। সেইধৰণে ইং ১৩।৭।৯২ তাৰিখে স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলক বিদায় জনোৱা হয়। কিছু দিনৰ পাছত মহাবিদ্যালয়ত সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ একাদশ বাৰ্ষিক অধিবেশন খনি ৭ আৰু ৮ আগষ্টত অনুষ্ঠিত কৰা হয়। ২৯ চেপ্তেম্বৰ দিনা মহাবিদ্যালয়খনলৈ অহা নবাগত সতীৰ্থ বৃন্দলৈ আনুষ্ঠানিকভাৱে আদৰণি সম্ভাষণ জনোৱা হয়।

মহাবিদ্যালয়ৰ দায়িত্বপূৰ্ণ গতানুগতিক অনুষ্ঠানসমূহ বিভিন্ন সময়ত সমাপন কৰাৰ উপৰিও বিভিন্ন সংগঠন সৈতে যেনে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে আমৰণ অনশন, প্ৰতিবাদ ধৰ্ণা আদি যোগেদি নিৰ্য্যাতা দাবীৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহন কৰা হয়।

সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ দ্বাৰা আয়োজিত শিক্ষা সংসদ, সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনষ্ঠ মহাবিদ্যালয় বোৰৰ উপ সভাপতি আৰু সাধাৰণ সম্পাদক সকলৰ মিলিত সভাত যোগদান আৰু শেষতীয়াভাৱে অসমৰ চিকিৎসা মহাবিদ্যালয় কেইখনত অবৈধভাৱে নামভৰ্ত্তিকৰণৰ প্ৰতিবাদত মহাবিদ্যালয়কেইখনৰ ছাত্ৰ সন্থাই লোৱা সম্পূৰ্ণ শান্তিপূৰ্ণ গনতান্ত্ৰিক প্ৰক্ৰিয়াৰে লোৱা আন্দোলনৰ কাৰ্য্যসূচীৰ সমৰ্থন আৰু সহযোগিতাৰ বিষয়ে উল্লেখ কৰিব পাৰি।

মহাবিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰী সকলে সন্মুখীন হোৱা সমস্যাৰাজিৰ লগত আমি বিশেষভাৱে জড়িত হৈ পৰিছিলো। এই এশ এবুৰি সমস্যাৰে জৰ্জৰিত মহাবিদ্যালয়খনৰ উন্নতিসাধনৰ অৰ্থে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিলৈ এলানী দাবী প্ৰস্তুত কৰি উত্থাপন কৰিলো। পৰিচালনা সমিতিয়ে সমস্যা সমূহৰ গুৰুত্ব বুজি আলোচনা কৰিবৰ অৰ্থে ছাত্ৰ একতা সভাৰ চাৰিজনীয়া প্ৰতিনিধি আৰু পৰিচালনা সমিতিৰ সম্পাদক মহোদয়কলৈ দুজনীয়া প্ৰতিনিধিৰে এখনি যুটীয়া উপসমিতি গঠন কৰি দিয়ে। আলোচনাৰ যোগেদি কিছুমান উন্নয়ণমূলক কাম তৎকালীনভাৱে কৰি দিব বুলি লিখিত প্ৰতিশ্ৰুতি দিয়ে। ফলস্বৰূপে ছাত্ৰী নিবাসৰ কাম সম্পূৰ্ণ, কম্পিউটাৰ শখা খোলাৰ ব্যৱস্থা পুনৰ বং কৰা ব্যৱস্থা সমূহ কৰি দিয়া পৰিলক্ষিত হৈছে। যিহেতু মহাবিদ্যালয়খনৰ আৰ্থিক অৱস্থা বৰ ভাল নহয় গতিকে কিছুমান সমস্যা কালক্ৰমে পূৰণৰ প্ৰতিশ্ৰুতি দিয়ে। যেনে ঃ মহাবিদ্যালয়খনৰ সীমানিৰ্দ্ধাৰণ কৰি পকী বেৰা দিয়া স্থায়ী পেক্ষাগৃহ, ছাত্ৰবাস নিৰ্মাণ, এটা সকলো ধৰাৰ সা-সুবিধা থকা পুথিভঁৰাল ছাত্ৰছাত্ৰীৰ জিৰণি কোঠা ইত্যাদি। আশা ৰাখিছো মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত কতৃপক্ষই কোনো ধৰণৰ হেমাহি নকৰি ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ সুবিধা কৰি দিব।

***ৰেগিং বন্ধঃ—***

নবাগত ছাত্ৰ ছাত্ৰী সকলক পুৰণি মানসিকভাৱে বিকৃত এচাম ছাত্ৰই সাধাৰণ চা-চিনাকীৰ নামত বিভিন্ন ধৰণে অত্যাচাৰ চলোৱাটো বৰ্ত্তমান ছাত্ৰ সমাজৰ বাবে প্ৰৱল সমস্যাই নহয় ই এক সামাজিক ব্যাধিও। এই সমস্যা দূৰ কৰিবলৈ বন্ধু-বান্ধৱী, ভাইটি ভণ্টী সকলৰ সহযোগত বিভিন্ন ধৰণে প্ৰচেষ্টা চলোৱা হৈছিল। সেই ধৰণে আমি ছাত্ৰ একতা সভাই উল্লেখযোগ্য সফলতা লাভ কৰিছিলো। এই বৰ বিহ স্বৰূপ ৰেগিঙৰ বিৰুদ্ধে ভৱিষ্যতে যদি সচেতন ছাত্ৰ ছাত্ৰীয়ে বলিষ্ঠ পদক্ষেপ লৈ আগবাঢ়ে তেনেহলে ডিব্ৰু মহাবিদ্যালয়েই নহয় সমস্ত ছাত্ৰ সমাজৰ পৰাই ৰেগিং আতৰিব বুলি আশা কৰিব পাৰি।

***বৃক্ষৰোপন কাৰ্য্যসূচীঃ—***

২৩ নবেম্বৰ দিনা মহাবিদ্যালয়ৰ চৌহদত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী কেডেট সকলৰ সহযোগত বৃক্ষৰোপন কাৰ্য্যসূচী হাতত লোৱা হয়।

***ক্ষমা ভিক্ষা ঃ-***

মোৰ এই বছেৰেকীয়া কাৰ্য্যকালছোৱাত মহাবিদ্যালয় খনৰ বিভিন্ন দিশত উন্নতি সাধন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলোৱা হৈছিল। কিন্তু কিমান খিনি আগুৱাই নিবলৈ সক্ষম হলো সেইকন বিচাৰৰ বাবে আপোনালোকলৈ এৰিলো। জীৱনত প্ৰথমবাৰলৈ এই গধুৰ দায়িত্ব বহন কৰিছিলো। সুস্থ বিবেচনাৰে আগবাঢ়ি যাওঁতেও কিছুক্ষেত্ৰত সফল আৰু কিছু ক্ষেত্ৰত বিফল হৈছিলো। কাৰ্য্যকালছোৱাৰ ভিতৰত অথবা মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনৰ যি কোনো সময়তে মোৰ অজ্ঞাতে যদি কেতিয়াবা শিক্ষাগুৰু বৃন্দ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু, বান্ধৱী সকলৰ ওচৰত দোষ কৰিছিলো তেন্তে এই চমু প্ৰতিবেদনৰ যোগেদি ক্ষমা বিচাৰিছো।

***কৃতজ্ঞতা স্বীকাৰঃ-***

মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত সুপৰামৰ্শ তথা উপদেশ দি বিশেষ ভাৱে সহায় কৰা অধ্যক্ষ মহোদয় অধ্যাপক শ্ৰীযুত ইন্দ্ৰ কান্ত বৰা, হেম চুতীয়া, দেও নাৰায়ন মণ্ডল, ৰজনী শৰ্মা প্ৰদীপ চেতিয়া ফুকন, মহেশ কুমাৰ জৈন বীৰেণ বৰুৱা, চন্দ্ৰগুপ্ত বৰা লক্ষণ বৰা চাৰ সকললৈ আৰু লিলি বেগম বাইদেউৰ ওচৰত চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও প্ৰতিটো পদক্ষেপতে বিশেষভাৱে সহায় কৰা লাচিৎ, বিৰাজ, ভাস্কৰ, কল্যান, মঞ্জিল, ক্ষিৰোদ, গৌৰী বান্ধৱী শ্ৰীমতী বন্দনা কোঁৱৰ, উপমা গগৈ, দেৱীকা দত্ত, ভণ্টী বুলু, মাধৱী ননিমা, অনিতা, ৰুৱী, সংগীতা জুৱলি, মনি, কল্পনা, পাৰুল, ভাইটি দ্বীপেন, জয়প্ৰকাশ, বাবুল ইঁতলৈ মোৰ আন্তৰিক মৰম জ্ঞাপন কৰিলো।

শেষত ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰিলো।

জয়তু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

# সহকাৰী সাধাৰণ আৰু ভাৰপ্ৰাপ্ত মুখ্য খেল বিভাগৰ প্ৰতিবেদন

সম্পাদক — শ্ৰীদেবানন্দ গগৈ

প্ৰোন প্ৰথমে যি সকল বীৰ বীৰাঙ্গনাই বুকুৰ তেজেৰে দেশ মাতৃৰ চৰণ ধুৱাই গ'ল, সেই সকল অমৰ শ্বহীদলৈ ভগৱানৰ ওচৰত মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

সম্পাদকীয় প্ৰতিবেদনৰ

পাতনিতে যি সকস ছাত্ৰ - ছাত্ৰী বন্ধু বান্ধৱীয়ে ১৯৯২ চনৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে যিসকল বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্য-কালত সকলো দিশত সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকলৈও মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ডিব্ৰু মহাবিদ্যালয়ৰ যি-সকল মাননীয় শিক্ষাগুৰুৱে তথা প্ৰতিস্থানৰ কৰ্ম্মচাৰী বৃন্দই মোৰ কাৰ্য্যকালত দিহা পৰামৰ্শৰে সহায় কৰিলে, তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলো।

ছাত্ৰ একতা সভাৰ মূখ্য খেল বিভাগৰ সম্পাদক দেৱজিত ফুকনে ব্যক্তিগত অসুবিধাৰ বাবে তেখেতৰ দায়িত্বভাৰ মোৰ হাতত অৰ্পন কৰে। মোৰ সামান্য অভিজ্ঞতাৰে আপোনালোকক সেৱা কৰিম বুলি আগবাঢ়ি আহিছিলো, যদিও বাস্তৱতে আপোনালোকক কিমান খিনি দিব পাৰিলো তাৰ বিচাৰ আপোনালোকেই কৰিব।

এখন দেশ তথা এটা জাতিৰ উন্নতিৰ ঘাই আহিলা হ'ল শিক্ষা। এখন মহাবিদ্যালয় সমাজৰ শিক্ষিত ছাত্ৰ - ছাত্ৰী সকলৰ এক আনুষ্ঠানিক মিলন ক্ষেত্ৰ বুলি ভবা হয়। শিক্ষিত ছাত্ৰ - ছাত্ৰী সকল সমাজৰ ওচৰত যেনেদৰে দায়বদ্ধ ঠিক তেনেদৰে এখন মহাবিদ্যালয় সমাজৰ গুৰি ধৰোতা। ছাত্ৰ-ছাত্ৰী সকল আজি এক ভয়াবহ অৱস্থাৰ মাজেৰে আগবাঢ়িব লগীয়া হোৱাটো সমগ্ৰ যুৱ সম্প্ৰদায় তথা সমাজৰ সকলো শ্ৰেণীৰ বাবে এক প্ৰত্যাহ্বান বুলি কব লাগিব। এনে পৰিস্থিতিৰ মাজত এই চাম ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজৰ জীৱন গঢ়াৰ লগতে সমাজৰ পথ - প্ৰদৰ্শক হিচাপে কাম কৰিবলৈ যাওঁতে প্ৰয়োজন হয় এক সংঘবদ্ধ প্ৰচেষ্টা। এনে প্ৰচেষ্টাৰ গুৰি ধৰিবলৈ প্ৰয়োজন হয় উপযুক্ত নেতৃত্ব আৰু ই এক দুৰুহ কাম। আজিৰ যুৱক-যুৱতী সকলৰ সন্মুখত আছে এক বিৰাট প্ৰশ্ন-বোধক চিন। এনে সমস্যাৰ সন্মুখীন হবলৈ লাগে ঐক্যবদ্ধ প্ৰচেষ্টা।

জাতিৰ সন্ধিক্ষণত উপস্থিত হৈছে আজিৰ ছাত্ৰ সমাজ। সমাগত ভৱিষ্যতৰ ধাৰক আৰু বাহক স্বৰূপে চিনাকী ছাত্ৰ সমাজৰ ওপৰত বহু গধূৰ দায়িত্ব আহি পৰিছে। এই দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ আগবাঢ়ি আহিব লাগিব। অসমৰ ছাত্ৰই দেশ আৰু জাতিৰ সেৱাত আত্মনিয়োগ কৰি আহিছে। স্বদেশ আৰু স্বজাতিৰ প্ৰতি এই দায়িত্ব ছাত্ৰ সমাজৰ ঐতিহাসিক আৰু যুগ সাপেক্ষে কৰ্ত্তব্য। প্ৰিয় ছাত্ৰ - ছাত্ৰী তথা বন্ধু-বান্ধৱী সকল, আমি উপলব্ধি কৰিব পাৰিছো যে, আজি অসম খুউব এটা ডাঙৰ সঙ্কটপূৰ্ণ অৱস্থাত উপনীত হৈছেহি। আপোনালোক ভৱিষ্যত দেশৰ নাগৰিক আৰু প্ৰগতিৰ পথ প্ৰদৰ্শক। এনে এটা সঙ্কটপূৰ্ণ অৱস্থাত আমি সকলো ছাত্ৰ-ছাত্ৰীক জাতি ধৰ্ম্ম বৰ্ণ নিৰ্বিশেষে ভাতৃত্বৰ এনাজৰীয়ে একত্ৰিত হৈ এখন নতুন অসম গঢ়িব লাগিব। ছাত্ৰ শক্তি এটা বৃহৎ শক্তি। এই বৃহৎ শক্তিক যাতে ক্ষুদ্ৰ স্বাৰ্থত ৰাজনৈতিক সংগঠন-বোৰে নিজা ৰবীয়াকৈ ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি আমি সদায় সতৰ্ক হব লাগিব।

আমাৰ ছাত্ৰ শক্তি যুগমীয়া হওঁক। দেশ তথা জাতিৰ জীৱন মৰণৰ সন্ধিক্ষণত স্বকীয় ভাষা সাংস্কৃতিক ৰক্ষণা-বেক্ষণত অহৰহ সংগ্ৰাম কৰি প্ৰাণ উৰ্চগা কৰি হলেও মৰ্যদা অক্ষুন্ন ৰাখিম। এয়ে আমাৰ দৃঢ় সংকল্প।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভূল-ভ্ৰান্তিৰ বাবে সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি ডিব্ৰু মহাবিদ্যালয় খনি সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয়।



# সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন ঃ

সম্পাদক — **শ্ৰীবিনোদ গগৈ**

সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে মই প্ৰতিবেদন লিখিবলৈ লোৱাৰ আৰম্ভনিতে মই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকল বীৰ ছহিদে কলিজাৰ ৰঙা তেজ ঢালি জীৱন বিসৰ্জন দিলে সেই সকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধা জনালো।

১৯৯১-৯২ চনৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিক হিচাপে মোক ছাত্ৰ একত্ৰা সভালৈ নিৰ্বাচিত কৰা ছাত্ৰ-ছাত্ৰা সকল আৰু মোৰ বন্ধু - বান্ধৱী সকললৈ মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

১৯৯১ - ৯২ চনত সাংস্কৃতিক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰা অলপ দিনৰ পিছতে আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উদ্‌যাপন কৰা হয়। মোৰ বিভাগৰ কাৰ্য্য আছিল সাংস্কৃতিক প্ৰতিযোগিতা সমূহ। এই কাৰ্য্য মই সম্পন্ন কৰিছিলো মোৰ সহপাঠী সকল তথা বন্ধু সকলক লগতলৈ আৰু মোক সহায় কৰিছিল অধ্যাপিকা ডাঃ ৰমিজা খাতুন বাইদেওৱে। এই চমু সময় চোৱাত কাৰ্য্যক্ষেত্ৰত কিমান দূৰ সফল হলো নাজানো। মোৰ সীমিত জ্ঞানেৰে সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ পৰিচালনা কৰাতকৈ হোৱা ভূলক্ৰুটীবোৰৰ বাবে আপোনালোকৰ ওচৰত কৰোযোৰে ক্ষমা বিচাৰিছোঁ। আৰু সকলো ফালৰ পৰা প্ৰত্যেক বিপদৰ মূহুতত্তে ধৈৰ্য্যধৰি সকলো কাম সঠিক ভাবে পৰিচালনা কৰাত উৎসাহ যুগুৱাৰ বাবে এই মহাবিদ্যালয়ৰ শিক্ষা গুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মানুহ সামাজিক জীৱ। প্ৰত্যেক জন মানুহকলৈয়ে সমাজ গঠিত হয়। সমাজক বাদ দি মানুহ জীয়াই থাকিব নোৱাৰে। গতিকে সমাজ হৈছে মানুহৰ অংগ স্বৰূপ। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়ণৰ লগতে যিমান পাৰে সমাজসেৱাও আগবঢ়াব লাগে আৰু সমাজক জীয়াই ৰাখিবলৈ হলে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে আমাৰ জাতীয় কৃষ্টি সমূহ জীয়াই ৰাখিব লাগিব। কিয়নো জাতীয় কৃষ্টিৰ উন্নতিয়েই ব্যক্তিৰ উন্নতি। জাতীয় কৃষ্টিৰ পৰাই পৰস্পৰৰ মাজত প্ৰেম আৰু ভ্ৰাতৃত্বৰ ভাব জগাই তোলে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰত্যেকেই নিজৰ কৰ্ত্তব্য বুলি ভাবি জাতীয় কৃষ্টিক জীয়াই ৰাখিবলৈ আগবাঢ়ি আহিব লাগে আৰু প্ৰত্যেকৰ অন্তৰত জাতীয় কৃষ্টিৰ ভাব জগাই তুলিব লাগে।

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি আৰু উজ্জল কামনা কৰি মোৰ প্ৰতিবেদনৰ যৱনিকা পেলালো।

জয় আই অসম;

জয়যুক্ত ডিব্ৰুয়ান,

জয়যুক্ত ডিব্ৰু মহাবিদ্যালয়ৰ।

## ২৭ তম মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচী ফলাফল সমূহ হৈছে [ সাংস্কৃতিক প্ৰতিযোগিতা ]

**অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল -**

১। প্ৰথম পুৰস্কাৰ :- মঃ মইনুল হক।
২। দ্বিতীয় " :- শ্ৰীমতী স্বস্তিকা শৰ্ম্মা।
৩। তৃতীয় " :- শ্ৰীযতীন্দ্ৰ নাথ বড়া।

**ইংৰাজী কবিতা আবৃত্তি ফলাফল —**

১। প্ৰথম পুৰস্কাৰ :- Sri Uday shankar Gogoi
২। দ্বিতীয় " :- a) Monti Khownd.
b) Mohini Mohan Ligira
৩। তৃতীয় " :- a) Bikash Phukan.
b) Anjan Sarmah.

**আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল —**

১। প্ৰথম পুৰস্কাৰ :- a) Bikash Gogoi.
b) Prasanta Kr. Neog.
c) Bhaskar Basumatari.
২। দ্বিতীয় " :- a) Mohini Mohan Ligira.
b) Anjumoni Hazarika
c) Rajani Kanta Gogoi
৩। তৃতীয় " :- Debananda Borgohain

**স্বৰচিত কবিতা আৰু গল্প —**

**কবিতা :—** ১ম : শ্ৰীসোণমণি দাস
২য় : " দেবানন্দ গগৈ।
৩য় : " দয়ানন্দ বৰগোহাঁই।

**গল্প :—** ১ম : শ্ৰীমনোৰঞ্জন বৰ্মন।
নিচুকনী পুৰস্কাৰ : ১। শ্ৰীবিপুল চেতিয়া।
২। " ৰজনী কান্ত গগৈ।

**একাঙ্কিকা নাটকৰ ফলাফল —**

১। প্ৰথম : শ্ৰেষ্ঠ দল "হেৰুৱা সোণ"।
২। দ্বিতীয় : শ্ৰেষ্ঠ দল ১) "এপাত অস্ত্ৰ"।
২) "অগ্নি যুগৰ ফিৰিঙতি মই"।
৩। তৃতীয় : শ্ৰেষ্ঠ দল "ইতিহাসত যাৰ নাম লিখা নহল"।

১। শ্ৰেষ্ঠ পৰিচালক : শ্ৰীজিতু গোস্বামী (হেৰুৱা-সোণ নাটকৰ)
২। শ্ৰেষ্ঠ অভিনেতা : শ্ৰীশিৱ হাজুৱাৰি (এপাত অস্ত্ৰ) শ্ৰীবিকাশ গগৈ (অগ্নিযুগৰ ফিৰিঙতি মই)
৩। সহঃ অভিনেতা : শ্ৰীহিৰেণ সোণোৱাল। (কোন কত চোৰ)
৪। শ্ৰেষ্ঠ অভিনেত্ৰী : শ্ৰীমতী জুলী শইকীয়া। [মাকৰ চৰিত্ৰ] নাটক : হেৰুৱাসোণ।
৫। সহ অভিনেত্ৰী : শ্ৰীমতী নগীমা দাস [বিধবা মাক] নাটক : এপাত অস্ত্ৰ।

**কইনা প্ৰতিযোগিতাৰ ফলাফল —**

১। প্ৰথম পুৰস্কাৰ : ১) জুবলী বড়া।
২। দ্বিতীয় " : ২) সীতা শৰ্ম্মা।
৩। তৃতীয় " : ১) ৰিঙ্কুমনি দাস।
২) অনীতা বৰপূজাৰী।

**তৰ্ক প্ৰতিযোগিতা ফলাফল**

"সদনৰ মতে অসমৰ অনগ্ৰসতাৰ বাবে যুৱ সমাজেই দায়ী।"

১। প্ৰথম স্থান : শ্ৰীমতী অঞ্জুমণি হাজৰিকা [সপক্ষে]
২। ২য় ,, : শ্ৰী ভাস্কৰজ্যোতি বসুমতাৰী [বিপক্ষে]
৩। ৩য় স্থান : ১) শ্ৰীমতী মন্তী খাউণ্ড [সপক্ষে]
২) শ্ৰী অঞ্জন বৰুৱা [বিপক্ষে]

**মৌন অভিনয় প্ৰতিযোগিতা ফলাফল —**

১। প্ৰথম স্থান : শ্ৰীমতী অঞ্জুমণি হাজৰিকা।
২। দ্বিতীয় " : ১] " জুলী শইকীয়া।
২] শ্ৰীলোহিত কোঁৱৰ।
৩। তৃতীয় স্থান : ১] শ্ৰী মইনুল হক।
২] " দেৱানন্দ সিং।



**কুইজ প্ৰতিযোগিতাৰ ফলাফল —**

1st Group— Nayanjyoti Dowerah.
Shomin Shisti.
Prasanta Bharali.
Bijoy Chetri.

2nd Group— Sri Rajani Kanta Gogoi
" Monjeet Borthakar.
" Sarat Borah.
Miss Monti Khowand

3rd Group— Prasanta Kr. Neog.
Sanjeev Kr. Gogoi
Miss Bornali Hazarika
Prasanta Phukan

**একক অভিনয় প্ৰতিযোগিতাৰ ফলাফল —**

১। প্ৰথম পুৰস্কাৰ : শ্ৰীশিৱ হাজুৱাৰী।
২। দ্বিতীয় " : ১) শ্ৰীমতী জুলী শইকীয়া।
২) শ্ৰী সোণমনি দাস।
৩। তৃতীয় পুৰস্কাৰ : শ্ৰীমতী অঞ্জুমনি হাজৰীকা।

# সাধাৰণ খেল বিভাগৰ প্ৰতিবেদন :

সম্পাদক — **শ্ৰীদিলিপ কুমাৰ দিহিঙ্গীয়া**

মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে স্বদেশ আৰু স্বজাতিৰ হকে বুকুৰ শোণিত নিগৰাই অথবা আইৰ বুকু শুদা কৰি জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকলৰ পবিত্ৰ আত্মাক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাস্পদ শিক্ষাগুৰু বৃন্দলৈ আৰু যি সকল ছাত্ৰ-ছাত্ৰীৰ অশেষ কষ্ট তথা সহায় সহযোগত মোক ডিব্ৰু মহাবিদ্যালয়ৰ সাধাৰণ খেল বিভাগৰ সম্পাদকৰ বাবে নিৰ্বাচিত কৰিলে সেই সকলোলৈকে শ্ৰদ্ধাৰে সুঁৱৰিছো।

আমাৰ মহাবিদ্যালয় খন অসমৰ ভিতৰতে এখন সৰ্ববৃহৎ মহাবিদ্যালয়। কিন্তু অতি পৰিতাপৰ কথা যে আমাৰ মহাবিদ্যালয়খনত খেলৰ বাবে যিমানখিনি বস্তুৰ প্ৰয়োজন সিমানখিনি নোহোৱাৰ বাবে (চটপুত ডিচ-কাচ্, জেভলিন, ওখ জাম্পৰ খুটা) বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম নহয়। এই বিষয়ে কলেজৰ কতৃপক্ষই আৰু বিভাগীয় মহোদয়ে এনে সমস্যাবোৰক আতঁৰাই মহাবিদ্যালয়খন প্ৰগতিৰ দিশত আগবঢ়াইনিবলৈ চেষ্টা কৰে যেন।

মোৰ কাৰ্য্যভাৰ গ্ৰহণৰ পাছত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অতি ক্ষীপ্ৰভাবে অনুষ্ঠিত হয় যদিও প্ৰতিযোগিতাৰ আকৰ্ষণীয় অংশ গ্ৰহণ তথা প্ৰতিযোগী সুলভ মনোভাৱৰ সচাঁকৈ আমাক প্ৰেৰণা যোগাইছিল। এই প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ভালেমান খেলুৱৈয়ে ব্যক্তিগত খেলত যোগদান কৰি সফল হ'ব নোৱাৰিলেও উন্নত মানৰ খেল প্ৰদৰ্শন কৰিব পাৰিছিল।

মোৰ কাৰ্য্য কালত অনুষ্ঠিত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ খেল-ধেমালিত সফলতা অৰ্জন কৰা খেলুৱৈ সকলৰ নাম আৰু প্ৰতিযোগীতা কৰা খেল সমূহ উল্লেখ কৰা হল।

**১০০ মিটাৰ দৌৰ**

**লৰাৰ –**

১ম– শ্ৰী মনোজ সোনোৱাল।

২য়—" ধৰ্মেন্দ্ৰ চাংমাই।

৩য়–১। শ্ৰী জেমি "

২। " ভাস্কৰ বন্দ্যোপাধ্যায়।

**ছোৱালীৰ –**

১ম — শ্ৰীমতী প্ৰণিতা মিলি।

২য় — " জুলি শইকীয়া।

৩য় — " জুনু মনি গগৈ।

**২০০ মিটাৰ দৌৰ**

**লৰাৰ–**

১ম— শ্ৰী মনোজ সোনোৱাল।

২য় – " ধৰ্মেন্দ্ৰ চাংমাই।

৩য়— " গদাধৰ মিলি।

**ছোৱালীৰ**

১ম — শ্ৰীমতী প্ৰণিতা মিলি।

২য় — " জুলি শইকীয়া।

৩য় — " পুতুলী কুৰ্মী।

**৪০০ মিটাৰ দৌৰ**

**লৰাৰ –**

১ম— শ্ৰী মনোজ সোনোৱাল।

২য়— " বিনোদ দেউৰী।

৩য় – " মোহন জিমে।

**ছোৱালী**

১ম – শ্ৰীমতী প্ৰণিতা মিলি।

২য় – " ৰেখা হাজৰীকা।

৩য় — " পুতুলী কুৰ্মী।

**৪×৪০০ মিটাৰ ৰিলেবেচ**

**লৰাৰ—**

প্ৰথম গ্ৰুপ ১। শ্ৰীমোহন জিমে

২। শ্ৰী মনোজ সোনোৱাল

৩। " টনুৰাম টাই।

২য় গ্ৰুপ ১। শ্ৰী দুৰ্গেশ্বৰ দেউৰী

২। " ঘনকান্ত শইকীয়া

৩। " ধৰ্মেন্দ্ৰ চাংমাই

৪। " চেলিম মিলি।

৩য় গ্ৰুপ ১। শ্ৰী নবকান্ত সোনোৱাল

২। " প্ৰনৱ বড়া

৩। " বিনোদ পাটোৱাৰী

৪। " অৰুণ কোঁৱৰ।

**ছোৱালী**

প্ৰঃ গ্ৰুপ ১। শ্ৰীমতী প্ৰণিতা মিলি

২। " জুনুমনি গগৈ

৩। " জুলি শইকীয়া

৪। " মিনু গগৈ

২য় গ্ৰুপ ১। শ্ৰীমতী মধুমিতা গগৈ

২। " বুলু কোঁৱৰ

৩। " দিব্যজ্যোতি সোনোৱাল

৪। " বৰ্ণালী

৩য় গ্ৰুপ ১। শ্ৰীমতী সীতা শৰ্মা

২। হিৰণ্য দত্ত

৩। ৰূপালী বড়া

৪। লক্ষীমী দলে

**১৫০০ মিটাৰ দৌৰ**

**লৰাৰ –**

১ম— শ্ৰী মনোজ সোনোৱাল

২য় - " টনুৰাম টাই

৩য়— " দ্বিজেন সোনোৱাল

**ছোৱালী –**

১ম–শ্ৰীমতী প্ৰণিতা মিলি

২য়— " জ্যোৎস্না সন্দিকৈ

৩য়– " পুতুলী কুৰ্মী

**৩০০০ মিটাৰ দৌৰ**

**লৰাৰ–**

১ম - শ্ৰীদুৰ্গেশ্বৰ দেউৰী

২য় – " টনুৰাম টাই

৩য়– " মোহন, মিলি

৪ৰ্থ — " ধৰ্মেন্দ্ৰ গোহাঁই

৫ম— " শৈলেন কুলি

**মাৰাথন দৌৰ**

প্ৰথম– শ্ৰীমনোজ সোনোৱাল

**চটফুটৰ ফলাফল**

**লৰাৰ–**

১ম— শ্ৰী ভক্ত হাজৰীকা

২য় – " প্ৰনব মিলি

৩য়— ১। শ্ৰী লক্ষীনাথ পায়েং

২। " টনুৰাম টাই

**ছোৱালী**

১ম — শ্ৰীমতী লক্ষীমা দলে

২য় – " কবিতা দেউৰী

৩য় – " বৰ্ণালী সোনোৱাল

**ডিচকাচ দলিওৱা**

১ম— শ্ৰী প্ৰনব মিলি

২য়— " টনুৰাম টাই

৩য়— " জ্যোতি প্ৰসাদ মিচিং

**ছোৱালী**

১ম— শ্ৰীমতী লক্ষীতা দলে

২য়— " কবিতা দেউৰী

৩য় - " মিনাক্ষী সোনোৱাল

**জেভলিন দলিওৱা**

**লৰাৰ –**

১ম — শ্ৰীলক্ষীনাথ পেগু





২য় — শ্ৰীকমল দলে

৩য় — " জ্যোতি প্ৰসাদ মিছিং

**ছোৱালী –**

১ম – শ্ৰীমতী মিনাক্ষী সোনোৱাল

২য় – ×

৩য় – ×

**দীঘল জাম্প**

**লৰাৰ –**

১ম – শ্ৰী ধৰ্মেন্দ্ৰ চাংমাই

২য় – শ্ৰী হেমন্ত হাজৰীকা

৩য় — ১। মনোজ সোনোৱাল

২। মানৱ ডেকা

**ছোৱালী –**

১ম – শ্ৰীমতী জুলি শইকীয়া

২য় – " জ্যোৎস্না সন্দিকৈ

৩য়— ১। " কবিতা দেউৰী

২। " প্ৰণিতা মিলি

৩। " মিনু গগৈ

**ওখ জাম্প লৰাৰ —**

১ম — শ্ৰী ৰধু প্ৰকাশ বন্দোপাধ্যায়

২য় — " তনোজ কুমাৰ সন্দিকৈ

৩য় — " মানৱ ডেকা

**ভেশচন প্ৰতিযোগিতা**

১ম— শ্ৰীজগনাথ ফুকন

২য় – ১। শ্ৰীনয়নজ্যোতি দুৱৰা

২। " সোনমনি দাস

৩য় " দিলিপ দিহিঙ্গিয়া

উপৰুক্ত প্ৰতিযোগী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত সকলো প্ৰকাৰে সহায় সহযোগ তথা দিহা পৰামৰ্শ দি সাধাৰণ খেল - বিভাগৰ দায়িত্বত থকা মাননীয় উপদেষ্টা মহোদয় শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন আৰু শ্ৰীযুত মহেশ কুমাৰ জৈন চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে বন্ধু ভবানন্দ, ৰূপম, ৰাতুল, গৌতম, ৰাজু, জয়ন্ত, ভবেশ, দিলীপ, দেৱ, চন্দন, ভাস্কৰ, বিশ্বজ্যোতি, অৰুপ আৰু জ্ঞাত-অজ্ঞাতভাৱে বিভিন্ন ক্ষেত্ৰত সহায় কৰা বন্ধু-বান্ধৱ, সকলক আন্তৰিক-ভাৱে ধন্যবাদ জনাইছো।

শেষত মোৰ ভুল ভ্ৰান্তিৰ বাবে অনিচ্ছাকৃত বা অজানিতে কৰা ভূল - ভ্ৰান্তিৰ বাবে শ্ৰদ্ধা-ভাজন শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো।

পৰিশেষত সদৌটি ডিব্ৰুয়ান-লৈ মোৰ অন্তৰৰ নিভৃত কোনৰ পৰা প্ৰণিপাত যচাঁৰ লগতে মহাবিদ্যালয়ৰ সকলো প্ৰকাৰৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় কলম সামৰিলো।

ধন্যবাদ

জয়তু ডিব্ৰু মহাবিদ্যালয়। ●

# সমাজ সেৱা বিভাগৰ প্ৰতিবেদন ঃ

সম্পাদক – **শ্ৰীশিৱাজী ফুকন।**

প্ৰতিবেদনৰ জপনামূখতে ১৯৯২ চনৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত সমাজ সেৱা বিভাগৰ সম্পাদকৰূপে প্ৰতিনিধিত্ব কৰিবলৈ দি যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুবিধা দিলে তেওঁ-লোকলৈ মোৰ শলাগৰ তথা কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহৰ ৫ তাৰিখে মই সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে কাৰ্য্য-ভাৰ গ্ৰহণ কৰো। মহাবিদ্যালয় এখনৰ সমাজ সেৱা বিভাগৰ দায়িত্ব নিচেই কম বুলিব নোৱাৰি। কিন্তু মোৰ কাৰ্য্যকালে কিমানখিনি কৰিলো সেয়া আপোনালোকৰ বিচাৰ্য। তথাপি সীমিত সা-সুবিধাৰ মাজেদিও কিবা এটা কৰাৰ ক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ মহাবিদ্যালয়ত পৰম্পৰাগত ভাৱে চলি অহা "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয় (৭ ফেব্ৰুঃৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ)। মহাবিদ্যালয়ৰ এই সপ্তবিংশতি্তম মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ কাৰ্য্য আছিল তোৰণ (Gate) সজা আৰু মঞ্চ আটক ধুনীয়াকৈ সজাই তোলা। মহাবিদ্যালয় সপ্তাহত যিসকল ডিব্ৰুয়ান বন্ধু-বান্ধৱীয়ে বিভিন্ন বিভাগত তেওঁলোকৰ সেৱা আগবঢ়ালে তাৰ স্বীকৃতিস্বৰূপে সমাজ সেৱা বিভাগৰ পৰা তেওঁলোকলৈ একোখনকৈ মানপত্ৰ আগবঢ়োৱা হয়।

মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ পাছতেই আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অভিযোগৰ সম্বন্ধে আলোচনা কৰাৰ লগতে শৈক্ষিক পৰিবেশৰ কেনেকৈ উন্নতি সাধন কৰিব পৰা যায় তাৰ কাৰণে প্ৰচেষ্টা চলোৱা হয়। মহাবিদ্যালয়ত প্ৰৱেশ কৰা নৱাগতসকলক ৰেগিংৰ উৎপীড়নৰ পৰা ৰক্ষা কৰিবলৈ আৰু ৰেগিঙক শিক্ষানুষ্ঠানৰ পৰা নিৰ্বাসন দিবলৈ চেষ্টা কৰিছিলো। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকলৰ সক্ৰিয় সহায়-সহযোগীতাও স্মৰণীয়।

মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ গগৈদেৱৰ লগত মহাবিদ্যালয়খনত দেখা দিয়া বিভিন্ন অভাৱ অভিযোগ তথা উন্নয়ণ মূলক কাম-কাজৰ সম্বন্ধে কেইবালানিও আলোচনা চলোৱা হয়। তেখেতৰ দিহা পৰামৰ্শ তথা সহায়-সহযোগত মহাবিদ্যালয় গৃহ ৰং দিয়া, হোষ্টেল গৃহ ৰং দিয়া, বৃক্ষৰোপন আদি মোৰ কাৰ্য্যকালৰ ভিতৰত কৰা কামৰ অন্তভূক্ত। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল, কৰ্ম্মচাৰীবৃন্দ আৰু ছাত্ৰ ছাত্ৰীসকল অহা যোৱা সুবিধাৰ্থে মহাবিদ্যালয়ৰ ৰাস্তাত মাটি, ইটা যোৱা বছৰটোত ঢুবাৰকৈ দিয়া হয়। এই কাম সম্পন্ন কৰিছিলো আমাৰ মহাবিদ্যালয়ৰ এন. চি. চি. (NCC) কেডেট সকলৰ সহায়ত।

প্ৰতিবেদনৰ শেষ সীমাত শলাগৰ শুৱাপাণ যাচিলো এই সকললৈ :–

